দেশপ্ৰাণ নগেন শৰ্মা ঃ জীৱন আৰু কৃতি

মুখ্য সম্পাদক

অধ্যাপক উপেন্দ্ৰ নাথ [illegible]

সম্পাদনা সমিতি

গুণীন হাজৰি[illegible]

ড° ৰমেশ পা[illegible]

নীলপৱন বৰু[illegible]

গিয়াছউদ্দিন আহ[illegible]

নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতি, অসম

দেশপ্ৰাণ নগেন শৰ্মা ঃ জীৱন আৰু কৃতি

"নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতি, অসম"ৰ দ্বাৰা প্ৰকাশিত সংকলন।

প্ৰথম প্ৰকাশ ঃ ৩১ জুলাই, ২০০০ চন।

প্ৰচ্ছদ-পট ঃ ৰেণু মিশ্ৰ

নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতি, অসম
মাৰফৎ ঃ নিউ বুক ষ্টল
পানবজাৰ, গুৱাহাটী- ১

অৱিহণা ঃ ৫০.০০ (পঞ্চাছ) টকা মাত্ৰ।

ছপা ঃ
ভবানী অফছেট এণ্ড ইমেজিং ছিষ্টেমছ্ প্ৰাঃ লিঃ
বাজগড় ৰোড, গুৱাহাটী- ৭৮১ ০০৭
ফোনঃ ৫২৪০৫৬, ৫২৮১৫৫ .

দুৱাৰমুখত

● গতিশীল জাতি একোটাই নিজৰ ঐতিহ্যৰ সন্ধান কৰে। হেৰাই যোৱা ইতিহাসৰ গৌৰবোজ্জ্বল সমলেৰে বৰ্তমানৰ বুকুত থিয় হৈ বিকাশমুখী জাতিসত্বাই ভৱিষ্যতৰ সোণালী সপোনৰ ৰহঘৰা সাজে।

● নটসূৰ্য ফণী শৰ্মা অসম বুৰঞ্জীৰ স্বৰ্ণ স্বাক্ষৰ। জীৱদ্দশাতেই কিংবদন্তীস্বৰূপ হৈ পৰা এই স্বভাৱ শিল্পীজনে মঞ্চৰ আৰু ৰূপালী পৰ্দাৰ হাঁহি-কান্দোনৰ মাজতেই সন্ধান কৰিছিল সাধাৰণ মানুহৰ বুকুৰ আশা-আকাংশা, সুখ-দুখৰ। এফালে সংকীৰ্ণ চিন্তা ধাৰাৰ বিৰুদ্ধে তেখেতে যিদৰে জেহাদ ঘোষণা কৰিছিল, আনহাতে মানবীয় প্ৰমূল্যবোধক উৰ্দ্ধত তুলি ধৰাৰ বাবে তেনেদৰে আপোচহীন সংগ্ৰামৰ [illegible]কিত পথেৰে বাট বুলিছিল।

● সময়ে পাহৰি যাব খোজা এই মনীষাজনক অসমৰ [illegible] জীৱনত জী[illegible] ৰখাৰ বাবে গুৱাহাটীৰ পৰা প্ৰকাশিত 'প্ৰজন্ম' না[illegible] আ[illegible]নৰ উদ্যো[illegible] ১৯৯৬ চনৰ আগষ্ট মাহত এক আন্তৰিক প্ৰচেষ্টা চলোৱা হয়। [illegible] 'নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতি, অসম' নামৰ অনুষ্ঠানটিৰ জন্ম।

● সোঁৱৰণী সমিতিৰ তত্বাৱধানত ১৯৯৭ চনৰ ৩১ জুলাইৰ পৰা ০৬ [illegible]লৈ বিভিন্ন কাৰ্যসূচীৰে গুৱাহাটীত এটি 'সোঁৱৰণী সপ্তাহ' উদ্‌যাপন কৰা হয়। সেই উপলক্ষে অন্যান্য কাৰ্যসূচীৰ লগতে অধ্যাপক উপেন্দ্ৰ নাথ শৰ্মাৰ সম্পাদনাত 'নটসূৰ্য ফণী শৰ্মাঃ জীৱন আৰু কৃতি' শীৰ্ষক এখনি মূল্যবান সংকলন প্ৰকাশ কৰি উলিওৱা হয়।

● আকৌ ১৯৯৮ চনৰ ১৭ আৰু ১৮ জানুৱাৰীত বিভিন্ন কাৰ্যসূচীৰে নলবাৰীত আমি 'শিল্পী দিবস' উদ্‌যাপন কৰোঁ। 'শিল্পী দিবস' উপলক্ষে শিল্পী-সম্বৰ্দ্ধনা, আলোচনা-চক্ৰ, নাট্যাভিনয় আদিৰ লগতে অধ্যাপক শশী শৰ্মা ৰচিত 'আমাৰ নটসূৰ্য' নামৰ শিশু গ্ৰন্থখনি প্ৰকাশ কৰি উলিওৱা হয়।

● ১৯৯৮ চনৰ ৩১ জুলাই আৰু ০১ আগষ্ট তাৰিখে গুৱাহাটীত উদ্‌যাপন কৰা 'দ্বিতীয় বাৰ্ষিক নটসূৰ্য সোঁৱৰণী দিবস' উপলক্ষে অন্যান্য কাৰ্যসূচীৰ লগতে আমি 'অসমৰ নাট্য-পৰম্পৰা আৰু গতিধাৰা' শীৰ্ষক গ্ৰন্থখনি প্ৰকাশ কৰি উলিয়াইছোঁ। বিশিষ্ট লেখক ফণী তালুকদাৰক মুখ্য সম্পাদক হিচাপে লৈ গঠিত চাৰিজনীয়া সম্পাদক মণ্ডলীয়ে পুথিখন সম্পাদনা কৰিছে।

● অসমৰ সাহিত্য-সংস্কৃতি জগতৰ একনিষ্ঠ সাধক ফণী তালুকদাৰ আমাৰ

সমিতিৰ প্ৰতিষ্ঠাপক সম্মানীয় কাৰ্যনিৰ্বাহক সদস্য আছিল। তিনিটা বছৰে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি তেখেতে আমাৰ সংগঠনক সমৃদ্ধ কৰিছে। যোৱা ১৯৯৮ চনৰ ৩০ অক্টোবৰ তাৰিখে তেখেতৰ জন্ম দিনৰ দিনা গুৱাহাটীত আমি অনুষ্ঠিত কৰিছিলোঁ 'ফণী তালুকদাৰ সম্বৰ্ধনা সভা'। সিদিনা উন্মোচন কৰিছিলো আমাৰ দ্বাৰা প্ৰকাশিত তেখেতৰ শেহতীয়া প্ৰবন্ধ-সংকলন 'সাম্প্ৰতিক চিন্তা'।

● ১৯৯৯ চনৰ ৩১ জুলাইৰ পৰা ০৬ আগষ্টলৈ সাতদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত উদ্‌যাপন কৰিবলৈ লোৱা 'তৃতীয় বাৰ্ষিক নটসূৰ্য সোঁৱৰণী দিৱস আৰু নাট মহোৎসৱ' উপলক্ষে অন্যান্য কাৰ্যসূচীৰ লগতে আমি 'অসমৰ লোক সংস্কৃতি' শীৰ্ষক সংকলনখনি প্ৰকাশ কৰি উলিয়াইছোঁ। অধ্যাপক উপেন্দ্ৰ নাথ শৰ্মাক মুখ্য সম্পাদক হিচাপে লৈ গঠিত পাঁচজনীয়া সম্পাদক মণ্ডলীয়ে এই পুথিখনি সম্পাদনা কৰিছে।

● আমাৰ সংগঠনৰ জন্মদাতা, সভাপতি দেশপ্ৰাণ নগেন শৰ্মা দেৱৰ যোৱা ২৭ ফেব্ৰুৱাৰী তাৰিখে আততায়ীৰ আক্ৰমণত মৃত্যু হয়। তেখেতৰ মৃত্যুত দেশ তথা জাতিয়ে হেৰুৱালে এজন অক্লান্ত সেৱক আৰু আমি হেৰুৱালো আমাৰ পথ প্ৰদৰ্শকক।

● এইবেলি ২০০০ চনৰ ৩১ জুলাইৰ পৰা ০৬ আগষ্টলৈ সাতদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত আমি চতুৰ্থ বাৰ্ষিক "নটসূৰ্য দিৱস আৰু দেশপ্ৰাণ নগেন শৰ্মা সোঁৱৰণী নাট সমাৰোহ" অনুষ্ঠিত কৰিবলৈ লৈছো। অন্যান্য কাৰ্যসূচীৰ লগতে 'দেশপ্ৰাণ নগেন শৰ্মা ঃ জীৱন আৰু কৃতি' শীৰ্ষক এই গ্ৰন্থখনি প্ৰকাশ কৰি উলিয়াইছো। অধ্যাপক উপেন্দ্ৰ নাথ শৰ্মাক মুখ্য সম্পাদক হিচাপে লৈ গঠিত পাঁচ জনীয়া সম্পাদক মণ্ডলীয়ে এই পুথিখন সম্পাদনা কৰিছে।

● আমি পৰিকল্পনা কৰা মতে বহুতো ব্যক্তিৰ পৰা লেখনি নোপোৱাৰ কাৰণে তথা আন বহুতো সীমাবদ্ধতাৰ বাবে ভৱা ধৰণে গ্ৰন্থখনি প্ৰকাশ কৰিব পৰা নগ'ল। তথাপি এইখনে ৰাইজৰ সমাদৰ পালে আনন্দিত হ'ম।

গুণীন হাজৰিকা
সভাপতি

গিয়াছউদ্দিন আহমেদ
সাধাৰণ সম্পাদক

নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতি, অসম

৩১ জুলাই, ২০০০, গুৱাহাটী।

মুখ্য সম্পাদকৰ কলম

দেশপ্ৰাণ নগেন শৰ্মাৰ পৰলোকত ৰাজ্যখনৰ অপূৰণীয় ক্ষতি হ'ল। স্বপ্নদ্ৰষ্টা এই বিৰল প্ৰতিভাধৰ ব্যক্তি গৰাকীয়ে তেওঁৰ পঞ্চল্লিচ বছৰীয়া চুটি জীৱনত অনেক পৰিকল্পনা কৰিছিল। তাৰে ভালেমান কাৰ্য্যত পৰিণত হ'ল যদিও কেতবোৰ অসম্পূৰ্ণ হৈ থাকিল। তেওঁ অহোপুৰোষাৰ্থ কৰি নিজ হাতে গঢ়া 'নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতি'ক লৈ ভালেমান সপোন দেখিছিল। তেওঁ অসমৰ সংস্কৃতিৰ পুনৰুজ্জীৱন বিচাৰিছিল আৰু অসমত এটি নাট্য আন্দোলন গঢ়ি তুলিবলৈ সংকল্প গ্ৰহণ কৰিছিল। মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁ সমিতিৰ সভাপতি ৰূপে থাকি তাক দক্ষতাৰে পৰিচালনা কৰিছিল। এই গৰাকী বৰেণ্য ব্যক্তিৰ বহু মাত্ৰিক অবদানৰ কথা সুঁৱৰিবলৈ সমিতিৰ তৰফৰ পৰা 'দেশপ্ৰাণ নগেন শৰ্মা : 'জীৱন আৰু কৃতি' নামেৰে এখন স্মৃতি গ্ৰন্থ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। সমিতিৰ সিদ্ধান্ত মৰ্মে আমি ভালেমান সদাশয় ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচাৰিছিলো। তেওঁলোকে আমাৰ অনুৰোধত সহাঁৰি দি তেওঁলোকৰ বহুমূলীয়া ৰচনাৰে আমাৰ প্ৰচেষ্টাত অৰিহণা যোগালে। তাৰ বাবে আমি তেওঁলোকৰ ওচৰত কৃতজ্ঞ। স্মৃতিচাৰণ আৰু জীৱনালেক্ষ্যৰ উপৰিও শৰ্মাৰ চিন্তা জগতৰ লগত সংশ্লিষ্ট লোকসংস্কৃতি আৰু পৰ্য্যটন আদিৰ বিষয়ে প্ৰবন্ধ সংগ্ৰহ কৰি সন্নিবিষ্ট কৰা হ'ল। শৰ্মা দেৱ নিজেও এগৰাকী আগ শাৰীৰ প্ৰবন্ধকাৰ আছিল। গ্ৰন্থখনত তেওঁৰ দ্বাৰা ৰচিত 'লোকসংস্কৃতি অধ্যয়নৰ প্ৰয়োজনীয়তা', 'অসমৰ নাট্য আন্দোলন আৰু প্ৰাসংগিক চিন্তা' আৰু Assam's boundary disputes and forest life প্ৰবন্ধ কেইটা তেওঁৰ ৰচনাৰ আৰ্হি স্বৰূপে স্মৃতি গ্ৰন্থখনিত সন্নিবিষ্ট কৰা হ'ল।

'নটসূৰ্য সোঁৱৰণী সমিতি'ৰ বৰ্ত্তমান সভাপতি গুণীন হাজৰিকা আৰু সম্পাদনা সমিতিৰ সদস্যবৃন্দই তেওঁলোকৰ বহুমূলীয়া পৰামৰ্শৰে আমাক বিশেষভাৱে সহায় কৰিছে। তেওঁলোকক আমি আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। সোঁৱৰণী সমিতিৰ সাধাৰণ সম্পাদক গিয়াছউদ্দিনৰ উদ্যোগ অবিহনে এই সংগ্ৰহটো প্ৰকাশ কৰাটো সম্ভৱপৰ হৈ নুঠিলহেঁতেন। তেওঁৰ শলাগ ললো।

গুৱাহাটী
৩১ জুলাই, ২০০০ চন।

উপেন্দ্ৰনাথ শৰ্মা
মুখ্য সম্পাদক

দেশপ্ৰাণ নগেন শৰ্মাৰ জীৱন পঞ্জী

নলবাৰী জিলাৰ গামাৰীমুৰি গাঁৱত নাগেশ্বৰ শৰ্মাৰ জন্ম হৈছিল। তেখেতে ঢাকাত আয়ুৰ্বেদ চিকিৎসা শাস্ত্ৰৰ অধ্যয়ন কৰি গুৱাহাটী আয়ুৰ্বেদ প্ৰতিষ্ঠানত জড়িত হৈছিল। ১৯৩৮ চনত তেজপুৰলৈ যায় আৰু দেশপ্ৰাণ লক্ষীধৰ শৰ্মা পথৰ কাষতে ঘৰবাৰী কৰি স্থায়ী ভাৱে থাকিবলৈ লয়। পিতৃ স্বৰ্গীয় নাগেশ্বৰ শৰ্মাৰ ঔৰসত আৰু মাতৃ নবিনী বালা দেৱীৰ গৰ্ভত ১৯৫৪ চনৰ ৯ মে' তাৰিখে দেশপ্ৰাণ নগেন শৰ্মাৰ জন্ম হয়। শৰ্মাৰ আন দুজন ভ্ৰাতৃ ক্ৰমে শ্ৰীভূপেন শৰ্মা আৰু শ্ৰীবীৰেণ শৰ্মা। দুগৰাকী ভগ্নী শ্ৰীমতি নিৰদা দেৱী (মইনা) আৰু শ্ৰীমতী অনুদেৱী।

স্বৰ্গীয় নগেন শৰ্মাই প্ৰথমে তেজপুৰৰ প'ল ফিল্ড প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তি কৰে যদিও পাঁচত তেজপুৰৰ চিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক পৰ্যায়ৰ শিক্ষা সাং কৰে। তেজপুৰ একাডেমীৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ তেজপুৰ মহাবিদ্যালয়ত নাম ভৰ্তি কৰে আৰু ইয়াৰ পৰাই কলাস্নাতক ৰূপে উত্তীৰ্ণ হয়।

স্কুলীয়া কালৰ পৰাই তেওঁ অভিনয়, আবৃত্তি, তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, আদিত অংশ গ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱাইছিল। সামাজিক সাংস্কৃতিক অনুষ্ঠান গঢ়াতো আগভাগ লৈছিল। ছাত্ৰ অৱস্থাতে চিত্ৰায়ন নামৰ অনুষ্ঠান এটি গঠন কৰি ভালেমান গঠনমূলক কামত ব্ৰতী হৈছিল। 'অৰ্চনা' নামৰ আলোচনী এখনো প্ৰকাশ কৰাত অগ্ৰণী ভূমিকা লৈছিল। কলাগুৰু বিষ্ণুৰাভাৰ ৭ তম মৃত্যু বাৰ্ষিকী উদ্‌যাপন সমিতিৰ সম্পাদক স্বৰ্গীয় নগেন শৰ্মাই ৰাভাৰ গীত আৰু কবিতা সংকলন 'সুৰৰে দেউলৰে' নামৰ পুথি এখন প্ৰকাশ কৰে। তেওঁৰ মধ্য তেজপুৰৰ বিশ্বসন্মিলনকে ধৰি ভালেমান অনুষ্ঠানৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছিল। গুৱাহাটীত নটসূৰ্য ফণী শৰ্মাৰ সৌৰৰণত নাট মহোৎসৱ আয়োজনৰ গুৰি ধৰিছিল নগেন শৰ্মাই। এই অনুষ্ঠানৰ যোগেদি মূল্যবান গ্ৰন্থও প্ৰকাশ কৰিছিল। নলবাৰীৰ ভালেকেইটা সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈছিল। স্বৰ্গীয় শৰ্মাই আজৰি সময়ত ভালেকেইটা মূল্যবান প্ৰবন্ধ ৰচনা কৰিছিল। আন্দোলনৰ সময়ত 'সমন্বয়' নামৰ বাৰ্তালোচনীৰ লগত জড়িত আছিল। ৰাজনৈতিক কৰ্মক্ষেত্ৰত

অধিক সক্ৰিয় হোৱাত কলা সংস্কৃতিৰ সাধানত গভীৰভাৱে মনোনিৱেশ কৰিব নোৱাৰিলে।

সদৌ অসম ছাত্ৰ সন্থাৰ অগ্ৰণী সৈনিক

স্বৰ্গীয় নগেন শৰ্মাৰ জীৱন সদৌ অসম ছাত্ৰ সন্থাৰ লগত একাত্ম হৈ আছিল। তেজপুৰতে আৰম্ভ হৈছিল এক সুদীৰ্ঘ যাত্ৰা। তেজপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক, তেজপুৰ কলেজ ছাত্ৰসন্থাৰ সাধাৰণ সম্পাদক, দৰং জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক, সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আৰু উপদেষ্টা ৰূপে বিভিন্ন গুৰুত্বপূৰ্ণ দায়িত্ব বহন কৰিছিল। তেলশোধনাগাৰ আন্দোলন, মাধ্যম আন্দোলন আৰু বিদেশী বহিস্কাৰ আন্দোলনত নগেন শৰ্মাই বিশেষ ভূমিকা লৈছিল। ছাত্ৰ সন্থাৰ কৰ্মী হিচাপে তেওঁ নিষ্ঠাবান, কৰ্মদক্ষ কৰ্মীৰ লগত গঢ়ি তুলিছিল সৌহাৰ্দ্যমূলক সম্পৰ্ক।

অসম গণ পৰিষদত স্বৰ্গীয় শৰ্মা

১৯৮৫ চনৰ ঐতিহাসিক অসম চুক্তি সম্পাদনৰ পাছত গোলাঘাটত অনুষ্ঠিত হোৱা ৰাজনৈতিক অভিবৰ্তনত অসম গণ পৰিষদ দলৰ জন্ম হয়। দলৰ জন্মলগ্নত স্বৰ্গীয় নগেন শৰ্মাই কেন্দ্ৰীয় সমিতিৰ বিত্ত সম্পাদক ৰূপে দায়িত্ব লয়। তেওঁ বিত্ত সম্পাদক আৰু পৰৱৰ্তী কালত সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত হয়। ১৯৮৫ চনত অসম বিধান সভা নিৰ্বাচনত স্বৰ্গীয় নগেন শৰ্মাই নলবাৰী সমষ্টিৰ পৰা অসম গণ পৰিষদৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচিত হয়। ইয়াৰ পাছত নলবাৰীৰ পৰা বিধানসভালৈ দুবাৰ নিৰ্বাচিত হয়। অসম গণ পৰিষদৰ প্ৰথম মন্ত্ৰীসভাত পশুপালন আৰু বেচৰ্ম দপ্তৰৰ দায়িত্বত আছিল। ১৯৯১ চনত বিৰোধীদলৰ বিধায়ক হিচাপে বলিষ্ঠ ভূমিকা লৈছিল। ১৯৯৬ চনৰ পৰা প্ৰথমে বন দপ্তৰ, পাছত গড়কাপ্তানী দপ্তৰৰ মন্ত্ৰীৰ দায়িত্বত আছিল।

বিবাহ

অসম আন্দোলনৰ সমৰ্থন জনাই আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ সুদূৰ গুজৰাটৰ পৰা অসমলৈ আহিছিল শ্ৰীমতী অলকা দেশাই শৰ্মা। অসমৰ সমাজ জীৱনে, অসমৰ মানুহে মুগ্ধ কৰিলে গুজৰাটৰ জীয়ৰী অলকা দেশাইক। তেওঁ ভালপালে অসমক, অসমৰ মানুহক। অসম আৰু অসমৰ মানুহক ভাল পোৱা নগেন শৰ্মাৰ মাজত মিল বিচাৰি পালে অলকা দেশাইয়ে। ১৯৮৯ চনত দুয়ো বিবাহ পাশত আবদ্ধ হ'ল। তেওঁলোকৰ যুগ্ম জীৱনৰ স্বাক্ষৰ পাৰমিতা, তেওঁলোকৰ একমাত্ৰ জীয়ৰী।

গুজৰাটৰ বিশিষ্ট শিক্ষাবিদ ডি. দেশাইৰ একমাত্ৰ কন্যা অলকা দেশাই। সময় পালেই তেওঁ অলকাৰ কাষলৈ আহি সঙ্গ দিয়ে। ৰাজনৈতিক আৰু সামাজিক জীৱনত আহৰি উলিয়াই নগেন শৰ্মাই পৰিয়ালৰ লগত নিৰলে কটাবলৈ সময় নেপালে। সদাব্যস্ত নগেন শৰ্মাৰ জীৱনলৈ সেই সময় নাহিল।

২৭ ফেব্ৰুৱাৰীৰ দুৰ্ভগীয়া দিনটো

কেইমাহমান ধৰি নগেন শৰ্মা ব্যস্ত আছিল ৰাজ্যখনৰ বাট-পথ, দলং নিমাণ, ফ্লাইঅভাৰ নিৰ্মাণ, গুৱাহাটীক আটক ধুনীয়া কৰি তোলাত ; ভাঙি-চিঙি যোৱা ৰাষ্ট্ৰীয় ঘাইপথ সমূহ মেৰামতি কৰাত। নলবাৰী সমষ্টিৰ বাট-পথ, দলং, শিক্ষানুষ্ঠান, ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠানৰ উন্নয়নত গভীৰভাৱে মনোনিবেশ কৰিছিল। তাৰ মাজতে ২২ ফেব্ৰুৱাৰী তাৰিখে পুৰণি দৰং জিলাৰ পুৰণি সতীৰ্থসকলক নিমন্ত্ৰণ কৰি প্ৰীতি ভোজৰ আয়োজন কৰিছিল। একেলগে ফটোও উঠিলে। বিদায় ললে সকলোৰে পৰা। কোনে জানিছিল সতীৰ্থৰ পৰা এয়াই আছিল তেওঁৰ শেষ বিদায় সম্ভাষণ। ২৪ ফেব্ৰুৱাৰীত পিতৃপুৰুষৰ জন্মভূমি নলবাৰীৰ গামেৰীমূৰিৰ পুৰণি ভেঁটিত সকলোৰে লগত এসাজ খাই খোজকাঢ়ি ফুৰিলে গাওঁখনত। কোনেবা জানিছিল এয়াই আছিল তেওঁৰ প্ৰিয় গাওঁখনৰ শেষ দৰ্শন। আপোন সকলোকে দেখা কৰিলে। তেওঁৰ প্ৰিয় কন্যা পৰামিতাক মানুহ কৰাৰ দায়িত্ব দিলে পত্নী অলকাক। এইদৰেই আৰম্ভ কৰিলে শেষযাত্ৰা। তেওঁৰ প্ৰিয় গাড়ীচালক মন্টু, ব্যক্তিগত সচিব মাখন বৰপাত্ৰ গোহাঁই, বিশিষ্ট সমাজকৰ্মী প্ৰণবেশ বৰুৱাকো লগত ল'লে। দেহৰক্ষী শৰৎ বৰুৱাও। প্ৰথমতে মন্টু আৰু বৰপাত্ৰ গোহাঁই যোৱাৰ কথা নাছিল। জীৱনৰ প্ৰতিটো মুহূৰ্ত্তে সদাব্যস্ত নগেন শৰ্মাই দিনজোৰা কাৰ্য্যসূচীলৈ নলবাৰীলৈ ২৭ ফেব্ৰুৱাৰী তাৰিখ পুৱা ন বজাত ৰাওনা হ'ল। ব্যস্ত কাৰ্য্যসূচীৰ মাজতে দক্ষিণ নলবাৰী কলেজৰ এখন সভালৈ (বাঁহজানি) যাওতে বাটতে বোমাৰ বিস্ফোৰণত জীৱনৰ বন্তি নিৰ্বাপিত হ'ল চিৰকাললৈ।

Dr. Bhupen Hazarika

* নগেন জুয়েপোৰা তিৰাশীত মোৰ সহকৰ্মী আছিল।।

জুই, ধুমুহাৰ মাজে মাজে সমগ্ৰ অসমত মোক লৈ ফুৰিছিল।।

দুস্কৃতিৰ বিৰুদ্ধে সংস্কৃতিৰে সমাজত শান্তি আনিব পাৰি বোলা তথ্য লৈ

আমি সদৌ অসমৰ বিষয়ত অঞ্চল সমূহ ঘুৰি ফুৰিছিলোঁ।।

আজি নগেন নাই—। এইবাৰ সাহস পাই অসমৰ ইনফ্ৰাষ্ট্ৰাকচাৰ উন্নত কৰিব খুজিছিল।। গুৱাহাটীক "মহানগৰী" কৰি সজাব বিচাৰিছিল।।

অসমৰ নতুন পুৰুষে এতিয়া নগেনৰ সপোন বাস্তব কৰাৰ পণ লৈছে।।

* নগেনৰ সহযাত্ৰী মৃতক সকলৰ আত্মা শান্তিত থাকক

* নগেন অমৰ হওক।।

— ভূপেন হাজৰিকা

সূচীপত্র

❖ প্ৰথম অধ্যায় ❖ স্মৃতিচাৰণ ❖ পৃষ্ঠা

○ প্ৰফুল্ল কুমাৰ মহন্ত ১
○ ড° অলকা শৰ্মা ৪
○ গুণীন হাজৰিকা ৬
○ ভূপেন চক্ৰবৰ্ত্তী ৮
○ নীলপৱন বৰুৱা ১৩
○ নিৰদা চক্ৰবৰ্ত্তী ১৭
○ প্ৰণৱ বৰা ১৯

❖ দ্বিতীয় অধ্যায় ❖ বিশেষ নিবন্ধ ❖

○ অধ্যাপক ডি. এছ. দেশাই ২৪
○ অধ্যাপক উপেন্দ্ৰ নাথ শৰ্মা ৩২
○ অধ্যাপক ড° ৰমেশ পাঠক ৩৯
○ অধ্যাপক ড° নবীন চন্দ্ৰ শৰ্মা ৫৩
○ অধ্যাপক ড° বসন্ত কুমাৰ ভট্টাচাৰ্য ৬১
○ ৰঞ্জিত কুমাৰ শৰ্মা ৭০
○ শোভন ব্যাস ৭৪
○ ৰাজশ্ৰী শৰ্মা ৭৬
○ মোহন চন্দ্ৰ মালাকৰ ৮৩
○ গিয়াছউদ্দিন আহমেদ ৮৮

❖ তৃতীয় অধ্যায় ❖ সম্পৰ্কিত আলোচনা ❖

○ ড° মঞ্জু গোস্বামী ১০২
○ গিয়াছউদ্দিন আহমেদ ১১১

❖ চতুৰ্থ অধ্যায় ❖

○ নগেন শৰ্মাৰ নিজা লেখা ১১৪
○ বাতৰি কাকতৰ উদ্ধৃতি ১৩৭
○ বিধান সভাৰ প্ৰশ্নোত্তৰ ১৪৮

প্রথম অধ্যায়

।। স্মৃতিচারণ ।।

সংগ্ৰামী সতীৰ্থ সুহৃদ নগেন শৰ্মাৰ সোঁৱৰণত

প্ৰফুল্ল কুমাৰ মহন্ত

এক অৰ্থহীন আক্ৰোশৰ বলি হ'ল সতীৰ্থ নগেন শৰ্মা। অপ্ৰত্যাশিত আৰু অভাৱনীয়ভাৱে। ঠিক কেতিয়া লগ পাইছিলো এতিয়া মনত নাই। কিন্তু এবাৰ কথা ন-দি ক'ব পাৰো—লগ পোৱাৰ দিনৰে পৰা মৃত্যুৰ আগমুহূৰ্ত্তলৈ কোনো সময়তে মানুহজনক ক্ষন্তেকৰ বাবেও অলসভাৱে বহি থকা দেখা নেপালোঁ। ছাত্ৰ অৱস্থাৰে পৰা মন্ত্ৰীলৈকে অনবৰতে তেওঁক ব্যস্ত হৈ থকা দেখিলো অসম আৰু অসমবাসীৰ স্বাৰ্থ ৰক্ষাৰ চিন্তাত।

সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত বিদেশী নাগৰিক বহিষ্কৰণৰ যি আন্দোলন চলিছিল, নগেন শৰ্মা তাৰ অন্যতম গুৰিয়াল। সদৌ অসম ছাত্ৰ সন্থা তেতিয়া সিমান সু-সংগঠিত নাছিল। কিন্তু নগেন শৰ্মাৰ দৰে প্ৰাণৱন্ত লোকেই ছাত্ৰসন্থাক শক্তিশালী কৰিলে। ছবছৰতকৈ অধিক কাল সমগ্ৰ অসম ব্যাপি চলা আন্দোলনটোৰ ইতিহাস আছিল বহু আশা-নিৰাশা আৰু ঘাট-প্ৰতিঘাতেৰে ভৰা। চৰকাৰী নিৰ্যাতন, সংগঠনৰ সীমাহীন সমস্যা সকলোবোৰ হাঁহিমুখে গ্ৰহণ কৰাই নহয় বৰং আন্দোলনটোৰ ৰণ-কৌশল নিৰ্দ্ধাৰণতো অগ্ৰণী ভূমিকা পালন কৰিছিল নগেন শৰ্মাই। আন্দোলনৰ কাৰ্যসূচীসমূহ সফল আৰু ফলপ্ৰসূ কৰি তুলিবলৈ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিৰামহীনভাৱে ঘূৰি ফুৰিছিল। এইদৰে আন্দোলনৰ কামত ঘূৰি ফুৰোতে চৰকাৰী নিৰ্যাতনৰ বলি হোৱা আন্দোলনকাৰীসকলৰ দুখ-কষ্টই নগেন শৰ্মাক ব্যথিত কৰি তোলাও দেখিছিলো। কিন্তু এই সকলোবোৰৰ পিছতো নিজৰ লক্ষ্য সাধনৰ ক্ষেত্ৰত মানুহজন আছিল অবিশ্বাস্য ধৰণে দৃঢ়।

আন্দোলনটোৰ সমাপ্তিৰ পিছতো জাতীয়তাবাদী সত্তাটোক ৰাজনৈতিক শক্তিলৈ পৰিবৰ্তন কৰাৰ ক্ষেত্ৰতো নগেন শৰ্মা আছিল তৎপৰ। শৰ্মাৰ দৃঢ় বিশ্বাস আছিল বাহিৰৰ পৰা পৰিচালিত ৰাজনৈতিক শক্তিয়ে নহয় বৰং অসমৰ স্বাৰ্থ সম্পূৰ্ণ সুৰক্ষিত কৰিব পাৰে ৰাজ্যখনৰ জাতীয়তাবাদী ৰাজনৈতিক শক্তিয়েহে। ছাত্ৰসন্থাৰ দৰে অসম গণ পৰিষদৰো সাংগঠনিক দিশৰ গুৰি ধৰিবলৈ আগবাই আহিছিল নগেন শৰ্মা।

মূলতঃ নগেন শৰ্মাৰ দৰে দক্ষ সংগঠকৰ বাবেই ঠন ধৰি উঠিছিল অসম গণ পৰিষদ দল। অসম আৰু অসমবাসীৰ প্ৰতি থকা এনে তুলনাবিহীন মৰম-চেনেহৰ বাবেই ১৯৮৫ চনত নলবাৰীৰ ৰাইজে নগেন শৰ্মাক বিধানসভালৈ প্ৰতিনিধি নিৰ্বাচিত কৰি পঠিয়ালে। এই দায়িত্বই মানুহজনক আৰু অধিক পৰিশ্ৰমী কৰি তুলিলে। ৰেচম, পশুপালন আদিৰ দৰে দপ্তৰৰ মন্ত্ৰীত্বৰ দায়িত্বও নিষ্ঠাৰে পালন কৰি নগেন শৰ্মাই অসম বিধান সভাতো সক্ৰিয় ভূমিকা পালন কৰিছিল। ১৯৯৬ চনত দ্বিতীয় বাৰৰ বাবে অসম মন্ত্ৰীসভাৰ সভ্য হৈছিল নগেন শৰ্মা। বন আৰু গড়কাপ্তানীৰ দৰে দুটাকৈ বিভাগৰ দায়িত্বয়ো আহুকালত পেলাব পৰা নাছিল মানুহজনক। পুৱাৰ পৰা নিশালৈ, দিছপুৰৰ পৰা গড়গাঁৱলৈ অথবা যিকোনো প্ৰান্তলৈ ঢপলিয়াই ফুৰিছিল নগেন শৰ্মা। অসমৰ সৰ্বাঙ্গীন বিকাশৰ বাবে বাট-পথ, দলংসমূহ নিৰ্মাণ বা মেৰামতি যে খুবেই প্ৰয়োজন সেই কথা উপলব্ধি কৰিয়েই নগেন শৰ্মা তৎপৰ হৈ উঠিছিল। গুৱাহাটী মহানগৰীৰ বাট-পথসমূহ সম্প্ৰসাৰণ কৰা যে জৰুৰী সেই কথা নগেন শৰ্মাই মহানগৰবাসীক হৃদয়ঙ্গম কৰাব পাৰিছিল আৰু সেইবাবে এই কাম সহজভাবে অথচ তৎপৰতাৰে আগবাঢ়িছিল। পানবজাৰৰ অভাৰ ব্ৰিজখনৰ সম্প্ৰসাৰণ, গণেশগুৰি, উলুবাৰীৰ ফ্লাই অভাৰ নিৰ্মাণ আৰু জালুকবাৰীত ৰ'টাৰী পইন্ট সজা এইবিলাক কামো নগেন শৰ্মাই বহুদূৰ আগবঢ়াই আনিছিল। ৰাজ্যখনৰ স্থায়ী ৰাজধানী নিৰ্মাণৰো শুভাৰম্ভ হৈছিল নগেন শৰ্মাৰ তৎপৰতাৰ ফলতেই। একেদৰে কাজিৰঙা অভয়াৰণ্যৰ সম্প্ৰসাৰণৰ বাবেও ভালেমান ব্যৱস্থা হাতত লৈছিল তেওঁ। নলবাৰী সমষ্টিটোলৈ চকু দিয়া, দলৰ সংগঠনৰ দায়িত্বৰ উপৰি এই সকলোবোৰ কাম-কাজ নগেন শৰ্মাই নিয়াৰিকৈ চম্ভালিছিল। স্বাভাৱিক অৱস্থাত এয়া হয়টো খুব অসুবিধাজনক নহ'লহেঁতেন, কিন্তু আমাৰ ৰাজ্যখনৰ আজিৰ পৰিস্থিতি জটিল। ভাল কাম, গঠনমূলক কাম কৰিবলৈ যাওঁতে পদে পদে বাধা আছে। ৰাজ্যখনত বিদেশী শত্ৰুৰ শেন চকু পৰিছে। আমাৰ বিকাশ, আমাৰ উন্নয়ন তেওঁলোকৰ সহ্য নহয়। ৰাজ্যখনৰ বিকাশ স্থবিৰ হৈ যোৱাই নহয় বৰং ই সম্পূৰ্ণ থান-বান হোৱাটোকে এনে শক্তিসমূহে বিচাৰিছে। এই কাম তেওঁলোকে পোনপটীয়াকৈ নহয় বৰং আওপকীয়াকৈ আমাৰ কিছু সংখ্যক যুৱক-যুৱতীৰ দ্বাৰাই কৰাবলৈ লৈছে। ইয়াৰ বাবে সাধাৰণ লোকক আভুৱা ভাৰিবলৈ বিপ্লৱৰ কেইটামান বাক্যও তেওঁলোকক শিকাই দিয়া হৈছে। দেখা গৈছে ধ্বংসৰ এই ভয়ঙ্কৰ কাম-কাজ চলোৱাত বিদেশী শক্তিৰ ভেৰোণীয়া সকলে অকণো কাৰ্পণ্য কৰা

নাই। যোৱা দুটা দশকতকৈ অধিক কাল অমানৱীয় নৃশংসতাৰে তেওঁলোকে ৰাজ্যখনত ধ্বংসলীলা চলাই আছে।

ৰাইজৰ কাম কৰিবলৈ, অসমৰ উন্নয়নৰ পথ প্ৰশস্ত কৰিবলৈ অহাৰ কাৰণে নগেন শৰ্মাক তেওঁলোকে হত্যা কৰিলে। পিছে এটা কথা তেওঁলোকে জানি থোৱা ভাল কেৱল নগেন শৰ্মাকে নহয় হৃদয়হীন পাষাণৰ দৰে তেওঁলোকে অসমৰ সকলো মন্ত্ৰীকে হত্যা কৰিব পাৰে। কিন্তু তথাপি এষাৰ কথা তেওঁলোক আৰু তেওঁলোকৰ পৃষ্ঠপোষক বিদেশী শক্তিবোৰে মনত ৰখা ভাল যে, সন্ত্ৰাসৰ এই তাণ্ডৱ সত্ত্বেও কোটি কোটি জনসাধাৰণৰ ভাগ্য নিয়ন্ত্ৰণ কৰিবলৈ তেওঁলোকক এৰি দিয়া নহয়। হিংসা আৰু ধ্বংস নহয় বৰং অসমৰ জনসাধাৰণে আজি শান্তি বিচাৰিছে, সমৃদ্ধি বিচাৰিছে। যি অৰ্থহীন বিপ্লৱীসুৰীয়া শ্ৰুতলিপি তেওঁলোকে আওৰাই আছে সেয়া জনসাধাৰণে কেতিয়াবাই নাকচ কৰিছে। যোৱা কেইবা বছৰ ধৰি হিংসা-সন্ত্ৰাসৰ বিৰুদ্ধে সমদল, প্ৰতিবাদ সভা আদি অনুষ্ঠিত কৰি, গণৰাজ্য দিৱস, স্বাধীনতা দিৱসকে ধৰি সাধাৰণ আৰু উপনিৰ্বাচনসমূহত বিপুল উৎসাহেৰে অংশগ্ৰহণ কৰি জনসাধাৰণে ইতিমধ্যে মুকলিভাবে জনাই দিছে যে তেওঁলোকৰ বাবে সন্ত্ৰাসবাদীসকল অপ্ৰাসংগিক। হিংসা-সন্ত্ৰাসৰ তাণ্ডৱ সৃষ্টি কৰি থকাসকলে ইতিহাসৰ এই শিক্ষা মনত ৰখা ভাল যে, জনসাধাৰণৰ ইচ্ছা আৰু আগ্ৰহক সন্মান জনাব নোৱাৰাসকল নিশ্চিতভাৱে নিশ্চিহ্ন হয়।

এতিয়াও কৈছোঁ আমাৰ এটা মুকলি মন আছে। বাচি লোৱা পথটোৰ সৰ্বনাশী পৰিণামৰ কথা উপলব্ধি কৰি শান্তিৰ পথলৈ তেওঁলোক ওলাই আহক। আলাপ-আলোচনাৰদ্বাৰা সমস্যাবোৰৰ সমাধানৰ প্ৰচেষ্টাৰ অংশীদাৰ হওক। আমি তেওঁলোকক আঁকোৱালি ল'ম। কিন্তু লগতে আমি এই কথাও দোহাৰিব খোজোঁ যে নগেন শৰ্মাৰ হত্যাই আমাক বিচলিত কৰা নাই বৰং অধিক দৃঢ়হে কৰিছে। এতিয়াৰে পৰা আৰু অধিক দৃঢ়তাৰে হিংসাৰ বিৰুদ্ধে, সন্ত্ৰাসৰ বিৰুদ্ধে সৰ্বশক্তিৰে আমি যুঁজিম। সতীৰ্থ, সুহৃদ নগেন শৰ্মাৰ সোঁৱৰণিৰ এই পবিত্ৰ ক্ষণত এয়াই আমাৰ অংগীকাৰ। নগেন শৰ্মাৰ আত্মাই চিৰশান্তি লাভ কৰক।

NAGEN SARMA — MY HUSBAND.

Dr. Alaka Sarma

On 27th February, 2000, when I heard the news of the bomb blast that killed my husband, along with four others, I saw his smiling face telling me, "Nothing has happened to me, you should not cry." So strong was the message that I gathered strength and was actually consoling all the well wishers who had come to pay condolences. The dominant feeling in my mind, was not of anger or betrayal. In fact, I felt sorry for those who had planned and executed the blast. Our daughter Paramita went a step further, she said, "Even God yearns for the company of good people. God outstretched its hand, welcoming Deuta & he alighted. The bomb blasted only after wards."

As a person, my husband was simple, affectionate and a determined person. He had such high value standards that he could see a spark of divine in all individuals. He was enemy to none. He had tremendous tolerance for people who knowingly or unknowingly create nuicense. His total detachment for money had to be seen to be believed.

His life was dedicated to a cause. That cause was enriching motherland Assam. Right from the days of "Bhasha Andolon" he was actively involved in Public life. His great capacity as organiser flourished during his involvement with All Assam Students' Union & later with Asom Gana Parishad.All his political involvements were an expression of his deep desire to enrich motherland Assam. To him, politics was one of the ways to reach that goal. The world of art & culture were the other avenues. He was himself a gifted painter as well as singer. Occasionally he used to write poetry and had collected numerous prizes as a tribute to his acting ability.

In our house, his presence can be felt every moment. In my work, his guidance is there for asking.

How is it possible? Actually one creates what one wants. What one wants to create is held in the consciousness, unconsciousness, super consciousness and collective consciousness. All these creative forces mix to create experience on many levels of our being.

A nation that knows to honour its martyers has bright future, How does one honour such a worthy son of motherland Assam? There are countless avenues ; One such is to walk on the road traversed by him with a head held high & without fear. Nagen Sarma died only once in his life, and became immortal even in death. Let us live our life in such a way that we do'nt die thousands of deaths in a day. Perhaps that is the best tribute we can offer to our beloved leader.

ৰাজনৈতিক সতীৰ্থৰ দৃষ্টিৰে

গুণীন হাজৰিকা

সম্পাদক গিয়াছউদ্দিন আহমেদে পৰহি (১৯/৭/২০০০) আহি পুনৰ ক'লে 'ৰাজনৈতিক সতীৰ্থৰ দৃষ্টিৰে' নগেন শৰ্মাৰ বিষয়ে প্ৰবন্ধটো লাগে। কলম হাতত লৈ বহাৰ কাৰণে সময় ইমান তাকৰ, লিখা সম্পূৰ্ণ হোৱা আশা ক্ষীণ। ভাবাবেগক সংযত ভাৱে লিখনিত ৰূপ দিবলৈ সময়ৰ যথেষ্ট প্ৰয়োজন। গিয়াছে ক'লে, 'আপুনি কৈ যাওঁক, মই লিখি যাম।" মোৰ পক্ষে সেইটোও সম্ভৱ নহয়।

বেয়াই হওক, ভালেই হওক, – কলমৰ আগেৰে নিগৰি অহা চিয়াহীৰ আখৰ কেইটিৰ মনৰ লগত, হৃদয়ৰ লগত সম্পৰ্ক থাকি যায়। সেয়ে নিজ হাতেৰেই যেনে তেনে লিখিব লাগিব।

মই নিজে ঠিক কৰিব পৰা নাই, সতীৰ্থ হিচাপে শৰ্মা ডাঙৰীয়াৰ বিষয়ে কি লিখিম? সান্নিধ্যত ঘটা সৰু বৰ ঘটনা অনেক মনত পৰে। তেনে কথাবোৰ লিখাৰ ইচ্ছা নাই। বহুতেই প্ৰকাশ কৰিছে। কিন্তু কিছুমান 'ইচ্ছ্যু' আমি কেতিয়াবা আলোচনা কৰিছো। সেইবোৰ সমস্যা আমাৰ বাবে সমাধানৰ সদায় প্ৰয়োজন আছে।

আঞ্চলিক বৈষম্য দূৰীকৰণ, দৰিদ্ৰতা নিৰ্মূল, অসমৰ খিলঞ্জীয়া মানুহৰ ক্ষুদ্ৰ জাতি সত্বাক সবলভাৱে পৰিচয় কৰি ৰখা ইত্যাদি বিষয়বোৰ আমাৰ আলোচনা হৈছিল। শৰ্মাৰ এই বিষয় সম্পৰ্কত নিজৰ মতামত সদায় বলিষ্ঠ আছিল। নিজৰ ব্যৱহাৰিক বুদ্ধি-বৃত্তিৰে সমস্যাৰ বাস্তৱ উপায় উদ্ভাৱনৰ পৰামৰ্শ দিছিল। ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈ সঘনে কৰা ভ্ৰমণৰ কাৰণে শৰ্মাই প্ৰত্যেকখন জিলাৰ বিষয়ে যথেষ্টখিনি চাক্ষুস অভিজ্ঞতা আহৰণ কৰিছিল।

অসম আন্দোলনৰ ব্যাপক ৰূপ লোৱাৰ মূলতে আছিল আঞ্চলিক বৈষ্যমৰ বাবে অসমৰ জনগণৰ সঞ্চিত ক্ষোভৰ আত্মপ্ৰকাশ।

১৯৫০ চনৰ পিছৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনীতিৰ পৰিকল্পনা দিল্লীয়েই কৰিছিল— অসমৰ জনগনৰ স্বাৰ্থত নহয় ইয়াৰ সম্পদ আহৰণৰ স্বাৰ্থত। যাৰ ফলত ৰাজ্যখনৰ জনমূৰি আয় কমি গৈছিল। ধান উৎপাদনত ৰাহি ৰাজ্যখন ঘাটি ৰাজ্যত পৰিণত হৈছিল; প্ৰব্ৰজনত পেপুৱা লগা ৰাজ্যখনত, প্ৰতিৰোধৰ কোনো স্থায়ী পৰিকল্পনা নাছিল। শৰ্মাই 'আঞ্চলিক দলৰ প্ৰয়োজনীয়তা' প্ৰবন্ধত এনেদৰে লিখিছে— " জাতীয়

চৰকাৰ এখনে সকলো অংগ ৰাজ্যক যি ধৰণে সমৰ্থনৰ বাবে আগবঢ়াই নিব লাগিছিল তাৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰে অসমখনক দুৰ্বল কৰিবলৈ ভূখণ্ডক সাত ভাগত ভাগ কৰি সাতখন নতুন ৰাজ্য সৃষ্টি কৰিলে। অসমৰ বাইজে বিচৰা সকলো উন্নয়নমূলক কামৰ বাবে কেন্দ্ৰৰ বিৰুদ্ধে আন্দোলন কৰিব লগা হৈছে। এনেবোৰ কাৰণত অসমত ভূমিপুত্ৰ সকলৰ মনত দিল্লীৰ সৰ্বভাৰতীয় দলৰ বিৰুদ্ধে ক্ষোভৰ সৃষ্টি হৈছিল।" ইয়াৰ উপৰিও ˚শৰ্মাই একেবাৰে শেহতীয়াভাৱে প্ৰস্তাবিত ৰঙিয়া ৰেল ডিভিজন সম্পৰ্কত ব'ৰ্ডৰ চেয়াৰমেন ভি.কে. আগৰৱালে ধনৰ অজুহাত দেখুওৱাৰ কথা উল্লেখ কৰোতে অতি কঠোৰ ভাষাৰে ইয়াৰ প্ৰতিবাদ কৰিছিল।

আঞ্চলিক বৈষম্যৰ বিৰুদ্ধে সংগঠিত উত্তৰ-পূৰ্বাঞ্চলৰ জনগণে মাত মাতিলে, কাম কৰিলে নিশ্চয় এই বৈষম্য দূৰ হ'ব।

সামাজিক নিৰাপত্তা, কৰ্মসংস্থাপন আমাৰ সৰ্বসাধাৰণ ৰাইজৰ কাৰণে আটাইতকৈ প্ৰয়োজন। নোবেল বঁটা বিজয়ী অমৰ্ত্য সেনে অনগ্ৰসৰ দেশ সমূহৰ দৰিদ্ৰতা আৰু জনসংখ্যাৰ বিষয়ে ভালকৈ আলোচনা কৰিছে। ভাৰতবৰ্ষৰ কথাত মেগেস্থেনিছে প্ৰাচীন ভাৰতবৰ্ষত দুৰ্ভিক্ষ নাই বুলি উল্লেখ কৰিছে। কিন্তু কৌটিল্যাই কেইবাটাও দৰিদ্ৰতা নিৰ্মূল সম্পৰ্কীয় অভিমত উল্লেখ কৰিছে। আমাৰ ৰাজ্যখনত মহামাৰী, প্ৰাকৃতিক দুৰ্যোগ, বানপানী, ভূমিকম্প ইত্যাদিত মানুহৰ আকাল-অনাটন হৈছে। উৎপাদনৰ অভাৱত মানুহ কেতিয়াও অনাহাৰত থাকিব লগা হোৱা নাই। কিন্তু উৎপাদনৰ সঠিক পদক্ষেপ নোলোৱাৰ বাবে আমাৰ ৰাজ্যখন শস্য, মাছ, গাখীৰ আদিত সদায় আনৰ ওপৰত নিৰ্ভৰশীল হৈয়েই আছে।

পৰনিৰ্ভৰশীলতাৰ পৰা স্ব-নিৰ্ভৰশীল হোৱাতো নিতান্ত প্ৰয়োজন। অসম গণপৰিষদৰ আঞ্চলিক চৰকাৰখনে আজি ৰাজ্যখনক ধান উৎপাদনত স্বনিৰ্ভৰশীল কৰি তুলিছে। আন দিশতো ইয়াৰ বাবে যত্ন কৰা হৈছে। ˚শৰ্মা এই দিশত দূৰ দৃষ্টি সম্পন্ন আছিল। তেখেতে পশু পালন বিভাগৰ মন্ত্ৰী থাকোতে নলবাৰী জিলাৰ কুৰ্‌হিয়ামাৰী চৰ অঞ্চলত নিবনুৱা যুৱক সকলে যাতে নিজে উপাৰ্জন কৰিব পাৰে তাৰ বাবে ব্যৱস্থা লৈছিল। অৱশ্যে বিভিন্ন কাৰণত ইয়াৰ কৃতকাৰ্যতা সীমাবদ্ধ হৈ থাকিল।

এজন ৰাজনৈতিক সতীৰ্থ হিচাপে˚ শৰ্মাৰ লগত ভিন্ন সময়ত কৰা আলোচনাৰ বহু কথা লিপিবদ্ধ কৰাটো সম্ভৱ নহয়। হয়তো নোকোৱাকৈ তেওঁৰ বহুত কথা থাকি গৈছিল।

লেবাননৰ কবি খলিল জিব্ৰানৰ 'প্ৰফেট' গ্ৰন্থৰ এটা উক্তিৰে সামৰিছোঁ :
–These things he said in words. But much in his heart, remained unsaid. For he himself could not speak his deeper secret.

নগেন শৰ্মা ঃ
ল'ৰালিৰ পৰা আঢ়ৈ কুৰিটা বসন্তৰ সিক্ত সোঁৱৰণ

ভূপেন চক্ৰৱৰ্তী

এজন শৈশৱৰ বন্ধুক হেৰুৱালোঁ। মৃত্যুটোৱে আমাক এনেভাৱে জোকাৰি গ'ল যে, ল'ৰালিৰ পৰাই যেন আমি তেওঁক মৃত্যুলৈ আগবঢ়াই দিছিলোঁ। আমাৰ যেন চেষ্টা আছিল. মৃত্যুৱে কেনেকৈ অলক্ষিতে আহি কাৰোবাক লৈ যাব পাৰে। আজিৰ ব্যৱস্থাটোত বহুতৰ বাবে দেশপ্ৰেম ব্যৱসায়। কিন্তু মোৰ ল'ৰালিৰ সেই বন্ধুজনে দেশপ্ৰেমৰ সংজ্ঞা নজনাকৈয়ে মানুহৰ বাবে কাম কৰিছিল। তেতিয়াৰ পৰাই তেওঁ জানিছিল দেশপ্ৰেমৰ সংজ্ঞা নেজানিলেও মানুহৰ বাবে কাম কৰিব পাৰি।

তেওঁক ঘৰত মাতিছিল "পোণা" বুলি। আমিও পোণা বুলিয়েই মাতিছিলোঁ। আৰু এই পোণাই আছিল স্বৰ্গীয় নগেন শৰ্মা। আজি পোণা নাই। ল'ৰালিৰ কথাবোৰ খুবেই মনত পৰিছে। যিমানেই মনত পৰিছে, চকুপানীবোৰৰ মাজত জমা হৈছে ক্ষোভ।

৬০ দশকৰ শেষ আৰু ৭০ দশকৰ আৰম্ভণিৰ সময়ছোৱা। সদৌ অসম ছাত্ৰ সন্থা তেতিয়া বৰ বেছি শক্তিশালী নাছিল। জিলাবোৰৰ ভিতৰত অবিভক্ত দৰং জিলা ছাত্ৰ সন্থাই আছিল শক্তিশালী। তেতিয়া আছিল বৃন্দাবন গোস্বামীৰ দৰে শক্তিশালী নেতাৰ নেতৃত্ব। তেজপুৰৰ সাংস্কৃতিক পৰিবেশ আমাৰ সত্তাত জাতীয় চেতনাবোধৰ জন্ম দিছিল। পোণা, মই, সতীশ, ভাৰত বৰা (বৰ্তমানে ঢেকীয়াজুলিত), অমলা, নিৰদা পিচলৈ আহিছিল বসন্ত দাস (পাঠশালাৰ) আদিসকল। ছাত্ৰ সন্থাৰ সংগঠক হিচাব পোণা আছিল অত্যন্ত পৰিশ্ৰমী। এদিনৰ কথা মনত পৰিছে..... এদিন ৰাতিপুৱা পোণাৰ মাকে (মই মাহী বুলি মাতো) পোণাক মিঠাতেল আনিবলৈ অলপ পইচা আৰু এটা বটল দি ক'লে ঃ 'সনকালতে আইহুবি কহৰীটু বহে থোইচু' (সোনকালে আহিবা কেৰাহীটো বহুৱাই থৈছো) তাৰ পাছত পইচা লৈ পোণা বি গ'ল গ'লেই। পিছদিনা ৰাতিপুৱাহে ওলালহি। ঘটনাটো বুজ লওঁতে পোণাই ক'লে, যোৱাকালি বালিপাৰাত ছাত্ৰ সন্থাৰ মিটিং আছিল, হাতত এক পইচাও নাছিল, মিঠাতেলৰ পইচাখিনি পায়েই বালিপাৰালৈ গুছি গ'লো। এনেকৈয়ে বহুদিন মাকৰ কৰ্কাৰ

খোচনিৰ পইচা লৈ পোণাই ছাত্ৰ সন্থাৰ কাম কৰিছে। সন্থাক সংগঠিত কৰিছে। আমি সকলোৱেই তেতিয়া পকেটৰ পইচা খৰছ কৰিয়েই ছাত্ৰ সন্থাৰ কাম কৰিছিলোঁ। পৰাখিনি সকলোৱেই চাইকেলেৰে ঘূৰি ঘূৰি কাম কৰিছিলো।

৬০ দশকৰ শেষৰ ফালে তেজপুৰত আমি 'চিত্ৰায়ণ' নামেৰে এটা অনুষ্ঠানৰ জন্ম দিছিলো। আমাৰ উদ্দেশ্য আছিল তেজপুৰৰ পুৰণি সংস্কৃতিৰ সম্পদসমূহ উদ্ধাৰ কৰা আৰু তাৰ ৰক্ষণাবেক্ষণ কৰা। পোণা আছিল তাৰ সম্পাদক। এই চিত্ৰায়ণেই পোন প্ৰথমবাৰৰ বাবে ৰাইজৰ আগলৈ উলিয়াই আনিছিল স্বৰ্গীয় প্ৰতাপ বৰুৱাৰ দৰে সুদক্ষ শিল্পীৰ চিত্ৰসমূহ। জ্যোতিপ্ৰসাদৰ 'জয়মতী' ছবিত প্ৰতাপ বৰুৱা এজন শিল্পী হিচাবে কাম কৰিছিল। প্ৰতাপ বৰুৱাৰ ছবিবোৰ তেতিয়া তেখেতৰ বায়েক এগৰাকীৰ হাতত তেজপুৰৰ বাৰহলীয়াত আছিল। আমি এই সম্ভেদ পাইছিলোঁ বিখ্যাত চিত্ৰশিল্পী পিয়াৰী মোহন চৌধুৰীৰ মুখৰ পৰা । তেখেতৰ ঘৰো তেজপুৰত। তেখেতে আমাক লৰাৰ দৰে মৰম কৰিছিল। তেখেতৰ পৰা সম্ভেদ লৈ আমি বাৰহলীয়াত থকা প্ৰতাপ বৰুৱাৰ বায়েকৰ ঘৰলৈ গৈ ছবিবোৰ চাব বিচাৰো। তেখেতে বিচনাৰ তুলিৰ তলৰ পৰা ছবিখিনি আনি আমাক দেখুৱায় আৰু প্ৰদৰ্শনীৰ বাবে ছবিখিনি নিবলৈ আমাক অনুমতি দিয়ে। প্ৰদৰ্শনীযোগে চিত্ৰ খিনি ৰাইজৰ আগলৈ উলিয়াই দিয়াৰ পাছত তেজপুৰত এটা আলোড়নৰ সৃষ্টি হ'ল। কিছু বিশিষ্ট ব্যক্তিৰ মনত এই চিত্ৰখিনি আৰু অন্যান্য চিত্ৰসমূহ গোটাই এটা আৰ্ট গেলেৰী পতাৰ চিন্তাৰো উদয় হ'ল। ইয়াৰ ফলশ্ৰুতিতেই পাচত তেজপুৰত এটা চিত্ৰসংগ্ৰহালয় স্থাপিত হ'ল। পৰৱৰ্ত্তী পৰ্য্যায়ত এই চিত্ৰখিনি চাই বিশিষ্ট কলা সমালোচক আৰু কবি শ্ৰীযুত নীলমণি ফুকনেও আপুৰুগীয়া বুলি স্বীকৃতি দিছে। আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন আলোকচিত্ৰকৰ নলিনী বৰুৱাৰ চিত্ৰসমূহ প্ৰথমবাৰৰ বাবে প্ৰদৰ্শনীৰ যোগেদি তেজপুৰ আৰু পিছত গুৱাহাটীৰ ৰাইজক প্ৰদৰ্শনী যোগে দেখুওৱা হৈছিল চিত্ৰায়ণৰ দ্বাৰা।

তেজপুৰত নিৰ্মিত অসম আন্দোলনৰ বিশেষ ছহিদ স্তম্ভটি সম্পূৰ্ণ কৰি তোলাৰ গুৰিতে আছিল পোণা। পোণাৰ ঘামৰ বিনিময়তেহে ই ঠন ধৰি উঠিছিল। মোক, মোৰ লগত বৃন্দাবনদা, মোৰ পত্নী অমলা, পোণাৰভগ্নী মইনা (নিৰদা), বন্ধু সতীশ, শিল্পী লম্বোদৰ হাজৰিকা (ছহিদ স্তম্ভটিৰ মূল খনিকৰ), বন্ধু ভাৰত, সত্যদা, যাদৱ তামুলী আদি সকলোকেই তেতিয়াৰ ঘটনাৰাজিয়ে আনন্দ দিব পাৰে, কিন্তু আজি সেই আনন্দবোৰ ভাঙি ভাঙি দুখত পৰিণত হৈছে, পোণাৰ বিয়োগত।

৭২ ৰ মাধ্যম আন্দোলনৰ প্ৰাক কালত সদৌ অসম ছাত্ৰৰ অধিবেশন গুৱাহাটীৰ অভিযান্ত্ৰিক মহাবিদ্যালয়, জালুকবাৰীত অনুষ্ঠিত হৈছিল। তাৰে এটি নিশাৰ কথা।

সময় হয়তো নিশা দুই বাজিছিল। মহাবিদ্যালয়ৰ মূল গেটত মই, বৃন্দাবনদা আৰু নগাঁৱৰ অনিল বৰা। অনিল বৰা অলপ উগ্ৰ আছিল। কিন্তু তেওঁৰ জাতীয়তাবাদ আছিল বৰ পৰিষ্কাৰ। এই অধিবেশনতেই ভাষা আন্দোলনৰ কাৰ্য্যপন্থাৰ নিৰ্ণয় হৈছিল। নিশা দুই বজাত অনিল বৰাই ভাষা আন্দোলনৰ বিৰোধী সকলক চৰম শাস্তি দিয়াৰ কথা আমাৰ আগত ব্যক্ত কৰিলে। মই কথাটোৰ প্ৰতিবাদ কৰিলোঁ— এইদৰে আন্দোলন এটা আগবাঢ়িব নোৱাৰে। আৰু ক'লো 'এনেদৰে চলালে তুমিয়েই প্ৰথম ছহিদ হবা'। তাৰ নদিন পাছত কাৰ্য্যসূচীমতে লোৱা অসম বন্ধৰ দিনা হোজাইত অসমীয়া ভাষাৰ-বিৰোধী চক্ৰৰ হাতত অনিল বৰা নিহত হ'ল। বৃন্দাবনদাই ক'লেঃ 'ভূপেন তোমাৰ কথা সঁচা হ'ল।' অনিল বৰাৰ মৃত্যুৱে মোক প্ৰচণ্ড আঘাত দিলে। এই মানসিক দংশনৰ পৰা উদ্ধাৰ পাবলৈ অনিল বৰাৰ ওপৰত মই এখন আলেখ্য লিখিলোঁ। নাম দিলোঁ "এটুকুৰা নীলা জুই"। এইখন তেজপুৰত কৰাৰ পাছত প্ৰশাসনৰ চকু থিয় আৰু মোক গ্ৰেপ্তাৰ কৰিবৰ বাবে তৎপৰ হ'ল। কিন্তু আলেখ্যখনিৰ জনপ্ৰিয়তা দেখি প্ৰশাসন থমকি ৰ'ল। এবাৰ এই আলেখ্যখনি কৰিবলৈ গহপুৰৰ ছয়দুবাৰ কলেজে আমন্ত্ৰণ কৰিলে। মোৰ লগত ওলাল বৃন্দাবন, প্ৰণৱ বৰা, পোণা আৰু প্ৰমোদ ডেকা। কলেজৰ লগত বন্দোবস্ত হ'ল আমাৰ অনুষ্ঠানটি কৰিবলৈ যিকেইজনী ছোৱালীৰ প্ৰয়োজন হয়, সেয়া তেওঁলোকে দিব। আমি ওলালো প্ৰণৱ বৰাৰ বগা এম্বেচাদৰ গাড়ীখন লৈ। ড্ৰাইভাৰৰ চিটত বহিল অত্যুৎসাহী প্ৰমোদ। গাড়ী চলিল গহপুৰ অভিমুখে। গহপুৰ পোৱাৰ কিছু সময় আগতে এখন ওভাৰ ব্ৰীজৰ ওপৰত প্ৰমোদে ৰঙা গৰু এটা খুন্দিয়ালে। নাৰ্ভাচ হৈ সি আৰু জোৰেৰে গাড়ী চলাই দিলে। খন্তেক পাচতে গাড়ীৰ সন্মুখত ৰাইজ আহি হাজিৰ। প্ৰমোদক বৃন্দাবনদাই ব্ৰেক মাৰিবলৈ ক'লে। গাড়ী ৰখিল। ৰাইজৰ মাজত এটা কণ্ঠ ভাঁহি আহিল ঃ 'গৰুক খুন্দা মাৰি গাড়ী ৰখোৱা নাই কিয়?' আমি সকলোৱে ভয়ে ভয়ে বৃন্দাবনদাক আগবঢ়াই দিলোঁ। কাৰণ আমাৰ সংকটপূৰ্ণ মুহূৰ্তবিলাকত সদায়েই বৃন্দাবনদাক এনেকৈ আগবঢ়াই দিওঁ। পোণা, মই, প্ৰণৱ বৰা, সকলো নামিলোঁ। বৃন্দাবনদাক দেখি ৰাইজৰ মাজৰ পৰা এজনে ক'লে - 'অ' গোসাঁই পোৱালী দেখোন। যোৱা যোৱা।' অৱশেষত গাড়ী নিৰ্ভয়ে চলিল। মাথো ড্ৰাইভাৰ প্ৰমোদক সৰ্ব্বসন্মতিক্ৰমে নিলম্বিত কৰি গাড়ীৰ মালিক প্ৰণৱ বৰাই গাড়ী চলোৱাৰ দায়িত্ব ল'লে। সন্ধিয়া গৈ কলেজ পালোঁ। নামিয়েই ছোৱালী বিচাৰিলোঁ। চাৰিজনী ছোৱালীৰ দুজনী আহিল। দুজনীক আলেখ্য এখনিৰ কথাখিনি মাতিবলৈ দিওঁতেই সেমেনা সেমেনি কৰিলে আৰু ক'লেঃ 'মই বাকী দুজনীক চাই আহোঁ।' তাই আৰু নাহিল। ইজনীয়ে বাকী কেইজনীক চাই আহো বুলি আৰু নাহিল। শেষত ছোৱালী কেন্সেল। মোৰ খং উঠিল। বাকী সকলোৱে।

বৃন্দাবনদা, পোণাইতে কলে, 'ভূপেন, এই ছোৱালীৰ অংশবোৰ কাটি সকলোবোৰ ল'ৰা কৰি দিয়া।' মই সম্পাদনাত হাত দিলোঁ। অলপ পাচত মোৰ আলেখ্যখনি সম্পূৰ্ণ পুৰুষ প্ৰধান হৈ ওলাই আহিল। এই আলেখ্যখনি অৱশ্যে আবৃত্তিহে আছিল — নাম আছিল 'অধিকাৰ'। তাৰ পাচতেই আমি ইয়াত "একুৰা নীলা জুই" খন কৰিছিলোঁ। মঞ্চত আলোক নিয়ন্ত্ৰণত আছিল বৃন্দাবনদা। লাইটৰ ভিতৰত মঞ্চৰ সন্মুখত দুটা মেন্থেল ওলোমাই থোৱা আছিল। আৰু বৃন্দবনদাৰ হাতত আছিল এটা মেন্থেল লাইট। এইখিনিয়েই সম্বল। মঞ্চৰ পাছফালে বগা পৰ্দাৰ আঁৰত বৃন্দাবনদাই মেন্থেল লাইটটো লৈ থিয় হৈ থাকিল। লাইটটোত এখন নীলা ৰঙৰ কাগজ মেৰিয়াই দিয়া হ'ল। প্ৰমোদে গাৰৰ পৰা পাৰ্টবেটেৰীৰ টৰ্চ এটা আনি মোৰ মুখত, চকুত মাৰি আলোকৰ সঞ্চাৰ ঘটালে। বৃন্দাবনদাই লাইটটো লৈ মঞ্চৰ বগা পৰ্দাৰ আঁৰত কুজ-কাবাজ কৰি থকিল। মই হলোঁ-সূত্ৰধাৰ, প্ৰণব বৰাই আবৃত্তি কৰিলে একাংশ। পোণাই মাতিলে সূত্ৰধাৰৰ প্ৰেয়সীৰ অংশখিনি। ইয়াত যেনিবা প্ৰেয়সী নহৈ বন্ধুহে হ'ল। এইদৰেই অভূতপূৰ্ব সফলতাৰে আলেখ্যখনি শেষ হ'ল। মঞ্চৰ পৰা দেখিছিলোঁ, মানুহে কান্দিছে— অনিল বৰাৰ শৱদেহৰ প্ৰতীক লৈ যোৱাৰ সময়ত মানুহবোৰউচুপি উঠিছে, আমাৰ মাতো ভাগি গৈছিল। কোনোদিন নকৰা পোণাৰ সেইদিনা মাতটো থোকাথুকি হৈছিল। এইখন আলেখ্য তেজপুৰত কৰোঁতে, লগত আছিল চেতনা দাস (তালুকদাৰ), জীৱন বৰা (জিতুদা) ভৱানী নাথ, সুগায়ক বিপুল বাহাদুৰ আদিসকল।

অৱশেষত এইখন আলেখ্য গুৱাহাটীত (৭০ চন মানত) কৰিবলৈ আহোঁতে মোক পুলিছে এৰেষ্ট কৰিলে। গুৱাহাটীত কৰা নহল। আজি এই স্মৃতিবোৰে বৰকৈ আমনি কৰিছে। পোণা আছিল সকলো ক্ষেত্ৰতে আগৰণুৱা। বেছি কথা নকৈছিল। নীৰবে কাম কৰা এজন নীৰৱ কৰ্মী আছিল পোণা।

বিদেশী খেদা আন্দোলনৰ সময়ছোৱাত নাইবা ভাষা আন্দোলনৰ সময়ছোৱাত, শোধনাগাৰ আন্দোনলৰ সময়ছোৱাত পোণাক বিচাৰি পোৱা নগৈছিল। গুৰিত থাকি কাম কৰা স্বভাৱৰ আছিল পোণা। জিৰণি নাছিল পোণাৰ। সি ভাবিছিল, মৃত্যুৰেই হয়তো হ'ব তাৰ সবাতোকৈ সুখকৰ জিৰণি।

১৯৭৫ চনৰ পাচত বিদেশী খেদা আন্দোলনৰ প্ৰাক্‌কালছোৱাত এমুঠিমান ল'ৰা-ছোৱলী লৈ পোন-প্ৰথমে পোণাই এই আন্দোলনৰ যাত্ৰা আৰম্ভ কৰিছিল। তেজপুৰত বৃন্দাবনদাৰ নেতৃত্বত আন্দোলনৰ কেইটামান নতুন দিশৰ সূচনা হ'ল। তেজপুৰত গণ্ডগোল নহ'ল, বন্ধ নহ'ল, কিন্তু পূৰাদমে আন্দোলন চলিল। "চলন্ত সাংস্কৃতিক অনুষ্ঠান" নামৰ এক বিশেষ সাংস্কৃতিক অভিযান চলোৱা হ'ল — তেজপুৰৰ

গাঁৱে ভূঞে সকলোতে। জ্যোতিপ্ৰসাদৰ আৰ্হিৰে আগবাঢ়িগৈ এজাক ল'ৰা-ছোৱালীৰ গৰ্জনমুখৰ কণ্ঠস্বৰেৰে তেজপুৰৰ ভিতৰুৱা অঞ্চলবোৰ আন্দোলনৰ দিনত মুখৰিত হৈ থকিল। প্ৰথম অৱস্থাত পোণাই ভাষণ দিব নেজানিছিল। অবিৰত পৰিশ্ৰম আৰু তাৰ পৰা হোৱা অভিজ্ঞতাৰে পুষ্ট হৈ শেষত পোণাই সুন্দৰ ভাষণ দিব পাৰিছিল।

পোণা আছিল গছৰ গুৰি চিনা মানুহ। ডাল-পাতত বগাই সস্তীয়া জনপ্ৰিয়তাৰ পিছত দৌৰাসকলৰ লগত নাছিল। বিষ্ণুৰাভা তেজপুৰৰ চিভিল হস্পিতালত কেঞ্চাৰত আক্ৰান্ত হৈ পৰি থকাৰ সময়ত পোণাই যি শুশ্ৰূষা আগবঢ়াইছিল সেয়া কোন ভাষাৰে ব্যক্ত কৰিম। বিষ্ণুৰাভা ঢুকুৱাৰ পাচৰ কামখিনি পোণাই কৰিছিল বুলি নকলোৱেইবা। পোণাৰ ভিতৰত পোণাকণৰ দৰে এটা পবিত্ৰ মন আছিল। সেই মনটোৰ কথা কোনেও নেজানিছিল। তাক লুকুৱাই থৈছিল সযতনে। তাৰ এটা সংস্কৃত মন আছিল। মাকৰ আঁচলত বান্ধি থোৱা পইচা লৈ ছাত্ৰ সন্থাৰ কামৰ বাবে দৌৰিছিল সি। আজি বহুতেই সেই কথাটো উপলব্ধি কৰিব নোৱাৰিব পাৰে। কিন্তু এটা কথা স্বীকাৰ কৰিবই লাগিব, পোণা আছিল ছাত্ৰ সন্থাৰ শ্ৰেষ্ঠ সংগঠক। জাতি গঠনৰ বাৰ্ত্তাবাহক।

ৰাজনীতিলৈ অহাৰ পাছত তাক লগ পোৱাৰ সময় আমাৰ কমি আহিছিল। কাৰণ ৰাজনীতিত বন্ধু নাই। আমাৰ দৰে বন্ধুবোৰ ৰাজনীতিৰ বাহিৰত থাকি গ'ল। মাজে মাজে পোণাই মোক কৈছিল ঃ তোমালোকেতো মোক এৰিলাই।

পোণাক এৰা নাই। দলীয় ৰাজনীতিৰ পৰাহে আঁতৰত আছোঁ।

শেষত তেওঁ ৰাজনীতিৰ বলি হ'ল।

পোণাৰ মৃত্যুয়ে আমাক এটা কথা সঁকিয়াই থৈ গ'ল ঃ

কিছুমান মৃত্যুয়ে কিছুমানক অভূতপূৰ্ব্ব পাশৱিক আনন্দ দি যায়। নব্য-সভ্যতাৰ এই কদৰ্য্য সংজ্ঞা আমি কোনোপধ্যেই মানি ল'ব নোৱাৰোঁ।

মানি ল'ব নোৱাৰাটোৱেই হ'ল — পোণাৰ প্ৰতি আমাৰ শ্ৰদ্ধাঞ্জলি।

(পাটুৱৈ সমাজে নগেন শৰ্মাক 'পোণা' নামেৰে লিখা কাৰণে দায় নধৰে যেন।)

নগেন শৰ্মাৰ সান্নিধ্যত

নীলপৱন বৰুৱা

নগেন শৰ্মা এটা নামেই নহয়, এটা পৰিচয়; এজন মানুহেই নহয় এটা অনুষ্ঠান। নগেন শৰ্মা মানুহজনক বহু সময়ত বহুবাৰ বিভিন্ন স্থানত বিভিন্ন পৰিবেশত লগ পাই আহিছো। সেই স্থান, কালৰ কথাৰে সেই গতিশীল মানুহজনৰ (যিজন আমাৰ মাজৰ পৰা চিৰ বিদায় লৈ গুচি গ'ল) প্ৰতি শ্ৰদ্ধা জনাবলৈ দুষাৰিমান কথা লিখিলো। তেজপুৰ নে গুৱাহাটীত, জালুকবাৰীত নে অসম আন্দোলনৰ কোনোবা মুহূৰ্ত্তত ক'ত লগ পাইছিলো মনত নাই। '৮৬ চনৰ এপ্ৰিল মাহত কলিকতাৰ অসম ভৱনত লগ পোৱাৰ কথাহে ভালকৈ মনত পৰে। সেই সময়ত মই কলিকতাৰ বিৰলা একাডেমিত মোৰ এখন একক চিত্ৰ প্ৰদৰ্শনীৰ আয়োজন কৰি অসম ভৱনত আছিলোগৈ। প্ৰদৰ্শনীৰ আগতেই নে পিছতে এদিন গোটেই অসম ভৱন ব্যস্ত হৈ পৰিল মন্ত্ৰী আহিব মন্ত্ৰী আহিব বুলি। যথা সময়ত মন্ত্ৰী আহি উপস্থিত, সমবেত বাইজৰ লগতে ময়ো একাষৰত মন্ত্ৰী দৰ্শনৰ কাৰণে থিয় দিলোগৈ। মন্ত্ৰীয়ে ইজন সিজনৰ লগত কথা পাতি এসময়ত মোৰ ওপৰত চকু পৰি মাত লগালে; লগতে ক'লে, 'লগ পাই বৰ ভাল হ'ল। বিশেষ এটা কথা আছে। দুপৰীয়া আহাৰৰ পিছত এবাৰ লগ পালে ভাল হয়'। লগ ধৰিলো। বিশেষ এটা কামৰ কথা ক'লে আৰু সেই সূত্ৰে দিচপুৰত বিশদভাবে আলোচনা হোৱাৰ কথা ক'লে। দুই এবাৰ তেখেতৰ দিচপুৰৰ বাসভৱনলৈ গৈছিলো। তাৰ পিছত বহুদিন পাৰ হ'ল। ইতিমধ্যে জাগীৰোডত এখন মোৰ চিত্ৰ প্ৰদৰ্শনীৰ আয়োজন কৰিছিলো। তাতে লগ পালো জাগীৰোড কলেজৰ অধ্যাপিকা শ্ৰীযুতা অলকা দেশাই শৰ্মাক। প্ৰদৰ্শনী গৃহত ছবিবিলাক সজাই থাকোতে তেখেত আগবাঢ়ি আহি নিজৰ পৰিচয় দিলেহি। লগতে ছবি সম্পৰ্কে দুই এটা কথা পাতিলে। কথাৰ লাচতে শিশু চিত্ৰ চৰ্চাৰ দুই এটা কথাও পাতিলো। শিশুৰ মানসিকতাৰ সম্পৰ্কে দুই এটা কথা ওলাল। তেখেতে ভাল পালে। এই বিষয়ে কথা পাতিবলৈ আমাৰ ঘৰলৈ অহাৰ কথা ক'লে। ময়ো সম্মতি জনালো। আমাৰ বেলতলাৰ ঘৰতে শিশু চিত্ৰ চৰ্চাৰ কাৰণে প্ৰতি দেওবাৰে এটি চিত্ৰ চৰ্চাৰ কেন্দ্ৰ আছে।' তাতে তেখেতৰ কন্যা শ্ৰীমতী পাৰমিতাক ভৰ্ত্তি কৰাৰ খোজে ইত্যাদি। এদিন অলকা দেশাই শৰ্মা তেখেতৰ অধ্যাপক

পিতৃ শ্ৰীযুত দিব্যকান্ত দেশাইৰ লগত আমাৰ ঘৰলৈ আহিল। বহুধৰণৰ কথা হ'ল। অধ্যাপক দেশায়ে শিশুৰ মাজৰ বিশেষ কেতবোৰ কাৰ্য্যক্ৰম প্ৰচলন কৰাৰ কথা ক'লে। কথা বাটি মোৰ চিত্ৰৰ বিষয়লৈ বাগৰি গ'ল। যথা সময়ত আধুনিক চিত্ৰ চৰ্চাৰ ক্ষেত্ৰত পৰম্পৰা আৰু লোক শিল্পৰ সম্পৰ্ক ঘটাবলৈ চেষ্টা কৰাৰ কথা ওলাওঁতে বৃন্দাবনি বস্ত্ৰৰ আৰ্হিত এখন বৃহৎ প্ৰাচীৰ চিত্ৰৰ পৰিকল্পনাৰ কথা ক'লো। লগতে সেই প্ৰাচীৰ চিত্ৰৰ কাৰণে ৰচনা কৰা গোটাদিয়েক খচৰা তেখেতক দেখুৱালো। আমাৰ আলোচনা, কথা-বাৰ্তাৰ পিছত চাহ পৰ্বৰ শেষত তেখেতসকলে বিদায় ল'লে।

কিছুদিনৰ পাছত ড° অলকা দেশাই শৰ্মাই জীয়ৰী পাৰমিতাক আনি মোক গটালেহি চিত্ৰ শিক্ষাৰ কাৰণে। সেই সূত্ৰে পাৰমিতাই তেওঁৰ লগৰীয়া কেইবাগৰাকীও শিশুক আমাৰ বসুন্ধৰা কলা নিকেতনৰ ছাত্ৰী হিচাপে নাম ভৰ্ত্তি কৰিলেহি। দীপমণি, বৈশালী আদি। বৈশালী গোস্বামী বিধায়ক বৃন্দাবন গোস্বামীৰ কন্যা।

এদিন (দিন, বাৰ, তাৰিখ মনত নাই) মন্ত্ৰী নগেন শৰ্মাৰ কাৰ্য্যালয়ৰ পৰা ফোনত ক'লে, '৯ মান বজাত মন্ত্ৰী নগেন শৰ্মা আপোনালোকৰ ঘৰলৈ গৈ আপোনাক লগত লৈ কোনোবা এঠাইলৈ যাব। আপুনি ঘৰত থাকিবনে?' থাকিম বুলি ক'লো; যথা সময়ত মন্ত্ৰী শৰ্মা আহিল। মই ততাতৈয়াকৈ পিন্ধি উৰি তেখেতৰ লগত ওলাই গ'লো। লক্ষ্মী মন্দিৰত এৰি অহা দেহৰক্ষীসকলৰ গাড়ীৰে সৈতে তিনিখনমান গাড়ীৰে আমি বশিষ্ঠৰ ফালে গ'লো। বশিষ্ঠৰ আৰ্কিড বাগিছাৰ লগতে থকা এক বিশেষ ঘৰত আমি বহিলোগৈ। তাতে চাহ-তাহ খোৱা হ'ল। এসময়ত আমি বাগিছাৰ ভিতৰলৈ গ'লো। শৰ্মাই মোক উদ্দেশি ক'লেঃ "সৌ যে দেখিছে কাটি থোৱা শিলটো তাতে আপোনাৰ বৃন্দাবনি প্ৰাচীৰ চিত্ৰখন হ'বনে?" মই বজ্ৰপাত পৰা মানুহৰ দৰে থৰ লাগিলো। পিছত সম্বিত পাই কঁপিবলৈ ধৰিলো, মাত থোকা-থুকি হ'ল। মনতে ভাবিলো মানুহৰ সপোনো কেতিয়াবা দিঠকত পৰিণত হয়। মোক নিমাত দেখি তেখেতে ক'লে, এই ঠাইত নহ'লে আৰু এটুকুৰা ঠাই আছে, বলক চাওগৈ। গোটেই গড়ভঙ্গা চিদ ফাৰ্মখন ঘূৰি পকি আৰু এঠাইত ওলালোগৈ। এখন বহল মুকলি পথাৰ সমুখত ৰাখি পূবফালে মুখ কৰি থকা পাহাৰটো দেখুৱালে। আৰু বহুত ঘূৰি পকি গোটেই ঠাইখণ্ডৰ এটা নক্সা তৈয়াৰ কৰাৰ কথা কৈ আমি তাৰ পৰা গৃহাভিমুখে যাত্ৰা কৰিলো।

চৰকাৰী কাৰ্য বিধিৰ মাজেৰে নগলে সময়ত অসুবিধা হ'ব বুলি বন বিভাগীয় কাৰ্য্যালয়ৰ অনুমতি পত্ৰ নিৰ্দেশাৱলী লিখিতভাবে প্ৰস্তুত কৰাই দিবলৈ মই তেখেতক

অনুৰোধ জনাই মানসিকভাৱে কামটোৰ বাবে ঢাপে ঢাপে প্ৰস্তুত হ'লো। বিভিন্ন ব্যস্ততাৰ মাজত চৰকাৰী কাগজ-পত্ৰ প্ৰস্তুত হৈ উঠাত দেৰি হ'ল। তেখেতে আকৌ মৌখিকভাবে ক'লে। মূল চিত্ৰশ্বন এবাধৰা কৰি লেহেম গতিত আগবাঢ়িলো। তেখেতে ঠিকেই ভাবিছিল, ভবাৰ লগে লগে কাম আৰম্ভ নহ'লে কাম হৈ নুঠেগৈ। অৱশ্যে চৰকাৰী কামত লেখা-পঢ়া নথি-পত্ৰবোৰ বিশেষ আৱশ্যক। নহ'লে পিছুত লেঠাত পৰা হয়। মাজে মাজে যেতিয়া তেখেতৰ লগত দেখা হয় এই বিষয়ে কথা পতা হয় আৰু কামটো আগবঢ়াৰ উপায় ভবা হয়। দুৰ্ভাগ্য কামটো নহ'লগৈ।

গিয়াছউদ্দিন আহমেদ এক উদ্দাম গতিৰ যুবক। এদিন এটা প্ৰস্তাৱ লৈ আমাৰ ঘৰ পালেহি। নটসূৰ্য ফণী শৰ্মাৰ স্মৃতিত নাট্য উৎসৱ আৰু নানান কাৰ্যক্ৰমেৰে ফণী শৰ্মা দিবস উদ্‌যাপনৰ পৰিকল্পনালৈ এখন সমিতি তৈয়াৰ হ'ব—নগেন শৰ্মাক সভাপতি হিচাপে লৈ। যথা সময়ত সভা বহিল। এখন সমিতি প্ৰস্তুত হ'ল। নাট্যাচাৰ্য লক্ষ্যধৰ চৌধুৰী, ফণী তালুকদাৰ, অধ্যাপক উপেন্দ্ৰনাথ শৰ্মা, অধ্যাপক তফজ্জুল আলি, ড° অৰুণিমা ভৰালী আদিয়ে বিভিন্ন পৰামৰ্শেৰে স্মৃতি দিবসৰ প্ৰস্তুতি পৰ্বৰ আৰম্ভ কৰিলে। এই হেন ইন্দ্ৰৰ সভাত ময়ো ভাগ পাই সৎসঙ্গত ধন্য হ'লো। আৰম্ভণিৰে পৰা নটসূৰ্য দিবসে অসমৰ সাংস্কৃতিক জগতত এক নতুন গতিৰ সৃষ্টি কৰিলে। কেইবাখনো গ্ৰন্থ প্ৰকাশ হ'ল। নাটমহোৎসৱ হ'ল আৰু বহুতো। আচৰিত আৰু সৌভাগ্যৰ কথা, এই অধমৰো এখনি গ্ৰন্থ প্ৰকাশ হ'ল নটসূৰ্য সোঁৱৰণী সমিতিৰ তৰফৰ পৰা। অহা জুলাই দুহেজাৰ চনত নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতিয়ে শ্ৰীমন্ত শংকৰদেৱ কলা ক্ষেত্ৰৰ সহযোগত বহুতো পৰিকল্পনা হাতত লৈছিল। পিছে কালে সকলো হৰি নিলে। সকলো ফালৰ পৰা দুৰ্ভাগ্যই লগপোৱা অসমৰ সৃষ্টিৰ গতিত আকৌ এবাৰ বাধাৰ প্ৰাচীৰ তুলি দিলে। নগেন শৰ্মা গ'ল। তেখেতৰ কৰ্মশক্তি, উদ্যম গতিক আমি স্ববাহিত কৰি ৰাখিব নোৱাৰিমনে? মদ্‌গছ নটসূৰ্যৰ ব্যক্তিত্ব আৰু নগেন শৰ্মাৰ চঞ্চল কৰ্ম ধাৰাই আমাক গতিশীল কৰি ৰাখিব নোৱাৰিবনে?

যোৱা ২৭ ফেব্ৰুৱাৰীত বিশেষ কামত ক্ষেত্ৰীলৈ গৈছিলো। ঘূৰি আহি সন্ধিয়া অমঙ্গলীয়া খবৰটো পাই নগেন শৰ্মাৰ দিচপুৰৰ বাসভৱনলৈ গ'লো। ড° অলকা দেশাই শৰ্মাক দেখা কৰিলোগৈ। মই আচৰিত হ'লো ড° অলকা দেশাই শৰ্মাৰ ধৈৰ্য্য দেখি। শেতা হাঁহিৰে আদৰণি জনাই ওচৰৰ চকীখনত বহিবলৈ অনুৰোধ কৰিলে। দুই এটা কথা সুধিলে। বাহিৰলৈ ওলাই আহি বিধায়ক বৃন্দাবন গোস্বামীৰ পৰা খবৰ পাই তেখেতৰ বাসগৃহলৈ গৈ পাৰমিতাক লগ ধৰিলো। পাৰমিতাই কৈলাশীহঁতৰ

লগত খেলি আছে। তাই নাজানে যে সিদিনা আবেলি ঘাতকৰ আঘাতত তাইৰ দেউতাক পৃথিৱীৰ পৰা হেৰাই গৈছে। ভিতৰৰ সৰু কোঠা এটাত অধ্যাপক দেশাই বহি আছে। আমাক দেখি সৰু সৰু মাতেৰে ক'লে ঃ "পাৰমিতাইহঁতে এই অমঙ্গলীয়া পৰিস্থিতিৰ অৱসান ঘটাব।"

আমিও সেই আশাৰে আগবাঢ়ি যাম।

আমাৰ পোনা

নিৰদা চক্ৰৱৰ্ত্তী

সৰু কালৰ কথা। আমাৰ ভাড়া ঘৰত কিছুমান মানুহ আছিল ঠেলা গাড়ীত কেৰাচিন তেলৰ টিন অথবা মিঠা তেলৰ টিন বিলাকত পানীভৰাই হোটেলত দিয়ে তাৰ বিনিময়ত তেওঁলোকে পইছা পায়, সেয়াই তেওঁলোকৰ ব্যৱসায়। আজৰি সময়ত গোটেই বোৰে আমাৰ চোতালখনতে পাটি পাৰিলে তাচ পাত খেলে আৰু বিড়ি খায়। তেতিয়াৰ বিড়ি বিলাকৰ advertise কৰিছিল, ৰাস্তাত লৰাবোৰে ছোৱালী সাজি নাচি নাচি বিড়ি খাই খাই। মনতে ময়ো ভাবিছিলো বিড়ি বোৰ খাবলৈ বা কেনে লাগে। নিশ্চয় ভাল লাগে নহলে কিয় ইমান ৰাস্তাই ৰাস্তাই নাচি নাচি বিড়ি খাই ফুৰিব। এদিন ৰবিবাৰে দুপৰীয়া মই আৰু মোৰ ভন্টী অনুক লগত লৈ মনে মনে, ঘৰৰ পিছফালেদি ওলাই আমাৰ ঘৰৰ সন্মুখতে থকা দোকান খনৰ তলত বহি বিড়িৰ টুকুৰাবোৰ মুখত লৈ খোজোতেই কোন সময়ত পোনা আহি আমাৰ দুয়োৰে কাণত ধৰি উলিয়াই আনিলে তলকিবই নোৱাৰিলো, তাৰ পিছতেই দুই গালে দুই চৰ। কান্দি কান্দি দুয়ো শুই থাকিলো। আবেলি ৪ টামান বজাত শুই উঠি দেখো আমাৰ দুয়োজনীৰে কাষত দুটা নাৰিকল দিয়া লুজন গুড়ি ওচৰতে পোনা, সি আমাক কৈছিল, এইবোৰ বেয়া কাম আৰু যাতে আমি কেতিয়াও বেয়া কামবোৰ নকৰো।

আৰু এদিনৰ কথা আমাৰ ঘৰৰ ওচৰতে বিহাৰী লৰা আৰু বঙালী মানুহ ঘৰত আছিল, ঠাণ্ডাদিনৰ দুপৰীয়া সকলোৱে চিলা উৰুৱাই আছিল। আমাৰ পোনা, ওচৰতে ভাইটী দা (বসন্ত দাস বৰ্ত্তমান ইঞ্জিনিয়াৰ, বঙাইগাওঁ) সতীশ, (বৰ্ত্তমান আৰ্মিত)। হঠাৎ পোনাৰ চিলাখন অন্য মানুহৰ চিলা আহি কাটি দিলে। সি দৌৰি যিজন লৰাৰ চিলাই তাৰ চিলাখন কাটিছিল তাক সুধিছিল যে মোৰ চিলাখন তই কিয় কাটিলি। লৰাটোৱে উত্তৰত কলে যে তোৰ মাঞ্জা কম সেই কাৰণে। পিছদিনা দুপৰীয়া অনু আৰু মোক লৈ সূতাত মাঞ্জাদিয়াত লাগি গল, এটা সময়ত অনু আৰু মোৰ হাত কাটি তেজ ওলাব ধৰিলে, তাৰ পিছতহে সি শান্ত হ'ল, আমি দুয়োজনীৰে হাত দুখন ধুই আয়োডিন লগাই দিছিল। পিছদিনা সেই সূতাৰে ৪ খন চিলা কটাৰ পিছতহে সি ঠাণ্ডা হৈছিল।

নাটকৰ প্ৰতিও তাৰ ভীষণ ৰাপ আছিল। আমাৰ তেজপুৰৰ ঘৰত আমাৰ ধানৰ খেতিৰ পৰা অহা বস্তাবোৰ বাৰান্দাত থৈছিল। ঘৰত যেতিয়া আই আৰু পিতা

নাথাকে তেতিয়া বস্তাৰ ওপৰত বেডক'ভাৰ পাৰি সিংহাসন কৰিছিল, মোক পাতিছিল জয়মতী, সতীশক লৰা ৰজা, অনুক চাউদাং আৰু ভাইটী দাক পাতিছিল গদাপানি। পৰিচালনা কৰিছিল সি নিজেই, তাকে চাবলৈ ওচৰৰ ডাঙৰ সৰু লৰা ছোৱালী গোট খাইছিল। আমি নাটকও দেখুৱাইছিলো আৰু সৰু সৰু লুজন গুটি দিছিলো। লুজন গুটিও কিনিবৰ বাবে পিতাৰ পৰা দুই অনা খুজি থৈছিলো।

তেজপুৰত এটা আমাৰ সংঘ আছিল, সেই সংঘটোৰ নাম আছিল 'চিত্ৰায়ন'। আমি তাত বহি কিতাপৰ বিষয়ে আলোচনা, আবৃত্তি তৰ্ক প্ৰতিযোগিতা আমাৰ মাজতেই হৈছিল। এবাৰ আমাৰ নাটকৰ আখৰা চলি আছিল, ভূপেন চক্ৰবৰ্ত্তীয়ে আমাৰ নাটক প ৰিচালনা কৰিছিল, সদৌ অসম নাট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ বাবে। মাজতে পোনা আৰু দেউতি দা (ভাৰত বৰা মাটিৰ উকিল ঢেকীয়াজুলি) নাই।

আমাৰ ভোক লাগিছিল বাবে বাপুদাই নিজে তলত নামি আহিব খোজোতেই দেখিছিল দুয়ো অথাৎ পোনা আৰু দেউতি দাই ফুচকা খাই আছে। বা পুদাৰ খংউঠি খুব বকিছিল, বকনিত ৰব নোৱাৰি আমালৈ চানাচুৰ লৈ আহিছিল।

ছাত্ৰ সন্থা বুলিলে কেইজন মান লৰাৰ সমষ্টি বুলিয়েই জনো। দ্বিতীয় তেল শোধানাগাৰৰ পৰাই ছাত্ৰসন্থাৰ বিষয়ে মই জানো, তেতিয়া সাধাৰন সম্পাদক আছিল ভাৰত লোহাৰ। পোনাহত ভাৰত দাৰ তুলনাত সৰু আছিল, বিজুদা, বাপা দা, পোনা বাপুদা, দেউতি দা আৰু বহুতো আছিল। সকলোৰে নাম মোৰ ইমান মনত নাই। আৰম্ভ কৰিছিল আন্দোলন, সেইযে আন্দোলন আৰম্ভ হ'ল তাৰ পিছত আহিল ভাষা আন্দোলন, বিদেশী খেদা আন্দোলন, সেইয়া কোনেও নজনা মহয়। আইৰ খোচনিৰ পইচা লৈ কৰা ছাত্ৰ সন্থাৰ সভা, কাপোৰৰ জাপৰ পৰা টকা ১০০.০০ লৈ ট্ৰাকত তেল ভৰাই কৰা বিদেশী খেদা আন্দোলনৰ কথা বিজুদাই (বৃন্দাবন গোস্বামী) পাহৰিব নোৱাৰে, নোৱাৰে ললিত দাই, জয়নাথ দাই, নোৱাৰে ইন্দিৰা, ভৃগুৱে, নোৱাৰে কাৰ্ত্তিকে, নোৱাৰে মহন্তই, নো ৱাৰে নুৰুল দাই। আজি আৰু পোনা নাই, নাই ললিত দা। কিন্তু তেওঁলোকৰ প্ৰতিটোপাল তেজ মিহলি হৈ আছে আজিৰ এই অসম গণ পৰিষদৰ মাজ ত। অসম আন্দোলনৰ ডেকা লৰাৰ তেজেৰে গঢ়া গণ পৰিষদ অসমী আইৰ সন্তান ; এই সন্তানৰ গাত আচোঁৰ এটা পৰিব নিদিয়াকে সু-সন্তান হিচাবে গঢ়ি ভাৰতবৰ্ষৰ মাজত এখন জাকত জিলিকা দেশ হলেহে আত্মত্যাগৰ মুল্যায়ন কৰা হব।

কৃষ্টিৰ অগ্ৰণী সৈনিক নগেন শৰ্মা

প্ৰণৱ বৰা

একবিংশ শতিকাৰ ২৭ ফেব্ৰুৱাৰীত নলবাৰীৰ বাহজানী গাঁৱত ভৰদুপৰীয়া আলিবাট, সেউজীয়া শস্য-শ্যামলা ধাননি পথাৰ মানুহৰ তেজেৰে ৰাঙলী হ'ল। মানুহৰ তেজেৰে মানুহেই ফাকু খেলিলে। চিৰদিনৰ বাবে কালৰ গৰ্ভত বিলীন হ'ল কৃষ্টিৰ অগ্ৰণী সেনানী নগেন শৰ্মা আৰু তেওঁৰ লগতে প্ৰণবেশ বৰুৱা, মাখন বৰপাত্ৰগোহাঁই, শৰৎ বৰুৱা আৰু মণ্টু ভূঞাৰ দেহা ছিন্ন-ভিন্ন হ'ল.............

২৭ ফেব্ৰুৱাৰীৰ বিয়লি পাঞ্জাবাৰীত অৱস্থিত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হৈ থকা সংগীত নাটক একাডেমীৰ সংগীতানুষ্ঠান উপভোগ কৰিবলৈ অসমৰ জনপ্ৰিয় অভিনেতা শ্ৰীনিপন গোস্বামীৰ গাড়ীত পাঞ্জাবাৰী অভিমুখে গৈ আছো। গাড়ীত মই নিপনদাক কৈছিলো — যোৱা ছমাহমানৰ পৰা অসম চৰকাৰৰ এজন জ্যেষ্ঠ মন্ত্ৰীয়ে মোক লাগি আছে "আপুনি এখন পূৰ্ণাঙ্গ অসমীয়া চলচিত্ৰ নিৰ্মাণ কৰক, এই সংক্ৰান্তত সকলো সহায় মই কৰিম।" ইয়াৰ ওপৰিও নটসূৰ্য ফণী শৰ্মাৰ ওপৰত মই আধা কৰি থোৱা তথ্যচিত্ৰখন সম্পূৰ্ণ কৰিবৰ বাবে উক্ত মন্ত্ৰীগৰাকীয়ে আজি প্ৰায় এমাহ আগেয়ে মোক কলিকতালৈ পঠাইছিল আৰু মাৰ্চ মাহৰ ভিতৰত ছবিখন সম্পূৰ্ণ কৰিবৰ বাবে প্ৰয়েজনীয় সহায়-সহযোগ আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিছিল আৰু এই সংক্ৰান্তত মাৰ্চৰ প্ৰথম সপ্তাহত আমাৰ বিতং আলোচনাৰ বাবে দিন ধাৰ্য কৰা হৈছিল। প্ৰাৰম্ভিক আলোচনাত মোৰ লগত আছিল নটসূৰ্যৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীৰঞ্জিত শৰ্মা। যিহওঁক গাড়ীত নিপনদাই মোক সুধিলে মন্ত্ৰীগৰাকী কোন? মই ক'লো সময়ত ক'ম। আমাৰ গাড়ীশংকৰদেৱ কলাক্ষেত্ৰৰ মুকলি মঞ্চৰ ওচৰত ৰ'ল। আমি গাড়ীৰ পৰা নামিছোহে--আমাক দেখি দৌৰি আহিল অভিনেত্ৰী চেতনা দাস। চেতনাই আৱেগ-বিহ্বল কণ্ঠেৰে চিঞৰি উঠিল - "প্ৰণৱ, নিপনদা— নগেনক আজি দুপৰীয়া নলবাৰীত হত্যা কৰিলে।" সৰ্বশৰীৰ কম্পিত হ'ল। কম্পিত কণ্ঠেৰে নিপনদাক ক'লো—যাৰ মৃত্যু সংবাদ শুনিলে সেই মৃত্যুপথযাত্ৰী গৰাকীয়েই হ'ল মোক সহায় কৰিবলৈ প্ৰতিশ্ৰুতি দিয়া অসমৰ জ্যেষ্ঠ মন্ত্ৰী গৰাকী। নিপনদাও স্তম্ভিত হ'ল আৰু ক'লেঃ মই অনুমান কৰিছিলো........

১৯৬৭ চন, তেজপুৰ। সদৌ অসম ছাত্ৰ সন্থাৰ অধিবেশন। নগেন শৰ্মা তেতিয়া তেজপুৰ একাডেমীৰ ছাত্ৰ। সেই অধিবেশনতে নগেন শৰ্মাই তেজপুৰ

একাডেমীৰ হৈ প্ৰতিনিধি হিচাপে অংশ গ্ৰহণ কৰিছিল। উল্লেখযোগ্য আজি তিনি দশকৰ আগেয়ে অনুষ্ঠিত উক্ত সভাতেই সদৌ অসম ছাত্ৰ সন্থাৰ সংবিধান গ্ৰহণ কৰা হৈছিল। সেই বছৰেই অসম বিধান সভাৰ সাধাৰণ নিৰ্বাচনত কলাগুৰু বিষ্ণু ৰাভাই নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰিছিল আৰু তেজপুৰৰ যুৱ ছাত্ৰ সকলে বিষ্ণুৰাভাক জয়ী কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। তেজপুৰৰ চি. পি. আই দলৰ অন্যতম নেতা শ্ৰীজীৱন কলিতাই আজি কেবাবছৰ আগেয়ে দৈনিক অসম কাকতত প্ৰকাশিত এটি সাক্ষাৎকাৰত উল্লেখ কৰিছিল যে "বিষ্ণুৰাভাৰ নিৰ্বাচন প্ৰচাৰত হাফপেণ্ট পিন্ধা তেজপুৰ একাডেমীৰ ছাত্ৰ নগেন শৰ্মাৰ অৱদান আমাৰ মনত আছে"। ১৯৭১ চনৰ আৰম্ভণিতে অবিভক্ত দৰং জিলা ছাত্ৰ সন্থা গঠন হয় আৰু বৃন্দাবন গোস্বামীক সভাপতি তথা প্ৰণৱ বৰাক (এই প্ৰবন্ধ লেখক) সাধাৰণ সম্পাদক হিচাপে দৰং জিলা ছাত্ৰ সন্থাৰ প্ৰথম কাৰ্যনিৰ্বাহক গঠিত হয়। ১৯৭২ চনৰ মাধ্যম আন্দোলনৰ পৰিসমাপ্তিৰ পিছত তেজপুৰৰ পদুমপুখুৰীৰ পাৰত মাধ্যম আন্দোলনৰ ছহিদ সকলৰ স্মৃতিত এটি ছহিদ স্তম্ভ নিৰ্মাণৰ সিদ্ধান্ত লোৱা হয় আৰু ছহিদ স্তম্ভ নিৰ্মাণ সমিতিৰ সম্পাদকৰ দায়িত্ব দিয়া হৈছিল শ্ৰীনগেন শৰ্মাক। আজিও তেজপুৰৰ সেই শ্বহীদ স্তম্ভ বিৰাজমান হৈ আছে। ১৯৭৩ চনত মই গুৱাহাটী বিশ্ববিদ্যালয় আৰু সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব লব লগা হোৱাত তেজপুৰ এৰিবলগা হয় আৰু তাৰ পৰৱৰ্তী বছৰত নগেন শৰ্মা দৰং জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হয় আৰু ১৯৭৭ চনৰ সদৌ অসম ছাত্ৰ সন্থাৰ অধিবেশনত প্ৰথম সহকাৰী সম্পাদক আৰু পিছলৈ সাধাৰণ সম্পাদক নিৰ্বাচিত হয় আৰু তাৰ পৰৱৰ্তী বছৰত উপদেষ্টা হিচাপে মনোনীত হয় আৰু ১৯৭৯ চনৰ পৰা আৰম্ভ হোৱা বিদেশী নাগৰিক বহিস্কাৰ আন্দোলনত অগ্ৰণী ভূমিকা লয় আৰু ১৯৮৫ চনৰ পৰা একেৰাহে তিনিবাৰ নলবাৰী বিধান সভাৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হয় আৰু মৃত্যুৰ আগমুহূৰ্তলৈকে অসম চৰকাৰৰ গড়কাপ্তানী আৰু বনমন্ত্ৰী হিচাপে কাৰ্য-নিৰ্বাহ কৰিছিল।

নগেন শৰ্মাৰ কৰ্মক্ষেত্ৰ কেৱল ৰাজনীতিৰ পথাৰতে সীমাবদ্ধ নাছিল। তেওঁ আছিল কৃষ্টিৰ পথাৰৰ এগৰাকী অগ্ৰণী সৈনিক। সত্তৰ দশকৰ মাজভাগত নগেন শৰ্মাৰ নেতৃত্বত তেজপুৰত চিত্ৰায়ন নামৰ এটি সামাজিক সাংস্কৃতিক সংগঠন গঢ় লৈ উঠিছিল। তেতিয়া আমাৰ সংগঠনটোৰ নাম আছিল "সৰগম"। সম্ভৱত ঃ ১৯৭৫ চনত চিত্ৰায়ন, সৰগম আৰু অৰ্চনা গোষ্ঠীৰ যৌথ প্ৰচেষ্টাত তেজপুৰত বিষ্ণুৰাভা দিৱস উদ্‌যাপন কৰা হৈছিল। নগেন শৰ্মাৰ প্ৰচেষ্টাত তেতিয়াই বিষ্ণুৰাভাৰ গীতৰ এটি সংকলন "সুৰৰে দেউলৰে" প্ৰাকাশিত হৈছিল আৰু তেতিয়ালৈকে বিষ্ণুৰাভা ৰচনাৱলী প্ৰকাশ হোৱা নাছিল। উক্ত বিষ্ণুৰাভা দিৱসত বিষ্ণুৰাভাৰ পত্নী শ্ৰীযুতা

মোহিনী ৰাভাৰ পৰা বিষ্ণুৰাভাৰ গীতৰ স্বৰলিপি নগেন শৰ্মাই লৈ আহিছিল আৰু উক্ত স্বৰলিপিৰ পৰা "হে বিপ্লবী বীৰ অধিনায়ক হে" আৰু "কিবা যেন নাই আজি নাই আছে হুমুনিয়াহ" গীত দুটি সংগ্ৰহ কৰি বিশিষ্ট শিল্পী সুজিত সিংহই তেজপুৰৰ শিল্পীসকলৰ দ্বাৰা পৰিবেশন কৰাইছিল। উল্লেখযোগ্য যে অসম গণ পৰিষদ চৰকাৰ ক্ষমতালৈ অহাৰ পিছত ১৯৮৭ চনত মুখ্যমন্ত্ৰী প্ৰফুল্লকুমাৰ মহন্তৰ পৃষ্ঠপোষকতাত "বিষ্ণুৰাভাৰ ইন্দ্ৰধনু" নামৰ প্ৰকাশিত গীতৰ কেছেটত উক্ত গীত দুটি সন্নিবিষ্ট হৈছিল। ১৯৭৯ চনৰ ডিচেম্বৰৰ শেষত আমি গীত, নৃত্য, আবৃত্তিৰ সমন্বয়ত "বিজয়ডংকা" নামৰ এটি অনুষ্ঠান তেজপুৰত উপস্থাপন কৰিছিলো আৰু উক্ত অনুষ্ঠান পৰৱৰ্তী বছৰবোৰত সমগ্ৰ অসমত আন্দোলন অধিক প্ৰাণৱন্ত হ'বৰ বাবে পৰিৱেশন কৰিছিলো। প্ৰথমতে তেজপুৰত এই অনুষ্ঠান কৰাৰ প্ৰস্তুতি কৰি থাকোতে আমাক কিছুমানে ক'লে—"এইবোৰ কৰি কি লাভ? তাতকৈ আপোনালোক ওলাওঁক অমুক সম্প্ৰদায়ৰ লোকসকলক আক্ৰমণ কৰো"। আমি ড° ভূপেন হাজৰিকাৰ ভাষাৰে ক'লো—"GUN (বন্দুক) নহয় গান।" অনুষ্ঠানৰ দুদিন আগেয়ে নগেন শৰ্মা গৈ আমাৰ আখৰাথলী বাণ থিয়েটাৰত উপস্থিত হ'ল আৰু ক'লে আপোনালোকে নিৰ্দ্ধাৰিত কাৰ্যসূচী অনুযায়ী অনুষ্ঠান কৰক আৰু ইয়াত সদৌ অসম ছাত্ৰ সন্থাৰ পূৰ্ণ সমৰ্থন আছে। উল্লেখযোগ্য যে ১৯৭৯ চনৰ ৩১ ডিচেম্বৰত অনুষ্ঠিত হোৱা "বিজয়ডংকা" প্ৰথম নিশাৰ কাৰ্যসূচীত নগেন শৰ্মাই উপস্থিত থকিবৰ বাবে দুগৰাকী আছুৰ প্ৰতিনিধি পঠিয়াই দিছিল। তেওঁলোক আছিল আবু নাচেৰ ইফটিকাৰ হুচেইন বৰা আৰু উৎপল ৰাজবংশী। ১৯৮৩ চনৰ নিৰ্বাচনী বতৰত অসমত জুই জ্বলি উঠিছিল। সমগ্ৰ অসমত কেৰ্চা মণ্ডহৰ গোন্ধ। চৌদিশে মৃত্যুৰ ভয়াবহ কিৰিলি। অশান্ত অসমলৈ শান্তিৰ বতাহ ঘূৰাই আনিবলৈ তেতিয়া সদৌ অসম ছাত্ৰ সন্থাই গঠন কৰিছিল "সমন্বয় বাহিনী"। নগেন শৰ্মাই আছুৰ এজন কৰ্মীৰ হাতত এখন চিঠি দি মোক লগ ধৰিবলৈ তেজপুৰলৈ পঠালে। আছুৰ নগেন শৰ্মা, দেবকুমাৰ বৰা, ড° অৰুণ শৰ্মা, কুমাৰ দীপক দাস, ডা° নাৰায়ণ শৰ্মা, প্ৰবীন বড়ো (বৰ্তমান আছুৰ সভাপতি), দিলীপ চন্দন (বৰ্তমান অসম বাণীৰ সম্পাদক) আদি লগ লাগিল সমন্বয় বাহিনী গঠন কৰিবৰ বাবে। নগেন শৰ্মাৰ অভূতপূৰ্ব সাংগঠনিক ক্ষমতা আৰু দেৱকুমাৰ বৰাৰ পৰিকল্পনাত সমন্বয় বাহিনীয়ে শদিয়াৰ পৰা ধুবুৰীলৈ অশান্ত অসমত শান্তি প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। এই বাহিনীৰ নেতৃত্ব লৈছিল ড° ভূপেন হাজৰিকাই। ড° হাজৰিকাৰ উপৰিও আমাৰ লগত আছিল ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, মচফিয়া আহমেদ, ড° নিৰ্মলপ্ৰভা বৰদলৈ বীৰেন ব্ৰহ্ম আদি ব্যক্তিসকল। ১৯৮৩ চনৰ এই স্মৃতি আৰু নগেন শৰ্মাৰ অৱদান আমাৰ চিৰদিনলৈ মনত থাকিব.............

লুইতৰ বগপালী বংবোৰ আজি তেজৰঙা হৈছে। শান্তিৰ গীত গোৱা কপৌজাক আজি বাৰুদৰ ধোঁৱাত লুকাই আছে। এই বাৰুদৰ ধোঁৱাৰ মাজৰ পৰা কপৌজাকক নীলা আকাশত আমি উৰাব পাৰিলেহে নগেন শৰ্মা আৰু হত্যা-সন্ত্ৰাসৰ বলি হোৱা শত-সহস্ৰজনৰ আত্মাই শান্তি লভিব। আহক আমি দেশলৈ শান্তিৰ নিজৰা বোৱাবলৈ, হত্যা-সন্ত্ৰাস বন্ধ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হওঁ।

দ্বিতীয় অধ্যায়

।। বিশেষ নিবন্ধ।।

In Memory of
Nagen Sarma

Prof. D.S. Desai

This paper is written in the memory of Shri Nagen Sarma. He died a martyr, in the broadest sense of the term. During internal emergency of Indira Gandhi he openly protested against breach of Indian constitution and its violation and he courted willingly imprisonment. When some misguided youth resorted to violence and lawlessness he faced them and courted death. His death was neither tragic nor accidental. His imprisonment as well his death were the consequences of this natural desire to live a dynamic and meaningful life. He loved sport, music and folk dance. He wanted to federate all the seven sisters of North East on the ground of folk dance, music and sport. He was an activist and was amused at the arm-chair professor's identification with books. He loved people without being sentimental. The whole of Nalbari grieved his death as one person. They expressed their gratefulness for their beloved leader for what he did for them when he was alive by electing Alaka Sarma, his wife by a huge total and rejecting the claim of a heavy -weight, popular Ex-Chief Minister of a National Party, she earned the clear verdict in her favour.

During the bereavement period at the death of Shri Nagen Sarma, many men and women came to visit Alaka to offer their condolences. They had the opportunity to interact with her and her thinking. Their overwhelming support for her

reflects their faith, confidence and evaluation of her dynamic and radical leadership qualities. There is a popular belief that people of Nalbari never fail in locating 'quality person' and hence respecting 'quality'.

To understand the assassination of Nagen Sarma, by misguided youth of an organization based on irrational, ani-democratic ideology, is to explore the limitation of principles and practices of any current or past political organization. The principal objective of this paper is two fold : to understand the nature and source of deficiencies in the functioning of the present political party system, both at central or regional level: and secondly, to suggest measures to democratise the political system in its functioning by putting the people in the centre of all inquiries which affect their lives.

The writer is not an expert or authority in the methodology of any social sciences, yet he is motivated to write this monograph for two reasons: to express his respect and love for this great son of the soil, visionary as well as realist: and to acknowledge the truth of a statement made by F.A. Hayek. This quotation is from Dr. Anil Patel's, public lecture on "Power, liberty and knowledge". "From time to time, it is probably necessary to detach one self from the technicalities of the argument and ask quite naively (as the writer does) what it is all about."

The year of Independence of India is taken as a point of departure and reference. The pre-independence freedom movement of Indian National Congress (INC) was focussed on transfer of power to the Indian people from the colonial administrators, a negative aspect of freedom as well as

nationalism. The movement was merely anti-British and had no programme for social and economic upliftment to back it. During the non-cooperative movement many local uprisings demanding justice erupted: these movements were either suppressed or discouraged by INC. The "high command" of INC characterized these struggles of the local people as anti nation, affecting adversely the national freedom movement against the colonial power? The advocates of quit India movement naively argued possession of political power Precedes peceds the possibility of social transformation.

With the declaration of India's independence Indian National Congress formed the first national government under the Indian constitution. The Indian constitution, briefly speaking, is not merely description of the framework of government. It is rich in ideological content. There were two interpretations of the federal nature of the constitution. The concept of the unitary view of federalism, influenced by the hegemonic thinking of Jawaharlal, unity in diversity) prevailed. The opportunity to democratize and decentralize decision making was missed.

To understand the reasons why the policies and practices of INC drifted fro m the ideological moorings of the Indian constitution, is to understand the political Philosophy and development strategies of Jawaharlal. When he assumed the office of Prime Minister of India, he was confronted with a dismal picture of Indian economy-- a stagnant economy and social literary backwardness. He had to integrate the people focussed around the secular, humanistic values of a modern,

democratic state. Secondly he had a crowded agenda to modernize, in as short time as possible, the stagnant economy of India. These two concerns influenced his thinking.

The social and political thought of a society is necessarily affected by the life situation of the charismatic leader. Jawaharlal was the undisputed leader of the Indian people and aspired to be the architect of Indian destiny (tryist with destiny). He was faced with two diametrically opposite and irreconcilable approaches for development; Gandhian and Fabian socialistic. M.K. Gandhi wished to disband monolithic INC and build the economy from the bottom to the top. Being anarchist he was against the use of state power. Jawaharlal accepted and logically adopted the Fabian socialistic approach. Being educated in British liberal educational institutions he learnt the importance of modernity . He was impressed by the power of science and technology to produce plenty. He liked to use the power of the State (the coercive power) to push through the reforms. He believed in creating (NEW) order by design.

He had little faith or time. for building consensus, encouraging a dialogue or helping to emerge human capital at the lowest level of Indian society. He was impatient for dynamic change. With the help of macro planning & control, backed by the State's coercive power, he wished to modernize the stagnant economy of India. Thus, Nehru assigned a dominant role and function to state power in alleviation of poverty. About the capacity of the multitude of the people to measure themselves against the task of the national building he had little confidence. Poor needs protection, he argued, and

hence a strong state can provide shelter. Nehru prepared the back ground for the emergence of a leviathan State. Today the people of the India have to suffer on account of this lapse on the part of the great democrat.

Indira Gandhi, his daughter extended and elaborated this view of the authoritarian state and she gave a fatal blow, by declaring internal emergency (1975) to the young democratic republic. By repressing dissent, she undermined the very foundation of democratic government.

From the above narrative it becomes obvious that macro, archetypal or hegemonic ideology gave a serious jolt to the functioning of a democratic republic. A student of political science knows that is the political organization. Now with the concentration of economic power, (PSE) in the state, the administrators of the state acquire vast powers over men and resources. Every ambitious person, with or without vision, craves to be in the government. The stakes are very high. Thus the politics becomes the hunting ground for the careerists. There was and has been unethical scramble to have an access to the power of the state and its economy. The entire political process, the election to the legislatures, formation of the government, gets vitiated or distorted. The ideology of rapid industrialising which promised plenty paves way to corrupt the entire society. In place of health and wealth the society is rewarded with social sickness and unmitigated poverty at the lowest level of social order. The only countervailing would have been the average men and women.

The people of India other than the Elites who could be

a countervailing power to resist this scramble for power were not aware of their innate potentialities. No efforts or resources of the society were invested to nurture to bring out their innate biological properties of autonomy ,ability to take decision, and responsibility. Unlettered and political illiterate, they offered fearless resistance to the lawlessness of Internal Emergency of 1975. They account for incumbency factor at every major election. On account of their innate rationality, they offer dissent to misrule but they do not have agenda of their own. Under this back ground of political culture at the national level, Assamese people's movement-1979-1985 and a new people's party emerged- Assam Gana Parisad. What was the rationale for the formation of a regional party ? The advocates of AGP explain that the party represent the regional unity and identity and also the aspirations of the people of Assam. It appears that the demand for a separate regional set up on the ground of Assamese ethnicity was similar to the demand of the INC during the freedom struggle. The history of AGP during the last fifteen years sounds similar to the history of congress in power after initial honey moon period, dissent, disciplinary action and the split. The Assamese identity is now taken care of by a number of groups, one of them is ULFA. These anomalies and conductions as mentioned above explain the limitations of macro ideology of nationalism, nationhood. A person has two identities: individual identity and social identity as a human being he shares a universal identity: as a social member his group or community identity is different from other's and special to his own group.

There is no need for apology for the creation of a regional party. Any regional party extends and enriches democratic

values through defusion, devolution of power and decentralization of decision making at the point of action. The regional party has to make suitable environment for further devolution and decentralization process to reach the lowest level of social strata to the effect that state is conterminous with the society. Ultimately the autonomy of the state reflects the autonomy enjoyed by the people. What is the remedy to save the pressing problems of ethnic identity, unemployment and intra conflicts due to diversity of ethnic cultures? Is it to run from one party rule to another, as all political parties are alike tin their constitution, character, and functioning., Is their any alternative?

Is there any alternative to this dismal picture? Yes, there is, if we change our traditional thinking from "freedom from" to "freedom to" changing our focus from institutions to people the real people and not to common man or the poorest of the poor. To make individuals aware of their potentialities and feasible activities may appear abstract and utopian, but it is not so. The need for a "Big Brother" helping the needy does not arise. Self-help, even in the smallest way make people aware of the illusion of Big Brotherly help. From passivity to self-direction is a step difficult but not impossible. One can visualize that a network of self and inter-directed people may emerge, guided by the fundamental values of self-respect, freedom to order their lives and the philosophy of inner-direction. These people, who have local pride in their life style, and attachment to the diversity of languages and culture, are better equipped to separate the chaff from the grain.

(Guwahati - 15/7/2000)

Note :

The following books have been used for ideas, information and inspiration.

1. Radical Humanism - By V.M. Tarkunde
The philosophy of the freedom and democracy, Ajanta Publication.

2. The New Cambridge History of India
By- Susan Bayly

3. State and Nation in the Context of Social Change Volume-1
Edited by T.V. Sathyamurthy, Oxford University Press.

4. Regionalism in Power - by Samir Kumar Das.

5. Povety, Liberty, Knowledge : A personal view.
By- Dr, Anil Patel .

নগেন শৰ্মাৰ সোঁৱৰণত

অধ্যাপক উপেন্দ্ৰনাথ শৰ্মা

বিচক্ষণ গণনেতা, সুদক্ষ প্ৰশাসক, সমাজসংগঠক আৰু সংস্কৃতিৰ সেৱক নগেন শৰ্মাৰ মৃত্যুত সমগ্ৰ অসম ম্ৰিয়মান হৈছে। শৰ্মাদেৱে এখন সোণৰ অসম গঢ়িবৰ সংকল্প লৈছিল। সেই সংকল্প তেওঁ সৰুৰে পৰা পুহি ৰাখিছিল যেন লাগে। জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ ৰাভা আৰু ফণী শৰ্মাৰ সান্নিধ্যলৈ আহি এইসকল মনিষীৰ উদাৰ দেশপ্ৰেমৰ দ্বাৰা উদ্বুদ্ধ হৈ তেওঁ জীৱনৰ পৰিযাত্ৰা আৰম্ভ কৰিছিল। সোণৰ অসম গঢ়িবলৈ অসমৰ সংস্কৃতিক উজ্জীৱিত কৰিব লাগিব, এই ধাৰণা তেওঁৰ মজ্জাগত আছিল।

নগেন শৰ্মাৰ মূলঘৰ নলবাৰীৰ গামাৰিমূৰি গাঁৱত অৱস্থিত। তেওঁৰ পিতৃ আয়ুৰ্বেদ চিকিৎসক নাগেশ্বৰ শৰ্মাই ১৯৩৮ চনত তেজপুৰলৈ আহি তাত চিকিৎসা আৰম্ভ কৰে। ১৯৫৪ চনৰ ৯ নবেম্বৰত তেজপুৰত এই প্ৰতিভাশালী ব্যক্তি গৰাকীৰ জন্ম হয়। তেওঁৰ মাতৃৰ নাম নলিনী বালা দেৱী। শৰ্মাৰ বুদ্ধিমত্তা, দৃঢ়তা আৰু শিল্পীসুলভ কোমলতাই দুয়োখন ঠাইৰে প্ৰভাৱৰ স্বাক্ষৰ বহন কৰে।

গামাৰিমূৰি আৰু তাৰ আশ-পাশ শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰস্থল। গামাৰিমূৰিৰ বিদগ্ধ পণ্ডিত চন্দ্ৰকান্ত বিদ্যালঙ্কাৰৰ টোলত অসমৰ সকলো ঠাইৰ ছাত্ৰ আহি পঢ়িছিল। গাতে লগা কৈঠালকুছিৰ নামজ্বলা সংস্কৃত পণ্ডিত আৰু 'জয়মতী' নামৰ প্ৰখ্যাত সংস্কৃত কাব্যৰ ৰচক ভৱদেৱ ভাগৱতীৰ বাসস্থান। গামাৰিমূৰিৰ নাতিদূৰত কৈহাটীৰ ঢুলীয়াসকলৰ অধ্যুষিত অৱস্থিত ভূমি। প্ৰাণপৰশা লোক-সংগীতৰ সুৰে আজিও নলবাৰী অঞ্চলত আকাশ-বতাহ মুখৰিত কৰি ৰাখিছে। শংকৰী নাম কীৰ্ত্তনৰ ধ্ৰুপদী সুৰৰ অনুৰণন আজিও ভক্তসকলৰ অন্তৰত বাজি আছে। অসমৰ নাট্যজগতত আলোড়ন সৃষ্টি কৰা যাত্ৰা গানৰ পয়োভৰ বৃহত্তৰ নলবাৰীতে।

এই সমৃদ্ধ শিক্ষা আৰু সংস্কৃতিৰ প্ৰভাৱ শৰ্মাদেৱৰ মজ্জাগত আছিল। ষষ্ঠমান শ্ৰেণীত পঢ়া কালৰেপৰা ছাত্ৰ সংগঠনত লগা শৰ্মাই অসমৰ সকলো ঠাইৰ লগতে নলবাৰী অঞ্চলতো সংগঠনৰ কামত ঘূৰি ফুৰিছিল। গতিকে গামাৰিমূৰি বা নলবাৰীৰ লগত তেওঁৰ জীৱন বিচ্ছিন্ন হোৱাৰ প্ৰশ্ন নুঠে। তথাপি, এই কথা স্বীকাৰ কৰিবই লাগিব যে তেজপুৰৰ বৰ্ণাঢ্য সংস্কৃতি আৰু তাৰ অন্তৰ্লীন আদৰ্শবাদ তেওঁৰ ধমনীত

অনবৰত প্ৰবাহিত হৈ আছিল। পদ্মনাথ গোহাঞিবৰুৱাৰ তেজপুৰত তেওঁ জ্যোতিপ্ৰসাদ, ৰাভা আৰু ফণী শৰ্মাৰ আদৰ্শৰ প্ৰভাৱৰ পৰা মুক্ত হোৱাৰ সম্ভাৱনা নাছিল।

নগেন শৰ্মাই নিচেই সৰু কালৰে পৰা অসমৰ সাংস্কৃতিক জীৱনৰ লগত জড়িত হৈ পৰিছিল। তেজপুৰত জন্মলাভ কৰা শৰ্মাদেৱে অসমৰ সাংস্কৃতিক কেন্দ্ৰস্থল তেজপুৰতে স্কুলীয়া আৰু কলেজীয়া শিক্ষা লাভ কৰাটো সৌভাগ্যৰ কথা আছিল। তেজপুৰৰ ধূলি-বালিত মিহলি হৈ থকা সাংস্কৃতিক সোণৰ চেকুৰা বুটলিবলৈ তেওঁ সমৰ্থ হৈছিল।

এই তেজপুৰতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ককাক হৰিবিলাস আগৰৱালাই অসমৰ প্ৰাচীন পুথি সংৰক্ষণ আৰু প্ৰকাশনৰ ওপৰত হাত দিছিল। তেওঁৰ ঘৰত অসমীয়া গীত-মাতৰ চৰ্চা হৈছিল। সেই সময়ছোৱাত অসমৰ আকাশ-বতাহ বাৰে-বঙলুৰা বিজতীয়া গীত-মাতেৰে ভৰি পৰিছিল। সৰ্বসাধাৰণে অসমৰ সুৰীয়া গীত-মাতৰ সৌন্দৰ্য বুজিব নোৱাৰি তাৰ কালে পিঠি দিছিল। জ্যোতি প্ৰসাদে কিশোৰ কালতে ৰচনা কৰা 'শোণিত-কুঁৱৰী' নাটকত প্ৰয়োগ কৰা গীতবোৰ নিভাঁজ অসমীয়া বিয়া-নাম আদিৰ সুৰ দি পৰিবেশন কৰাত বহুতে নাক কোচালেও সেই চমকপ্ৰদ সুৰ সংযোজনে যুগান্তৰ আনিছিল। এয়া এক পুনৰভ্যুত্থান বা বেনেইছাঁছ। তাৰ প্ৰভাৱে নগেন শৰ্মাৰ কিশোৰ প্ৰাণত খলকনি তুলিছিল। আজি আমাৰ সংস্কৃতিৰ সকলোবোৰ ইতিবাচক পৰীক্ষা-নিৰীক্ষা জ্যোতি প্ৰসাদৰ পদাংক অনুসৰণ কৰিয়ে সফলকাম হৈছে। জ্যোতিপ্ৰসাদৰ 'অসমীয়া ডেকাৰ উক্তি' কবিতাটি কিশোৰ শৰ্মাৰ মুখস্থ আছিল আৰু তেওঁ নিজকে কবিতাটিৰ অন্তৰ্নিহিত আদৰ্শৰ আধাৰত গঢ় দিছিল। অসমৰ সকলোবোৰ জনজাতীয়লোকৰ লগত তেওঁ আত্মীয়তা অনুভৱ কৰিছিল। ভৌগোলিক সীমাৰেখা ছিন্নভিন্ন হৈ যোৱাৰ পিছতো তেওঁৰ গাৰপৰা নগাকাপোৰখন নুগুচিছিলেই বুলিব লাগে।

শৰ্মাই দেশক ভাল পাইছিল। অসমৰ জাতিসত্তা আৰু সাংস্কৃতিক নিৰাপত্তাৰ বাবে তেওঁ উদ্বিগ্ন হৈছিল আৰু সেই বাবেই প্ৰথমে ছাত্ৰ আন্দোলন আৰু পিছত আঞ্চলিক ৰাজনীতিত জঁপিয়াই পৰিছিল। কিন্তু, তেওঁৰ সমগ্ৰ মন চৈতন্যক এটা কলাসুলভ মনে সততে আলোড়িত কৰি ৰাখিছিল। তেওঁৰ অসাধাৰণ কৰ্মদক্ষতা আৰু সাংগঠনিক শক্তি আঞ্চলিক ৰাজনীতিৰ বাবে হয়তো অপৰিহাৰ্য হৈ পৰিল।

শৰ্মাৰ কিশোৰ কালটোৰ কাৰ্যাৱলী অনুধাৱন কৰিলে তেওঁৰ কলা-সুলভ গুণবোৰৰ সম্যক পৰিচয় পোৱা যায়। বিখ্যাত আলোকচিত্ৰ শিল্পী নলিনী বৰুৱাই লিখিছে যে তেওঁৰ ষ্টুডিঅ'ৰ কাষত হেনো কিশোৰ নগেন শৰ্মাই থিয় হৈ থাকি

তেওঁৰ আলোকচিত্ৰ সমূহত ধৰাপৰা প্ৰাকৃতিক দৃশ্যবাজিৰ ফালে চাই থাকিছিল। পিছতহে দুয়ো গৰাকীৰ মাজত স্নেহ-প্ৰীতিৰ সম্পৰ্ক গঢ়ি উঠে। উত্তৰ কালত তেওঁ নলিনী বৰুৱাৰ আলোকচিত্ৰ প্ৰদৰ্শনৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগাইছিল। সপ্তম দশকৰ শেষাৰ্দ্ধত সতীৰ্থসকলৰ লগত লগ লাগি শৰ্মাই 'চিত্ৰায়ণ' নামেৰে এটা অনুষ্ঠান গঢ়ি তুলিছিল। শৰ্মা অনুষ্ঠানটোৰ সম্পাদক আছিল। তেওঁলোকে তেজপুৰৰ পুৰণি সাংস্কৃতিক সম্পদ সমূহ উদ্ধাৰ কৰি সংৰক্ষণ কৰাত লাগিছিল। তেওঁলোকে 'জয়মতী' কথাছবিত কাম কৰা 'আবাহন'ৰ চিত্ৰকৰ প্ৰতাপ বৰুৱাৰ চিত্ৰসমূহ শিল্পী গৰাকীৰ বায়েকৰ ঘৰৰ পৰা সংগ্ৰহ কৰি আৰু প্ৰদৰ্শনী কৰি আলোড়ণৰ সৃষ্টি কৰে। এনে উদ্যোগৰ ফলত তেজপুৰত এটা চিত্ৰ সংগ্ৰহালয় স্থাপিত হয়।

শৰ্মাৰ ভাস্কৰ্যৰ ওপৰতো গভীৰ ৰাপ আছিল। তেওঁ কিশোৰ কালতে তেজপুৰৰ প্ৰখ্যাত ভাস্কৰ লম্বোদৰ হাজৰিকাৰ ওচৰত ভাস্কৰ্যৰ প্ৰশিক্ষণ লয়। এনে প্ৰেৰণাতে উত্তৰ কালত নলবাৰীত ষ্টেডিয়াম নিৰ্মাণ কৰি থকা সময়ত তেওঁ শিল্পী ভূপাল চক্ৰবৰ্তী আৰু ননী বৰপূজাৰীৰ লগত আলোচনা কৰি এটি সুদৃশ্য গেট ৰচনাৰ আঁচনি তৰে।

তাহানি ড° সুনীতি চট্টোপাধ্যায়ে আমাক কৈছিল— অসমীয়া গৱেষকসকলে 'সাহিত্যত নাৰী সৌন্দৰ্য' লেখীয়া গৱেষণা নকৰি সত্ৰীয়া কলা-তত্ত্বৰ ওপৰত গৱেষণা কৰিব লাগে। তেওঁৰ উপদেশ মানি কোনেও এই ক্ষেত্ৰত বিশেষভাৱে আগবাঢ়িব পৰা নাই। অসমৰ প্ৰখ্যাত কলাকাৰ আগুদেৱে নিজৰ চিত্ৰত সত্ৰীয়া তথা নাম ঘৰৰ 'মটিফ' প্ৰয়োগ কৰাৰ কথা কৈছিল। সম্প্ৰতি আমাৰ ভৱবাৰ স্থুল শিল্পী নীলপৱন বৰুৱাই আধুনিক আৰু সত্ৰীয়া শিল্পৰ সমন্বয় সাধিবলৈ অহোপুৰুষাৰ্থ কৰি আছে। এনেবোৰ প্ৰচেষ্টাত পৃষ্ঠপোষকতা কৰিবৰ বাবে শৰ্মাদেৱৰ গভীৰ আগ্ৰহ আছিল। নীলপৱন বৰুৱাই শংকৰদেৱৰ বৃন্দাৱনী বস্ত্ৰৰ আৰ্হিত এখন সুবিশাল দেৱাল চিত্ৰ পট আঁকিবলৈ ইচ্ছা কৰাৰ কথা ব্যক্ত কৰাৰ লগে লগে শৰ্মাদেৱে শিল্পী গৰাকীক লৈ বশিষ্ঠাশ্ৰমৰ আশে-পাশে বিভিন্ন দৃশ্যপটত থকা প্ৰকাণ্ড শিল আৰু পাহাৰ পৰীক্ষা কৰিবলৈ ধৰিলে। শৰ্মাদেৱ কোনো সজ কাম পেলাই থোৱাৰ পক্ষপাতি নাছিল। তেওঁৰ তিৰোধানত এই দুঃসাহসিক পৰিকল্পনা লোপ পোৱাৰ নিচিনা হ'ল।

শৰ্মাদেৱে অসমীয়া সংস্কৃতিৰ অন্যতম কেন্দ্ৰ নলবাৰীত অৱস্থিত নাট্যমন্দিৰটো পুনৰুদ্ধাৰ কৰে। নলবাৰী নাট্য মন্দিৰৰ এটি গৌৰৱময় বহুবীয়া গৌৰৱময় ইতিহাস আছে। বিখ্যাত শিক্ষাবিদ, কবি আৰু নাট্যকাৰ ইন্দ্ৰেশ্বৰ বৰঠাকুৰ ১৯২০ চনৰ পৰা ১৯২৭ চনলৈ নলবাৰী গৰ্ডন হাইস্কুলৰ হেডমাষ্টৰ পদত অধিষ্ঠিত হৈ আছিল। তেওঁ সামাজিক আৰু সাংস্কৃতিক কামত ছাত্ৰ আৰু শিক্ষকসকলক উৎসাহ যোগাই নলবাৰীৰ

শৈক্ষিক জীৱনৰ যুগান্তৰ আনিছিল। শিক্ষকসকলে তেওঁৰ অনুপ্ৰেৰণাতে বেহালা, এছ্ৰাজ, বীণা আদি বাদ্যযন্ত্ৰ নিজা ৰবীয়াকৈ কিনি লৈছিল। নতুনকৈ স্থাপন হোৱা ছাত্ৰসম্মিলনৰ যোগেদি তেওঁ বহুবি নাট্যাভিনয় কৰাইছিল। তাত ছাত্ৰ আৰু শিক্ষকসকলে ভাগ লৈছিল। হোমেশ্বৰ শৰ্মাৰ 'আলাউদ্দিন' আৰু ভৃগু পণ্ডিতৰ 'পতি দত্তৰ ভূমিকা' আজিও বহুতৰ স্মৃতিৰ কোঠাত সজীৱ হৈ আছে। এইদৰে নলবাৰীত শিক্ষাৰ লগত নাট্যকলাৰ সম্বন্ধ গঢ়ি উঠে আৰু সময়ত নলবাৰী নাট্য মন্দিৰ স্থাপিত হয়। নলবাৰী নাট্যমন্দিৰত অধ্যক্ষ প্ৰভাত চন্দ্ৰ গোস্বামী আৰু অধ্যাপক ঈশ্বৰ চন্দ্ৰ ৰবৰাই যুটীয়াভাৱে লিখা 'পৰিণাম' নামৰ সামাজিক নাটকৰ অভিনয় এটা স্মৰণীয় ঘটনা। ফণী শৰ্মাৰ জীৱদ্দশাত নলবাৰী নাট্যমন্দিৰত তেওঁৰ 'কিয়' নাটকখন অভূতপূৰ্ব সাফল্যৰে অভিনীত হৈছিল। সীমা বিশ্বাসৰ মাতৃ মীৰা বিশ্বাস তাত এটি মুখ্য ভূমিকাত অৱতীৰ্ণা হৈছিল। ফণী শৰ্মাই অভিনয় কৰা নাছিল যদিও দৰ্শকৰ এজন হৈ অভিনয় চাইছিল। নলবাৰীৰ জীয়ৰী সীমা বিশ্বাসে চলচ্চিত্ৰৰ জগতত অভূতপূৰ্ব সাফল্য লাভ কৰি অসমৰ বাবে গৌৰব কঢ়িয়াই আনিছে। নলবাৰীত অভিনয় প্ৰতিভাৰ অভাৱ নাই, অভাৱ আছিল এটি আধুনিক অভিনয় উপযোগী নাট্যমঞ্চ আৰু প্ৰেক্ষাগৃহৰ। শৰ্মাদেৱে সেই অভাৱ পূৰণ কৰিলে।

শৰ্মাদেৱ এগৰাকী ভাল খেলুৱৈ আছিল। তেওঁ ভলীবল আৰু ক্ৰিকেট খেলিছিল। ছাত্ৰসন্থাৰ কামত সুমাই অনাই বনাই ঘূৰি ফুৰোতে আৰু মন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ পিছতো তেওঁ অ'ত ত'ত ঘূৰি এখন আধুনিক ষ্টেডিয়ামৰ অভাৱত প্ৰতিভা অথলে যোৱা দেখি সেই অভাৱ পূৰণ কৰিলে।

'অ অসমীয়া ডেকা দ'ল' গীতেৰে সুপ্ত ডেকা শক্তিক জগাৱ খোজা সুন্দৰৰ সৈনিক বিষ্ণু প্ৰসাদ ৰাভাৰ কৰ্মৰ দ্বাৰা শৰ্মাদেৱ গভীৰভাৱে অনুপ্ৰাণিত হৈছিল। ৰাভাই ১৯৬৭ চনত বিধান সভাৰ নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী হিচাবে প্ৰতিদ্বন্দ্বিতা কৰে। নগেন শৰ্মাই কিশোৰ কালতে বিষ্ণু প্ৰসাদ ৰাভাৰ নিৰ্বাচন অভিযানত অগ্ৰণী ভূমিকা লৈছিল। কম্যুনিষ্ট পাৰ্টিৰ সদস্য জীৱন কলিতাই স্মৃতি ৰোমন্থন কৰি লিখিছে — 'বিষ্ণু ৰাভাৰ নিৰ্বাচন প্ৰচাৰত হাফপেণ্ট পিন্ধা তেজপুৰ একাডেমীৰ ছাত্ৰ নগেন শৰ্মাৰ অৱদান আমাৰ মনত আছে। দুৰাৰোগ্য বেমাৰত ভুগি চিকিৎসালয়ত মৃত্যুৰ ক্ষণ গণি থকা ৰাভাক তেওঁ দেহেকেহে শুশ্ৰূষা কৰিছিল আৰু মৃত্যুৰ পিছৰ শেষ কৃত্যত আগভাগ লৈছিল। বৈপ্লৱিক জীৱনৰ লগত বিষ্ণুৰাভাই কৰা সমন্বয়ে কিশোৰ আৰু তৰুণ নগেন শৰ্মাক আলোড়িত কৰিছিল যেন লাগে।

নগেন শৰ্মাৰ উৎসাহতে তেজপুৰত 'চিত্ৰায়ন', 'সংগম' আৰু 'অৰ্চনা' গোষ্ঠীৰ সমূহীয়া প্ৰচেষ্টাত ১৯৭৫ চনত ৰাভা দিৱস পতা হয়। শৰ্মাই বিষ্ণুৰাভাৰ কৌইটিয়ান

গীত আৰু কবিতা একত্ৰিত কৰি 'সুৰবে দেউলবে' নামৰ সংকলন এটা প্ৰকাশ কৰে। বিষ্ণু ৰাভাৰ 'সুৰবে দেউলবে' গীতটোৰ এটি ঐতিহ্য আছে। ১৯৩৬ চনত সাহিত্য সভাৰ অধিবেশন ৰোমান্টিক যুগৰ শেষ কবি ৰঘুনাথ চৌধাৰীৰ পৌৰোহিত্যত তেজপুৰত বহে। ৰাভাই তাত গাবলৈ এই গীতটি ৰচনা কৰি সুৰ দিছিল। নগেন শৰ্মাই বিষ্ণুপ্ৰসাদ ৰাভাৰ পত্নী মোহিনী ৰাভাৰপৰা গীতৰ স্বৰলিপি আনি সুজিৎসিংহৰ দ্বাৰা 'হে বিপ্লৱী বীৰ অধিনায়কহে' আৰু 'কিবা যেন নাই আজি নাই, আছে হুমুনিয়াহ' গীত দুটি পৰিবেশন কৰায়।

শৰ্মাই ১৯৭৫ চনত অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ প্ৰস্তুতি পৰ্ব চলাইছিল। হৰতাল আদি সংঘৰ্ষত হ'বপৰা সকলো ক্ৰম বাদ দি তেওঁ সতীৰ্থসকলৰ সহযোগত চলন্ত সাংস্কৃতিক অনুষ্ঠান বাহিৰ কৰিছিল। যিকোনো আন্দোলনতে গীতৰ এটা শক্তিশালী ভূমিকা থাকে। তেওঁ এই কথা ভালদৰে উপলব্ধি কৰিছিল। শৰ্মাই জ্যোতিপ্ৰসাদৰ গীত গোৱাই আন্দোলনকাৰীসকলক উদ্বুদ্ধ কৰিছিল। ১৯৮৩ চনত বিতৰ্কমূলক নিৰ্বাচনৰ সময়ত চাৰিওফালে হিংসাৰ দাবানল জ্বলি উঠাত নগেন শৰ্মাই ড০ ভূপেন হাজৰিকাৰ নেতৃত্বত সমন্বয় বাহিনী গঠন কৰি সমগ্ৰ অসম ঘূৰে। ভূপেন হাজৰিকাৰ কাপ আৰু কণ্ঠত নিগৰা সমন্বয়ৰ গীতৰ কলিকা নগেন শৰ্মাই ভালদৰে উপলব্ধি কৰিছিল। শান্তিৰ বাবে কৰা এই যাত্ৰাই অভূতপূৰ্ব সাফল্য লাভ কৰিছিল।

তেজপুৰত প্ৰতিষ্ঠিত হোৱা বান ৰঙ্গমঞ্চৰ ঐতিহ্যও শৰ্মাৰ চেতনাত জাগৰক হৈ আছিল। এই ৰঙ্গমঞ্চতে অসম সাহিত্য সভাৰ প্ৰথম গৰাকী সভাপতি পদ্মনাথ গোহাঞী বৰুৱাই তেওঁৰ দ্বাৰা ৰচিত 'গদাধৰ' নাটকৰ নাম ভূমিকাত অৱতীৰ্ণ হোৱা প্ৰত্যক্ষ কৰি ফণী শৰ্মা অনুপ্ৰাণিত হৈছিল। কিশোৰ ফণী শৰ্মাই ব্ৰহ্মপুত্ৰ নদীৰ পাৰত প্ৰকাণ্ড শিলৰ আৰাল মুখভঙ্গী কৰি অভিনয় কৌশল আয়ত্ত কৰিছিল আৰু সময়ত ভাৰতৰ শ্ৰেষ্ঠ অভিনেতাসকলৰ এজন হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিছিল।

নগেন শৰ্মাই নাট্যগুৰু ব্ৰজ শৰ্মাৰ কৰ্মময় জীৱনক বাইজৰ সমুখলৈ আনিবলৈকো অহোপুৰুষাৰ্থ কৰিছিল। এই সন্দৰ্ভত ফণী শৰ্মা আৰু ব্ৰজ শৰ্মাৰ কলাজনিত সম্পৰ্কটো সোঁৱৰাটো কিজানি অপ্ৰাসংগিক নহ'ব। প্ৰথম মহাযুদ্ধৰ সময়ত সৈনিক হিচাপে জীৱন নিৰ্বাহ কৰা শিলাৰ প্ৰতিভাশালী অভিনেতা ব্ৰজ শৰ্মাই জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰে পৰিপুষ্ট হৈ কলিকতাৰ মঞ্চত অভিনয় আৰম্ভ কৰে আৰু অসমত অপেৰা পাৰ্টি খুলি সহ-অভিনয়ৰো পাতনি মেলে। দুঃসাহসিক কলাকাৰগৰাকী ১৯৪২ চনৰ আন্দোলনত জপিয়াই পৰে আৰু সৰভোগত যুদ্ধৰ বাবে তৈয়াৰ কৰা এৰোড্ৰম পুৰি ভস্মীভূত কৰে। বিষ্ণুৰাভাই গুৱাহাটীৰ বৰপেটীয়া পাহাৰত থাকি ফণী আৰু কাৰো মাছৰ বেপাৰ কৰা দিন কেইটাৰ কথা। ফণী শৰ্মাও জনাই বনাই সেইখিনি

পাইছিলহি। বিক্ৰী বাৰ্ত্তা নাই। ভালেখিনি বেপেৰুৱা বস্তু, দুই বন্ধুৰ পেটত জীন গ'ল। এনেতে ৰাভালে বৰপেটাৰ পৰা আহ্বান আহিল— সৰভোগালৈ খেলিবলৈ যাব লাগে। ৰাভাই দাবী কৰিলে, ফণী শৰ্মাকো টিমত ল'ব লাগিব। সৰভোগত শৰ্মাক ব্ৰজ শৰ্মাৰ ঘৰত ৰখা হৈছিল। তেওঁ ব্ৰজ শৰ্মাৰ যাত্ৰাৰ আখৰা দেখি অভিভূত হৈ তেওঁৰ লগতে থাকি গ'ল। এই মণিকাঞ্চনৰ সংযোগে যুগান্তৰ অনাব কথা এতিয়া কিম্বদন্তীত পৰিণত হৈছে। নগেন শৰ্মা বিপ্লৱী কলাকাৰ ব্ৰজশৰ্মাৰ দেশপ্ৰেমিক চানেকীৰে উদ্বুদ্ধ হৈছিল আৰু ব্ৰজ শৰ্মাৰ স্মৃতি সংৰক্ষণৰ অৰ্থে অহোপুৰুষাৰ্থ কৰিছিল।

শৰ্মাদেৱে আমাৰ চলচ্ছিত্ৰ জগতৰ উন্নতিৰ হকেও গভীৰভাৱে চিন্তা কৰিছিল। তেওঁ শিল্পী প্ৰণৱ বৰুৱাক এখন পূৰ্ণ দৈৰ্ঘ্যৰ ছবি নিৰ্মাণ কৰিবলৈ উদ্‌গনি দি সহায়ৰ প্ৰতিশ্ৰুতি দিছিল। বৰুৱাৰ দ্বাৰা পৰিচালিত ফণী শৰ্মাৰ জীৱনৰ আধাৰত নিৰ্মাণ কৰা ছবিখন সমাপ্ত কৰিবলৈ শৰ্মাই তেওঁক কলিকতালৈ পঠিয়াইছিল।

'নটসূৰ্য ফণীশৰ্মা সোঁৱৰণী সমিতি, অসম' অনুষ্ঠানটিৰ প্ৰতিষ্ঠা শৰ্মাদেৱৰ শ্ৰেষ্ঠ কীৰ্ত্তিৰ ভিতৰৰা। অসমৰ তিনিগৰাকী সংস্কৃতি বীৰৰ (Culture Hero) ভিতৰত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আৰু বিষ্ণুৰাভাৰ জীৱন আৰু কৰ্ম বহুলভাৱে প্ৰচাৰিত হ'ল কিন্তু, এই ত্ৰিমূৰ্ত্তিৰ তৃতীয় গৰাকী অৰ্থাৎ ফণী শৰ্মাৰ জীৱন আৰু কৃতীৰ প্ৰচাৰ আশানুৰূপভাৱে নহ'ল— এই কথাই শৰ্মাদেৱক পীড়া দিছিল। এই অৱস্থাৰ উপশম কৰিবৰ নিমিত্তে তেওঁ ১৯৯৬ চনত ওপৰোক্ত সোঁৱৰণী সমিতি সংগঠিত কৰে। ১৯৯৭ চনৰ পৰা ১৯৯৯ চনলৈ এই তিনি বছৰত এই সমিতিয়ে ১৭ খন নাটক মঞ্চস্থ কৰিলে। ভালেকেইখন নাটকৰ একাধিকবাৰ মঞ্চস্থ হ'ল। ফণী শৰ্মাৰ নিজৰ নাটকৰ ভিতৰত গুৱাহাটী আৰু নলবাৰীত যথাক্ৰমে অমৰজ্যোতি চৌধুৰী আৰু অৰূপ চক্ৰৱৰ্তীৰ পৰীক্ষামূলক পৰিচালনাত মঞ্চস্থ হোৱা সাম্প্ৰদায়িকতাবিৰোধী আৰু সংস্কাৰ ধৰ্মী নাটক চিৰাজ বিশেষভাৱে উল্লেখযোগ্য।

শৰ্মাদেৱ অতীত ধৰি বল নিদিয়া ধৰণৰ পৃষ্ঠপোষক নাছিল। তেওঁৰ অসাধাৰণ সংগঠন ক্ষমতা আৰু দক্ষতা দেখি সকলোৱে তবধ মানিছিল। সময়-সুবিধা মতে ৰিহাৰ্চেলত উপস্থিত থাকি তেওঁ অভিনেতা-অভিনেত্ৰী তথা পৰিচালকৰ লগত দিহা পৰামৰ্শৰ আদান-প্ৰদান কৰি সকলোকে উৎসাহিত কৰিছিল। সকলোৱে মাজৰ এজন হিচাপে থাকি কৰ্তব্য সম্পাদন কৰা বাবে অসমৰ নামজ্বলা কলাকাৰ আৰু পৰিচালকসকলে নাট্যমহোৎসৱত যোগ দিবলৈ আগবাঢ়ি আহিছিল। স্বনামধন্য নাট্যকাৰ লক্ষ্যধৰ চৌধুৰীৰ লগত শৰ্মাদেৱে সমিতিৰ সভাপতি হিচাপে থাকি সকলো দায়িত্ব মূৰ পাতি লৈছিল।

শৰ্মাদেৱে সোঁৱৰণী সমিতিৰ যোগেদি বাচকবনীয়া গ্ৰন্থ প্ৰকাশ কৰাৰ ওপৰত গুৰুত্ব দিছিল। যোৱা তিনিটা বছৰত সমিতিয়ে সাতখন গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। ফণী তালুকদাৰৰ দ্বাৰা সম্পাদিত 'অসমৰ নাট্য পৰম্পৰা আৰু গতিধাৰা', ফণী তালুকদাৰৰ শেহতীয়া গ্ৰন্থ 'সাম্প্ৰতিক চিন্তা' শশী শৰ্মাৰ 'আমাৰ নট সূৰ্য', নীলপৱন বৰুৱাৰ 'অন্য এক গতি' আৰু এই লেখকৰ দ্বাৰা সম্পাদিত গ্ৰন্থ 'নটসূৰ্য ফণী শৰ্মাঃ জীৱন আৰু কৃতি' তথা 'অসমৰ লোক সংস্কৃতি'।

লোকসংস্কৃতি বিষয়টোত শৰ্মাদেৱৰ বিশেষ ৰাপ আছিল। যোৱা বছৰ গ্ৰন্থখন সম্পাদন কৰোঁতে তেওঁৰ উৎসাহ উদ্দীপনা দেখি তবধ মানিছিলো। তেওঁৰ দিহামতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিষয়ৰ অধ্যাপক নবীন চন্দ্ৰ শৰ্মাক উপদেষ্টা হিচাপে লৈ কাম আৰম্ভ কৰা হ'ল। নগেন শৰ্মাই গ্ৰন্থখনত অসমৰ বাৰেবৰণীয়া সংস্কৃতিৰ সামগ্ৰিক ৰূপ ধৰি ৰখাৰ পৃষ্ঠপোষকতা কৰিছিল। বিভিন্ন ঠাইৰ সংস্কৃতিৰ পৃথক আলোচনা আগবঢ়োৱাৰ পৰামৰ্শ দিছিল। নিৰ্দিষ্ট সময়ৰ ভিতৰত গ্ৰন্থখন উলিয়াব লগীয়া হোৱাত এনে ধৰণৰ গৱেষণা পিছলৈ থ'বলগীয়া হ'ল যদিও সহৃদয় পণ্ডিতসকলৰ সহায়-সহযোগ আৰু চিন্তাগধুৰ অৱিহণাৰে এখন বৃহদাকাৰৰ গ্ৰন্থ প্ৰকাশ কৰি উলিওৱা সম্ভৱপৰ হৈ উঠিল। শৰ্মাদেৱে নিজেও 'লোক সংস্কৃতি অধ্যয়নৰ প্ৰাসংগিকতা' নামৰ চিন্তা-গধুৰ প্ৰবন্ধ এটি আগবঢ়ালে। প্ৰবন্ধটোত তেওঁৰ লোক সাহিত্যৰ ক্ষেত্ৰত গভীৰ অধ্যয়নৰ ছাপ দেখিবলৈ পোৱা যায়। তাত উনবিংশ শতাব্দীৰ জাৰ্মান পণ্ডিত গ্ৰীণ হাৰ্ডাৰ আৰু ভাতৃদ্বয়ৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক কালৰ লোকতাত্বিক পণ্ডিতসকললৈ এটা বহল পৰিক্ৰমাত বিষয়টো পৰ্যালোচনা কৰিছে। শৰ্মাদেৱৰ চিন্তা-গধুৰ প্ৰবন্ধৰ ভাষা প্ৰাঞ্জল, বলিষ্ঠ আৰু বৰ্ণ বৈচিত্ৰময়। নগেন শৰ্মাই সোঁৱৰণী সমিতিৰ তৰফৰ পৰা অসমত সামাজিক তথা সাংস্কৃতিক জীৱনৰ অতীত, বৰ্ত্তমান, আৰু ভৱিষ্যতৰ ওপৰত পোহৰ পেলাই এখন বৃহৎ আকাৰৰ গ্ৰন্থ সংকলন কৰাৰ কথা ভাবিছিল আৰু সদস্যসকলৰ লগত একাধিকবাৰ এই উদ্দেশ্যত মিল হৈছিল। তেওঁৰ অকাল মৃত্যুৱে বাধাৰ প্ৰাচীৰ থিয় নকৰোৱা হ'লে এই বছৰত গ্ৰন্থখন প্ৰকাশ পালেহেঁতেন।

অসমৰ নাট্য-আন্দোলন আৰু........

ড° ৰমেশ পাঠক

সৰ্বাত্মক অৰ্থত নাট্য-আন্দোলন বুলিলে যি বুজায় সেয়া আচলতে এবাৰেই ঘটিছিল আমাৰ অসমত। নতুন আংগিকৰ নাট সৃষ্টি, অভিনৱ উপস্থাপন ৰীতি, সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিক বাদ্য-যন্ত্ৰ, মুখা-নিৰ্মাণ, সাজপাৰ নিৰ্মাণ আদিৰ লগত জড়িত কৰি অভিনয়ক সমাজ জীৱনৰ অচ্ছেদ্য অংগত পৰিণত কৰা হৈছিল এবাৰেই। এই আন্দোলন গঢ়ি উঠিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ এক অংশ হিচাপে। উদ্দেশ্যধৰ্মী সাহিত্য হৈও এক উচ্চ স্তৰৰ কলা যে হ'ব পাৰে তাৰ প্ৰকৃত নিদৰ্শন অসমৰ অংকীয়া নাটসমূহ। অতীজৰে পৰা অসমত নাট-অভিনয়ৰ পৰম্পৰা আছিল নে নাই সেই কথা স্পষ্ট নহয় যদিও নাট্য সমালোচকসকলে নৰক, ভগদত্ত, ভাস্কৰবৰ্মাৰ দেশত নাট অভিনয় নহৈছিল বুলি মানি ল'ব নোখোজে। যদি নাট অভিনয়ৰ পৰম্পৰা আছিল বুলিও ধৰা যায়, তেনে সেইবোৰ যে সংস্কৃত বা প্ৰকৃত ভাষাত ৰচিত নাট আছিল সেই বিষয়ে সন্দেহৰ অৱকাশ নাই। অসম জীয়ৰী উষা-চিত্ৰলেখাৰ নৃত্য, লোক-সাহিত্যত কামাখ্যা গোঁসানীৰ নৃত্যৰ উল্লেখ ("কুদ্ৰাক্ষৰ জলাৰে বজাই জুমি আছে নাচে কামাখ্যা আই") আদিয়ে নৃত্য-গীতৰ বতৰাহে দিয়ে- অভিনয়ৰ নহয়। দেওধনী নৃত্যৰ কথাও এইখিনিতে মনত পেলাব পাৰি।

বৰ্তমানলৈ প্ৰাপ্ত সমলৰ আধাৰত ক'ব পাৰি যে অসমীয়া ভাষাত প্ৰথম নাট ৰচনা আৰু অভিনয় হৈছিল ১৪৬৮ খৃষ্টাব্দত। নাটখনৰ ৰচক, পৰিচালক, মুখ্য অভিনেতা আৰু বাদক, গায়ক আৰু মঞ্চ পৰিচালক আছিল শ্ৰীমন্ত শংকৰদেৱ। ডিম্বেশ্বৰ নেওগে New Light on History of Asamiya Literature গ্ৰন্থত লিখিছে : "The history of the Asssamese drama or any Indian modern languages and older than even than the regular English drama is certainly Chihna Jatra (literally a play with painted scenes) and the first theatre performance of it in 1468. As a matter of fact, neither introduction of scenes nor the regular drama in Europe in General can be described to a period earlier than the seventeenth century and in England in particular regular dramatic work really began in the latter part of the sixteenth century with such predecessors of Shakespeare as Marlowe and the Globe Theatre which Shakespeare had immortalised was actually established in 1599." আনহাতে

কালিৰাম মেধিৰ মতে 'চিহ্নযাত্ৰা' ভাওনাত আঁৰ কাপোৰৰ যি ব্যৱহাৰ কৰা হৈছিল সেয়া বিশ্বতে প্ৰথম – "In Sanskrit drama there is no reference to any use of scenery in the representation. The Yavanika (drop scene) remains in the background throughout the performance and scenes in the modern sense of the term never used. Actual scenery was introduced even in Europe only about the time of the Renaissance (17th Century AD). But in Assam Sankardeva used scenery representing the subject matter of the play about 100 years earlier. He was perhaps the first to devise and use scenes in dramatic performance."

মেধি বা নেওগৰ দাবী সম্পৰ্কত সত্যাসত্যৰ তথ্য-ভিত্তিক বিচাৰ-বিশ্লেষণ হোৱা উচিত আছিল। কিয়নো ইয়াৰদ্বাৰা শংকৰদেৱ মহান হওক বা নহওক অসমীয়া জাতি এক ঈৰ্ষনীয় গৌৰৱৰ অধিকাৰী হ'ব পাৰিলেহেঁতেন। যিসকলৰ দ্বাৰা এনে বিচাৰ-বিশ্লেষণ হোৱা সম্ভৱ তেওঁলোকে এনে কামত আত্মনিয়োগ নকৰাটো আমাৰ জাতীয় জীৱনৰে চৰম দুৰ্ভাগ্য।

আনকি চিহ্নযাত্ৰা নাট লিখা হৈছিল নে নাই, সেই বিষয়েই সন্দেহ প্ৰকাশ কৰা হৈছে। এই নাটৰ ভাওনাৰ যি বৰ্ণনা কথা গুৰুচৰিতত পোৱা যায় সেইমতে তুলাপাতত সাত-বৈকুণ্ঠ আঁকি বৰধেমালি সৰুধেমালিৰ লগতে বিভিন্ন ৰাগৰ গীত গোৱা হৈছিল। "ৰাত্ৰি দিন পুৰুষ স্ত্ৰী অচিন হোৱা" এই অভিনয়ত গুৰুজনাই নিজে "বায়নত, নটুৱাত, সূত্ৰ, ওজা, নাৰদ এই চৈধ্য ৰূপ লৈছে।" স্বাভাবিকতেই "লোক ৰায়তে দেখি অদ্ভুত আশ্চৰ্য্য" হৈছে। কালিৰাম মেধিৰ মতে নটুৱা মানে অভিনেতা। ৰামচৰণ ঠাকুৰৰ শংকৰ চৰিতৰ বৰ্ণনাৰ ভিত্তিত মন্তব্য কৰিছে – "Sankar Deva trained Bayans (musicians), Palis (assistants) and actors (Natuas), collected masks (mukhas) and accessories (chos), got a rabha (theatre), erected and arrange for lights . . . . Five principal actors (Natuas) were introduced. They presided over five of the Vaikunthas. Ramarama Guru over the sixth and Sankar Deva himself over the seventh. " ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে "নাটসমূহ (ছখন) ৰচনা কৰাৰ আগতে শংকৰদেৱে চিহ্ন যাত্ৰা নামে নাট লিখি তাৰ অভিনয় কৰি জনসমাজক চমৎকৃত কৰিছিল। প্ৰথম তীৰ্থ ভ্ৰমণৰ পৰা উভতি আহি বৰদোৱাত এই অভিনয় ৭ দিন ৭ ৰাতি অনুষ্ঠিত হৈছিল।" (অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃষ্ঠা - ১৪৪ চতুৰ্থ প্ৰকাশ, ১৯৮৯)।

বাক্য-গাঁঠনিৰ ব্যাকৰণগত খেলি মেলি বাদ দিলেও দুটা কথা স্পষ্ট – "নাট এখন লিখি" আৰু "৭ দিন ৭ ৰাতি"অভিনয়। কিন্তু ইয়াৰ দুটামান বাক্যৰ পিছতেই

ড° শৰ্মাৰ মন্তব্য – "কিন্তু আখ্যান নথকাৰ কাৰণে নাইবা লিপিবদ্ধ ৰূপ নথকাৰ কাৰণে ইয়াৰ পুনৰাভিনয় হোৱাত বোধকৰো অসুবিধা হৈছিল"। প্ৰশ্ন হ'ল – "চিহ্ন যাত্ৰা নামে নাট লিখি" বোলাৰ পিছত "লিপিবদ্ধৰূপ নথকাৰ কাৰণে" বুলি কোৱাৰ অৰ্থ কি? আনহাতে "৭ দিন ৭ ৰাতি অভিনয়" হলে পুনৰাভিনয় নহ'ল জানো? লিপিবদ্ধ ৰূপ নাথাকিলে পুনৰাভিনয়ৰ কথা বাদেই, প্ৰথম অভিনয়তো অসুবিধা হ'ব।

চিহ্নযাত্ৰাৰ অভিনয় বাদ দিয়াৰ কাৰণ অন্যহে। ড° বাণীকান্ত কাকতিৰ মতে – "যি হওক এই চিত্ৰ নৈপুন্য কৃষ্ণ চৰিত্ৰ প্ৰচাৰত নিয়োজিত হৈও নহ'ল। শংকৰদেৱে যেতিয়া প্ৰথমে চিহ্নযাত্ৰা ভাওনা কৰে, তেওঁ নিজ হাতেৰে বৈকুণ্ঠৰ পট আঁকি ৰাইজক দেখুৱায়। .... বৈষ্ণৱ আন্দোলনত চিত্ৰবিদ্যাই যে কৃষ্ণ চৰিত্ৰক স্পৰ্শ কৰা নাছিল এনে নহয়; কিন্তু গীত, কাব্য, ভাওনা আদিয়ে শ্ৰীকৃষ্ণ চৰিত্ৰ আঁকোৱালি ধৰি যি পৰিণতি লাভ কৰিছে, চিত্ৰবিদ্যাই সেইখিনি কৰিব নোৱাৰিলে। চিত্ৰবিদ্যা ব্যয়সাধ্য, কষ্টসাধ্য আৰু ছপাযন্ত্ৰ ওলোৱাৰ আগেয়ে ইয়াৰ পৰিসৰ সম্ভ্ৰান্ত পৰিয়ালবোৰৰ মাজতে আবদ্ধ থাকিব লগাত পৰিছিল। কিন্তু বৈষ্ণৱ আন্দোলনৰ স্বতঃপ্ৰেৰিত উদ্দেশ্যই আছিল সামাজিক সম্ভ্ৰম নিৰ্বিশেষে সমগ্ৰ জাতীয় হৃদয়কেই স্পৰ্শ কৰা।" ড° কাকতিৰ যুক্তিৰ গুৰুত্ব আছে। সংৰক্ষণৰ অসুবিধা, শিল্পীৰ অভাৱ, ব্যয়বহুলতা – ইত্যাদি কাৰণতে হয়তো চিত্ৰপটৰ ব্যৱহাৰ বন্ধ হৈছিল।

কিন্তু মোৰ ব্যক্তিগত মত বেলেগ। চিত্ৰ মূৰ্তিৰে নামান্তৰ মাত্ৰ। শ্ৰীকৃষ্ণৰ ছবি দেখিলে ভক্তই স্বাভাৱিকতেসেৱা কৰিব। চিহ্নযাত্ৰাৰ অভিনয়ত এনে দৃশ্য হয়তো শংকৰদেৱৰ চকুত পৰিছিল। "এতাৱন্ত মূৰ্তিশূন্য কেনমতে চিন্তিবাহা ৰাম বুলি শুদ্ধ কৰা মন" আদৰ্শৰ বৈষ্ণৱ ধৰ্মত প্ৰকৃততে চিত্ৰ খাপ নাখায়। সম্ভৱতঃ সেইবাবেই এনে নাট প্ৰযোজনা পিছত বাদ দিয়া হৈছিল।

অসমীয়া নাট্য-সাহিত্যৰ ইতিহাস লেখা বৰ্তমান প্ৰবন্ধৰ উদ্দেশ্য নহয়। প্ৰকৃত নাট্য-আন্দোলনৰ আৰম্ভনিৰ নাটখনৰ দীঘলীয়া আলোচনাৰ প্ৰয়োজন আছে। কিন্তু এনে আলোচনাৰ বাবে পৰোক্ষ সমলৰ সহায় লোৱাত বাহিৰে গত্যন্তৰ নাই। মোৰ মতে ৰামচৰণ ঠাকুৰৰ বৰ্ণনা এক নিৰ্ভৰযোগ্য সমল। তাৰে কিছু উদ্ধৃত কৰা হ'ল -

ভাওনাৰ চোঁ যত সভাঘৰে নিল ।
আৰ চন্দ্ৰ দিয়া তাক তৈতে ঢাকি থৈল ।।
চোঁ গোট আৰে তাক যত্ন কৰি থৈলা ।
নৱ গোটা মতাক একত্ৰ কৰি লৈলা ।।

গড়ুৰৰ মুখা সৰ্বজয়ক দিলন্ত ।
কেতাইখাঁয়ে খোল দোহাৰে ধৰিলন্ত ।।
বলোৰাম হৰিধন মথুৰাসমে তিনি ।
বুঢ়া শ্ৰীৰাম গুৰু উঠিলা আপুনি ।।
গুলধৰা লক্ষন ভোবোৰা দামোদৰ ।
তাল ধৰি গীত গান্ত লগে শংকৰৰ ।।
উদাৰ সহিতে বৰ গোবিন্দ উঠিল ।
প্ৰথমতে শংকৰে ৰাগক তুলি দিল ।।

বিভিন্ন ৰাগৰ গীতৰ পিছত নাটধেমালি, চোটধেমালি, বৰধেমালি বজোৱা হ'ল। তাৰপিছত গুৰুজনাই নটা খোল একেলগে বজালে। শংখ, ঘণ্টা, ডবা, কাঁহৰ শব্দত আকাশ নিনাদিত হ'ল। শংকৰদেৱে নিজে নৃত্য কৰিলে। তাৰপিছত সপ্তবৈকুণ্ঠৰ ভাও। এই অভিনয়ত সৰ্বজয়, বলোৰাম, কমলিধৰা, চিদা, হৰিধন আৰু শ্ৰীৰাম গুৰু লক্ষীৰ ভাওত অৱতীৰ্ন হৈছিল। সূত্ৰ, গীত, নৃত্য, বাদ্যৰ মাজেদি অভিনয় চলিছিল সাত দিন সাত ৰাতি।

প্ৰান্তীয় ভাষাৰ প্ৰথম নাট চিহ্নযাত্ৰাৰ আংগিক চিৰদিনৰ বাবে বিসৰ্জন দি গুৰুজনাই বচন আৰু গীত সৰ্বস্ব নাট ৰচনাত মনোনিবেশ কৰে। এনেদৰে সৃষ্টি হয় পত্নীপ্ৰসাদ, কালিয়দমন, কেলিগোপাল, পাৰিজাত হৰণ, ৰুক্মিনী হৰণ আৰু ৰাম-বিজয় আদি নাট। মাধৱদেৱেও গুৰুজনাৰ আৰ্হিত অৰ্জুন-ভঞ্জন লিখাৰ পিছত নতুন ধাৰাৰ এলানি নাট ৰচে। ঝুমুৰা নামে খ্যাত এই লানি নাট।

প্ৰবন্ধৰ আৰম্ভনিতে কোৱা হৈছিল যে প্ৰকৃত অৰ্থত অসমত নাট্য আন্দোলন গুৰু দুজনাৰ যোগেদিয়েই ঘটিছিল। লোকৰঞ্জন, লোক-সংগ্ৰহ আৰু লোকস্থিতিৰ লগতে সমাজৰ সৰ্ব স্তৰৰ লোকক নাট অভিনয়ৰ লগত জড়িত কৰা সহজ কথা নহয়। ১৪৬৮ চনৰ পৰা ১৮৫৭ চনলৈ প্ৰায় চাৰিশ বছৰ ধৰি গুৰু দুজনাৰ প্ৰদৰ্শিত আংগিকৰ নাট ৰচনা আৰু নাট উপস্থাপন ৰীতি চলি আছিল। আজি একবিংশ শতিকাৰ দুৱাৰডলিতো তাৰ আদৰ একেবাৰে শেষ হৈ যোৱা নাই।

আংগিক আৰু নাট উপস্থাপন ৰীতিৰ কালৰ পৰা অসমীয়া নাট্য-সাহিত্যৰ ইতিহাস এনেদৰে ভগাব পাৰি ঃ

১। অংকীয়া ভাওনা ঃ (ক) শংকৰদেৱ, মাধৱদেৱ, গোপাল আতা, ৰামচৰণ ঠাকুৰ, দ্বিজভূষন, দৈত্যাৰি ঠাকুৰ

(খ) সত্ৰসমূহৰ নাট ঃ

(গ) ৰজাঘৰীয়া নাট

২। বাহ্-গ্ৰাম : বাংলা-যাত্ৰ গানৰ পয়োভৰ

৩। আধুনিক নাটৰ কাঁচিয়লি ৰ'দত : গুনাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা, ৰুদ্ৰৰাম বৰদলৈ,ৰমাকান্ত চৌধাৰী

৪। নতুন নাটৰ নতুন দিশ : (ক) বেজবৰুৱা, গোহাঞিবৰুৱা, বেণুধৰ ৰাজখোৱা, ৰজনীকান্ত বৰদলৈ, দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱা, চন্দ্ৰধৰ বৰুৱা আদি

৫। অনুবাদ- নাট : (ক) ইংৰাজী
: (খ) বাংলা

৬। সহ-অভিনয়ৰ যুগ

৭। চিত্ৰনাট

৮। অনাৰ্তাৰ নাট

৯। যাত্ৰা নাট

১০। ভ্ৰাম্যমান থিয়েটাৰ

১১। দেশ-বিদেশৰ আৰ্হিত ৰচিত পৰীক্ষামূলক নাট ইত্যাদি

সচাঁ কথা ক'বলৈ হলে অংকীয়া নাটবোৰ ধৰ্মমিশ্ৰিত আৰু উদ্দেশ্যধৰ্মী। এই ধৰ্মাশ্ৰিত সাহিত্যৰ পৰা সম্পূৰ্ণ ফালৰি কাটি আহি গুণাভিৰাম বৰুৱাই মানৱাশ্ৰিত ৰাম-নৱমী নাটেৰে অসমীয়া নাট্য-সাহিত্যৰ গতিধাৰা সলাবলৈ সক্ষম হয়। এই নাটখনো উদ্দেশ্যধৰ্মী আৰু বাংলা বা ইংৰাজী নাটৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। ড° মহেশ্বৰ নেওগৰ ভাষাত ক'বলৈ হলে "এইখনি প্ৰথম অসমীয়া আধুনিক আৰু সামাজিক নাটক। ১৮৬১ চনত প্ৰকাশিত হেমচন্দ্ৰ বৰুৱাৰ "কানীয়াৰ কীৰ্তন" হাস্য-ব্যঙ্গ নাটক। 'ৰাম-নৱমী' আৰু 'কানীয়া কীৰ্তনে'ই সত্ৰীয়া ধাৰাৰ পুৰণি নাটকৰ সলনি আধুনিক নাট ৰচনাৰ নতুন দিশ সূচনা কৰে। ৰুদ্ৰৰাম বৰদলৈ (বঙাল-বঙালনী, ১৮৭১), ৰত্নেশ্বৰ মহন্ত (দ্ৰৌপদীৰ বেণীবন্ধন, অপ্ৰকাশিত) আদিয়ে এনে প্ৰচেষ্টাত সাৰ-পানী যোগায়।

'জোনাকী যুগ' অসমীয়া সাহিত্যৰ ইতিহাসত অতি গুৰুত্বপূৰ্ণ -- নাট্য-সাহিত্যৰ ক্ষেত্ৰতো ই ব্যতিক্ৰম নহয়। পাশ্চাত্য সাহিত্যৰ ব্যাপক প্ৰভাৱ এই যুগৰ সাহিত্যৰ চকুত পৰা বৈশিষ্ট্য। ইয়াৰ লগত অৱশ্যে সমকালীন বাংলা সাহিত্যৰ প্ৰভাৱো আছে। এই সময়-ছোৱাৰ আন এটি উল্লেখনীয় দিশ হ'ল নাটঘৰ নিৰ্মাণ। নতুন আংগিকৰ নতুন নাটৰ বাবে নতুন মঞ্চৰ প্ৰয়োজন হৈছেলে। প্ৰথম অৱস্থাত অস্থায়ী মঞ্চবোৰেই কাম

চলিছিল যদিও স্থায়ী মঞ্চ নিৰ্মাণৰ পৰিকল্পনাও চলিছিল । ১৮৭৫ চনত গুৱাহাটীত এনে প্ৰচেষ্টা আৰম্ভ হয়। কিন্তু ১৮৯৭ চনৰ ভূমিকম্পত সি ভাগি থাকিল। কুমাৰ ভাস্কৰ নাট্য মন্দিৰ আৰু আৰ্যনাট্য মন্দিৰ এনে প্ৰচেষ্টাৰে ফল। ১৮৯৫ চনতে যোৰহাটত খেৰিঘৰৰ মঞ্চ আৰু কলপাতৰ ৰভাৰে ৰংঘৰ নিৰ্মাণ কৰা হৈছিল। আকৰ্ষণীয় কথা হ'ল, গোলাঘাটত যোৰহাটতকৈও আগতে নাটঘৰ নিৰ্মাণ হৈছিল। শিৱসাগৰ নাট্য সমাজৰ নিজা ৰংঘৰ হয় ১৮৯৯ চনত – ইয়াৰ পুনৰ নিৰ্মাণ হয় দুবাৰ – ১৯২৪ চনত আৰু ১৯৫৭ চনত। নগাঁৱৰ নাট্য সমাজৰ স্থায়ী ঘৰ হয় ১৯০২ আৰু মঙ্গলদৈৰ হয় ১৯০৪ চনত। ইয়াৰ বহু আগতে তেজপুৰত বাণ ৰংগমঞ্চ হয়।

উনবিংশ শতিকাৰ শেষ আৰু কুৰি শতিকাৰ প্ৰথম দশকৰ ভিতৰতে অসমৰ প্ৰধান চহৰবোৰত ৰংঘৰ নিৰ্মাণ হয়। ডিব্ৰুগড়, তিনিচুকীয়া, উত্তৰ লখিমপুৰ, শিৱসাগৰ, নাজিৰা, যোৰহাট, গোলাঘাট, তেজপুৰ মঙ্গলদৈ, নগাও, গুৱাহাটী, নলবাৰী, বৰপেটা, টিহু, পাঠশালা – এনেদৰে প্ৰায়বোৰ ঠাইতে নাটঘৰ হয়। এই নাটঘৰবোৰত অভিনয়ৰ বাবে প্ৰয়োজন হৈছিল অসমীয়া মৌলিক নাটকৰ। এনে চাহিদাৰ বাবেই নাট ৰচনাৰ বাবে নাট্যকাৰে অনুপ্ৰেৰণা পাইছিল। কথাষাৰ স্পষ্ট হ'বৰ বাবে দুটামান নাটঘৰত অভিনীত নাটকৰ তালিকা উদ্ধৃত কৰা হ'ল —

গুৱাহাটী

ৰমাকান্ত চৌধাৰী	ঃ সীতাহৰণ, ৰাৱন বধ
পদুম বৰুৱা	ঃ পৰীক্ষিতৰ ব্ৰহ্মশাপ
নবীনচন্দ্ৰ বৰদলৈ আৰু ৰাধানাথ ফুকন	ঃ জয়মতী
নবীনচন্দ্ৰ বৰদলৈ	ঃ গৃহলক্ষ্মী, শ্ৰীকৃষ্ণ-লীলা, তৰুণ-কাঞ্চন
ৰজনীকান্ত বৰদলৈ আদি	ঃ সাবিত্ৰী-সত্যবান, কীচক বধ
অম্বিকাপ্ৰসাদ গোস্বামী	ঃ তাৰা
দৈৱচন্দ্ৰ তালুকদাৰ	ঃ ৰাধা-ৰুক্মিনী, অসম প্ৰতিভা, শত্ৰুদমন, মণ্ডলৌ বিপ্লব, বামুণী কোঁৱৰ, হৰদত্ত, ৰেণু, চন্দ্ৰকলা
অতুলচন্দ্ৰ হাজৰিকা	ঃ কনৌজ কুঁৱৰী, ছত্ৰপতি শিৱাজী, টিকেন্দ্ৰজিৎ, কুৰুক্ষেত্ৰ, শ্ৰীৰামচন্দ্ৰ, নন্দ-দুলাল, সাবিত্ৰী, ৰুক্মিনী হৰণ, আহুতি, কল্যাণী, মূলা-গাভৰু, সতী, মৰ্জিয়ানা, শকুন্তলা, বনিজ কোঁৱৰ, মানস-প্ৰতিমা, তপতী, বিসৰ্জন, অগ্নিতীৰ্থ, নৰকাসুৰ
কামাখ্যা ঠাকুৰ	ঃ বেউলা, বানপানী

অপূৰ্ব চন্দ্ৰ বৰদলৈ : শ্ৰীবৎস চিন্তা
মহেন্দ্ৰ গোস্বামী : মিলন বিচ্ছেদ
কালিৰাম কলিতা : দেৱযানী
নাৰায়ন চন্দ্ৰ বৰুৱা : ভেম কিলাৰ কোম্পানী, মায়ঙৰ মন্ত্ৰ, আসাম ৰয়েল টাইগাৰ
প্ৰবীণ ফুকন : কাল পৰিণয়, আসাম হলিউদ্ধ, নিপীড়িতা, ত্ৰিতবজ, মনিৰাম দেৱান, লাচিত বৰফুকন, শতিকাৰ বান, বিশ্বজাগা
লক্ষ্যধৰ চৌধুৰী : আলিবাবা, বিষ্ণু শৰ্মাৰ বিচাৰ, বক্ষ কুমাৰ, ৰামৰাজ্য, যৱনিকাৰ আঁৰে আঁৰে, নিমিলা অংক
ড° উমেশ শৰ্মা বৰদলৈ: দস্যু ৰত্নাকৰ, হামিৰ সিংহ, দেৱাসুৰ
হৰেশ্বৰ গোস্বামী : ৰাজসিংহ
শৈলেন্দ্ৰনাথ ফুকন : মাহী আই, দক্ষ-যজ্ঞ
ধৈৰ্য নাৰায়ণ দাস : স্বৰ্ণলংকা
জ্যোতিপ্ৰসাদ আগৰৱালা: নিমাতী কইনা
বদন চন্দ্ৰ শৰ্মা : কুমাৰ সম্ভৱ, সীতা-হৰণ, শিশু বধ
নলিনীবালা দেৱী : পাৰিজাতৰ অভিষেক
সৰ্বেশ্বৰ চক্ৰৱৰ্তী : অভিষেক, কংকণ
গিৰীশ চৌধুৰী : মীনা বজাৰ
ক্ষীৰদাকান্ত বিৰয়া : বিচাৰ, প্ৰৱঞ্চনা, বানৰ বুকুত
সত্যপ্ৰসাদ বৰুৱা : চাকে-চকোৱা, কুনাল কাঞ্চন, জ্যোতি-ৰেখা, আনাৰকলি, শিখা, ৰানাদিল, বনহংসী.
যুগলকুমাৰ দাস : চিত্ৰলেখা, মীৰাবাঈ, ৰাহাদুৰছাহ
অনিল চন্দ্ৰ চৌধুৰী : প্ৰতিবাদ, চিৰন্তন
বিবিঞ্চিকুমাৰ বৰুৱা : এবেলাৰ নাট
আনন্দেশ্বৰ বৰুৱা : মাটিৰ মৰম
ধন চন্দ্ৰ দাস : মুক্তিপথ, এটকা চৈধ্য অনাৰ ভুল
নাৰায়ণ বেজবৰুৱা : পৰিধিৰ পাৰ ভাঙি
নিপ বৰুৱা : স্মৃতিৰ পৰশ
দুৰ্গেশ্বৰ বৰঠাকুৰ : টেক্সি ড্ৰাইভাৰ, বা-মাৰলী, নিৰুদ্দেশ
অৰুন শৰ্মা : উকথা পজাঁ, জিন্নতি
প্ৰেমনাৰায়ণ দত্ত : কণ্ঠবোল

আনন্দিৰাম দাস	ঃ কলঙৰ পাৰে পাৰে
অৰূপ চক্ৰৱৰ্তী	ঃ আলপনা, অজন্তা, নাটকীয়
নেপাল দুবৰা	ঃ দীপান্বিতা, সঁহাৰি
সুৰেন দত্ত	ঃ দেৱদাসী
হেমচন্দ্ৰ শৰ্মা	ঃ কালিদাস
সোণাৰাম চৌধুৰী	ঃ কৰ্ণ
দণ্ডীৰাম চৌধুৰী	ঃ দাতা কৰ্ণ, অভিমন্যু বধ, নল-দময়ন্তী
গোবিন্দ চৌধুৰী	ঃ অনুধ্বজৰ হৰি সাধনা, অজামিলৰ বৈকুণ্ঠ লাভ
মাধৱ চন্দ্ৰ কাকতি	ঃ যুগ-পতন, সোপাধৰা
কামিনীকান্ত বৰুৱা	ঃ হাদিৰাচকী
মেদিনী ঠাকুৰীয়া	ঃ দেশৰ মাটি, কলিংগ-বিজয়, ব্লেক-মাৰ্কেট
ধনীৰাম দত্ত	ঃ উৰ্বশী উদ্ধাৰ
নৱকান্ত বৰুৱা	ঃ এটি গীতৰ জন্ম হ'ল
ভূপেন হাজৰিকা	ঃ আব্দুল হামিদ
বিনন্দি বৰুৱা	ঃ পৰশুৰাম
উত্তম বৰুৱা	ঃ বৰ মানুহৰ দোলা, বৰ ৰজা ফুলেশ্বৰী কুঁৱৰী, অগ্নি-বিচাৰ
অভয় ডেকা	ঃ গৰাখহনীয়া, ফেঁহুজালি
নগেন শৰ্মা	ঃ উল্কাৰ জুই

(উৎস ঃ মঞ্চলেখা)

যোৰহাট

বুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য	ঃ ৰমনী গাভৰু, চিত্ৰাংগদা
চন্দ্ৰধৰ বৰুৱা	ঃ মেঘনাদ বধ, ভাগ্য পৰীক্ষা, তিলোত্তমা সম্ভৱ, মোগল বিজয়, ৰাজৰ্ষি
দুৰ্গেশ্বৰ শৰ্মা	ঃ পাৰ্থ-পৰাজয়, বালি বধ, চন্দ্ৰাবলী
ৰাধাকান্ত সন্দিকৈ	ঃ মুলা গাভৰু
পম্পু সিংহ	ঃ পৰীক্ষিতৰ ব্ৰহ্মশাপ, পাৰিজাত, সাবিত্ৰী
ধনকান্ত বৰুৱা	ঃ উমা
যোগেশ্বৰ ঠাকুৰ	ঃ যক্ষৰাজ, শৈলবধ
গোপাল গোস্বামী	ঃ মৰুতমা
কুমুদেশ্বৰ বৰঠাকুৰ	ঃ ধোৰোক পণ্ডিত

ইন্দ্ৰেশ্বৰ বৰঠাকুৰ : সিংহাসন, শ্ৰীবৎস চিন্তা
মিত্ৰদেৱ মহন্ত : কুকুৰীকণাৰ আঠ মণ্ডলা, অম্বা, বিয়া-বিপৰ্যয়, কুৰুসন্ধ্যা, অশ্ৰুনদী, বৈদেহী বিয়োগ, লংকা-দাহ, শ্ৰীমতী, মহাৰাজ নৰনাৰায়ণ, বলিছলন, বসন্ত বিদায়, খোদৰ আলি, কইনা কদম, জিলমিল, নিবোকা চামোন
শৰৎ চন্দ্ৰ গোস্বামী : পৰীক্ষা
পজিৰুদ্দিন আহমেদ : গুলেনাৰ, সিন্ধু-বিজয়, অবাক জলপান
বিপিন বৰুৱা : বুদ্ধদেৱ, লাচিত বৰফুকন
কীৰ্তিচন্দ্ৰ আৰু মুক্তিনাথঃ বাসন্তীৰ অভিষেক, লুইত কোঁৱৰ, সুৰ বিজয়, মেঘাৱলী বৰদলৈ
গনেশ গগৈ : শকুনিৰ প্ৰতিশোধ, কাশ্মীৰ কুমাৰী
আনন্দ চন্দ্ৰ বৰুৱা : বিসৰ্জন, বিজয়া, নল-দময়ন্তী, কপৌ বন্ধু, বনিকবন্ধু
দৰ্পনাথ শৰ্মা : আবৰ্তন
বিপিন শৰ্মা বৰুৱা : মেবাৰ সন্ধ্যা
কমলানন্দ ভট্টাচাৰ্য : মৰাণ-জীয়ৰী
কৰুনাধৰ বৰুৱা : ৰত্নাকৰ, বৃত্ৰাসুৰ বধ, বাল্মীকি সুত্ৰা, মিলিটাৰী প্ৰেম, সোণৰ বেখনি, মধু মাষ্টৰৰ গৰু
ভোলানাথ ভট্টাচাৰ্য : নমো নমো পাৰিজাত
জনাৰ্দন ঠাকুৰ : ৰাজনন্দিনী, সম্ভৱামি যুগে যুগে, কমলা কুঁৱৰী, মনিদীপ, অশ্ৰুৰেখা
কেশৱ শৰ্মা : পঞ্চপাণ্ডৱ, গুৰু-দক্ষিনা, প্ৰজাপতি কোম্পানী
কুমুদ চন্দ্ৰ বৰুৱা : গুড নাইট ছাৰ, বৰযাত্ৰী, লিমিটেড কোম্পানী, সভাসদৰ নাচ, তীৰ্থযাত্ৰী, যুগে যুগে সম্ভৱামি
সুৰেশ চন্দ্ৰ গোস্বামী : কৰুণী, ভণ্ডাগড়, শংকৰ-মাধৱ, ভৈয়ামৰ সেন্দুৰী আলি
ভৰত ঠাকুৰ : তাজৰ ৰচনা, ৰঙা মদাৰ, দুলেৰা, লিগিৰীৰ অভিশাপ
ৰমেশ্চন্দ্ৰ শৰ্মা : চেক্ৰেটাৰী, ৰঙা পুলিচ
নকুল চন্দ্ৰ ভূঞা : নুমলী কুঁৱৰী
চৈয়দ আব্দুল মালিক : ৰাজদ্ৰোহী, মকৰাজাল
মুজিদুৰ ৰহমান : ধূলি মাকটি
দীন বৰুৱা : যোগ নে বিয়োগ
লক্ষীনন্দন বৰা : সিপুৰীৰ আঁচনি

অতুল চন্দ্ৰ বৰদলৈ ঃ তেজে ধোৱা কামেং, বা-মাৰলি, দোকমোকালি, এখন দুৱাৰ লাগে
নৱকান্ত বৰুৱা ঃ গতিপথ

(উৎস – মঞ্চলেখা)

তেজপুৰ

লম্বোদৰ বৰা ঃ শকুন্তলা
পদ্মনাথ গোহাঞিবৰুৱা ঃ জয়মতী, গদাধৰ, লাচিত বৰফুকন, সাধনী, বাণৰজা, টেটোন তামুলী, গাওঁবুঢ়া, ভূত নে ভ্ৰম
বোধনাথ পটঙীয়া ঃ চন্দ্ৰবীৰ
চন্দ্ৰনাথ শৰ্মা ঃ কৃষ্ণাৰ্জুন
দণ্ডিনাথ কলিতা ঃ অগ্নি-পৰীক্ষা, সতীৰ তেজ, চিলাৰায়, অভিযান, নগৰৰ বিহুতলী
বেণুধৰ দাস ঃ নল-দময়ন্তী, দক্ষযজ্ঞ, শ্ৰীবৎস চিন্তা, যমদণ্ড
বসন্তকুমাৰ বৰুৱা ঃ ছাহজাহান
শেখৰ দাস ঃ লয়লা পদুম
জ্যোতিপ্ৰসাদ আগৰৱালা ঃ শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী, লভিতা
ডাঃ ললিতমোহন চৌধুৰী ঃ শংকলাদিব
প্ৰসন্নলাল চৌধুৰী(বৰপেটা) ঃ নীলাম্বৰ
মোহনলাল চৌধুৰী(বৰপেটা) ঃ মানৰ দিন
নকুল চন্দ্ৰ ভূঞা(যোৰহাট) ঃ বদন বৰফুকন, চন্দ্ৰকান্ত সিংহ
ডিম্বেশ্বৰ নেওগ (গুৱা) ঃ নৈবেদ্য, কামৰূপ
অতুল চন্দ্ৰ হাজৰিকা(গুৱা) ঃ বেউলা, নৰকাসুৰ, চম্পাৱতী
লক্ষীধৰ শৰ্মা ঃ আত্ম-সন্মান, নিৰ্মলা, প্ৰজাপতিৰ ভুল, হৃদয়ৰ মূল্য
বিষয় মেধি ঃ গুৰু ভকত
উমেশ শৰ্মা বৰদলৈ(উ. গুৱা) ঃ বিপ্লৱ
দধিৰাম বৰা ঃ সোণালী পতাকা
ফণী শৰ্মা ঃ ভোগজৰা, চিৰাজ, কিয়
সৰ্বানন্দ ৰাজকুমাৰ(গুৱা) ঃ গড়মা কুঁৱৰী
গোলোকচন্দ্ৰ শৰ্মা ঃ কুমাৰ ভাস্কৰ

অমিয় চক্ৰবৰ্ত্তী	ঃ দোষ কাৰ, দুঃস্বপ্ন, প্ৰতিধ্বনি
বসন্তকুমাৰ শইকীয়া	ঃ জৰাসন্ধ
প্ৰফুল্ল বৰা	ঃ সাঁকো
দুৰ্গাদাস দত্ত	ঃ জোৱাৰ যেতিয়া আহে
ঘনকান্ত শইকীয়া	ঃ মুক্তদ্বাৰ

(উৎস ঃ মঞ্চলেখা)

এনেদৰে বৰপেটা (অম্বিকাগিৰী ৰায়চৌধুৰী – জয়দ্ৰথ বধ, শিখিধ্বজৰ দান পৰীক্ষা, কল্যাণময়ী, ভাৰত উদ্ধাৰ; ধনীৰাম তালুকদাৰ – কৃষ্ণ লীলা; প্ৰসন্নলাল চৌধুৰী – অপেশ্বৰী); নগাঁও (গুণাভিৰাম বৰুৱা – ৰাম-নৱমী; কদ্ৰ বৰদলৈ – বঙাল-বঙালনী; বসন্তকান্ত বৰকাকতী – হৰিশচন্দ্ৰ); শিৱসাগৰ (হেমচন্দ্ৰ বৰুৱা – কানীয়াৰ কীৰ্ত্তন; দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা – মহৰী, নিগ্ৰো, বৃষকেতু; বেণুধৰ ৰাজখোৱা – দৰবাৰ; পদ্মধৰ চলিহা – নিমন্ত্ৰণ, কেনে মজা, অমৰলীলা; পৰাগধৰ চলিহা – চাৰি হাজাৰ বছৰৰ অসম, ৰাণহীৰ বিহুতলী, সোণ ৰাপ নেওচি) আদিত নাট-ৰচনা আৰু অভিনয়ৰ এক নতুন পৰম্পৰা গঢ়ি উঠে।

সৰ্ব্বাত্মক অৰ্থত নহলেও অসমত ই দ্বিতীয় নাট্য-আন্দোলনৰূপে চিহ্নিত হ'বৰ যোগ্য। বেজবৰুৱা, গোহাঞিবৰুৱা, বেনুধৰ ৰাজখোৱা, ৰজনীকান্ত বৰদলৈ, ৰাধানাথ ফুকন, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, চন্দ্ৰনাথ বৰদলৈ, চন্দ্ৰধৰ বৰুৱা, দুৰ্গেশ্বৰ শৰ্মা, নবীনচন্দ্ৰ বৰদলৈ, ৰাধাকান্ত সন্দিকৈ, নকুল চন্দ্ৰ ভূঞা, দণ্ডিনাথ কলিতা, গনেশ গগৈ, প্ৰভাত শৰ্মা, আনন্দ বৰুৱা, সুৰেন শইকিয়া, কমলানন্দ ভট্টাচাৰ্য, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, পাৰ্বতীপ্ৰসাদ বৰুৱা, মিত্ৰদেৱ মহন্ত, জগৎ বেজবৰুৱা, মানিক চৌধুৰী, পদ্মনাথ চলিহা, ডাঃ কামিনী দাস, ডাঃ ললিতমোহন চৌধুৰী, মহেন্দ্ৰনাথ ডেকাফুকন, জ্যোতিপ্ৰসাদ আগৰৱালা, ব্ৰজনাথ শৰ্মা, ডাঃ প্ৰভাত দাস, বিষ্ণুপ্ৰসাদ ৰাভা, ফণী শৰ্মা — কিমানৰ নাম ল'ম। লগতে দেশনেতা ফণীধৰ চলিহা, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ,ৰোহিনীকুমাৰ চৌধুৰী, ডাঃ ভুবনেশ্বৰ বৰুৱা, লক্ষীধৰ শৰ্মা, বিমলাপ্ৰসাদ চলিহা, দেৱকান্ত বৰুৱা, কামাখ্যা ত্ৰিপাঠী, হৰেশ্বৰ গোস্বামী, বিপিনপাল দাস, দেৱেন্দ্ৰনাথ উজীৰ, প্ৰফুল্ল চন্দ্ৰ বৰুৱা, প্ৰসন্নলাল চৌধুৰী, অম্বিকাগিৰী ৰায়চৌধুৰী, পৰাগ চলিহা আদি আছেই।

১৯৩৫ চনত সহ-অভিনয়ৰ পাতনি মেলা দুঃসাহসী ব্ৰজ শৰ্মা অন্য আকাশৰ তৰা। অসমীয়া যাত্ৰাভিনয় আৰু সহ-অভিনয়ৰ এওঁ প্ৰবৰ্তক। তাৰ বহুপিছত মঞ্চত সুখ্যাতিৰে অভিনয় কৰা শিল্পী হ'ল – জানদা কাকতি, ইভা আচাও, ৰেবেকা আচাও,

অনুপমা ভট্টাচাৰ্য, বৰুণা চৌধুৰী, বীণা দাস, বকুল দাস, মনোমতী গগৈ, কৃষ্ণা দাস, বীণা দেৱী, গিৰীজা হাজৰিকা, প্ৰতিভা ঠাকুৰ, বিভা গোস্বামী, অমলা কটকী, আৰতী বৈৰাগী আদি। বৰ্তমানেও অভিনয় কৰি থকা অভিনেত্ৰীসকলৰ নাম ইয়াত লোৱা নাই (অমলা কটকী ব্যতিক্ৰম)। এইখিনিতে তিনিচুকীয়াৰ প্ৰথম সহ-অভিনয়ত (১৯৫৩) 'কাৰেঙৰ লিগিৰী'ত শেৱালীৰ ৰূপত লক্ষীপ্ৰিয়া দত্ত, ৰাজমাওৰ ৰূপত উলুপী গগৈ, কাঞ্চনৰ ৰূপত প্ৰমীলা গগৈ, ৰেৱতীৰ ৰূপত চন্দ্ৰপ্ৰভা গগৈ, সেউতীৰ ৰূপত বীণা শইকীয়া, ৰুনুক-জুনুক-থুনুকৰ ৰূপত ইভা গোহাঁই, লখিমী বৰুৱা আৰু অনু বৰুৱাৰ কথাও উনুকিয়াব পাৰি। (সহ-অভিনয়ৰ এই তালিকাখন অসম্পূৰ্ণ — তাৰবাবে পাঠক-পাঠিকাৰ ওচৰত ক্ষমা বিচাৰিছোঁ)।

অসমৰ নাট্য-আন্দোলনৰ তৃতীয় তৰংগ (সীমিত অৰ্থত) ভ্ৰাম্যমান নাট্যগোষ্ঠীৰ অভিনয়। ব্যৱসায়িক থিয়েটাৰ পাৰ্টিৰ আৰম্ভনি হয় ব্ৰজনাথ শৰ্মাই ১৯৩০ চনত গঠন কৰা "আসাম কহিনুৰ থিয়েটাৰ পাৰ্টি"ৰ দ্বাৰা। এই কহিনুৰ পাৰ্টিত অভিনয় কৰিছিল ফণী শৰ্মা, চন্দ্ৰচৌধুৰী আদিয়ে। ১৯৩৩ চনত সহ-অভিনয় কৰা অভিনেত্ৰীসকল হ'ল — গোলাপী দাস, সৰ্বেশ্বৰী দাস, ফুলেশ্বৰী দাস, লাবন্য দাস, শৈলবালা দেৱী, বিনদা গগৈ। বৰ্তমান ভ্ৰাম্যমান নাট দল এক গুৰুত্বপূৰ্ণ নাট্য অনুষ্ঠানত পৰিণত হৈছে। কহিনুৰ, আৱাহন, সুৰদেৱী, শংকৰদেৱ, ভাগ্যদেৱী, মনালিছা, ৰবৈদৈচিলা, হেংগুল ......। আদি অলেখ নাট্যগোষ্ঠী ওলাইছে। এইসকলৰ ভিতৰত কহিনুৰৰ ৰতন লহকৰ ব্যতিক্ৰম ব্যক্তি। পৰীক্ষামূলক নাট মেলাৰ দুঃসাহস তেওঁৰ যি দৰে আছে তেনেদৰে আছে সু-পৰিকল্পনা। এই ভ্ৰাম্যমান নাট্য-গোষ্ঠীবোৰে মঞ্চাভিনয়ৰ চাহিদা বহু পৰিমাণে পূৰণ কৰাৰ লগতে অলেখ শিল্পীক অন্ন-সংস্থানৰ সুবিধা দিছে।

প্ৰকৃততে নাট্য-আন্দোলন নহলেও যাত্ৰা দলবোৰ উপতৰংগৰূপে চিহ্নিত হ'বৰ যোগ্য। কথা-ছবি, ৰেডিও বা অব্যৱসায়িক নগৰকেন্দ্ৰিক নাট-গৃহবোৰে ঢুকি নোপোৱা গ্ৰাম্যাঞ্চলত এই যাত্ৰা দলবোৰে প্ৰাধান্য পাইছিল। অৱশ্যে প্ৰায়বোৰ যাত্ৰা নাটেই আছিল বাংলাৰ অনুবাদ। পিপলিবাৰী, মৰোৱা, গুৱালকুছি, পলাশবাৰী, টিহু আদিত এনে যাত্ৰা-পাৰ্টি আছিল। যোগেশ্বৰ শৰ্মা, কমলা বৈষ্ণৱ, কালিচৰন, সূৰ্য বৈশ্য, সনাতন হাজৰিকা, হৰেশ শৰ্মা, ব্ৰজ শৰ্মা (সৰু) আদি ব্যক্তি যাত্ৰাদলৰ বাটকটীয়া আৰু শক্তিশালী ব্যক্তি।

নাট্য-আন্দোলন নহলেও নাট্য-তৰংগ হিচাপে আন এটি উপশাখা হ'ল একাংকিকা নাট। বাইকে বিদ্যালয়, মহাবিদ্যালয় আদিৰ 'সপ্তাহ'ত এনে নাটৰ অভিনয় জনপ্ৰিয় হয়। পিছত এনে নাটৰ প্ৰতিযোগিতাও সঘনে পাতিবলৈ ধৰাত একাংক নাট

ৰচনা ব্যাপক হয়।

ৰেডিও নাট, টেলিনাট চিত্ৰ-নাট আদিৰ আলোচনা কৰা নহ'ল। বৰ্তমান প্ৰবন্ধৰ লগত প্ৰাসংগিকতাও কম।

আমি প্ৰথমতেই কৈছোঁ যে অসমীয়া নাটকৰ ইতিহাস আমি লিখিব খোজা নাই। অনিচ্ছাকৃতভাৱে বহু নাটক, বহু নাট্যকাৰ, বহু অভিনেতাৰ নামো হয়তো বাদ পৰি গৈছে। পাঁচশ বছৰীয়া ইতিহাস এটা সীমিত প্ৰবন্ধত সামৰিব গলে তেনে হোৱাই স্বাভাৱিক।

নগেন শৰ্মা আৰু নাট্য-আন্দোলন ঃ ছাত্ৰাৱস্থাতে একাংক নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠ দলৰ সন্মান কঢ়িয়াই অনা নগেন শৰ্মাৰ ভিতৰৰ মানুহজন মৃত্যুৰ সময়লৈ শিল্পী হৈয়েই আছিল। মৃত্যু-শয্যাত পৰি থকা কলাগুৰু বিষ্ণুৰাভাৰ লগতে সততে ছাঁৰ দৰে ব্যস্ত থকা শৰ্মাৰ সেয়া ব্যক্তি বিশেষৰ প্ৰতি আবেগিক দুৰ্বলতা নাছিল — আছিল প্ৰকৃত শিল্পীপ্ৰাণৰ প্ৰতি থকা স্বাভাৱিক দুৰ্বলতা।

গিয়াছউদ্দিন আহমেদে যিদিনা মোক আহি কলে যে বনমন্ত্ৰী নগেন শৰ্মাই নটসূৰ্য ফণী শৰ্মাৰ স্মৃতি-ৰক্ষাৰ্থে অনুষ্ঠান এটি কৰিব খোজে তেতিয়া মই উচ্ছ্বাসিত হোৱা নাছিলো। মন্ত্ৰী হলে এনে কাম কৰেই — এই ভাৱেই আহিছিল মোৰ মনলৈ। তেতিয়ালৈ শৰ্মাক ব্যক্তিগতভাৱে লগো পোৱা নাছিলোঁ।

আৱৰ্ত ভৱনত প্ৰথম সভাতেই মোৰ মত সলনি হৈছিল। শক্তিশালী কেবিনেট মন্ত্ৰী শৰ্মা যেন সেইজন নহয় — শিক্ষকৰ প্ৰতি শ্ৰদ্ধা আৰু বিনম্ৰ ভাৱে মোক মুগ্ধ কৰিলে। প্ৰতিটো কথাতে উপেন শৰ্মা চাৰ আৰু মোৰ মত লৈহে সিদ্ধান্ত লয়।

শৰ্মাৰ এখন সুপৰিকল্পিত আঁচনি আছিল। অসমৰ সংস্কৃতিৰ এখন পূৰ্ণাঙ্গ ইতিহাস, নাট্যমঞ্চৰ জিলাভিত্তিক সামগ্ৰিক বুৰঞ্জী, আধুনিক শব্দ-কোষ — তেওঁৰ কল্পনাৰ বস্তু আছিল। শব্দ-কোষখনৰ আঁচনিও মোক কৰিবলৈ দিছিল।

'নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতি' গঠিত হ'ল। ফণী তালুকদাৰ, নীলপৱন বৰুৱা, আব্দুল মজিদ, অধ্যাপক উপেন্দ্ৰনাথ শৰ্মা, বঞ্জিৎ শৰ্মা আদিক সদস্যৰূপে লৈ।

প্ৰথমে কাৰ্যকৰী সভাপতি আৰু পিছত সভাপতি হিচাপে নগেন শৰ্মাই কাৰ্যনিৰ্বাহ কৰিলে মৃত্যুৰ (২৭/২/২০০০) সময়লৈকে। প্ৰতিজন সদস্যৰ পৰামৰ্শ আন্তৰিকতাৰে শুনে; নিজৰ ধ্যান-ধাৰণা আনৰ ওপৰত জাপি দিব নোখোজে।

উপেন্দ্ৰনাথ শৰ্মা চাৰ, তফজ্জুল আলি চাৰ, নীলপৱন বৰুৱা তথা এই লেখকৰ পৰামৰ্শ, নগেন শৰ্মাৰ সবল নেতৃত্ব আৰু নটসূৰ্যৰ সাধাৰণ সম্পাদক গিয়াছউদ্দিন আহমেদৰ অক্লান্ত পৰিশ্ৰমৰ ফলতে সমিতিয়ে এতিয়ালৈকে প্ৰায় সোতৰখন ভাল নাটক প্ৰযোজনা কৰিছে। আজি আমাৰ মাজত 'নাটকপ্ৰেমী' মন্ত্ৰী নগেন শৰ্মা নাই। সমিতিৰ সৌভাগ্য যে আন এজন সংস্কৃতিপ্ৰেমী ব্যক্তি (তেখেতো অসমৰ কেবিনেট মন্ত্ৰী) গুণীন হাজৰিকাক সমিতিয়ে নতুন সভাপতি হিচাপে পাইছে। তেখেতৰ বলিষ্ঠ নেতৃত্বত অসমৰ নাট্য আন্দোলনত নটসূৰ্য সমিতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা সদায়ে ল'ব — যিটো নগেন শৰ্মাৰ সপোন আছিল।

অসমৰ লোকসংস্কৃতি চৰ্চা আৰু নগেন শৰ্মা

ড° নবীন চন্দ্র শৰ্মা

মানৱৰ জন্মৰ লগে লগে লোক সংস্কৃতিৰ জন্ম, যদিও ইয়াৰ পদ্ধতিমূলক চিন্তা-চৰ্চা খৃঃ ঊনবিংশ শতিকাৰ প্ৰাৰম্ভণিৰ পৰাহে আৰম্ভ হৈছে। উচ্চশিক্ষাৰে শিক্ষিত পণ্ডিত সকলে লোকসংস্কৃতিৰ বিভিন্ন সমলৰ চিন্তা-চৰ্চা আৰম্ভকৰে জাতীয়বাদী চেতনাৰে উদ্বুদ্ধ হৈ। অসম তথা ভাৰতত লোক সংস্কৃতিৰ বিজ্ঞানসম্মত অধ্যয়নত বৃটিছ প্ৰশাসনিক বিষয়া আৰু খৃষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ অহা পাদুৰী চাহাব সকলৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ। বৃটিছ প্ৰশাসনিক বিষয়া আৰু পাদুৰী চাহাব সকলৰ চেষ্টা প্ৰচেষ্টাত ৰচিত হোৱা লোক সংস্কৃতি বিষয়ক গ্ৰন্থৰাজি আৰু পৰৱৰ্তীকালত জাতীয়বাদী চেতনাৰে উদ্বুদ্ধ হৈ ৰচনা কৰা লোকসংস্কৃতি বিষয়ক গ্ৰন্থৰাজি তথা পৰৱৰ্তীকালত বিদ্যায়তনিক দৃষ্টিভংগীৰে ৰচনা কৰা লোকসাংস্কৃতিক বিষয়ক গ্ৰন্থৰাজিৰ মাজত সময় বা কাল, উদ্দেশ্য-তাৎপৰ্য্য আৰু পদ্ধতিৰ মাজত স্পষ্ট পাৰ্থক্য লক্ষ্য কৰা যায়। সেইবাবে ভাৰত তথা অসমৰ লোকসংস্কৃতিৰ চিন্তা-চৰ্চা প্ৰসূত গ্ৰন্থৰাজি তিনিটা যুগত বিভক্ত কৰিব পাৰি; যেনে—

১) মিছনাৰী যুগ

২) জাতীয়তাবাদী যুগ

৩) বিদ্যায়তনিক যুগ

(১) মিছনাৰী যুগ ঃ বৃটিছ উপনিবেশ ভাৰতবৰ্ষত স্থাপিত হোৱাৰ পিছৰে পৰা লোকসংস্কৃতিৰ চিন্তা-চৰ্চাৰ মিছনাৰী যুগ আৰম্ভ হৈছে। বৃটিছ সকলে ভাৰতবৰ্ষত তেওঁলোকৰ ৰাজনৈতিক ক্ষমতা সুপ্ৰতিষ্ঠিত হোৱাৰ লগে লগে তেওঁলোকৰ বিষয়াসকলক ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত প্ৰশাসনিক বিষয়া হিচাপে নিযুক্তি দিয়া হৈছিল আৰু তেওঁলোকে শাসন কাৰ্য্যত আত্মনিয়োগ কৰাৰ বাহিৰেও নিজ নিজ অঞ্চলৰ জনসাধাৰণৰ পৰা বিবিধ লোকসাংস্কৃতিক সমল সংগ্ৰহ আৰু সম্পাদন কৰি ছপাই উলিয়াইছিল। খৃ. ১৯০৩ লৰ্ড কাৰ্জনে ভাৰতবৰ্ষত নৃতাত্ত্বিক জৰীপ কাৰ্য্যৰ শুভ উদ্বোধন কৰে। এই বছৰতে চাৰ জৰ্জ গ্ৰীয়াৰ্ছনে তেওঁৰ বিখ্যাত Linguistic Survey of India ৰ প্ৰথম খণ্ডটো প্ৰকাশ কৰে। বিংশ শতিকাৰ আৰম্ভণিতে বৃটিছ

প্ৰশাসক সকলৰ প্ৰচেষ্টাই ভাৰতীয় নৃতত্ত্ব, লোক সংস্কৃতি আৰু ভাষাতত্ত্ব অধ্যয়ণৰ প্ৰসংগত যে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল তাত সন্দেহ নাই। বৃটিছ প্ৰশাসনিক গ্ৰন্থসমূহৰ বেছিভাগেই পাণ্ডিত্যপূৰ্ণ, অৱশ্যে দুই এখন এই জাতীয় গ্ৰন্থই পদ্ধতিৰ ক্ষেত্ৰত সাৰ্থকতা দাবী কৰিব নোৱাৰিলেও তেওঁলোকৰ প্ৰচেষ্টাই ভাৰতীয় লোকসংস্কৃতি অধ্যয়ণত মূল্যবান অৰিহণা আগনবঢ়োৱাকৈও থকা নাই।

বৃটিছ প্ৰশাসনিক বিষয়াসকলৰ পিছতে ভাৰতীয় লোকসংস্কৃতিৰ অধ্যয়ণত এই দেশলৈ খৃষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ অহা পাদুৰী চাহাবসকলে তাৎপৰ্য্যপূৰ্ণ অৱদান আগবঢ়াইছে। খৃষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ অহা এই সকল পাদুৰী চাহাবৰ বাবে বিশেষভাবে প্ৰয়োজন আছিল স্থানীয় নৃবৃত্ত অধ্যয়ণ। প্ৰকৃতাৰ্থত ভাল পাদুৰী চাহাব হ'বলৈ হ'লে নৃতত্ত্ববিদো হোৱা উচিত। পাদুৰী চাহাবসকলে বৃটিছ শাসন যন্ত্ৰৰ সহায়ত ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ ভাষা, ৰীতি-নীতি, লোকাচাৰ, উৎসৱ অনুষ্ঠান, ধৰ্মীয় বিশ্বাস, জীৱন-নিৰ্বাহৰ পদ্ধতি, নিজ, জনশ্ৰুতি, সাধুকথা, নীতি পদ আদি অধ্যয়ন কৰিছিল।

সাম্প্ৰতিক অসম, অতীত অসম অৰ্থাৎ বৃটিছ শাসনকালীন অসমৰ এটি খণ্ডিত, সংকুচিত অংশ। মিছনাৰী যুগৰ লোক সংস্কৃতিৰ চিন্তা-চৰ্চাৰ বিষয়ে আলোচনা কৰাৰ প্ৰসংগত আমি প্ৰাক্‌স্বাধীন ভাৰতবৰ্ষৰ অসমৰ কথাহে মনত ৰাখিব লাগিব। এই সময়ছোৱাত ৰচিত লোকসংস্কৃতি বিষয়ক গ্ৰন্থসমূহৰ ভিতৰত হাৰবাৰ্ট লেবিনৰ "Wild Races of South Eastern India, Progressive Colloquial Excercise in the Lushai dialect...," মণ্ট গোমেৰি মাৰ্টিনৰ Eastern India, জন বুটলাৰৰ A Sketch of Assam with some accounts of the hill tribes, travels and adventures in the province of Assam, চি. এ চপিট-ৰ A Historical and descriptive account of the Kachari Tribes in the North Cachar Hills, with specimens of tales and folklore, a short account of the Kacha Naga Tribes, A short account of the Kuki Luchai Tribes of the N.E. Frontier, এ.জে. প্ৰিমচোৰ Manipuri grammar, ডোনাল্ডৰ Ivory carvings in Assam, এল. এইছ চমানৰ Monograph on the Cotton Fabrics of Assam, জে. ই. ফ্ৰেইগু পেৰেইৰাৰ The Rabhas, জে. ডি, এণ্ডৰছনৰ Collection of Kachari Folk Tales and Rhyme, মেজৰ ফিলিপ বিচাৰ্ড টি গাৰডনৰ Assamese Proverbs, the Khasis, জৰ্জ গ্ৰীয়াৰছনৰ The Linguistic survey of India, এডৱাৰ্ড ষ্টেকৰ দ্বাৰা ৰচিত আৰু চাৰ চাৰ্লচ লায়লৰ দ্বাৰা সম্পাদিত The Mikirs, টমাছ চ্লান হাডছনৰ The Maitheis, The Naga Tribes of Manipur, মেজৰ এলান প্লেফেয়াৰ The Garos;

ৰেভাৰেণ্ড ছিদ্নি এণ্ডেলৰ The Kachari's; জন ছেক্সপীয়েৰৰ The Lushai Kuki clans; শ্ৰীমতী ৰোবাৰ্টছৰ Khasi Folklore, এৰেলিন বেৰকেলে হোৱেলৰ Border Ballads of the Angami Nagas of Assam; কে. বি ৰেফিৰ Folk-tales of the Khasis, হাণ্টাৰৰ Statistical Account of Assam; ওৱাডেলৰ Tribes of the Brahmaputra Valley, হেনৰী হাটনৰ The Angami Nagas আৰু The Sema Nagas; জে.পি. মিলছৰ The Lhota Nagas, The Ao Nagas, The Rengma Nagas, উইলিয়াম কাৰ্লছন স্মিথৰ The Ao Nagas Tribe of Assam, এন. ই পেৰিৰ The Lakhers থম্‌পছনৰ Assam Valley আদি উল্লেখযোগ্য।

(২) জাতীয়তাবাদী যুগ ঃ বৃটিছ্ প্ৰশাসনিক বিষয়া আৰু পাদুৰী চাহাবসকলে নিজৰ নিজৰ স্বাৰ্থ সাধনৰ অৰ্থে ৰচিত লোকসংস্কৃতি বিষয়ক গ্ৰন্থসমূহে অসম তথা ভাৰতবৰ্ষৰ বুদ্ধিজীৱীসকলৰ অন্তৰত গভীৰভাৱে জাতীয় চেতনাৰভাব জগাই তোলে। জাতীয় চেতনাৰ অন্যতম উৎস লোকসাংস্কৃতিক সমল বাজিৰ দ্বাৰা বৃটিছ শাসনৰ বিৰুদ্ধে জন-গণ-মনত বিদ্ৰোহাগ্নি উমি উমিকৈ জ্বলাই তুলিবলৈ অসম তথা ভাৰতবৰ্ষৰ বুদ্ধিজীৱী সকলে প্ৰয়াস কৰিছিল। খৃঃ ১৮৫৭ চনতেই বৃটিছ্ শাসনৰ বিৰুদ্ধে চিপাহী বিদ্ৰোহৰ মাধ্যমেৰে ভাৰতীয় জন-গণ-মনে বিপ্লব আৰম্ভ কৰিছিল আৰু এই বিপ্লৱৰ অন্যতম লক্ষ্য আছিল স্বাধীনতা লাভ। অৱশ্যে বৃটিছ শাসন যন্ত্ৰৰ বিৰুদ্ধে ভাৰতীয় জনগণে সৰ্বাত্মকভাৱে আত্মমুক্তিৰ সংগ্ৰাম সূচনা কৰে বিংশ শতিকাৰ প্ৰথম দশকত। ভাৰতীয় পণ্ডিতসকলে ৰাজনৈতিক আৰু সাংস্কৃতিক দিশৰ ফালৰ পৰা নিজ দেশক স্বাধীন কৰিবলৈ উঠি পৰি লাগিল। শতিকাধৰি নিদ্ৰামগ্ন ভাৰতীয় মহাজাতি হঠাৎ যেন সাৰ পাই উঠিল। ইংৰাজ সংস্কৃতিৰ প্ৰতি থকা গভীৰ আকৰ্ষণৰ প্ৰতি পিঠি দি ভাৰত মনীষাই বিচাৰিলে নিজৰ পৰিচয়ৰ আৰু এই আত্ম পৰিচয়ৰ উৎস তেওঁলোকে বিচাৰি পালে লোক জীৱনত, লোক সংস্কৃতিত। স্বাধীনতা লাভৰ পূৰ্বে আৰু স্বাধীনতা লাভৰ পৰৱৰ্ত্তী কালত ভাৰতীয় জাতীয়বাদৰ বিকাশ আৰু অগ্ৰগতিত ভাৰতীয় লোকসংস্কৃতিৰ ভূমিকা আছিল সৰ্বতোবিসাৰী। এইখিনিতে এটা কথা মনত ৰখা ভাল হ'ব যে, এই সময়ছোৱাত ভাৰতত লোকসংস্কৃতিৰ বিভিন্ন উপাদানৰ যি চিন্তা-চৰ্চা হৈছিল– সেইবোৰ কেৱল যে জাতীয়ভাব সৃষ্টিতেই সীমিত আছিল তেনে নহয়। খৃষ্টান মিছনাৰী আৰু বৃটিছ্ প্ৰশাসক সকলৰ চেষ্টা প্ৰচেষ্টাত ভাৰতবৰ্ষত আৰম্ভ হোৱা লোকসাংস্কৃতিক পৰম্পৰাৰ আধাৰত জাতীয় বাদী আদৰ্শৰে ৰচিত লোকসংস্কৃতি বিষয়ক গ্ৰন্থৰাজিৰ জন্ম হলেও এই গ্ৰন্থৰাজিৰ আদৰ্শ আৰু লক্ষ্য আছিল পূৰ্ববৰ্ত্তী লোকসাংস্কৃতিক অধ্যয়নতকৈ সম্পূৰ্ণ বেলেগ।

জাতীয়তাবাদী ভাৱধাৰাৰে অনুপ্ৰাণিত ভাৰতীয় পণ্ডিতসকলে তেওঁলোকৰ সমাজত প্ৰচলিত মৌখিক পৰম্পৰাত নতুনকৈ মূল্যাৰোপন কৰিবলৈ সক্ষম হৈ এই পৰম্পৰাত প্ৰচলিত সমলৰাজি সংগ্ৰহ কৰি সেইবোৰ বিচাৰি বিশ্লেষণ কৰি নতুন অৰ্থ আৰু উদ্দেশ্য অনুধাৱন কৰিবলৈ প্ৰয়াস কৰিছিল। দীঘল পোছাক পিন্ধা খৃষ্টান মিছনাৰীসকল আৰু বিদেশী শ্বেতাংগ ক্ষমতাশীল আমোলাসকলৰ সীমিত গণ্ডীৰ মাজতেই লোকসংস্কৃতিৰ চিন্তা-চৰ্চাৰ পৰিসীমা সীমিত হৈ নাথাকিল। এই সময়ৰ ভাৰতীয় পণ্ডিতসকলে ভালদৰে উপলব্ধি কৰিব পাৰিছিল যে, সুযোগ-সুবিধা, অধিকাৰ আদিৰ পৰা বঞ্চিত জনসাধাৰণৰ অন্তৰত পুঞ্জীভূত সামুহিক অনুভূতিৰাজিৰ মাজেৰে জাতীয়বাদ প্ৰকাশ কৰিব পৰা নাযাব যদিহে এইবোৰ সৰ্বসাধাৰণে বুজি পোৱা জাতীয়ভাষী, জাতীয় মহাকাব্য, খাদ্য, আভৰণ, প্ৰাচীন চিন্তা আৰু জ্ঞান, মূল্যবোধ, লোকসংস্কৃতি আৰু সাহিত্যৰ মাধ্যমেৰে প্ৰকাশ কৰা নাযায়। লোক সংস্কৃতি এনেবিধৰ আবেগেৰে ঐশ্বৰ্য্যশীল, গতিকে জাতীয় ভাব প্ৰকাশত যে লোকসাংস্কৃতিৰ অৱদান তাৎপৰ্য্যপূৰ্ণ হ'ব তাত মুঠেই সন্দেহ নাই।

খৃষ্টান মিছনাৰী-বৃটিছ প্ৰশাসক সকলৰ দ্বাৰা ৰচিত লোক সংস্কৃতি বিষয়ক গ্ৰন্থৰাজি (অৰ্থাৎ প্ৰথম যুগ) আৰু জাতীয়তাবাদী আন্দোলনকালীন লোকসংস্কৃতি বিষয়ক গ্ৰন্থৰাজিৰ মাজত বিশেষকৈ অধ্যয়ন প্ৰণালী আৰু উপস্থাপন পদ্ধতিৰ ক্ষেত্ৰত পাৰ্থক্য লক্ষ্য কৰা যায়। এই সময়ৰ পণ্ডিতসকলে ভাৰতীয় দৃষ্টিভংগীৰে লোকসাংস্কৃতিক বিষয়বোৰৰ চিন্তা-চৰ্চা কৰিছিল। প্ৰথমযুগৰ লোকসংস্কৃতি চিন্তা-চৰ্চাকাৰীসকলে পৰৰ বস্তু আৰু ঔপনিৱেশিক দৃষ্টিভংগীৰেহে ভাৰতীয় লোকসংস্কৃতি অধ্যয়ণ কৰিছিল। জাতীয়বাদীযুগৰ ভাৰতীয় পণ্ডিতসকলে নিজৰ বস্তু আৰু ভাৰতীয় দৃষ্টিভংগীৰে ভাৰতৰ লোকসংস্কৃতিৰ সমল ৰাজি অধ্যয়ন কৰিছিল। ভাৰতীয় পণ্ডিতসকলে নিজকে খিলঞ্জীয়া কথা বৃত্ত আৰু সাংস্কৃতিক অণুবংগৰ সৈতে একাত্ম স্থাপন কৰি প্ৰকৃত আৰু শুদ্ধ ৰূপটো অভিজ্ঞাপন কৰিবলৈ প্ৰয়াস কৰিছিল। সেইসময়ৰ স্বাধীনতা সংগ্ৰামী আৰু জাতীয়বাদী নেতাসকলে বিশেষকৈ মহাত্মা গান্ধীয়ে উপলব্ধি কৰিব পাৰিছিল যে, ভাৰত মণীষাৰ সৃষ্টি সংস্কৃত পৰম্পৰা অথবা ভাৰতীয় মধ্যবিত্ত শ্ৰেণীৰ পৰম্পৰাৰ মাধ্যমেৰে জনসাধাৰণক জাতীয়বাদী আন্দোলন অৰ্থাৎ স্বাধীনতা সংগ্ৰামৰ প্ৰতি আকৃষ্ট কৰিব নোৱাৰি। গতিকে ভাৰতৰ মধ্যবিত্ত শ্ৰেণীৰ বৈশিষ্ট্য জনসাধাৰণৰ প্ৰকৃতিলৈ পৰিবৰ্ত্তন কৰিব লাগিব। ৰাজনীতিৰ ক্ষেত্ৰত লক্ষ্য কৰা এই পৰিবৰ্ত্তন বিশেষকৈ পৰিস্ফুট হৈছিল মৌখিক পৰম্পৰা আশ্ৰয়ী সাহিত্যত। এই পৰিবৰ্ত্তনৰ পৰিপ্ৰেক্ষিত নগৰ বা চহৰবাসী মধ্যবিত্ত শ্ৰেণীৰ বুদ্ধিজীৱীসকলে হৃদয়ংগম কৰিব পাৰিছিল যে, আদৰ্শ আৰু সামাজিক বাৰ্ত্তা অভিজ্ঞাপনত ভাৰতবৰ্ষৰ

এখন দেশত লোসংস্কৃতিয়ে গণমাধ্যম স্বৰূপে তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। স্বৰূপাৰ্থত, জাৰ্মানত জাতীয়বাদী আন্দোলনে যিদৰে সেই দেশৰ বুদ্ধিজীৱীসকলক লোক সংস্কৃতিৰ চিন্তা চৰ্চাৰ অণুপ্ৰেৰণা দিছিল তেনেদৰে বৃটিছ শাসনকালীন ভাৰতবৰ্ষত জাতীয়বাদী আন্দোলনেহে এই দেশৰ লোকসংস্কৃতিৰ চিন্তা-চৰ্চা, পঠন-পাঠন আৰু বিচাৰ-বিশ্লেষণৰ ক্ষেত্ৰত প্ৰশস্ত আৰু উৰ্বৰ কৰি তুলিছিল। মৌখিক পৰম্পৰাই কিদৰে জাতীয়বাদ প্ৰচাৰ-প্ৰসাৰ আৰু সম্প্ৰসাৰণত ভূমিকা গ্ৰহণ কৰিব পাৰে তাৰ আৰ্হি এই সময়ছোৱাৰ ৰচিত লোকসংস্কৃতি বিষয়ক গ্ৰন্থৰাজিয়ে দিব পাৰে।

বৃটিছ উপনিৱেশৰ বিৰুদ্ধে সমগ্ৰ ভাৰতবৰ্ষত প্ৰবলভাৱে জাগি উঠা জাতীয় চেতনাৰ ঢৌৱে অসম ৰাজ্যকো টৌৱাইছিল গভীৰভাৱে। ভাৰতীয় জাতীয় চেতনা আৰু জীতায়বাদী আদৰ্শৰে অনুপ্ৰাণিত হৈ লক্ষ্মীনাথ বেজবৰুৱাই সংস্কৃতিৰ চিন্তা-চৰ্চা কৰিছিল প্ৰবল আশাবাদ সৃষ্টি আৰু পুৰণি পৃথিৱীক নকৈ চাই লোৱাৰ হেঁপাহেৰে। তেওঁৰ বুঢ়ী আইৰ সাধু (১৯১১), ককাদেউতা আৰু নাতিল'ৰা (১৯১২), জুনুকা আদি জাতীয়বাদী আন্দোলনৰ ফলশ্ৰুতি। যোগেশ চন্দ্ৰ তামুলীৰ নিচুকনি (১৯১৬), ভুবন মোহন ৰৰাণীৰ বিয়াৰ নাম (১৯১১), জ্ঞানদাভিৰাম বৰুৱাৰ Folktales of Assam (১৯১৫), ভদ্ৰসেন বৰাৰ কথাৰ মালিতা (১৯২৩), প্ৰসন্নচন্দ্ৰ বৰুৱাৰ ভাউৰা পুৰাণ, কামৰূপী বিয়াৰ গীত, মিছলীয়া লোকগীত, মৎসাবিবাহ, ড°সূৰ্য কুমাৰ ভূঞাৰ বৰফুকনৰ গীত (১৯২৪), ৰূপেশ্বৰ দত্তৰ জনগাভৰুৰ গীত (১৯২৫), ডিম্বেশ্বৰ নেওগৰ আকুল পথিক (১৯২২), ভোগজৰা, বিহুৱা, নামতি, পুতলি (১৯৪৩), অৰ্জুন চন্দ্ৰ দাসৰ অসমীয়া সাধু (১৯৪১), ত্ৰৈলোকেশ্বৰী দেৱীৰ সন্ধিয়াৰ সাধু (১৯৩৭), সোনাপতি শৰ্মাৰ টেঁন্টন, অদ্ভুত চোৰ (১৯৪৬), শিয়াল পণ্ডিত, ইন্দ্ৰনাৰায়ণ বৰাৰ অসমীয়া প্ৰবচন (১৯৪৩), প্ৰসন্নচন্দ্ৰ বৰুৱাৰ পটন্তৰমালা (১৯২৯), কান্তিৰাম বুঢ়াভকতৰ ফকৰা (১৯২৭), শ্ৰীৰামচন্দ্ৰ দাসৰ ফকৰা-যোজনা (১৯৪১), হেমচন্দ্ৰ গোস্বামীৰ অসমীয়া সাহিত্যৰ চানেকি, প্ৰথমখণ্ড (কলিকতা, ১৯২৮), আদি গ্ৰন্থ জাতীয়তাবাদী যুগৰ বিশিষ্ট অৱদান।

(৩) বিদ্যায়তনিক যুগ : ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা ভাৰতীয় লোকসংস্কৃতি চিন্তা-চৰ্চাৰ বিদ্যায়তনিক যুগ আৰম্ভ হৈছে। বিদ্যায়তনিক যুগত লোকসংস্কৃতি চিন্তা-চৰ্চাৰ পৰিদৃষ্ট হোৱা বিজ্ঞানসম্মত অনুসন্ধান, তাত্ত্বিক অভিগমন আদিৰ বীজ অৱশ্যে জাতীয়তাবাদী যুগৰ লোকসংস্কৃতি বিষয়ক গ্ৰন্থৰাজিত কম-বেছি পৰিমাণে দেখা গৈছিল। স্বাধীনতা লাভৰ পিছত ভাৰতৰ বিভিন্ন নগৰ-চহৰ আদিত স্থাপিত বিশ্ববিদ্যালয়, গৱেষণা কেন্দ্ৰ, মহাবিদ্যালয় আদিৰ জৰিয়তে ভাৰতীয়

লোকসংস্কৃতিৰ বিভিন্ন দিশৰ অধ্যয়ন কৰা হৈছে পদ্ধতিগতভাৱে। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হোৱাৰ পিছৰে পৰা ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলত লোকসংস্কৃতিৰ চিন্তা-চৰ্চাৰ নৱজাগৰণৰ সূত্ৰপাত হয়। এই ক্ষেত্ৰত ড° বিৰিঞ্চি কুমাৰ বৰুৱা, আৰু ড° প্ৰফুল্লদত্ত গোস্বামীৰ ভূমিকা বিস্ময়কৰ। এই দুগৰাকী প্ৰথিতযশা লোকবিদ্যাবিদৰ তত্ত্বাৱধানত কেইবাগৰাকী গবেষকে লোক সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। এই প্ৰসংগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি গৱেষণা বিভাগৰ অৱদান তাৎপৰ্য্যপূৰ্ণ। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ অসমৰ লোকসংস্কৃতি(১৯৬১), ভাষা আৰু সংস্কৃতি (১৯৫৭) নামৰ গ্ৰন্থ দুখন লোক সংস্কৃতিৰ চিন্তা-চৰ্চাৰ মাৰ্গ নিদৰ্শনকাৰী গ্ৰন্থ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা লোকসংস্কৃতি বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰা প্ৰথম গৰাকী পণ্ডিত হৈছে ড° প্ৰফুল্ল দত্ত গোস্বামী। তেওঁৰ সাধ্য-সাধনাৰ বিনিময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগে দ্বিজত্ব লাভ কৰে। আন্তৰ্জাতিক খ্যাতিসম্পন্ন এই গৰাকী পণ্ডিতে লোকসংস্কৃতিৰ তত্ত্বীয় দিশত গুৰুত্ব প্ৰদান কৰি অসমীয়া আৰু ইংৰাজী উভয় ভাষাতে প্ৰায় ডেৰকুৰিখন গ্ৰন্থ আৰু শতাধিক গৱেষণমূলক প্ৰবন্ধ ৰচনা কৰে। ড ° গোস্বামীৰ গৱেষণা গ্ৰন্থৰ নাম। A Study of the folklore of Assam ; The Ballads and Marchen (1959)। অৱশ্যে এই গৱেষণা গ্ৰন্থ খন Ballads and tales of Assam নামৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬০ চনত পোনতে ছপা হয়। ড° গোস্বামীয়ে যে, নিবিড় আৰু নিয়তভাৱে লোক সংস্কৃতিৰ বিভিন্ন দিশত ৰীতিবদ্ধ আৰু প্ৰণালীবদ্ধ অধ্যয়ন কৰিছিল তাৰ স্পষ্ট আভাস দিব পাৰে তেওঁৰ Folk Literature of Assam (1954) Bihu songs of Assam (1957) Ballads and Tales of Assam (1960), The Springtime Bihu of Assam (1966), The Indian Chapter in folk tales Told Around the World (University Chilago Press, 1975), Festivals of Assam 1995), অসমীয়া জন সাহিত্য (১৯৮৭) বাৰমাহৰ তেৰগীত (১৯৬২) আদি গ্ৰন্থৰ জৰিয়তে ড° গোস্বামীৰ পিছতে ড° বীৰেন্দ্ৰ নাথ দত্তই লোক সংস্কৃতিৰ পঠন -পাঠন, অধ্যয়ন গৱেষণাত বৈশিষ্টপূৰ্ণ অৱদান আগবঢ়াইছে। লোকসংস্কীতিৰ বিদ্যায়তনিক চিন্তা চৰ্চাত মোহিনীব্ৰহ্ম, ভবেন নাথ, ৰাজেন বাভা, ড° মহেশ্বৰ নেওগ, প্ৰানেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, শশী শৰ্মা, ৰুদ্ৰ কলিতা, গনেশ কুৰ্মী, প্ৰেমকান্ত মহন্ত, চৈয়দ আব্দুল মালিক, হৰিমোহন চক্ৰৱৰ্তী, ড° হেমন্ত কুমাৰ শৰ্মা, সত্যেন্দ্ৰ নাথ বৰকটকী, শ্ৰীৰমা দাস, দণ্ডিৰাম দত্ত, তৰুণ চন্দ্ৰ নাথ, আতাউৰ ৰহমান, ড° কিৰণনাৰায়ণ শাস্ত্ৰী, ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য,

শ্ৰীঅতুল চন্দ্ৰ বৰুৱা. ৰংবং তেৰাং, প্ৰফুল্লচন্দ্ৰ বৰুৱা, ড° সৰ্বেশ্বৰ ৰাজগুৰু, হেম বৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, ড° নিৰ্মল প্ৰভা বৰদলৈ, যুগল দাস, যোগেন দাস, ড ধীৰেশ মজুমদাৰ, ৰাজমোহন নাথ, নগেন্দ্ৰ নাথ বৰুৱা, আব্দুছ ছাত্তাৰ, লংকাম টেৰণ, গগন চন্দ্ৰ সোণোৱল, নাহেন্দ্ৰ পাদুন, লোকেশ্বৰ গগৈ, দেবা নাথ শৰ্মা, ৰজনীকান্ত বৰুৱা, হৰি নাথ শৰ্মা দলৈ, ৰাম গোস্বামী, ধীৰেন দাস, বীৰেন্দ্ৰ কুমাৰ গোহাঁই, ড° ভৃগুমোহন গোস্বামী, ড° শৈলেন ভড়ালী, ধনেশ্বৰ কলিতা, ড° নবীন চন্দ্ৰ শৰ্মা, ড° প্ৰবীণ চন্দ্ৰ দাস আদি চিন্তা চৰ্চাকাৰীৰ অৱদান উল্লেখযোগ্য।

নগেন শৰ্মাই ৰাজনৈতিক কণ্টকাপূৰ্ণ ক্ষেত্ৰত বিচৰণ কৰিছিল সক্ৰিয় ভাবে, কিন্তু তেওঁৰ মনৰ মাজুলিত সংস্কৃতিৰ শতদল বিকশিত হৈ আছিল। বিবিধ সংস্কৃতিমূলক সভা সমিতি সাংস্কৃতিক সন্মিয়া আদিত তেওঁ নিষ্ঠাৰে অংশ গ্ৰহণ কৰিছিল। সামাজিক উন্নতি সাধন আৰু সাংস্কৃতিক চেতনা জাগৰণ আছিল তেওঁৰ কৰ্ম জীৱনৰ মূল লক্ষ্য। তেজপুৰত তেওঁৰ ঘৰ। তেজপুৰীয়া লোকসকল – নাটক, অভিনয়, সাংস্কৃতিক চিন্তা চৰ্চাত আগবঢ়া।জ্যোতি প্ৰসাদ আগৰৱালা, ফণী শৰ্মা, বিষ্ণুৰাভা আদি কৃতবিদ্য লোকেই ইয়াৰ প্ৰমাণ। সেই হিচাবে নগেন শৰ্মাই নিজৰ জীৱনটোও নাটক আৰু অভিনয়ৰ অন্য এক ৰূপ স্বৰূপেই গ্ৰহণ কৰিছিল। আনকি নাটকীয় ভাৱেই তেওঁ কৰাল মৃত্যুক সাবটি ললে আততায়ীৰ বৰ্বৰ আক্ৰমণত। নগেন শৰ্মাৰ আত্মাই শান্তি লাভ কৰক।

নগেন শৰ্মা আমাৰ ছাত্ৰ। আমাক শ্ৰদ্ধা ভক্তিও কৰিছিল। 'শতদল' অনুষ্ঠানত বৃক্ষ ৰোপণত তেওঁ আমাৰ লগতে ভাগ লৈছিল। নটসূৰ্য ফণী শৰ্মাৰ জীৱন কৃতিত্ব - অৱদান আদিৰ প্ৰতি তেওঁ বিশেষভাবে আকৃষ্ট হৈছিল। 'নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতি, অসম'ৰ সভাপতি আছিল নগেন শৰ্মা। প্ৰতি বছৰে 'নটসূৰ্য ফণীশৰ্মা সোঁৱৰণী সমিতি'ৰ সভা অসমৰ বিভিন্ন স্থানত উদ্‌যাপন কৰা হয়। অভিনয় গ্ৰন্থ প্ৰকাশন আদি বিবিধ কাৰ্যসূচীৰ সহায়ত ১৯৯৯ চনত উদ্‌যাপিত তৃতীয় বাৰ্ষিক নটসূৰ্য্য সোঁৱৰণী দিবস আৰু মহোৎসৱৰ সৈতে ৰজিতা খুৱাই 'অসমৰ লোক সংস্কৃতি' শীৰ্ষক এখন গ্ৰন্থ ছপাবলৈ পৰিকল্পনা কৰি গ্ৰন্থ প্ৰণয়ন উপ সমিতি এখন গঠন কৰা হৈছিল। নগেন শৰ্মা আছিল উপ সমিতিৰ সভাপতি। এই খন উপসমিতিৰ এগৰাকী সদস্য হ'বৰ বাবে শৰ্মাই মোকো অনুৰোধ কৰিছিল। তেওঁৰ অনুৰোধ ৰক্ষা কৰি সদস্য হ'বৰ বাবে মই সম্মতি দিলোঁ। প্ৰস্তুত আৰু ছপা কৰিবলৈ লোৱা গ্ৰন্থ খনৰ (অৰ্থাৎ অসমৰ লোকসংস্কৃতিৰ) বিষয়বস্তু লিখক আদি নিৰ্বাচনৰ প্ৰসংগত শৰ্মাই আমাৰ পৰামৰ্শ বিচাৰিছিল। এই গ্ৰন্থখনত 'লোক সংস্কৃতি অধ্যয়নৰ প্ৰয়োজনীয়তা' বিষয়ক প্ৰবন্ধও

তেওঁ ৰচনা কৰিছিল। লোকসংস্কৃতিৰ সৈতে যে শৰ্মাৰ বিশেষ সম্পৰ্ক আছিল তাৰ আভাস এই প্ৰবন্ধটোৰ পৰা পাব পাৰি। 'অসমৰ লোকসংস্কৃতি' নামৰ গ্ৰন্থখন যে বিদ্যায়তনিক দিশৰপৰা অত্যন্ত অৰ্থপূৰ্ণ গ্ৰন্থ তাত সন্দেহ নাই। অসমৰ লোকসংস্কৃতিৰ জগতত এই গ্ৰন্থখনৰ জৰিয়তে শৰ্মাই আমাক তেওঁৰ এটি নতুন পৰিচয় দি গৈছে--সেই পৰিচয়টোৱেই হৈছে নগেন শৰ্মাৰ গভীৰ লোকসংস্কৃতি প্ৰীতি। এই বিশেষ কামটোৱে তেওঁৰ নাম কীৰ্তি আৰু যশকেই প্ৰচাৰ কৰিব। কীৰ্তিমান পুৰুষেই নিৰবধিকাল পৃথিৱীত অমৰ হৈ থাকে। নগেন শৰ্মাও অমৰ হৈ থাকিব-তেওঁৰ সজ কৰ্মৰ জৰিয়তে।

ভ্ৰাম্যমান থিয়েটাৰ
নলবাৰী নাট্যমন্দিৰ আৰু নগেন শৰ্মা

ড° বসন্ত কুমাৰ ভট্টাচাৰ্য

(ক)

ভাৰতীয় নাট্য আৰু অভিনয় কলাৰ পৰম্পৰা অতি প্ৰাচীন আৰু বৈচিত্ৰ্যপূৰ্ণ। আনুমানিক খৃঃপূঃ ৩য় শতিকাত ৰচিত ভৰতমুনিৰ 'নাট্যশাস্ত্ৰ' শীৰ্ষকগ্ৰন্থখনিয়ে ভাৰতীয় নাট্য আৰু অভিনয় কলাৰ চিন্তা-চৰ্চাৰ নিৰ্ভৰযোগ্য স্বাক্ষৰ বহন কৰিছে। কবি-নাটাকাৰ অশ্বঘোষৰ কালৰেপৰা সাম্প্ৰতিকলৈকে ৰচিত ভাৰতীয় নাট্য সাহিত্যৰ ধাৰাটোৱে এই দেশৰ নাট্যকলা আৰু অভিনয়ৰ বিবৰ্তন আৰু বিকাশৰ এটা স্পষ্ট ধাৰণা দিয়ে। নকলেও হয় যে, সংস্কৃত নাটক ৰচিত হোৱাৰ পূৰ্বে লোকসমাজৰ মাজত লোকনাট্যৰ প্ৰচলন আছিল প্ৰচুৰ পৰিমাণে। লোকনাট্যৰ অন্যতম শাখা 'পুতলানাচ'ক পণ্ডিতসকলে প্ৰাচীনতম বুলি ঠাৱৰ কৰিছে। জাৰ্মান পণ্ডিত ড° পিশ্বেলে অনুমান কৰে যে, পুতলা নাচৰ ৰীতি-প্ৰকৃতিৰ প্ৰভাৱতেই সংস্কৃত নাটকে জন্ম লাভ কৰিছে।

পুতলা নাচৰ প্ৰচলন, নামনি অসমত অতি প্ৰাচীন। এই অঞ্চলৰ নাট্য আৰু অভিনয় কলাৰ উদ্ভৱ আৰু বিকাশৰ প্ৰসংগত পুতলা নাচৰ স্থান গুৰুত্বপূৰ্ণ। সম্প্ৰতি যুগৰ প্ৰভাৱত ইয়াৰ প্ৰচলন কমি আহিছে, যদিও নলবাৰী জিলাৰ ছান্দকুছি, ম'হখলি আদি গাঁৱত দুই এক পুতলানাচৰ দলে সক্ৰিয় হৈ থাকি ইয়াৰ পৰম্পৰা সজীৱ কৰি ৰাখিছে।

পুতলা নাচৰ পিছতেই উল্লেখযোগ্য আন এবিধ লোক নাট্যানুষ্ঠান হ'ল ওজাপালি। গ্ৰীক কোৰাচৰ লগত সাদৃশ্য থকা ওজাপালি অনুষ্ঠানক পুতলা নাচৰ ক্ৰমবিকাশৰ ফচল বুলি সমালোচকসকলে মত পোষণ কৰে। নামনি অসমত, বিশেষকৈ দৰং, কামৰূপ, নলবাৰী আদি জিলাত ওজাপালি অনুষ্ঠানৰ জনপ্ৰিয়তা আৰু প্ৰচলন বৰ্তমানেও অব্যাহত। উৎসৱ-পাৰ্বন পূজা-পাতল আদিত 'ওজাপালি' এটি আৱশ্যকীয় অংগ স্বৰূপে অতীজৰে পৰা পৰিগণিত হৈ আহিছে।

'ঢুলীয়া নাচ' আৰু 'আপীওজা' নামনি অসমৰ অঞ্চল বিশেষে প্ৰচলিত আন দুবিধ লোকনাট্যানুষ্ঠান। এই দুয়োটা অনুষ্ঠানেও অতীজৰেপৰা বিপুল জনপ্ৰিয়তা লাভ কৰি স্বকীয় গৌৰৱ ঘোষণা কৰি আছে। নলবাৰী জিলাৰ বালিলেছা, বৰখালা, ছান্দকুছি, অগ্নিশালা, কৈহাটী, নামশালা, জাগাৰা, শোলমাৰা, বৌমাৰী আদি গাঁৱত সংগঠিত ঢুলীয়া দলসমূহে এসময়ত ভাও প্ৰদৰ্শন কৰি জনচিত্ত আকৰ্ষণ কৰিছিল।

লোকৰঞ্জন আৰু চিত্তবিনোদনৰ আন এবিধ লোকনাট্যানুষ্ঠান হ'ল খুলীয়া নৃত্য। অংকীয়া ভাওনাৰ কলা-কৌশল খটুৱাই প্ৰদৰ্শন কৰা খুলীয়া দলৰ নাট্যাভিনয়ত পৌৰাণিক কাহিনীয়ে অগ্ৰাধিকাৰ লাভ কৰিছিল। অৱশ্যে এনে কাহিনীসমূহক বিশুদ্ধ ভাষাৰে নাট্যৰূপ দিয়া হোৱা নাছিল। ভাৱৰীয়াসকলো আছিল নিৰক্ষৰ অথবা সাধাৰণভাৱে কম আখৰ চিনি পোৱা লোক। বিংশ শতিকাৰ তৃতীয় দশকমানলৈ নলবাৰী অঞ্চলত খুলীয়া দলসমূহে বিশেষ প্ৰতিপত্তি লাভ কৰি আহিছিল। পিছত পাশ্চাত্যৰ আদৰ্শেৰে ঠন ধৰি উঠা বংগদেশীয় নাট্যকলা আৰু অভিনয়ৰ ক্ৰমবৰ্দ্ধমান প্ৰভাৱৰ ফলত খুলীয়াদলৰ প্ৰচলন আৰু আদৰ হ্ৰাস পাই আহে। বৰ্তমান ই সম্পূৰ্ণৰূপে লুপ্ত।

যি সময়ত খুলীয়া দলসমূহে নলবাৰীকে ধৰি নামনি অসমৰ এক বিস্তৃত অঞ্চলত বিশেষ আলোড়নৰ সৃষ্টি কৰি নাট্য আৰু অভিনয় কলাৰ বিকাশ ঘটাইছিল সেই সময়তে বংগদেশৰ পৰা অহা বঙালী যাত্ৰাদলসমূহেও ইয়াত প্ৰবেশ কৰি যাত্ৰাভিনয় প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিছিল। বঙালী নাট্যশিল্পীসকলে অসমীয়া লোকসকলকো নাট্যাভিনয়ৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিছিল। ফলস্বৰূপে, নলবাৰী অঞ্চলত থলুৱা শিল্পীৰে গঠিত যাত্ৰাদলৰ উদ্ভাৱন হয়। এনে যাত্ৰাদল সমূহৰ ভিতৰত নলবাৰীৰ বুকুত গঢ় লৈ উঠা আনন্দময়ী যাত্ৰাপাৰ্টিটোকেই সৰ্বাগ্ৰণী বুলি ক'ব পাৰি। বালিৰাম পিয়ন, বন্ধুৰাম কলিতা, ৰবিৰাম দাস আদি নাট আৰু অভিনয়প্ৰেমী এচাম লোকৰ উদ্যোগত ১৯২১ চনত উক্ত নাট্যদল গঠিত হৈছিল। আদ্যনাথ ভট্টাচাৰ্য, গোলাপ গোস্বামী, গোপাল মালী, ভৈৰৱ চৌধুৰী, নিধিৰাম মেম্বৰ আদি আছিল এই যাত্ৰাদলৰ বিশিষ্ট অভিনেতা। এই দলটোৱে বঙলা নাটকৰ অভিনয় কৰিছিল। কালক্ৰমত যাত্ৰাভিনয়ৰ সমাদৰ জনসমাজত বাঢ়িবলৈ ধৰাত যাত্ৰাদল গঠনৰ প্ৰতিও এচাম শিল্পপ্ৰাণ ব্যক্তিৰ আগ্ৰহ বাঢ়ি আহিল আৰু নলবাৰী অঞ্চলৰ নানা ঠাইত গঢ় লৈ উঠিল নানান যাত্ৰাদল। এনে যাত্ৰাদলসমূহৰ ভিতৰত পিপলিবাৰী নাট্য সমিতি, বলোৱাৰ কমলা নাট্য সমিতি, বৰখালাৰ শ্ৰীশ্ৰী লক্ষ্মীনাৰায়ণ অপেৰা পাৰ্টি, ধূৰকুছিৰ শ্ৰীশ্ৰী জগদম্বা অপেৰা পাৰ্টি, ভাৰতমাতা অপেৰা পাৰ্টি, মেথিপাম্বাৰ মিলন অপেৰা পাৰ্টি, হালধিবাৰীৰ শুকদেৱ নাট্য সংঘ, টিহু নাট্য সংঘ, লাউপাৰা যাত্ৰাপাৰ্টি, বৰতলা

যাত্ৰাপাৰ্টি, বাসুদেৱ অপেৰা পাৰ্টি, বিলপাৰৰ যাত্ৰাপাৰ্টি, মুগকুছি মিলন নাট্য সমিতি, মৰোবাৰ অৰুণ সংঘ নাট্য সমিতি আদিৰ নাম উল্লেখযোগ্য। উক্ত যাত্ৰাদল সমূহত অভিনয় কৰি খ্যাতি লাভ কৰা অভিনেতা সকল হ'ল ঃ ৰজনীকান্ত ভট্টাচাৰ্য, কমলা চক্ৰৱৰ্তী, প্ৰসন্ন শৰ্মা, চন্দ্ৰমোহন শৰ্মা, অম্বু ঠাকুৰ, গিৰিধৰ চক্ৰৱৰ্তী, অবলাকান্ত গোস্বামী, ৰামচৰণ শৰ্মা, কালীচৰণ শৰ্মা, ধৰ্মকান্ত শৰ্মা (দৰ্জী), গংগাধৰ শৰ্মা, জন্মিনাৰায়ণ শৰ্মা, পুষ্প মিশ্ৰ, উদয়চন্দ্ৰ ভাগৱতী, যোগেশ শৰ্মা, চন্দ্ৰ চৌধুৰী, হৰেণ গোস্বামী, সনাতন হাজৰিকা, ৰামমোহন দাস, নগেন ভট্টাচাৰ্য, চনক বৈশ্য, সূৰ্য বৈশ্য, কনক শৰ্মা, গোপী গোস্বামী আদি।

স্বনামধন্য শিল্পী ব্ৰজনাথ শৰ্মাই আধুনিক অসমীয়া নাট্য আৰু অভিনয় শিল্পক এটি নতুন মাত্ৰা দান কৰি তাক গতিশীল কৰি তোলাৰ ক্ষেত্ৰত যি ঐতিহাসিক ভূমিকা গ্ৰহণ কৰিছিল, তাৰ পৰিণতিত, পৰৱৰ্তী সময়ত 'ভ্ৰাম্যমান থিয়েটাৰ'ৰ উদ্ভৱ আৰু বিকাশৰ সূচনা হয় বুলি ক'ব পৰা যায়। ব্ৰজনাথ শৰ্মা অসমৰ মঞ্চত সহঅভিনয়ৰ পথ প্ৰদৰ্শক স্বৰূপেও স্মৰণীয়।

নক'লেও চলে যে, ব্ৰজনাথ শৰ্মাৰ উত্তৰসূৰী পাঠশালাৰ অচ্যুত চৌধুৰীৰ একক প্ৰচেষ্টাত ১৯৬৩ চনত জন্ম লাভ কৰা 'নটৰাজ থিয়েটাৰে'ই বৰ্তমানৰ ভ্ৰাম্যমান থিয়েটাৰ দলসমূহৰ আদৰ্শ। উক্ত থিয়েটাৰ দলটোৰ অনুকৰণত নলবাৰী জিলাৰ চামতাৰ প্ৰবীণ অভিনেতা আৰু পৰিচালক ধৰণী বৰ্মনে ১৯৬৬ চনত ভ্ৰাম্যমান 'সুৰদেৱী থিয়েটাৰ' দল গঠন কৰে। নলবাৰী চহৰতে বীৰেন কলিতাৰ প্ৰযোজনাত 'ৰূপকোঁৱৰ থিয়েটাৰ' দল প্ৰতিষ্ঠিত হয় ১৯৭৪ চনত। মৰোবাৰ 'ভাগ্যদেৱী থিয়েটাৰ' আৰু নলবাৰীৰ 'বিশ্বজ্যোতি থিয়েটাৰ' দলে বিংশ শতিকাৰ সপ্তম-অষ্টম দশকত বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছিল। বৰ্তমান 'বিশ্বজ্যোতি থিয়েটাৰ', 'ৰূপকোঁৱৰ থিয়েটাৰ' আৰু 'সুৰদেৱী থিয়েটাৰ' বিস্মৃতিৰ গৰ্ভত। 'ভাগ্যদেৱী থিয়েটাৰ', 'থিয়েটাৰ ভাগ্যদেৱী' নামেৰে আজিও জনপ্ৰিয়তাৰ উচ্চ শিখৰত। চামতাৰ হীৰেন বৰ্মনে 'বিষ্ণুজ্যোতি থিয়েটাৰ' নামেৰে যোৱা শতিকাৰ অষ্টম দশকত আন এটি থিয়েটাৰ দল গঠন কৰিছিল। ধৰণী বৰ্মনৰ সহধৰ্মিনী অবলা বৰ্মনৰ প্ৰযোজনাৰে 'মুন থিয়েটাৰ' নামেৰে এটি মহিলা নাট্যদলো অষ্টম দশকত গঠিত হৈছিল। সেইদৰে বেলশৰত গঠিত হৈছিল 'কল্পনা থিয়েটাৰ'। বৰ্তমান বিষ্ণুজ্যোতি', 'মুন' আৰু 'কল্পনা থিয়েটাৰ' নিষ্ক্ৰিয়। ১৯৬৬ চনত হাজোৰ কৰুণা মজুমদাৰে গঠন কৰা 'পূৰ্বজ্যোতি থিয়েটাৰে'

সমগ্ৰ অসমৰ বুকুত আলোড়নৰ সৃষ্টি কৰিছিল। নটসূৰ্য ফণী শৰ্মা আৰু ভূপেন হাজৰিকাৰ সহযোগিতাই এই দলটোক এক বিশিষ্ট মাত্ৰাদান কৰিছিল। পূৰ্বজ্যোতি থিয়েটাৰ আজি আৰু নাই; কিন্তু তাৰ স্মৃতি আজিও জনমানসত সজীৱ হৈ আছে। সেইদৰে চামতাৰ ৰবীন বৰ্মনে প্ৰযোজনা কৰা 'ৰংঘৰ থিয়েটাৰ' আৰু মহানন্দ শৰ্মাৰ 'অপৰূপা থিয়েটাৰে'ও যশস্যা অৰ্জন কৰিছিল। সম্প্ৰতি এই দুয়োটা থিয়েটাৰ দলৰ অৱশেষ স্বৰূপে আছে মাথোন স্মৃতি।

সাম্প্ৰতিক ভ্ৰাম্যমান থিয়েটাৰ দলসমূহৰ ভিতৰত 'কহিনুৰ থিয়েটাৰ'ৰ স্থান সবাৰো আগত। ১৯৭৬ চনত পাঠশালাৰ বুকুত গঢ় লৈ উঠা এই থিয়েটাৰ দলটোৰ প্ৰযোজক ৰতন লহকৰ। কহিনুৰ থিয়েটাৰে জন্মলগ্নৰে পৰা নাটকৰ নিৰ্বাচন আৰু মঞ্চত কলা-কৌশল প্ৰয়োগৰ ক্ষেত্ৰত অভিনৱত্বৰ সৃষ্টি কৰি আহিছে। সংস্কৃত, ইংৰাজী আদি দেশী-বিদেশী উৎকৃষ্ট নাটকৰ অভিনয় প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত কহিনুৰ থিয়েটাৰে লোৱা উদ্যোগ বিশেষভাৱে স্মৰণীয়। পাঠশালাৰ আন এটি উল্লেখনীয় ভ্ৰাম্যমান নাট্যদল হ'ল 'আবাহন থিয়েটাৰ'। কৃষ্ণ ৰয় প্ৰযোজিত এই থিয়েটাৰেও দীৰ্ঘকাল ধৰি উৎকৃষ্ট নাটকৰ অভিনয় প্ৰদৰ্শন কৰি আহিছে। ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ দ্বাৰা ৰচিত মৌলিক নাটকৰ এই নাট্য দলটিয়ে অভিনয় কৰাটো সম্প্ৰতি এটা দস্তুৰত পৰিণত হৈছে। মাথিবাহাৰ 'মুকুন্দ থিয়েটাৰ' অন্যতম প্ৰতিষ্ঠিত ভ্ৰাম্যমান নাট্যদল। অসমৰ ভ্ৰাম্যমান নাট্য আৰু অভিনয় জগতলৈ এই দলটিয়েও বৰঙণি যোগাই আহিছে। সম্প্ৰতি উজনি আৰু নামনি অসমত প্ৰায় দুকুৰিমান নাট্যদল গঢ় লৈ উঠিছে। সেই নাট্যদলসমূহৰ ভিতৰত উজনিৰ বিশ্ব শইকীয়া প্ৰযোজিত 'শংকৰদেৱ থিয়েটাৰ', প্ৰয়াত প্ৰশান্ত হাজৰিকাৰ দ্বাৰা প্ৰতিষ্ঠাপিত 'হেঙুল থিয়েটাৰে' বিশেষ খ্যাতি লাভ কৰিবলৈ সমৰ্থ হৈছে। 'বৰদৈচিলা থিয়েটাৰ', ইন্দ্ৰানী থিয়েটাৰ', 'মাধৱদেৱ থিয়েটাৰ', 'মেঘালী থিয়েটাৰ', 'জ্যোতিৰূপা থিয়েটাৰ', 'শৰাইঘাট থিয়েটাৰ', 'মঞ্চজ্যোতি থিয়েটাৰ', 'শংকৰদেৱ-মাধৱদেৱ থিয়েটাৰ', 'শ্ৰীগুৰু থিয়েটাৰ', 'পল্লৱী থিয়েটাৰ' আদি ন-পুৰণি ভ্ৰাম্যমান নাট্যদল সমূহেও অসমৰ নাট্য আৰু অভিনয় কলাৰ বিস্তাৰত বৰঙণি যোগাইছে। এসময়ৰ শক্তিশালী নাট্যদল 'ৰাধিকাদেৱী থিয়েটাৰ', 'অসমষ্টাৰ থিয়েটাৰ', 'ৰূপাঞ্জলি থিয়েটাৰ', 'লখিমী থিয়েটাৰ' আদিয়েও অসমৰ নাট্য আৰু অভিনয় কলাৰ পৰম্পৰাক গতিবেগ দান কৰাত সহায় কৰিছিল। বৰ্তমান এই দলকেইটি পাহৰণিৰ গৰ্ভত।

ভ্ৰাম্যমান নাট্যদলৰ বাবে নাটক ৰচনাত ব্ৰতী হৈ সুখ্যাতি অৰ্জন কৰা নাট্যকাৰ সকল হ'ল—ড° ভবেন্দ্ৰ নাথ শইকীয়া, মহেন্দ্ৰ বৰঠাকুৰ, ভবেন বৰুৱা, উগ্ৰমেনা, মহেশ কলিতা, সেবাব্ৰত বৰুৱা, মুনিন বৰুৱা, জিতেন শৰ্মা, প্ৰফুল্ল বৰা, হেমন্ত দত্ত আদি। একালত পদ্ম বৰকটকীয়েও ভ্ৰাম্যমান থিয়েটাৰৰ বাবে নাটক ৰচনা কৰিছিল। ড° শ্যামা প্ৰসাদ শৰ্মা, অৰুণ শৰ্মা ড° বসন্ত কুমাৰ ভট্টাচাৰ্য, জিতেন শৰ্মা আদিয়েও ছেগা-চোৰোকাকৈ লিখিছিল। বৰ্তমান এইসকল ভ্ৰাম্যমানৰপৰা আঁতৰি গৈছে।

ভ্ৰাম্যমান থিয়েটাৰত অভিনয় কৰি সুপ্ৰতিষ্ঠিত হোৱা অভিনেতা-অভিনেত্ৰীসকলৰ ভিতৰত ভবেন বৰুৱা, মহানন্দ শৰ্মা, যোগেশ শৰ্মা, হেমন্ত দত্ত, প্ৰয়াত চন্দ্ৰ চৌধুৰী, জীৱেশ্বৰ ডেকা, অখিল বৰ্মন, ভবেশ বৰুৱা, সুৰেন মহন্ত, হৰেন ডেকা, সদা বৰ্মন, হীৰেণদেৱ বৰ্মন, চম্পক শৰ্মা, মৃদুল ভূঞা, অঞ্জলি ছেত্ৰী, মণি বৰা, বীণা বৰা, সীমা বিশ্বাস, মিনতি দাস, হীৰা নেওগ, দুলুমণি দেৱী, ৰবীন নেওগ, টিমি গোস্বামী, মৃদুল বৰুৱা, লক্ষ্মীনন্দন মজুমদাৰ, হৰেন মালাকাৰ, ৰামেশ্বৰ হাজৰিকা আদিৰ নাম উল্লেখযোগ্য। এইসকলৰ প্ৰবীণ চামৰ কোনো কোনোৱে অব্যাহতি লৈছে। নবীন চাম সম্প্ৰতি সক্ৰিয় হৈ আছে।

ভ্ৰাম্যমানৰ কলানিৰ্দেশনাত জীৱন শিল্পী আদ্য শৰ্মাৰ অৱদান অবিস্মৰণীয়।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে, সাম্প্ৰতিক অসমৰ নাট্য আৰু অভিনয় কলাৰ ৰথখন চলাই নিয়াৰ ক্ষেত্ৰত মুখ্য ভূমিকাত অৱতীৰ্ণ হৈছে ভ্ৰাম্যমান নাট্যদলসমূহ। ইয়াৰ জনপ্ৰিয়তা দিনে দিনে বাঢ়ি অহাৰ্লে চাই ক'ব পাৰি, অসমৰ নাট্য আন্দোলন এটি সঠিক ৰূপত গঢ়ি তোলাত ভ্ৰাম্যমান থিয়েটাৰ দলসমূহেই অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব। এই কাৰণেই ভ্ৰাম্যমান থিয়েটাৰ দলসমূহৰ এতিয়া কৰ্তব্য আৰু দায়িত্ব বাঢ়িল। ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰযোজকসকলক মঞ্চ আৰু ৰভাৰ বাবে প্ৰয়োজনীয় কাঠ যোগান ধৰাৰ পৰা আৰম্ভ কৰি শিল্পীসকলে বটা, পেঞ্চন আদি পোৱালৈকে এক সুদীৰ্ঘ পৰিক্ৰমাত নিজকে আত্মনিয়োগ কৰিছিল সংস্কৃতিপ্ৰেমী দেশপ্ৰাণ নগেন শৰ্মাই। সেয়েহে তেখেতৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ আজি এই শুভ মুহূৰ্ত্তত ভ্ৰাম্যমান থিয়েটাৰ সম্পৰ্কত এই কথাখিনি আমি পঢ়ুৱৈৰ ওচৰত ডাঙি ধৰিলো।

(খ)

নলবাৰীত এখন স্থায়ী মঞ্চ আৰু প্ৰেক্ষাগৃহ নিৰ্মাণৰ পৰিকল্পনা যোৱা শতিকাৰ তৃতীয় দশকৰ। সেই সময়ত নলবাৰী গৰ্ডন স্কুলৰ প্ৰধান শিক্ষক আছিল নাট্যাচাৰ্য

ইন্দ্ৰেশ্বৰ বৰঠাকুৰ। নাট্য আৰু অভিনয়প্ৰীতি আছিল তেখেতৰ আজন্মৰ সহচৰ। তেখেতে আৰু তেখেতৰ সহকৰ্মী কেইগৰাকীমান নাট্যাভিনয়প্ৰেমী শিক্ষক আৰু ছাত্ৰৰ প্ৰচেষ্টাত ১৯২৬ চনত 'নলবাৰী নাট্য সমিতি' নামেৰে এটি সমিতি গঠিত হয়। এই সমিতিয়ে নাট্যাভিনয়ৰ সুবিধাৰ্থে এটি 'নাট্যমন্দিৰ' নিৰ্মাণৰ পৰিকল্পনা কৰি ১৯২৬ চনতেই বৰ্তমানৰ 'নাট্যমন্দিৰ'ৰ ঠাইতেই, ৰাইজৰ দান-বৰঙণিৰে এখন চালি সাজি তাত অস্থায়ীভাবে এখন মঞ্চ আৰু প্ৰেক্ষাগৃহৰ ব্যৱস্থা কৰে। এই ব্যৱস্থা প্ৰবৰ্ত্তনত তদানীন্তন নলবাৰী ছাত্ৰ সম্মিলন আৰু নাট্য সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক মধুৰাম দাসৰ প্ৰচেষ্টা আৰু নাট্যাচাৰ্য বৰঠাকুৰৰ প্ৰেৰণা নিশ্চিতভাবে স্মৰণীয়। মধুৰাম দাসৰ পিছত যিসকলে নাট্য সমিতিৰ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিছিল সেইসকল হ'ল যথাক্ৰমে জয়দেৱ শৰ্মা, ৰবি মহাজন, ৰবিচন্দ্ৰ শৰ্মা, ডাঃ হৰেকৃষ্ণ গোস্বামী, প্ৰভাত চন্দ্ৰ গোস্বামী, শশীভূষণ চৌধুৰী, জ্ঞানেন্দ্ৰমল্ল বুজৰবৰুৱা, ৰবীন পাটগিৰি আৰু ৰঞ্জিত বৰ্মন। প্ৰভাত চন্দ্ৰ গোস্বামীৰ কাৰ্যকাল (১৯৫০–১৯৬০) তেই চিনেমা কোম্পানী এটিৰ সহযোগত নাট্য সমিতিয়ে পকীঘৰ এটি নিৰ্মাণ কৰি তাত স্থায়ী মঞ্চ আৰু প্ৰেক্ষাগৃহৰ ব্যৱস্থা কৰে।

নক'লেও হ'ব যে, প্ৰতিষ্ঠাকালৰে পৰা বৰ্তমানলৈকে নলবাৰী নাট্য মন্দিৰে এই অঞ্চলত আধুনিক নাট্যকলা আৰু অভিনয়ৰ বিকাশ আৰু বিস্তৃতিত উল্লেখযোগ্য বৰঙণি যোগাই আহিছে। ইয়াত অভিনয় জীৱনৰ পাতনি মেলি খ্যাতি লাভ কৰা পুৰণিচাম শিল্পীৰ ভিতৰত প্ৰিয়নাথ কবিৰাজ, নন্দৰাম দাস, ৰবিচন্দ্ৰ শৰ্মা, আদ্যনাথ ভট্টাচাৰ্য, ৰজতচন্দ্ৰ মিশ্ৰ ভাগৱতী, জয়দেৱ শৰ্মা, চিত্ৰমল্ল বৰুৱা, ভৃগুপতি দত্ত, ইয়াকুম আলী, ৰজত মল্ল বৰুৱা, ভৈৰব চন্দ্ৰ চৌধুৰী, বাকেৰ আলী, দেবেন্দ্ৰ নাথ ভট্টাচাৰ্য, হোমেশ্বৰ শৰ্মা, প্ৰভাত চন্দ্ৰ গোস্বামী, ঈশ্বৰ চন্দ্ৰ বৰুৱা, আতোৱাৰ ৰহমান, পীৰবক্স আলী, দুৰ্গা দাস, মহাদেৱ শৰ্মা আদিৰ নাম বিশেষভাবে উল্লেখযোগ্য। এইসকলে ইতিমধ্যে ইহলীলা সম্বৰণ কৰিছে, যদিও নলবাৰী নাট্য মন্দিৰকেন্দ্ৰিক অভিনয়কলাৰ ইতিহাসত তেখেত সকলৰ নাম চিৰকাল জিলিকি থাকিব।

আদিতে নলবাৰীৰ মঞ্চত নাৰী চৰিত্ৰৰ অভিনয়ত সুখ্যাতি অৰ্জন কৰা অভিনেতা দুগৰাকী হ'ল জয়চন্দ্ৰ শৰ্মা আৰু খগেন মল্ল বৰুৱা। জয়চন্দ্ৰ শৰ্মাই পৰিচালক স্বৰূপেও কৃতিত্ব লাভ কৰিছিল। এই দুগৰাকীয়েও ইতিমধ্যে নশ্বৰদেহ ত্যাগ কৰিছে। পৰৱৰ্তী কালছোৱাত নলবাৰী নাট্য মন্দিৰৰ মঞ্চত অভিনয় কৰি সাফল্য অৰ্জন কৰা নবীন-প্ৰবীণ অভিনেতাসকল হ'ল ঃ ড° উপেন্দ্ৰনাথ গোস্বামী, যোগেন্দ্ৰনাথ বৰ্মন, নৰেন দত্ত, গোপী গোস্বামী, লোহিত দাস, হৰেশ্বৰ বৰ্মন, সুৰেন দত্ত বৰুৱা, সুৰেন বসু,

ধৰণী বৰ্মন, ভবেন বৰুৱা, মহানন্দ শৰ্মা, হৰিহৰ শৰ্মা, ৰবীন্দ্ৰ চৌধুৰী, কেশৱ দাস, কামাখ্যা ভূঞা, প্ৰমোদ চক্ৰবৰ্ত্তী, আব্দুল আজিম, সৰ্বেশ্বৰ বৰ্মন, গৌৰী বৰ্মন, ৰমণী বৰ্মন, ৰবীন তালুকদাৰ, প্ৰফুল্লকুমাৰ শৰ্মা, কন্দৰ্প মহন্ত, অৱনী বৰ্মন, খগেন বৰ্মন, টিকেন্দ্ৰজিৎ মজুমদাৰ, আনোৱাৰ হুচেইন, প্ৰবীন শৰ্মা, হীৰেন দেৱ বৰ্মন, ফজল আলী, মদন কাজি, নৃপেন বৰ্মন, কৰুণা ডেকা, নৃপেন গোস্বামী, নজৰুল ইচলাম, ব্ৰীজলাল হৰিজন, ৰামদাস হৰিজন, অৰুণ মল্ল বৰুৱা, ৰামচৰণ তামুলী, বিজু দত্ত, প্ৰফুল্ল দত্ত, বিৰাজ দাস, মনোজ শৰ্মা, মাখন গোস্বামী ডাঃ খৰ্গেশ্বৰ মেধি, হেমন্ত বৰ্মন, ৰামচৰণ তামুলী, অৰুণ বৰুৱা, আনোৱাৰ হুচেইন, অনন্ত লহকৰ, ফণী চৌধুৰী, সুৰেশ ভট্ট, বিজু হাজৰিকা, মহেন্দ্ৰ গোস্বামী, উত্তম দাস, দ্বিজেন দত্ত, ৰঞ্জিৎ শৰ্মা, প্ৰদীপ শৰ্মা, মইনুল হক, মন্টু ডেকা, কমল শৰ্মা, ৰাতুল গোস্বামী আদি। অভিনেত্ৰীসকলৰ ভিতৰত মীৰা বিশ্বাস, চাৰু তালুকদাৰ, পাৰুল শৰ্মা, প্ৰীতি দেৱী, অণিমা দেৱী, মায়াৰাণী দাস, বন্দনা দত্ত বৰুৱা, গিৰিবালা দাস, ভৱানী বসু, তৰুণী চৌধুৰী, মৰমী বৈশ্য, ভাৰতী বৰুৱা, ৰেণু বৰ্মন, সীমা বিশ্বাস, ৰীতা ভাগৱতী, মণিমা ভূঞা আদিৰ নাম উল্লেখযোগ। এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে নলবাৰী নাট্য মন্দিৰ মঞ্চৰ জৰিয়তে আত্মপ্ৰকাশ কৰি অভিনেত্ৰী স্বৰূপে খ্যাতি লভা সীমা বিশ্বাস বৰ্তমান সৰ্বভাৰতীয় খ্যাতিসম্পন্না অভিনেত্ৰী। সীমা বিশ্বাসক লৈ নলবাৰী নাট্য মন্দিৰে গৌৰব কৰিব পাৰে।

নলবাৰী চহৰৰ বুকুত প্ৰতিষ্ঠিত নলবাৰী আৰ্ট স্কুল, আনন্দম, অসমী সংঘ আদি অনুষ্ঠানৰ উদ্যোগত এসময়ত নাট্য মন্দিৰৰ মঞ্চত নিয়মীয়াভাৱে নাটক অভিনীত হৈছিল। নটসূৰ্য ফণী শৰ্মা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভায়ো নাট্য মন্দিৰত অভিনীত একাধিক নাটকত ভাও লৈছিলহি। সম্প্ৰতি কৰুণা ডেকাৰ উদ্যোগত সংগঠিত 'অসম ৰংগ মণ্ডল' শীৰ্ষক অনুষ্ঠানটোৱে এই মঞ্চত একাধিক নাটক নতুন কৌশলেৰে উপস্থাপন কৰি যশ বুটলিছে। মদন কাজি, কন্দৰ্প মহন্ত আদিৰ পৰিচালনাত ইতিমধ্যে এই মঞ্চত অভিনীত হোৱা নাটক সমূহৰ একাংশও নতুন কৌশলেৰে ৰচিত।

নলবাৰী নাট্য মন্দিৰৰ প্ৰভাৱ আৰু আদৰ্শত নলবাৰী চহৰৰ দাঁতিকাষৰীয়া গ্ৰাম্যাঞ্চলতো স্থায়ী মঞ্চ নিৰ্মিত হৈছে। এই প্ৰসংগত চান্দকুছিৰ গোপালথান নাট্য সমিতি, পূব বাহজানী নাট্য সমিতি, ককয়াৰ সুৰভি সংঘ, বৰকুৰাৰ স্বৰাজ শিবিৰ কৃষ্টি প্ৰতিষ্ঠান, সাহপুৰৰ জ্ঞানদায়িনী নাট্য সমাজ, চামতাৰ ৰূপকোঁৱৰ কলা পৰিষদ আদিৰ

নাম উল্লেখ কৰিব পাৰি। নলবাৰী অঞ্চলত নাট্য আৰু অভিনয় কলাৰ চৰ্চাত এই অনুষ্ঠানসমূহৰ অবদানো অপৰিসীম। অভিনয়ৰ লগত সংগীত আৰু কলাৰ সম্বন্ধ অংগাংগী। নলবাৰীৰ নাট্য মন্দিৰকেন্দ্ৰিক নাট্যাভিনয়ৰ সংগীতাংশত যোগদান কৰি যশস্যা লভা সংগীত শিল্পীসকলৰ ভিতৰত চৈয়দ জমিৰুদ্দিন আহমেদ, প্ৰফুল্ল কলিতা, দেৱ দাস, জয়প্ৰকাশ মেধি, গোবিন্দ চৌধুৰী, কেশৱ দত্ত, দেৱেশ্বৰ শৰ্মা আদিৰ নাম আমাৰ মনলৈ আহিছে। জীৱন শিল্পী আদ্য শৰ্মা, সুৰেন ৰয়, প্ৰণৱ শৰ্মা আদি চিত্ৰশিল্পীসকলে নাট্যাভিনয়ত প্ৰায়েই কলা নিৰ্দেশনাৰ দায়িত্ব গ্ৰহণ কৰি আহিছে।

নলবাৰী নাট্য মন্দিৰৰ স্থায়ী মঞ্চৰ বাবে নাটক ৰচনা কৰি প্ৰতিষ্ঠা লাভ কৰা নাট্যকাৰ সকল হ'ল ঈশ্বৰ চন্দ্ৰ বৰুৱা, প্ৰভাত চন্দ্ৰ গোস্বামী, ধনেশ্বৰ শৰ্মা, গৌৰী বৰ্মন, হৰেশ্বৰ বৰ্মন, নৰেন দত্ত, ধৰণী বৰ্মন, টিকেন্দ্ৰজিৎ মজুমদাৰ, ভবেন বৰুৱা, বসন্ত কুমাৰ ভট্টাচাৰ্য, কন্দৰ্প মহন্ত, বিভু দত্ত, মদন কাজি, ফাইজ আলী আহমেদ, ডাঃ ৰাতুল ভট্টাচাৰ্য, বিপুল বশিষ্ঠ গোস্বামী, ৰাতুল গোস্বামী আদি।

প্ৰবীণ কথা সাহিত্যিক ত্ৰৈলোক্যনাথ গোস্বামীয়ে এসময়ত নাটক ৰচনাত আত্মনিয়োজন কৰিছিল আৰু তেওঁৰ দ্বাৰা ৰচিত 'হৰদত্ত বীৰদত্ত' বোলা বুৰঞ্জীমূলক নাটকখনি ১৯২৯ চনত নাট্য মন্দিৰ মঞ্চত অভিনীত হৈছিল। তাত ভাও লৈছিল ইয়াকুব আলী, উপেন্দ্ৰনাথ দত্ত প্ৰমুখ্যে অভিনেতাসকলে। নাটকখনি বৰ্তমানেও অপ্ৰকাশিত। প্ৰভাতচন্দ্ৰ গোস্বামী আৰু ঈশ্বৰচন্দ্ৰ বৰুৱাই যুটীয়াভাবে ৰচনা কৰা 'পৰিণাম' নাটকৰ অভিনয়ে পঞ্চাশৰ দশকত আলোড়ণ সৃষ্টি কৰিছিল। নাটকখন প্ৰকাশিত হৈছিল; সম্প্ৰতি কিন্তু দুষ্প্ৰাপ্য। নলবাৰী নাট্য মন্দিৰত পোনতে অভিনীত নাটকখন হ'ল ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ দ্বাৰা ৰচিত বুৰঞ্জীমূলক নাটক 'সিংহাসন'। ইয়াৰ পিছত অভিনীত নাটকসমূহৰ ভিতৰত (পৰিণামৰ বাহিৰেও) চিৰাজ, সমাধি, গোপী, পৰিণতি, উৰুখা পঁজা, সেই বাটেদি, স্বপ্ন সম্ভৱা, অগ্নিগৰ্ভ লেনা, মগৰীবৰ আজান, কংকাবতীৰ ঘাট, ফাউল, পেটৰ বিষ, ধাননি, জিন্‌টি, ৰজা ইডিপাচ, আহাৰ, মই ৰহমতে কৈছোঁ, অভিনন্দন, মই ভিক্ষাৰী, মৎস্য গন্ধা, পুৰবিৰ লুণীয়া গান, এনেকৈয়ে চলিছে দিন, জনাৰণ্য, চৌভুলি, ছাঁ-জুই-পোহৰ, বগুহৰ দেউ, লুইত কন্যা, ভোটাই ডেকা আদিৰ অভিনয়ে দৰ্শকৰ মন জয় কৰিবলৈ সমৰ্থ হৈছে।

এইদৰে প্ৰতিষ্ঠা কালৰেপৰা নাট্য মন্দিৰে নলবাৰী অঞ্চলত নাট্য আৰু অভিনয়কলাৰ এক সুস্থ পৰম্পৰা গঢ়ি তোলাত যোগাই আহিছে স্মৰণীয় অৰিহণা।

নলবাৰী নাট্য মন্দিৰ নলবৰীয়া অভিনয় আৰু নাট্যপ্ৰেমীসকলৰ বাবে এখন তীৰ্থস্থান স্বৰূপ। কালৰ হুংকাৰ তথা প্ৰতিকূল পৰিস্থিতিতো ইয়াৰ স্থিতি বিঘ্নিত হোৱা নাই। এই নাট্য মন্দিৰটোক নৱতম ৰূপত নিৰ্মাণ কৰিবৰ নিমিত্তে শেহতীয়াভাবে যি গৰাকী ব্যক্তিয়ে উদ্যোগ লৈছিল, সেই গৰাকী হ'ল অসমৰ বন আৰু গড়কাপ্তানি মন্ত্ৰী আৰু নলবাৰীৰ বিধায়ক প্ৰয়াত নগেন শৰ্মা। নলবাৰী সমষ্টিৰ পৰা অসম বিধান সভালৈ একেৰাহে তিনিটা নিৰ্বাচনত নিৰ্বাচিত হৈ জনপ্ৰিয়তাৰ শীৰ্ষস্থানলৈ আৰোহণ কৰা নগেন শৰ্মা আছিল সাহিত্য-সংস্কৃতিৰ প্ৰতি একান্ত অনুৰাগী ব্যক্তি। বিশেষতঃ নাটক আৰু অভিনয় বুলিলে তেওঁ উন্মনা হৈ পৰিছিল। ১৯৮৫ চনত নলবাৰীৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক নিৰ্বাচিত হোৱাৰে পৰা তেওঁ নাট্য মন্দিৰটোলৈ সঘনে দৃষ্টিপাত কৰিছিল আৰু উৰলি যাবলৈ উপক্ৰম কৰা এই ভৱনটিক নতুনকৈ নিৰ্মাণ কৰাৰ কথা চিন্তা কৰিছিল। তেওঁ প্ৰায়েই তেজপুৰৰ বাণ ৰংগমঞ্চৰ কথা কৈছিল আৰু সেইখন মঞ্চৰ আৰ্হিত নলবাৰীৰ নাট্য মন্দিৰত স্থায়ী মঞ্চ এখন নিৰ্মাণ কৰাৰ সপোন দেখিছিল। ১৯৯৭ চনত তেওঁ নাট্য সমিতিৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছৰপৰা এই অনুষ্ঠানটোৰ লগত গভীৰভাবে জড়িত হৈ পৰে আৰু নাট্য মন্দিৰটোক নৱতম ৰূপত গঢ়ি তুলিবৰ নিমিত্তে নিৰন্তৰ চেষ্টাত ব্ৰতী হয়। নক'লেও হয় যে, প্ৰয়াত শৰ্মাৰ চেষ্টাতেই নাট্য মন্দিৰ নিৰ্মাণৰ বাবে এটি চৰকাৰী অনুদান পোৱা হয় আৰু পুৰণা ভৱনটো ভাঙি তাৰ ঠাইত নতুনকৈ এটি ভৱন নিৰ্মাণ কৰিবলৈ প্ৰস্তুতি চলোৱা হয়। কিন্তু এই প্ৰস্তুতি, প্ৰস্তুতি হৈয়েই থাকিল। শৰ্মাই তেওঁৰ সপোন, বাস্তৱত ৰূপায়ণ কৰিবলৈ নাপালে। যোৱা ২৭ ফেব্ৰুৱাৰী' ২০০০ তাৰিখে মহাকালৰ আমন্ত্ৰণ ক্ৰমে তেওঁ নশ্বৰ দেহ ত্যাগ কৰি কোনোবা অজান দেশলৈ গুচি গ'ল। শৰ্মাৰ আকস্মিক আৰু অনাহূত প্ৰস্থানত মৰ্মাহত হ'ল নলবৰীয়া ৰাইজ। নাট্য মন্দিৰে নৱতম প্ৰাণ নাপালে। এতিয়া নাট্য মন্দিৰৰ ঠাইত শূন্যতা বিৰাজমান। এই শূন্যতা আঁতৰ কৰি নাট্য মন্দিৰটোক নকৈ গঢ়ি তোলাটো জৰুৰী কথা হৈ পৰিছে। প্ৰয়াত শৰ্মাৰ বিদেহী আত্মাৰ শান্তি আমি সৰ্বান্তঃকৰণে কামনা কৰিছোঁ আৰু নাট্য মন্দিৰেৰে গঢ়ি উঠা তেওঁৰ নিবিড়তম সম্পৰ্কক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

নাট্যানুৰাগী নগেন শৰ্মা

ৰঞ্জিত কুমাৰ শৰ্মা

নগেন শৰ্মাৰ জন্মস্থান তেজপুৰৰ পৰিবেশত ঃ

তেজপুৰ এখন প্ৰচীনতম পবিত্ৰ স্থান। অতীত গৌৰৱৰ সাক্ষ্য বহন কৰা বিভিন্ন ভাস্কৰ্য্য, শিল্পকাৰ্যৰে সমৃদ্ধ এই তেজপুৰ। অতীতৰ অনুভূতি খোদিত হৈ থকা ইয়াৰ প্ৰাচীন বিভিন্ন ভাস্কৰ্য্য শিল্পই বৰ্তমানৰো হৃদয় অধিকাৰ কৰি আহিছে, বৰ্তমানৰ হিয়াতো চমক্ সৃষ্টি কৰি আহিছে। আধ্যাত্মিক উৎকৰ্ষৰ সমল যোগোৱা শোণিতপুৰৰ বিভিন্ন তীৰ্থস্থান ও ধৰ্মীয় স্থানৰ মহিমা হৃদয়পৰশা, বিভিন্ন মঠমন্দিৰৰ কাৰুকাৰ্য্য, শিল্পকলা থমকি চাবলগীয়া। অগ্নিগড়ৰ দাতিৰ, গণেশঘাটৰ অতি প্ৰচীন শিলাখণ্ডবিলাকে যেন বহু কথা ক'ব খোজে। ভাষাতো বুজাহে যেন প্ৰধান কথা। এক বিশিষ্ট Power of observation ৰ হে যেন প্ৰয়োজন, যিটো হয়তো আমাৰ আয়ত্বাধীন হ'বলৈ বহু বাকী। প্ৰত্নতাত্বিকৰ বাবে ৰত্নোদ্ধাৰৰ যেন বহুতো ইন্ধন সঞ্চিত হৈ আছে যুগ যুগ ধৰি এই তেজপুৰৰ গৰ্ভত, বক্ষত্ ভিতৰে বাহিৰে। ইয়াৰ উপৰিও এই উষানগৰীত পোৱা যায় বিধাতাৰ সৰ্ব্বশ্ৰেষ্ঠ দান, প্ৰকৃতিৰ সৌন্দৰ্যৰাশিৰ অনুপম শোভাৰ দৰ্শন,যিয়ে মনলৈ আনি দিয়ে আনন্দৰ কোমল অনুভূতি। অস্তমিত সূৰ্যৰ স্বৰ্ণালী কিৰণত উদ্ভাসিত হৈ পৰা লুইতৰ নিৰ্মল জলৰাশিক পুৰণি পানীকল পাহাৰ বা অগ্নিগড়ৰ পৰা যিজনেই প্ৰতক্ষ কৰিছে, তেৱেঁই লভিছে এক মাধুৰ্য বিজড়িত অভিজ্ঞতা, উপলব্ধি। মনত আৰু বহুতো আছে ইয়াৰ প্ৰকৃতিৰ ৰত্নসম্ভাৰৰ চাক্ষুষ অভিজ্ঞতাৰ স্বাক্ষৰ।

বিধাতাৰ উপকন্ত অকৃপণ অৱদান আৰু ইতিহাসৰ সমৃদ্ধিশালী ৰূপটোৱেই হয়তো এই ঠাইখনিক যুগ যুগ ধৰি প্ৰেৰণা যোগাই আহিছে সাহিত্য সংস্কৃতি আদিলৈ ন ন অবদান যোগোৱাৰ । ইয়াতেই আছে ঐতিহ্যমণ্ডিত বান থিয়েটাৰ। নাট্যসাহিত্যৰ, মঞ্চকলাৰ, বহল অৰ্থত সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে প্ৰায় এশ বছৰৰ আগেয়ে প্ৰতিষ্ঠা কৰা এই অনুষ্ঠান অসমৰ মঞ্চকলাৰ, নাট্যাভিনয়ৰ ক্ৰমবিকাশৰ ক্ষেত্ৰত আৰু সামগ্ৰিকভাবে নাট্য সৌন্দৰ্য্যৰ সংৰক্ষণৰ ক্ষেত্ৰত এক ঐতিহ্যসিক সাক্ষীহিচাপে চিহ্নিত হৈ আছে।প্ৰয়াত নগেন শৰ্মাৰ ঘৰো এই অনুষ্ঠানৰ নাতিদূৰত। নগেন শৰ্মাকো এনে এটা পৰিৱেশেই নিশ্চয় প্ৰেৰণা যোগাইছিল সামাজিক কাৰ্য্য আদিত নিজকে

নিয়োজিত কৰিবলৈ। তেজপুৰত এই নাট্যচৰ্চ্চাৰ পৰম্পৰাটো বিগবে বহু কাল ধৰি চলি আহিছে তেনেদৰেই সঙ্গীতৰ চৰ্চ্চাৰ এটা ধাৰাবাহিকতাও বিদ্যমান। আন আন ইয়াৰ বিশিষ্ট অনুষ্ঠানৰ লগতে বান ৰঙ্গমঞ্চৰ ইতিহাসেও ইয়াৰ সাক্ষ বহণ কৰি আছে। লোকসংস্কৃতি আৰু লোকনাট্যৰ ঝাউডিযুগীয়া উপাদানৰ সমলবোৰৰ ৰৰগুনিয়েও শতাব্দীজুৰি চলা এই নাট্যচৰ্চ্চা ও সঙ্গীতচৰ্চ্চাক সমৃদ্ধ কৰি তুলিছে। নগেন শৰ্মাকো এনে এটা পৰিবেশে নিশ্চয় কলাসংস্কৃতিৰ প্ৰতি অনুৰাগ বঢ়োৱাত সহায় কৰিছিল, নাট্যানুৰাগী কৰি তুলিছিল। ইয়াৰ উপৰিও আন আন ৰাজহুৱা ও জাতীয় স্বাৰ্থজড়িত ক্ষেত্ৰতো, সি ৰাজনৈতিকেই হওক বা সামাজিক অৰ্থনৈতিক বা শিক্ষাগতই হওক নিজকে নিয়োজিত কৰিবলৈ প্ৰেৰণা যোগাইছিল। শীৰ্ষস্থানীয় ছাত্ৰনেতা হিচাবেও বিভিন্ন ক্ষেত্ৰত তেওঁ, তেওঁৰ সাংগঠনিক ক্ষমতাৰ স্পষ্ট নিদৰ্শণ দাঙি ধৰিব পাৰিছিল।

* * * *

আজিৰ পৰা প্ৰায় চাৰিবছৰ মানৰ আগতে ১৯৯৬ চনমানৰ কোনো এটা সময়ত প্ৰয়াত নগেন শৰ্মাই গুৱাহাটীতে পাৰিলে নিয়মীয়াকৈ নাট্যাভিনয় আৰু বিভিন্ন সাংস্কৃতিক কাৰ্য্যসূচী ৰূপায়ণৰ মন মেলিছে তথা এই ক্ষেত্ৰত বিভিন্ন কাৰ্য্যপন্থা আদি যুগুতাইছে বুলি নাট্যামোদী দুই এজনৰ মুখে শুনিবলৈ পাইছিলো। নাটসজিয়া বুলিলেই সময় সুবিধাহলে প্ৰেক্ষাগৃহত উপস্থিত হোৱাৰ হাবিয়াসটো বৰ্ত্তমান যথেষ্ট পুৰণি হৈছেগৈ। তাহানি স্কুলৰ নিম্নশ্ৰেণীৰ ছাত্ৰ থাকোতেই দৰ্শক হিচাবে গৈ উপস্থিত হোৱা বানষ্টেজত অভিনীত বহুতো নাটকৰ অভিনয় দৰ্শনৰ চিত্ৰ বিচিত্ৰ স্মৃতি মনৰ মণিকোঠাত এতিয়াও একেবাৰে সজীৱ হৈ আছে। হাইস্কুলৰ নিম্নশ্ৰেণীৰ আগৰ ছোৱাত মানে শিশুকালতো অভিভাৱকৰ তত্বাৱধানত গৈ মঞ্চৰ পাদপ্ৰদীপৰ একেবাৰে কাষৰ আসনত বহি দৰ্শক হোৱাৰ স্মৃতিও হেৰাই যোৱা নাই। সেয়েহে বোধহয় নাট্যাভিনয়ৰ আয়োজন হোৱা বুলি শুনিলেই নাট্যমঞ্চৰ নানাৰঙী ছবিএখন মনৰ মাজত সোমাই পৰেহি আৰু নানান সমস্যাৰে ভাৰাক্ৰান্ত হৈ থাকিলেও প্ৰেক্ষাগৃহত উপস্থিত হোৱাৰ সেই পুৰণি হাবিয়াস তথা বাসনাটো মন সমুদ্ৰৰ অতল গৰ্ভৰ পৰা বিজুলি সঁচাৰে ওপৰলৈ উঠি আহে। সময়ত সি বাস্তৱত প্ৰতিফলিত হওঁতে অৱশ্যেই হীনডেঢ়ি হয়। শৰ্মাৰ নাট্যপৰিকল্পনাৰ খবৰ পাই সেয়ে এনে কিছুমান ভাবেই মনটোক অধিকাৰ কৰিলে।

পিচলৈ তেখেতসকলে নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতি নামেৰে এটা অনুষ্ঠান গঠন কৰি বিভিন্ন কাৰ্য্যসূচী হাতত লোৱাৰ কথাও বাতৰি কাকত আদিৰ মাধ্যমেৰে জানিবলৈ পালো।

যথাসময়ত এই সমিতিৰ বৈঠক আদিলৈ আমন্ত্ৰণ পাই ইয়াৰ লগত জড়িত হৈ পৰিলো আৰু দেখিবলৈ পালো যে ইতিমধ্যে বহুকেইজন বিশিষ্ট শিল্পী সাহিত্যিক আদি এই সমিতিৰ লগত জড়িত হৈ পৰিছে। শৰ্মাৰ সাংগঠনিক পাৰদৰ্শীতাৰ পৰিচয় পুনৰ পালো। এই সমিতিৰ সম্পাদক আৰু নগেন শৰ্মাৰ সোঁহাত স্বৰূপে বিভিন্ন কাৰ্য্যসূচী ৰূপায়ণত যিজনে ক্ষিপ্ৰতাৰে তদাৰক কৰা দেখা পালো তেওঁ হ'ল দক্ষ নাট্যসংগঠক, সুপৰিচিত নাট্যকাৰ আৰু নাট্যপৰিচালক গিয়াছউদ্দিন আহমেদ। এই সমিতিৰ লগত জড়িত এজন ব্যক্তি হিচাপে মোৰ সমিতিৰ উদ্যোক্তা নগেন শৰ্মাৰ লগত বিশেষকৈ ৰবীন্দ্ৰভৱনত হোৱা অনুষ্ঠানবোৰত নাটককে আদি কৰি সাংস্কৃতিক ক্ষেত্ৰৰ বিভিন্ন বিষয়ে মাজে সময়ে আলোচনা হৈছিল। এনেবোৰ কথা বাৰ্ত্তাৰ যোগেদি অনুমান কৰিব পাৰিছিলো যে নাট্যসাহিত্যৰ প্ৰতি এটি অনুৰাগে তেওঁৰ মনত যেন দৃঢ় ভাৱে খোপনি লৈ আছে। অৱশ্যে এইটো অনস্বীকাৰ্য্য যে নাট্যসংস্কৃতিৰ যি সৌন্দৰ্য্য , ই সমাজৰ এক বৃহৎ অংশক যুগ যুগ ধৰি আকৰ্ষিত কৰি আহিছে। সমাজ জীৱনৰ লগত নাটকৰ সম্পৰ্ক অতি ঘনিষ্ঠ আৰু সেয়েহে সমাজ জীৱনৰ ওপৰত নাটকে চিৰদিন প্ৰভাৱ বিস্তাৰ কৰি আহিছে। সমাজৰ উন্নতি সমাজ জীৱনৰ পুষ্টি সাধনৰ বাবে প্ৰয়োজনীয় বহুতো বিশিষ্ট উপাদান উপযোগী নাটকৰ অভিনয় তথা মঞ্চকলাৰ যোগেৰে সঠিকভাৱে সমাজত প্ৰবেশ কৰে । জাতীয় কৃষ্টিৰ ওপৰত থকা নাট্যমঞ্চৰ প্ৰভাৱৰ বাবেই হয়তো কোৱা হয় যে নাটকৰ যোগেদিয়েই এটা জাতিৰ কলা কৃষ্টি ইতিহাস ঐতিহ্যৰ সন্ধান পোৱা যায়। “ A nation is known by its Drama ”

নাট্যশিল্পৰ প্ৰতি থকা এই গভীৰ অনুৰাগৰ বাবেই হয়তো প্ৰয়াত শৰ্মাই উক্ত সমিতিৰ এজন কৰ্ণধাৰ ৰূপে সাত খন গ্ৰন্থ প্ৰকাশকে ধৰি এখন সাদিনীয়া নাট মহোৎসব আৰু প্ৰায় এক ডজন বিভিন্ন ৰসৰ নাটকৰ বিভিন্ন মঞ্চত ৰূপায়নত গুৰি ধৰিব পাৰিছিল তেওঁৰ স্বাভাবিক ব্যস্ততাৰ মাজতো।

লোকসংস্কৃতিৰ আপুৰুগীয়া সম্পদবোৰৰ সংৰক্ষণৰ প্ৰতি তেওঁৰ অসীম আগ্ৰহ আছিল। উক্ত সোঁৱৰণী সমিতিয়ে “অসমৰ লোকসংস্কৃতি” নামেৰে এখনি বেছ বৃহৎ আয়তনৰ গ্ৰন্থ যোৱা বছৰ জুলাই মাহত প্ৰকাশ কৰি উলিয়াইছিল। অসমৰ বহু কেইজন শীৰ্ষস্থানীয় লোকসংস্কৃতিৰ গবেষক আৰু অধ্যয়নপুষ্ট লেখকৰ প্ৰবন্ধৰ সমাবেশ ঘটিছে এই গ্ৰন্থখনিত । তাত নগেন শৰ্মাই ‘লোকসংস্কৃতিৰ অধ্যয়নৰ প্ৰয়োজনীয়তা’ শীৰ্ষক এটি দীঘলীয়া প্ৰবন্ধৰে অৰিহণা যোগাইছিল। এই প্ৰবন্ধটিৰ যোগেৰে তেওঁৰ অধ্যয়নশীল তথা চিন্তাশীল মনটোৰ পৰিচয় পোৱা যায়।

আমাৰ এই চিৰবাঞ্ছিত জন্মভূমিৰ কেচাঁ মাটিৰ গোন্ধ থকা গভীৰ অনুভূতিসম্পন্ন লোক সংস্কৃতীৰ যাউতিযুগীয়া সম্পদবোৰ প্ৰণালীবদ্ধভাৱে সংৰক্ষণৰ বাবে এটি জাগৰণ নাহিবনে? অতি আধুনিকতাৰ প্ৰভাৱত পৰি বা আন আন কাৰণত আমাৰ এই লোকসংস্কৃতিৰ অনুপম সম্পদবোৰ এপদ দুপদকৈ হেৰাই যোৱাৰ প্ৰক্ৰিয়া এটা যেন ইতিমধ্যে আৰম্ভ হৈ গৈছে। যিকোনো মূল্যৰ বিনিময়ত এই হেৰাই যোৱাৰ প্ৰক্ৰিয়াটো ৰোধ কৰাটো একান্ত বাঞ্চনীয়।

PRESENT SOCIAL UNSTABILITY IN ASSAM
SPECIAL REFERENCE TO NAGEN SHARMA

Shobhan Vyas

It was in 1970's the youth who were teens in Assam that there was social unstability was growing and due to that AASU started the movement against illegal immigrants from Bangladesh.

This illegal immigration was not just started in 1970 but it started more than 80 year back when Briteshers brought them as workers and then Sir Sadulla under "Work more grow more" programme. He also brought this immigrants which continues till today.

We the Indian have very good hospitality. We welcome many people to come & settle here i.e. Mughals, Britishes etc. One Example I would like to mention here when Parsis were driven out form the then Parisia. They came to Surat in Gujrat and their leader sent a Ambassador to the King for Refugee. But the King of Surat thought for quiet some time. Then he sent full bowl of milk to the Leader of Parsi, on receipt of it the Leader understood the answer of King that Kingdom is full & as pure as milk. The leader put same sugar and sent it back to the King and said we will mix with your people and make it more sweet and today we fell that parsis have contributed a lot to are country. Here I would like mention that this migration was of small batch for one time and they mixed with local society.

But the scenario of Assam is that total demographic structure of society is destablising with this illegal immigrant. So the leader like Deshapran Nagen Sharma had taken up this challenge of sending back this illegal immigrants. It is now our duty to see that his incomplete work is finished.

The other reason for social unstability in India and particularly in Assam is underdeveloped villages. We are not made our village strong, so there is migration to urban areas. We have to make a society where education is provided to all and educate them of their right. And if we all do our duty then we can really make a stable society.

To get changes this cannot be done with help of guns and for this Desh Pran Nagen Sharma was vocal and for which he lost his life on 27th Feb, 2000.

Today need of hours for every citizen is that firstly we have to change our attitude that this is Government Jobs. But we have forgotten that our Government is "for the People, by the people & of the people." We have Government and they are on the chair as Government servants. So we should see that they work properly and we also work honestly. Then only there will be development, peace and prosperity which is the need of hour.

It is high time that we should shoulder our responsibilities, otherwise our children & grand children will blame us for the situation we have left behind for them and the Vibrant Culture of Assam will be remaining in Pages of history. So wake up! We have lost one Nagen Sarma for this but we have more to follow to see that our culture exist.

Scope of Development of Eco-Tourism in Assam

Rajashree Sharma

Tourism is basically a "hospitality service" and Eco-tourism has been of late globally recognised and assumes importance comparatively as a new concept and is instrumental in greening of the tourism. It is the fastest growing segment of the travel industry, and is a sub-set of adventure travel but with education, sustainable development, respect of fragile environments and people with whom the traveller is interacting at the core.

Historcally, the increase of nature based Eco-tourism world wide was largely a result of the increase in awareness of the plight of the world's dwindling biological diversity and a reaction against mass tourism. The conservation of biodiversity is now a priority of national government.

The term "Eco-tourism " was originally defined as travelling to relatively undisturbed or uncontaminated areas with the specific object of studying, admiring and enjoying scenery, its wildplants and animals, as well as any existing cultural manifestations found in these areas. (Caballos - Lascurain 1988). Therefore, Eco-tourism is certainly an alternative to traditional travel and is a responsible way to travel, but I recognise that Eco-tourism is not for every one for various reasons.

There are four elements that should be followed in Eco-tourism by the travellers, tour operators, middlemen and the people at the end destination. These four elements are :

- A **RESPONSIBLE** tourist does not leave anything behind except their valuable currency and wonderful memories.
- **RESPECTFUL** tourists respect the culture and society they are visiting. Weather, people, economics, environment and fragile Eco-systems have to be respected.
- The **RESONABLE** is that the expectations cannot be high that can be delivered,
- **RATIONAL** that there should be a rational plan that fits into the Eco-tourism ethics which deliver promises to tourists and help the people who live in that area.

Eco-tourism is being entertained by many governments and hotel industries as reasonable and rational way for economic development and preserving their particular bit of the environment. If the idea of Eco-tourism is well planned then it can be worked beautifully, if not, then disastrous results to both the environment and the people can occur. Eco-tourism is a panacea to earths ill.

Under the changed situation the rapid degradation of environment due to destruction of biosphere particularly rare flora and fauna, caused by excessive deforestation, reclamation of vast wetlands for human settlements agricultural activities, and industrialization are seriously disturbing the Eco-system in Assam as well as other parts of North-eastern region jeopardizing the wild as well as human life. This trend has caused a great concern and sincere efforts are needed to preserve and conserve the bio-diversity and maintain the ecological balance towards the sustainable environment conducive to tourists tastes and attraction.

The rich heritage of this enchanting land with fragrance of natural bounty full of lush green forests, magnificent hills and valleys, different species of trees, herbs and shrubs, meandering rivulets, murmuring brooks and streams colourful wildlife comprising of rare species of wildlife, majestic historical monuments, sculptural works, artifacts of exquisite designs and beauty, and above all the wholesome extraordinary charm have been attracting both domestic and foreign tourists scholars, anthropologists historians, and wildlife enthusiasts from ancient time. The colourful cultural heritage of this exotic sub Himalayan region overwhelmed scores of tourists and commemorative records of appreciation by many travellers, historical records and treatises bear ample testimony about exceptional charm and serenity, glamour and gravity, spectacular scenic beauty, valour as well as simplicity and hospitality of this paradise on earth.

Several political upheavals and natural ravages and catastrophes through the ages even have failed to erase the inherent ingredients of this land as a tourist paradise. Winds of change in all spheres of human life is a global phenomenon and in this highly advanced technological era tastes and sensitivity of almost all in the globe have undergone changes suiting to their changed attitude.

Assam is also not an exception and the traditional approach in management of tourism sector therefore calls for a change in order to attract both the domestic as well as foreign tourists and the approach now naturally towards Eco-friendly tourism, the need of the contemporary world.

The concept of Eco-tourism has gained momentum since the world community began to realise the need of creating an international forum with member countries agreeing to pursue

a common global programme for protection and preservation of environment and Ecological balance. The birth of this international forum in the shape of UNEP (United Nations Environment Programme) has hastened the need to promote and manage tourism in Eco-friendly manner and from it, primarily the concept of Eco-tourism broadly emerged influencing the potential customers to long for and avail of Eco-tourism facilities. Since promotion and management of tourism in the changed outlook and impression, has already gaind a fillip, Assam too can not afford to ignore this change and the entire tourism sector has to be recast henceforth in that time.

Assam already having established as a place of tourist interest for its beautiful wildlife and culture, has to work on this new approach and for that conservation of wildlife and heritage of objects and sites need to be directly and invariably linked with tourism development policy.

In order to create a base for Eco-tourism the enforcement of legislative measures alone can hardly lead to conservation of nature and wildlife unless the tourism department coordinate with forest department. Considering the scope and potentiality for integrating Eco-tourism and biodiversity conservation the responsibility should be held by all facets of the Government. Well planned Eco-tourism policy can be formulated only with joint collaboration or efforts among the tourism, forest, public works, public health, industries department and pollution control board of the state, besides the NGO'S involved in protection and conservation of environment and like-minded social activists, private promoters/ entertainers of tourism etc. who partaking of nature oriented activities in broader concept.

Though potentiality of Eco-tourism in Assam is tremendous in wildlife and nature sector, environment related and pollution related issues need to be addressed suitably conforming to the minimum requirements for maintaining the ecological balance and minimising negative impacts.

By now we realised that in Assam, Eco-tourism is restricted for a few that find discovery fascinating and curious. Somehow for common people the Eco tourism ethics take the ugly out of tourists who come for picnic and enjoyment in National Parks and Sanctuaries and error the most traditional trips to become an adventure. To minimize the negative social, environmental and economical impacts of Eco-tourism in Assam there are some guidelines for the Eco-tourism and policies and code of practice for the Eco-tour operators and also Eco-tourism ethics which can be discussed as seperate issue.

Development of Eco-tourism in Assam in an universally acceptable and sustainable standard was the dream of our deceased forest minister of Assam, the late Nagen Sharma. His vision was to develop all protected areas and open for prospect of Eco-tourism, expressed serious cncern on various occasions at the alarming pace of degradation of the natural environment and pollution, disturbing the Ecological values. He had also mooted the idea of developing Eco-tourism in Assam by way of discussions with interested circles in an attempt to link the activities of the forest department with tourism department and also with private tour operators like in Kaziranga National Park and Nameri National Park. But his ideas though realistic and economically workable could not be materialized as the cruel destiny has snatched him away to the extramundane world, untimely. To salute his vision

we all must come together and setup the infrastructure of Eco-tourism in potential wildlife areas like Kaziranga National park and Manas Tiger Project which come under world heritage sites and National Parks like Nameri, Orang and Dibrusaikhowa. In his initiative a book named "Baseline Data on Protected areas in Assam" has been compiled in restropect of Eco-tourism. The book is the first step towards Eco-tourism resource and guidance in Assam is in the press awaiting publication. The release of the book for the public intersest will be a befitting tribute to the late hon'ble forest minister.

In Assam six potential areas of development of culture, Nature and Eco-tourism are identified —

1. Wildlife tourism with National Parks and specified projects :
2. Tea tourism with green tea gardens, colonial bungalows and golf links :
3. Pilgrim tourism with many temples and shrines :
4. Heritage tourism with remnants of the Ahom, Koch Kochari rulers :
5. Adventure tourism with wild rivers, steep mountains and slopes :
6. Cultural tourism depicting colourful tribal culture, monastic and folk culture.

The above sectors or areas of tourism need to be maintained, developed and diversified keeping in view the environmental and ecological needs of varying degrees so as to market Eco-tourism in a more commercially viable manner to cater to the expectations of the Eco-conscious contemporary tourism customers.

We have a clear vision of Eco-tourism and if a

coordinated action plan is prudently formulated, Assam the land of rich bio-diversity and unique heritage of unison of diverse traditions, customs, languages, religion, colourful cultures, wildlife will add an enviable corner in the global map of Eco-tourism with a bright prospect of exposure and global appreciation.

Rajashree Sharma, at Present, working in Forest Department as Wild life Research and·Eduction Officer, CCF (Wildlife) office, Guwahati.

এজন স্মৰণীয় বনমন্ত্ৰী

মোহন চন্দ্ৰ মালাকাৰ

অসম চৰকাৰৰ বনবিভাগৰ এজন বিষয়া হিচাপে বহুকেইজন বনমন্ত্ৰীৰ সংস্পৰ্শলৈ আহিছো। কিন্তু আমাৰ সুদীৰ্ঘ কাৰ্যকালত যিকেইজন বনমন্ত্ৰীক পাইছো তেখেতসকলৰ ভিতৰত প্ৰয়াত নগেন শৰ্মাদেৱ হ'ল এক উজ্জ্বল ব্যতিক্ৰম।

১৯৯৬ চনৰ পৰা ২০০০ চনৰ ফেব্ৰুৱাৰী মাহলৈকে প্ৰায় চাৰিটা বছৰ দেশপ্ৰাণ নগেন শৰ্মাদেৱ অসমৰ বনমন্ত্ৰী আছিল। এই কম সময়খিনিতে আন্তৰিকতা আৰু কঠোৰ পৰিশ্ৰমেৰে তেখেতে বিভাগটোলৈ গতিশীলতা আনি দিছিল—লগতে জয় কৰিছিল প্ৰতিজন বিষয়া, কৰ্মচাৰীৰ অন্তৰ। মূলতঃ তেখেত নিজে এজন কৰ্মযোগী আছিল আৰু কাম নকৰা মানুহক বেয়া পাইছিল। অফিচত, ফিল্ডত বা ঘৰত আমি সকলো সময়তে সক্ষম থাকিবলগীয়া হৈছিলো, কাৰণ তেখেতে কোন মুহূৰ্তত কোনটো অফিচ ওলাইগৈ বা কাক কলৈ মাতি নিয়েগৈ সেইটো কোনেও নাজানিছিল।

তেখেতে কষ্টৰ কথা কেতিয়াও চিন্তা নকৰিছিল। মন্ত্ৰী হৈয়ো দুৰ্গম ঠাইলৈ যাবলৈ কুণ্ঠাবোধ কৰা নাছিল। গাড়ীৰ পৰা নামিয়েই খিটো বেগত খোজ লৈছিল বহুতো বনবিষয়াৰ বাবে তেখেতৰ লগত খোজকাঢ়ি যোৱাত অসুবিধা হৈছিল। তেখেতৰ বিশাল হৃদয়ত সৰু-বৰ ভাব একো নাছিল। সমস্যা সমাধান তথা পৰিস্থিতি উন্নয়নৰ বাবে সকলো শ্ৰেণীৰ কৰ্মচাৰী আৰু বাইজৰ লগত সমভাবে আলোচনা কৰিছিল। যিকোনো স্তৰৰ কৰ্মীয়ে তেখেতক দেখা কৰি অসুবিধাৰ কথা ক'ব পাৰিছিল আৰু মাননীয় মন্ত্ৰী মহোদয়ে সকলোকে পাৰ্যমানে সহায় কৰাৰ চেষ্টা কৰিছিল।

তেখেতৰ কৰ্মজীৱনৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য আছিল এয়ে যে অসম চৰকাৰৰ এজন দায়িত্বশীল, জ্যেষ্ঠ কেবিনেট মন্ত্ৰী হৈয়ো তেখেতে formality observe কৰা কথাটোত বেছি গুৰুত্ব দিয়া নাছিল। বিধিগত নীতি-নিয়ম পালন কৰাৰ অজুহাতত যদি কোনোবাই কিবা কাম কৰাত পলম কৰিছিল, তেখেতে সহ্য নকৰি কঠোৰভাৱে কটু কথা শুনাইছিল; সেয়েহে আমি সদায় কাম এটা হোৱাতহে গুৰুত্ব দিছিলো।

কৰ্মপ্ৰাণ নগেন শৰ্মাদেৱে ঐকান্তিকতা আৰু কঠোৰ পৰিশ্ৰমৰ বিনিময়ত অসমৰ বনবিভাগটোক নতুন দিশৰ সন্ধান দিছিল। এটা প্ৰবন্ধৰ পৰিসৰত এই সমস্ত কৰ্মৰাজিৰ

বৰ্ণনা অসম্ভৱ। কেইটামান উল্লেখযোগ্য আৰু বেছি গুৰুত্বপূৰ্ণ কথা আমি ইয়াত মাত্ৰ উল্লেখ কৰিম। অসমৰ বনবিভাগৰ এটা মুখ্য সমস্যা হ'ল ওচৰ-চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে থকা সীমা বিবাদ আৰু বেদখল। চুবুৰীয়া ৰাজ্যৰ সৈতে থকা সীমা বিবাদৰ বাবেই অসমৰ বহুতো অৰণ্যভূমিত আন ৰাজ্যৰ মানুহে ঘৰ, দুৱাৰ আৰু স্কুল বান্ধিছে। মাননীয় নগেন শৰ্মাদেৱে সীমান্ত অঞ্চলত থকা অসমৰ অৰণ্যসমূহক ৰক্ষা কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাইছিল আৰু সফলো হৈছিল। তদুপৰি বিভিন্ন দিশৰ পৰা অহা তীব্ৰ বাধা স্বত্বেও ৰাজ্যৰ আন অৰণ্যত চলি থকা বেদখল উচ্ছেদ কৰাতো কঠোৰ পদক্ষেপ লৈছিল। এইক্ষেত্ৰত নিজৰ সহকৰ্মী অথবা আন কোনো শক্তিৰ লগতে আপোচ কৰা নাছিল।

ৰাজ্যৰ আৰ্থিক অনাটনৰ ফলস্বৰূপে বনবিভাগলৈ দিয়া আবণ্টনত সদায়ে উদ্বেগ প্ৰকাশ কৰিছিল আৰু বিভিন্ন উৎসৰ পৰা অৰ্থ সংগ্ৰহৰ চেষ্টা চলাইছিল। এই প্ৰণালীবদ্ধ কাৰ্য্যৰ ফলতেই কাজিৰঙাৰ কৰ্মচাৰীৰ দুৰ্দশা মোচনৰ বাবে তেখেতৰ প্ৰচেষ্টাত ১৯৯৬ চনত Wildlife Areas Development and Welfare Trust নামৰ ট্ৰাষ্টটোৰ জন্ম হয়। এই সংগঠনটো থকাৰ বাবেই বন্যপ্ৰাণী এলেকাসমূহৰ সংৰক্ষণ আৰু বিকাশৰ বাবে আমি বহুতো সাহায্য লাভ কৰিছো।

অসম চৰকাৰৰ প্ৰায়বোৰ বিভাগৰ কাৰ্যালয় অৰ্থহীনভাৱে ভাৰাঘৰত চলি থাকে; যাৰ ফলত ধনৰ অপব্যয় হয়। এই কথাটো লক্ষ্য কৰি তেখেতে বিভাগীয় খৰচ কমাবৰ বাবে গুৱাহাটীত থকা বনবিভাগৰ প্ৰায় আটাইবোৰ কাৰ্য্যালয়েই যিকোনো প্ৰকাৰে চৰকাৰী ভৱনলৈ স্থানান্তৰিত কৰিছিল। তাৰ ফলত বিভাগটোৱে বছৰি প্ৰায় ৬/৭ লাখ টকা ৰাহি কৰি এই ধনখিনি অন্য উন্নয়নমূলক কামত খটুৱাব পাৰিছিল।

বনবিভাগৰ উদ্যোগত বৃক্ষৰোপণৰ সচেতনতা সৃষ্টি কৰাৰ বাবে প্ৰতি বছৰে ১ জুলাইৰ পৰা ৭ জুলাইলৈ বনমহোৎসৱ উদ্‌যাপন কৰা হয়। মন্ত্ৰী ডাঙৰীয়াই সপ্তাহটোৰ আৰম্ভণি আৰু সামৰণি অনুষ্ঠানতেই আৱদ্ধ নাথাকি গোটেই সপ্তাহটোতেই বিভিন্ন ঠাইত গছপুলি ৰোৱাত জোৰ দিছিল। কোনো চৰকাৰী অনুদান নথকা স্বত্বেও উজানবজাৰৰ নদীঘাটত Nursery বনাইছিল যাতে ৰাইজে সহজতে গছৰ পুলি নিব পাৰে। তদুপৰি উক্ত স্থানতে ব্ৰহ্মপুত্ৰৰ বুকুত ডলফিনৰ ধেমালি চোৱাৰ বাবে এটি Dolphin Centre খুলিছিল। লগতে সেই কেন্দ্ৰটিত মাকৰ নামত এটি telescope দান দিছে। এটা কথা ভাবি আমি আজিও আচৰিত হওঁ যে, অতি ব্যস্ততাপূৰ্ণ জীৱনতো পঢ়া-শুনা কৰি অথবা আনৰ পৰা শুনি তেখেতে অৰণ্য জীৱনৰ আটাইবোৰ

কথা আৰম্ভ কৰি লৈছিল। কিছুমান কথাত উদ্ভিদ বিদ্যাৰ স্নাতকোত্তৰ এজনেও তেখেতৰ লগত যেৰ মাৰিব নোৱাৰিছিল। বনমন্ত্ৰী হিচাপে তেখেতৰ চাৰিবছৰীয়া কাৰ্য্যকলাপৰ আটাইতকৈ ডাঙৰ সফলতা হ'ল বন্যপ্ৰাণী উদ্যান, জাতীয় উদ্যান আদিৰ সৃষ্টি।

কাম কৰি ভালপোৱা আৰু দুৰন্ত গতিৰে ঘূৰি ফুৰা মানুহজনে পৃথিৱীত কাকো ভয় কৰিবলৈ শিকা নাছিল। নিৰ্ভীক এই ব্যক্তিগৰাকীয়ে নিজৰ জীৱনটোক হাতৰ মুঠিতলৈ জুইৰ লগত খেলা খেলিছিল। দুটা ঘটনাই আমাৰ এই ধাৰণাক সত্য বুলি প্ৰমাণ কৰিছে।

(ক) চাৰিদুৱাৰ বনাঞ্চলৰ অন্তৰ্গত বাটাচীপুৰ অঞ্চলৰ বেদখল উচ্ছেদ অতি স্পৰ্শকাতৰ বিষয় হৈ পৰিছিল। উচ্ছেদৰ পিছত অত্যন্ত উত্তেজনাপূৰ্ণ আৰু বিপদসংকুল বুলি জানিও তেখেতে গভীৰ অঞ্চললৈ সোমাই গৈ নিজেই পৰিস্থিতি অধ্যয়ন কৰিছিল।

(খ) পৃথিৱীৰ পৰা লুপ্তপ্ৰায় দেওহাঁহ অসমৰ নামেৰী জাতীয় উদ্যানত আছে। এই হাঁহবিধ দিনত ক'ৰবাত লুকাই থাকে, 'মুনিচুনি বেলি' অৰ্থাৎ গধূলি সময়ত ইহঁত আহি নামেৰীৰ ভিতৰত থকা জলাশয়ত পৰে। ইহঁতক চাবলৈ হ'লে, একবিন্দুও সাৰসুৰ নোহোৱাকৈ গধূলি সময়ত অৰণ্যৰ মাজত লুকাই থাকিব লাগিব। যিটো প্ৰাণৰ বাবে সংশয়ৰ কাৰণ। কাৰণ, তেনেকৈ থাকিলে যিকোনো মুহূৰ্ত্তত হিংস্ৰ বনৰীয়া জন্তুৱে আক্ৰমণ কৰিব পাৰে। কিন্তু তেখেতে এদিন গধূলি মোৰ লগতলৈ অত্যন্ত বিপদসংকুল সন্ধিয়া সময়ত গভীৰ অৰণ্যৰ মাজত লুকাই থাকি দেওহাঁহ নিৰীক্ষণ কৰিছিল। তেখেতৰ বাবেই মোৰো চোৱাৰ সৌভাগ্য হৈছিল।

১৯৯৬ চনৰ পৰা ২০০০ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত অৰ্থাৎ নগেন শৰ্মা দেৱৰ মন্ত্ৰীত্বৰ কালছোৱাত বনবিভাগে অৰ্জন কৰা উল্লেখযোগ্য সফলতা কেইটামান তলত উল্লেখ কৰা হ'ল।

(ক) ১৯৯৬ চনৰ নৱেম্বৰ মাহত কাজিৰঙাৰ সংলগ্নত হোৱা বেদখল উচ্ছেদ কৰি ৪৩.৭৮ বৰ্গ কিলোমিটাৰ ঠাই কাজিৰঙাৰ লগত সংযোগ কৰি দিছিল। উক্ত ভূমিখণ্ডকো জাতীয় উদ্যান হিচাপে ২৮-৫-৯৭ তাৰিখে ঘোষণা কৰিছিল।

(খ) নামেৰী বন্যপ্ৰাণী উদ্যানক ২৭-২-৯৭ তাৰিখে জাতীয় বন্যপ্ৰাণী উদ্যানলৈ উন্নত কৰা হৈছে।

(গ) হুলংগাৰ সংৰক্ষিত বনাঞ্চলক ৩০-৭-৯৭ তাৰিখে বন্যপ্ৰাণী উদ্যানলৈ উত্তৰণ ঘটায়।

(ঘ) পবিতৰাক বন্যপ্ৰাণী উদ্যান হিচাপে ১৭-৩-৯৮ তাৰিখে চূড়ান্তভাৱে ঘোষণা কৰে। লগতে ওৰাঙক বন্যপ্ৰাণী উদ্যান হিচাপে চূড়ান্তভাৱে ঘোষণা কৰা ১৭-৩-৯৮ তাৰিখে।

(ঙ) ৭-৮-৯৯ তাৰিখে অতিৰিক্ত ৩৭৬ বৰ্গকিলোমিটাৰ ঠাইক কাজিৰঙা জাতীয় উদ্যানৰ অংশ হিচাপে ঘোষণা কৰে।

(চ) ডিব্ৰু-চৈখোৱা বন্যপ্ৰাণী উদ্যানক ৫-৩-৯৯ তাৰিখে জাতীয় উদ্যানলৈ উন্নীত কৰা হয়।

(ছ) ১৮-৮-৯৯ তাৰিখে পানীদিহিং বনাঞ্চলক 'পক্ষীউদ্যান' হিচাপে ঘোষণা কৰে।

(জ) ১৩-১০-৯৯ তাৰিখে পদুমনি-ভেৰজান-বোকাজান সংৰক্ষিত বনাঞ্চলক উদ্যান হিচাপে ঘোষণা কৰে।

(ঝ) ১২-১০-৯৯ তাৰিখে ২২০ বৰ্গ কিলোমিটাৰ পৰিধিৰ সোণাই-ৰূপা বনাঞ্চলক চূড়ান্তভাৱে বন্যপ্ৰাণী উদ্যান হিচাপে ঘোষণা কৰা হয়।

(ট) ওৰাং বন্যপ্ৰাণী উদ্যান ৮-৪-৯৯ তাৰিখে জাতীয় উদ্যান হিচাপে ঘোষিত হয়।

(ঠ) The Assam Wildlife Protection Rules, 1997 নামৰ নিৰ্দেশিকাখন সংশোধিত কৰি প্ৰকাশ কৰা হয়।

(ড) Wildlife Areas Development and Welfare Trust নামৰ নিকায়টোৰ জন্ম হয় তদানীন্তন বনমন্ত্ৰী নগেন শৰ্মাদেৱৰ প্ৰত্যক্ষ হস্তক্ষেপত।

সৰ্বসাধাৰণ ৰাইজৰ আৰ্থিক দুৰাবস্থা আৰু জনসংখ্যাৰ বিস্ফোৰণৰ কুফল হিচাপে বনাঞ্চলসমূহ বনবিভাগে একপক্ষীয়ভাৱে বচাই ৰখাটো অসম্ভৱ হৈ উঠিছে। সেয়েহে দেশৰ বিভিন্ন ঠাইত ৰাইজৰ সহযোগত "যৌথ বন পৰিচালনা" নীতিৰ আধাৰত বনাঞ্চল ৰক্ষাৰ চেষ্টা দিয়া হৈছে। অসমত ১৯৯৩ চনৰ প্ৰথম ভাগতে এই সম্পৰ্কত এটা প্ৰস্তাৱ অসম চৰকাৰৰ ওচৰত দাখিল কৰা হৈছিল। কিন্তু অসমৰ বিভিন্ন ঠাইৰ বিশেষ ধৰণৰ জনগাঁঠনিত ই কিমানদূৰ সফল হ'ব, সেই বিষয়ত বহুতৰ সন্দেহ আছিল। অসম চৰকাৰৰ দ্বাৰা এই নীতি গ্ৰহন কৰাত বনমন্ত্ৰী হিচাপে নগেন শৰ্মা ডাঙৰীয়াই যথেষ্ট অবিহণা যোগায় আৰু অৱশেষত ১৯৯৮ চনৰ নবেম্বৰত অসম চৰকাৰে এই সম্পৰ্কত

জাননী জাৰি কৰে আৰু ১৯৯৯ চনৰ ফেব্ৰুৱাৰী মাহত ৰাজপত্ৰত প্ৰকাশিত হয়।

মানুহৰ মৃত্যু সম্পৰ্কত বিশ্বসাহিত্যৰ অন্যতম শ্ৰেষ্ঠ কবিতা এটা লিখিছে আমাৰ অসমৰ কবি হীৰেন ভট্টাচাৰ্যই। কবিৰ ভাষাত : 'মৃত্যুওটো এটা শিল্প, জীৱনৰ কঠিন শিলত কটা, নিৰ্লোভ ভাস্কৰ্য।' মৃত্যুক জয় কৰিব বিচৰা আমাৰ সন্মানীয় নগেন শৰ্মাদেৱে শেষত মৃত্যু নামৰ শিল্পটোকো আপোন কৰি ল'লে। তেখেতক কি সময়ে পাহৰি যাব?

নটসূৰ্য, নগেন দা আৰু আমি

গিয়াছউদ্দিন আহমেদ

কিণ্‌কিণিয়া বৰষুণ জাকে বতৰটো উপভোগ্য কৰি তুলিছিল। ড্ৰাইভাৰ মন্টুৱে গাড়ীখুব জোৰে চলাইছিল। দাদাই তাক ধমকি দি ক'লে– 'ঐ, তই আমাক মাৰিবি নেকি?' সি অহংকাৰী– নিজৰ বৃত্তিত। ক'লে, – 'মন্টু থাকোতে আপুনি চিন্তা নকৰিব ছাৰ।' আমি গোঁফৰ তলত হাঁহিলো। দাদাই ক'লেঃ 'লগা– ভূপেন হাজৰিকাৰ কেছেট লগা।' আগষ্ট মাহৰ ৰাতি। বৰষুণে গৰমটো কমাইছে। নলবাৰীৰ পৰা সভা এখনত অংশ লৈ আমি উভতিছো। আমি মানে মই আৰু নগেন দা। মন্টুৱে গাড়ী চলাইছে। আগৰ ছিটত তাৰ কাষত দেহৰক্ষী শৰ্মা আৰু পাঠক। পিছৰ ছিটত দাদা আৰু মই।

ড° ভূপেন হাজৰিকাৰ গীতে বৰ্ষণমুখৰ নিশাটো অৰ্থময় কৰি তুলিছে। গুৱাহাটী অভিমুখী গাড়ীয়ে বাইহাটা চাৰি আলি অতিক্ৰম কৰিছে। দাদাৰ হাতত আছিল মোৰ সম্পাদনাত প্ৰকাশ হৈ থকা 'প্ৰজন্ম' নামৰ মাহেকীয়া আলোচনী খন। কথা প্ৰসংগত ওলাল নটসূৰ্য ফণী শৰ্মাৰ নাটক 'চিৰাজ'ৰ বিষয়ে। মই ক'লো ঃ 'দাদা, ফণী শৰ্মাক মানুহে পাহৰি যাব ওলাইছে। তেখেতক জীয়াই ৰাখিব নোৱাৰিনে?' দাদাই মোৰ ফালে চাই হাঁহিলে; অৰ্থ তুমি যদি কষ্ট কৰা পাৰি। তাৰ পিছত সিদ্ধান্ত হ'ল ঃ প্ৰজন্মৰ উদ্যোগত পিছৰ সপ্তাহতে এখনি সভাপাতি 'নটসূৰ্য সোঁৱৰণী সমিতি' গঠন কৰা হ'ব।

যোৰপুখুৰী পাৰৰ 'নিউ আৰ্ট প্ৰেয়াৰ্চ'ত সভা বহিছে। নিমন্ত্ৰিত গুণী-মানী ব্যক্তি আৰু শিল্পী সাহিত্যিকেৰে সভাথলী বজনজনাই আছে। লক্ষ্যধৰ চৌধুৰী সভাৰ সভাপতি। কাষৰ আসনত নগেন দা। একে শাৰীতে বহিছে ফণী তালুকদাৰ, অধ্যাপক উপেন্দ্ৰ নাথ শৰ্মা, ড° ৰমেশ পাঠক, ড° শ্যামা প্ৰসাদ শৰ্মা, ড° অমৰজ্যোতি চৌধুৰী, কবি হীৰেন ভট্টাচাৰ্য, শিল্পী নীলপৱন বৰুৱা, অধ্যাপক তফজ্জুল আলি আদি গুণী ব্যক্তিসকল। সভাৰ উদ্দেশ্য মই ব্যাখ্যা কৰিলো। 'নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতি, অসম' গঠিত হ'ল। লক্ষ্যধৰ চৌধুৰী সভাপতি, নগেন দা কাৰ্যকৰী সভাপতি আৰু মই সাধাৰণ সম্পাদক। সমিতিৰ বিশিষ্ট সদস্যসকল হ'ল– ফণী তালুকদাৰ, অধ্যাপক উপেন্দ্ৰ নাথ শৰ্মা, অধ্যাপক তফজ্জুল আলি, কবি হীৰেন ভট্টাচাৰ্য, শিল্পী নীলপৱন

বৰুৱা, অধ্যাপক দিলীপ কুমাৰ বৰুৱা (সম্প্ৰতি কটন কলেজৰ অধ্যক্ষ), অধ্যাপক ড° ৰমেশ পাঠক, অধ্যাপক ড° শ্যামা প্ৰসাদ শৰ্মা, অধ্যাপক ড° অমৰজ্যোতি চৌধুৰী, ড° অৰুণিমা ভৰালী, নটসূৰ্যৰ ৰবপুত্ৰ ৰঞ্জিত শৰ্মা। সভাত সিদ্ধান্ত হ'ল : ১৯৯৭ চনৰ ৩১ জুলাইৰ পৰা ও আগষ্টলৈ বিভিন্ন কাৰ্যসূচীৰে গুৱাহাটীত এটি সোঁৱৰণী সপ্তাহ পালন কৰা হ'ব। বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ল।

অসমৰ বনমন্ত্ৰী আৰু গণ পৰিষদ দলৰ সাধাৰণ সম্পাদকৰ ব্যস্ততাইও মানুহজনক ক্লান্ত কৰিব নোৱাৰে। ৰাতিপুৱা, গধূলি মোক মাতি নি অহৰহ পৰামৰ্শ দিয়ে— কেনেদৰে সোঁৱৰণী সপ্তাহ পালন কৰা হ'ব। কাক কি স্থানত ৰাখিব লাগিব, কোন জন ব্যক্তিক কেনেদৰে সম্বৰ্দ্ধনা জনাব লাগিব ইত্যাদিৰ পৰা আৰম্ভ কৰি মঞ্চস্থ কৰিবলগীয়া 'চিৰাজ' নাটকৰ মঞ্চসজ্জালৈ— প্ৰতিটো কথাকে বিতংকৈ কয়। তেজপুৰৰ বাণ থিয়েটাৰত শৈশৱ আৰু কৈশোৰত কেনেদৰে ফণী শৰ্মাই কৰা নাটকত জড়িত হৈ আছিল তাক গৰ্বৰে, বুকু ফিন্দাই স্মৰণ কৰে। "গিয়াছউদ্দিন, চৈয়দ আব্দুল মালিক আৰু শশী শৰ্মাক ৩১ জুলাইৰ সভালৈ সন্মানীয় অতিথি হিচাপে নিমন্ত্ৰণ কৰিব লাগিব"— নগেন দাৰ পৰামৰ্শ।

অসম আন্দোলনৰ (৭৯-৮৫) সময়ছোৱাত নীতিগত কাৰণত আন্দোলনটোক সমৰ্থন নকৰাৰাবে অসমত যিসকল ব্যক্তি লাঞ্ছিত বা নিগৃহিত হৈছিল তেখেতসকলৰ ভিতৰত অসমীয়া সাহিত্যৰ শীৰ্ষ স্থানীয় সাহিত্যিক চৈয়দ আব্দুল মালিক আৰু অধ্যাপক শশী শৰ্মা অন্যতম। প্ৰথম গৰাকীৰ দোষ, তেখেত কংগ্ৰেছৰ ঘোৰ সমৰ্থক, দ্বিতীয় গৰাকীৰ দোষ তেখেত হাড়ে হিমজুৰে এজন আদৰ্শবান কমিউনিষ্ট। বিদেশী বিতাড়ন আন্দোলনৰ বিৰোধিতা কৰা বাবে 'আব্দুল মালিক ধ্বংস হওঁক বুলি ঘোৰহাটত সমদল ওলাইছিল, অসম সাহিত্য সভাই তেখেতক এঘৰীয়া কৰিছিল। আনহাতে শশী শৰ্মাৰ পৰিয়ালটোৰ ওপৰত চলিছিল বিভিন্ন অত্যাচাৰ। নগেন শৰ্মাৰ ৰাজনৈতিক জীৱন আছিল অসম আন্দোলনৰ ফল।

ওপৰৰ কথাখিনি কৈ তেখেতক মই জোকাইছিলো। তেখেতে নিঃসংকোচে ক'লে : অসম আন্দোলনত সৃষ্টি হোৱা সংখ্যালঘু বিৰোধিতা আৰু কমিউনিষ্ট বিৰোধিতা দুৰ্ভাগ্যজনক আছিল। কিন্তু আজি সেই পৰিৱেশ নাই। অসমত কমিউনিষ্ট শক্তিৰ সমৰ্থনত গণ পৰিষদে আজি দেশৰ শাসনভাৰ চলাইছে। ধৰ্মীয় উত্তেজনা নোহোৱা কৰিবৰ বাবে আমি একেলগে কাম কৰিছো— আৰু, আৰু শুনা গিয়াছউদ্দিন, মালিক চাহাব আৰু শশী শৰ্মা চাৰৰ দৰে গুণী, জ্ঞানী মানুহ অসমত কেইজন আছে ?

নগেনদাৰ চিন্তাৰ উত্তৰণত মই স্তম্ভিত হৈছিলো। সংস্কৃতিপ্ৰেমী মন্ত্ৰী নগেন

শৰ্মাৰ পৃষ্ঠপোষকতা, পৰামৰ্শ তথা নেতৃত্বত আমি নটসূৰ্যৰ নাটৰ অধ্যয়ন, গৱেষণা আৰু মঞ্চায়নৰ দৰে মহৎ কামত মনোনিবেশ কৰিছিলো। এই কামটোৰ বাবে আমি জীৱনত বহুতো কষ্ট কৰিছো, ত্যাগ কৰিছো, ব্যক্তিগত জীৱনৰ বহুতো ক্ষতি কৰিছো। তথাপিও নটসূৰ্যৰ 'এমুঠি চাউল', 'কিয়' বা 'চিৰাজ' ক আমি অসমৰ জনমানসলৈ উলিয়াই আনিবলৈ অহোপুৰুষাৰ্থ কৰিছো। কিয়?

এই প্ৰসঙ্গতে আমি আলোচনা কৰিম 'নটসূৰ্যৰ নাটকৰ প্ৰাসংগিকতা' সম্পৰ্কত।

বিশ্ববিখ্যাত গল্পলেখক অ'হেনৰীৰ অৱদানসমূহহে আমাৰ বাবে প্ৰয়োজনীয় কথা—তেওঁৰ আচল নাম যে উইলিয়াম ছিদনি পোৰ্টাৰ, তেওঁ যে এটা বেংকত চাকৰি কৰি টকা সম্পৰ্কীয় কেলেংকাৰীৰ বাবে জেলত আছিল— সেইটো আমাৰ বাবে গুৰুত্বপূৰ্ণ কথা নহয়। ঠিক তেনেদৰে অসমৰ নাট্য জগতৰ নটসূৰ্য স্বৰূপ ফণী শৰ্মাৰ ব্যক্তিগত জীৱনৰ দুখ-দুৰ্দশা, তেখেতে কৰা বেপাৰ-বাণিজ্য বা টকাৰ অভাৱত শেষ বয়সত বিষৰ যন্ত্ৰণাত ৰব নোৱাৰি পেটত খামুচি ধৰি মঞ্চত অভিনয় কৰা আদি কথাবোৰ আমাৰ বাবে প্ৰয়োজনীয় কথা নহয়। নটসূৰ্য ফণী শৰ্মাৰ জীৱন আৰু কৃতিৰ নিৰ্মোহ তথা নিৰপেক্ষ বিচাৰ বিশ্লেষণৰ মাজতে আমি সেই শ্ৰদ্ধেয় মনীষাজনক শ্ৰদ্ধা জনাব লাগিব।

আধুনিক নাট্যকলাক অতি জোৰেৰে পাশ্চাত্য প্ৰভাৱ আৰু বিজ্ঞানসম্মত শৈলীয়ে আলোড়িত কৰি তুলিছে। এই সময়ত ফণী শৰ্মাৰ নাটকৰ প্ৰাসংগিকতা আলোচনা কৰাটো এই প্ৰবন্ধৰ মূল প্ৰতিপাদ্য বিষয়।

এৰিষ্টটলে নাটকৰ সংজ্ঞা দিবলৈ গৈ কৈছে ঃ ক্ৰিয়াশীল ৰূপত কাহিনীৰ অনুকৰণ। অধ্যাপক নিক'লৰ মতে, 'নাটক হ'ল জীৱনৰ অভিজ্ঞতা প্ৰকাশৰ এক কলাত্মক ৰূপ।

নাটকৰ মূল উপাদানসমূহ হ'ল— চিন্তা, কাহিনী, চৰিত্ৰ, সংলাপ, সংগীত আৰু দৃশ্য। আনহাতে হেগেলে সংঘাতক নাটকৰ প্ৰাণ বুলি কৈছে। আকৌ নাট্য সাহিত্যৰ প্ৰৱৰ্তৰা স্বৰূপ জৰ্জ বাৰ্ণাড শ'ৰ মতে নাটকৰ মূল আকৰ্ষণ হ'ল সমস্যা। তেওঁৰ মতে সমস্যামূলক নাটকেই প্ৰকৃত নাটক— আলোচনাৰ বাহিৰে আন একোতে নাটকৰ প্ৰাণ বিচাৰি পোৱা নাযায়। নাট্যশাস্ত্ৰৰ প্ৰণেতা ভৰত মুনিয়ে কাহিনীক নাটকৰ আত্মা বুলি কোৱা নাই, শৰীৰ বুলিহে কৈছে।

ধ্ৰুপদী নাট্যকাৰসকলে উন্নতমানৰ নাটক ৰচনাৰ ক্ষেত্ৰত তিনিটা ঐক্য মানি চলিছে ঃ ঘটনাৰ ঐক্য, স্থানৰ ঐক্য আৰু কালৰ ঐক্য। কিন্তু পিছৰ সময়ত ৰোমাণ্টিক নাট্যকাৰসকলে স্থান আৰু কালৰ ঐক্য সম্পৰ্কে অনীহা প্ৰকাশ কৰিলে। দুই-এটা

উপকাহিনীৰ ঐক্য মানি ল'লে। ভৰতৰ নাট্য শাস্ত্ৰটো উপকাহিনীৰ অস্তিত্বক স্বীকৃতি দিয়া হৈছে। নাটকৰ কাহিনীত দৰ্শকৰ আকৰ্ষণ অটুট ৰখাৰ এটি উপায় হ'ল নাট্যোৎকণ্ঠা; সংঘাত সৃষ্টিৰ কাৰণে নাটকত বৈষম্য থাকিবই লাগিব। সফল নাটকৰ আন এটি উল্লেখযোগ্য উপকৰণ হ'ল নাট্যশ্লেষ। এই সকলোবোৰৰ ওপৰত আধুনিক নাট্যকাৰসকলে বেছি গুৰুত্ব দিয়া উপাদান দুটা হ'ল চৰিত্ৰ আৰু সংলাপ।

এৰিষ্টটলে 'পয়েটিকছ্' গ্ৰন্থত চৰিত্ৰৰ মূল চাৰিটা বৈশিষ্ট্য উল্লেখ কৰিছে। তেওঁৰ মতে চৰিত্ৰ ভাল, বাস্তৱিক, যথাযথ আৰু সমাঞ্জস্যপূৰ্ণ হ'ব লাগে। এৰিষ্টটলৰ চৰিত্ৰৰ এই গুণাৱলী সাম্প্ৰতিক নাট্যকাৰসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য। আধুনিক, পৰীক্ষামূলক, যুগোত্তীৰ্ণ নাটকৰ মূল প্ৰাণশক্তি হ'ল সংলাপ। চৰিত্ৰ আৰু কাহিনীৰ বিকাশত সংলাপ চৰিত্ৰৰ উপযোগী, স্বাভাৱিক আৰু নাটকীয় হ'ব লাগে। '৮০ৰ দশকলৈ কিছুমান নাট্যকাৰে সংলাপৰ উপৰিও কাব্যিক উক্তি আৰু স্বগতোক্তি ব্যৱহাৰ কৰিছিল যদিও সম্প্ৰতি এই ধৰণৰ সংলাপ অবাস্তৱ আৰু অ-নাটকীয় বুলি অভিহিত কৰাৰ বাবে নাট্যকাৰসকলে এনে ধৰণৰ সংলাপ বৰ্জন কৰিছে।

অসমীয়া নাট্য সাহিত্যৰ মূল ৰূপ আছিল কমেডী অৰ্থাৎ সুখাত্মক। ট্ৰেজেডী মূলতঃ পশ্চিমীয়া, বিশেষকৈ শ্বেক্সপীয়েৰৰ প্ৰভাৱৰ ফল। কিন্তু শিল্প বিপ্লৱ আৰু দ্বিতীয় মহাযুদ্ধৰ পিছত ভাৰতবৰ্ষৰ লগতে অসমতো নাট্য সাহিত্যত ট্ৰেজেডীয়ে আত্মপ্ৰকাশ কৰিলে। ইয়াৰে লগত সংযোগ হ'ল নেতিসূচক ধ্যান-ধাৰণাৰ। শিল্প বিপ্লৱৰ পৰৱৰ্তী উনবিংশ শতিকাত বণিক সভ্যতাৰ যান্ত্ৰিকতাৰ বিৰুদ্ধে বিতৰাগ হোৱা লেখকসকলে এস্থেটিচিজিম, চিম্বলিজিম্ আৰু প্ৰি-ৰাফেলাইটিজম্ আদি ধ্যান ধাৰণাৰ সৃষ্টি কৰি তাৰ অন্তৰালত আত্মগোপন কৰিছিল। সময়ৰ নিষ্ঠুৰতাই লেখক আৰু শিল্পীসকলক জীৱন বিমুখ কৰি তুলিছিল। ভিলিয়েৰ্চৰ 'এক্সেল'চত এক্সেলে আৰ্তনাদ কৰি উঠিছে — Live? Our servants will do that for us.

কিন্তু ইয়াৰ লগে লগে আন এটা বিস্ময়কৰ ঘটনা ঘটিল। সাহিত্যিকসকলে 'নিৰলাত বহি ৰচো মই মোৰ জীৱনৰ গান' জাতীয় দৰ্শনৰ বিপৰীতে শোষক আৰু শোষিতৰ মাজত লক্ষ্মণ ৰেখাৰ আবিষ্কাৰ কৰি নিপীড়িত মানুহৰ মুক্তিৰ বাবে হাতত কলম তুলি ল'লে। আলবেয়াৰ কেম্যু, মেলাৰো আৰু জাঁ-পল-চাত্ৰে আদি বিশ্ববিশ্ৰুত লেখকসকলে ক'লে যে সাহিত্যৰ লগত দৰ্শন আৰু জীয়াই থকাৰ ৰাজনীতি যুক্ত হৈ থাকিব লাগিব। এই আহ্বানত —তৃতীয় বিশ্বৰ নিদাৰুণ শোষণ ভিত্তিক সমাজ ব্যৱস্থাত সাহিত্যিকসকল নিৰপেক্ষ হৈ থাকিব নোৱাৰিলে।

নটসূৰ্য ফণী শৰ্মাৰ নাটকৰ নন্দনতত্ত্ব আৰু প্ৰাসংগিকতা বিচাৰ কৰিবলৈ যোৱাৰ

আগতে যিকোনো সমালোচকে অথবা ভাষ্যকাৰে ওপৰৰ আলোচনাৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিব লাগিব। কাৰণ ১৯৭০ চনত মৃত্যু হোৱা নটসূৰ্য ফণী শৰ্মাৰ নাটকৰ আবেদন আৰু গুৰুত্ব আজিও অম্লান হৈ আছে এই কাৰণেই যে উৎকৃষ্ট নাটকৰ বাবে প্ৰয়োজনীয় আটাইবোৰ উপাদানেই তেওঁৰ নাটকত আছে। তদুপৰি তেওঁৰ আটাইবোৰ নাটকেই আজিও মঞ্চসফল হ'ব পৰা ধৰণে মঞ্চোপযোগী।

সম্প্ৰতি আমাৰ দেশখন এক জটিল সময়ৰ মাজেদি পাৰ হৈ গৈ আছে। যি দুটা মূল জলন্ত সমস্যাই ভাৰতৰ প্ৰায় এশ কোটি মানুহক বিপৰ্যস্ত কৰি তুলিছে সেয়া হ'ল শোষণভিত্তিক সমাজ ব্যৱস্থা আৰু সাম্প্ৰদায়িকতা। ছোভিয়েট ৰাছিয়াৰ পতনৰ পিছত পৃথিবীৰ সাম্যবাদী শিবিৰ দুৰ্বল হৈ পৰিছে— পুঁজিবাদৰ ক'লা ঘোঁৰা কদমত দৌৰিছে। লগে লগে আমেৰিকাৰ আধিপত্যবাদ আৰু শোষণ ভিত্তিক সমাজ ব্যৱস্থাই আগ্ৰাসী ৰূপ লৈ গোটেই পৃথিৱী ছানি ধৰিছে। ফলত ধনী-দুখীয়াৰ প্ৰভেদ বাঢ়ি গৈছে। আনহাতে সাম্প্ৰদায়িকতা সম্প্ৰতি ভাৰতীয় শাসকবৰ্গৰ ৰাজনীতিৰ প্ৰধান চালিকা শক্তি হৈ পৰিছে। চতুৰ ইংৰাজ শাসকে হিন্দু-মুছলমানৰ বিভাজনক স্থায়ী ৰূপ দিয়াৰ উদ্দেশ্যে ইতিহাসৰ ভুল আৰু বিকৃত ব্যাখ্যা দি গৈছে। সেই উদ্দেশ্যে তেওঁলোকে ভাৰতৰ ইতিহাসৰ ধাৰাক হিন্দু যুগ, মুছলমান যুগ আৰু আধুনিক যুগ হিচাপে চিহ্নিত কৰি থৈ গৈছে। ইংৰাজ ইতিহাসবিদৰ এই কু-চক্ৰান্তত কিছুমান ভাৰতীয় ইতিহাসবিদেও হাত উজান দিছে। উদাহৰণ স্বৰূপে, শিৱাজী আৰু ঔৰংজেবৰ মাজৰ ক্ষমতাৰ দ্বন্দ্ব আৰু যুদ্ধক হিন্দু আৰু মুছলমানৰ মাজৰ যুদ্ধ হিচাপে চিহ্নিত কৰা হয়। কিন্তু সাধাৰণ লোক এজনেও জানে যে শিৱাজী আৰু ঔৰংজেবৰ মাজৰ দীৰ্ঘদিনীয়া যুঁজ দুই সামন্ত শক্তিৰ যুঁজহে আছিল—হিন্দুত্ব ইছলামৰ যুঁজ নহয়। কাৰণ সেয়া হ'লে ৰাজপুত বীৰ ৰজা ৰামসিংহ, ৰজা জয়সিংহ, ৰজা যশৱন্ত সিংহ আদি সেনাপতিসকলে হাজাৰ হাজাৰ হিন্দু ৰাজপুত সেনা লৈ ঔৰংজেবৰ সপক্ষে যুদ্ধ নকৰিলেহেঁতেন। আনহাতে পাঠান মুছলমান ইব্ৰাহিম জঙ্গীৰ খাঁন শিৱাজীৰ সৈন্য বাহিনীৰ এজন প্ৰধান যোদ্ধা আছিল আৰু শিৱাজীৰ ব্যক্তিগত সচিব মৌলবী হাইদৰ আলি খাঁন এজন সাত্ত্বিক মুছলমান আছিল। আমাৰ অসমৰ ইতিহাসৰ পৰা এটা উদাহৰণ দাঙি ধৰিব পাৰি। অসমৰ ভুল আৰু আদালতত বৃটিছ শাসকৰ চক্ৰান্তত অসমীয়া ভাষাৰ সলনি বঙলা ভাষা ১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈকে চলিছিল। কিন্তু আজি পৰ্যন্ত কিছুমান বুদ্ধিজীৱীয়ে এইটো প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে যে বঙালী সকলৰ চক্ৰান্ততহে অসমত বঙলা ভাষা চলিছিল। এনেকুৱা চিন্তাই অসমীয়া আৰু বঙালীৰ মাজত বিশ্বাসৰ সংকটৰ ৰেখাডাল অধিক স্পষ্ট কৰে।

গতিকে যিকোনো মহৎ লেখকৰ সৃষ্টিতে শোষণ ভিত্তিক সমাজ ব্যৱস্থা আৰু

সাম্প্ৰদায়িকতাৰ তীব্ৰ প্ৰতিবাদ থাকিবই লাগিব। নটসূৰ্য ফণী শৰ্মাৰ নাটসমূহৰ বৈশিষ্ট আৰু প্ৰাসংগিকতা এই বিচাৰ বিবেচনাৰ গুণতেই মহিমামণ্ডিত হৈ উঠিছে।

নটসূৰ্যৰ ৰচিত আটাইবোৰ নাটকৰ ভিতৰত কালজয়ী নাটক দুখন হ'ল 'চিৰাজ' আৰু 'কিয়'। চিৰাজত এফালে যেনেদৰে সাম্প্ৰাদায়িক সংকীৰ্ণতাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ আলোড়িত হৈছে আনহাতে পোৱা-নোপোৱাৰ সংঘাতো তীব্ৰতৰ হৈ উঠিছে। চাহ বাগিছাৰ মালিক বীৰেশ্বৰ বৰুৱা, বৰুৱানী, আত্যৰন্ত সুবিমল ফুকন আদিৰ দৃষ্টিত সৰু সৰু মানুহৰ প্ৰেম, ভালপোৱা, আবেগ-অনুভূতি আদিৰ অধিকাৰ নাই। বয়সৰ অভিজ্ঞতা আৰু ধনীক শ্ৰেণীটোৰ সৈতে থকা দীঘলীয়া সম্পৰ্কৰ বাবেই আঘোণা সাৱধান। কন্দৰ্পৰ ফটোত সাবিত্ৰীয়ে কপৌ ফুলৰ মালা পিন্ধোৱা দেখি আঘোণাই সাবিত্ৰীক সতৰ্ক কৰি দিছে— কাক মালা পিন্ধালি সাবিত্ৰী? সিহঁত ডাঙৰ মানুহ, ধনী মানুহ। সিহঁতে সাপ হৈ খোটে, বেজ হৈ জাৰে। জুইত চগা পৰে, জুই নুনুমায়, চগাৰ পাখি পোৰে, ছট্ফটাই মৰে।'

ধৰ্মভীৰু হ'লেও চিৰাজুদ্দিন হাজৰিকা প্ৰকৃতাৰ্থত এজন সৎ, মানৱ দৰদী আৰু দয়ালু লোক। সুবিমল বৰুৱাই চিৰাজৰ ধৰ্মীয় অনুভূতিত আঘাত কৰি 'সেই নতুন ঠন ধৰি উঠা সমাজখন আপোনালোকৰ মুছলমান সম্প্ৰদায়ৰ মাজত ঠন ধৰি উঠিব পাৰে, কিন্তু হিন্দুৰ সমাজত এতিয়াও ঠন ধৰি উঠা নাই' বুলি কোৱাত সিদ্ধান্ত দিয়া ধৰণে চিৰাজে ঘোষণা কৰিছে : 'সেইখন সমাজত কোনো সম্প্ৰদায়েই নাই- — হিন্দু নাই, মুছলমান নাই, পাৰ্ছী নাই, খৃষ্টান নাই, জাতি নাই, অজাতি নাই, ধনী নাই, দুখীয়া নাই । আল্লাৰ আৰ্শীবাদ লৈ অহা সেই মহান সমাজখন হ'ল মহান মানৱ সমাজ।' আকৌ হিন্দু সাবিত্ৰীয়ে মুছলমান চিৰাজৰ ঘৰত আশ্ৰয় বিচৰাত আনৰ উপদেশলৈ কাণ নিদি চিৰাজে কৈছে : 'এহ্ মোৰ কিহৰ গৰজ পৰিছে হিন্দু অহিন্দুৰ বিচাৰ কৰিবলৈ। মানুহে মানুহৰ ঘৰত আশ্ৰয় বিচাৰিছে, মই আশ্ৰয় নিদিলে অমানুহ নহ'মনে?'

অৱক্ষয়ী সাংস্কৃতিক দৈন্যতা, পোৱা-নোপোৱাৰ সংঘাত আৰু শিল্প কৰ্মৰ প্ৰতি সচেতন শিল্পীৰ আজীৱন দায়বদ্ধতা— এই তিনিটা বৈশিষ্ট্যই নটসূৰ্যৰ ফণী শৰ্মাৰ 'কিয়' নাটকখনক মহত্ব প্ৰদান কৰিছে। নাটকখনত দৰিদ্ৰ শিল্পী প্ৰদীপৰ ঘৰৰ পানীত হাঁহ নচৰা অৱস্থা, পত্নী বাসন্তীৰ বোবা-হাঁহাকাৰ আৰু অভাৱগ্ৰস্ত দুটি শিশুৰ করুণ মৃত্যুৰ ছবি আঁকোতে ফণী শৰ্মাই ভগবানক গালি শপনি পাৰিবলৈ সাহস কৰিছে— 'ইউ ৰাস্কেল! চয়তান ভগবান! কিয় কণকণ মৰিল? হোৱাই, হোৱাই? বুজিছো, তোমাৰ বিধাতাৰ বিচাৰত হাত দিবলৈ বাও, সেই কাৰণে?' প্ৰদীপৰ মুখেদি নিৰ্গত এই সংলাপত ভগৱানৰ বিৰুদ্ধে জেহাদ শুনি আমি আনন্দিত হৈছিলো যদিও,

পৰম্পৰাগত ধৰ্মীয় চিন্তা আৰু ঈশ্বৰৰ ওচৰত আত্মসৰ্ম্পন কৰা মানসিকতাৰ পৰা শিল্পী প্ৰদীপ আৰু 'কিয়'ৰ স্ৰষ্টা ফণী শৰ্মা মুক্ত হ'ব নোৱাৰিলে। সেয়ে হঠাতে বলিয়াৰ দৰে চিঞৰি কঁপি কঁপি ওপৰলৈ হাত দাঙি প্ৰদীপে কৈছেঃ 'নাই নাই, আৰু নাযাওঁ। ভগৱান, মই বিধাতাৰ বিচাৰত আৰু হাত দিব নাযাও। মোৰ এই অনাধিকাৰ চৰ্চাৰ শাস্তি স্বৰূপে দীপকক মই তোমাক দিছো ভগৱান। কিন্তু একেদিনাই দুয়োটাকে নিনিবা। এই কণকণক ওভোতাই দিয়া প্ৰভু, ফিৰাই দিয়া ঈশ্বৰ।'

ফণী শৰ্মাৰ এই আত্মসমৰ্পণত আমি হতাশ হ'ব লগা নাই। কাৰণ ভাৰতীয় সংস্কৃতিৰ ধ্যান-ধাৰণা তেজত মিহলি হৈ থকা শতকৰা ৯৫ ভাগ মানুহেই ঈশ্বৰ বিশ্বাসৰ দৰে কৰুণ ট্ৰেজেদীৰ পৰা মুক্ত হ'ব নোৱাৰে। ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ দৰে বিশ্ববিশ্ৰুত পৰিচালকেও 'অনিৰ্বাণ' কথা ছবিত সপোনতহে ভগৱানৰ বিৰোদ্ধাচৰণ কৰিব পাৰে, বাস্তৱত নোৱাৰে। বিশ্ববিখ্যাত পদাৰ্থ বিজ্ঞানী আৰু কট্টৰ মাৰ্ক্সবাদীয়েও যিকোনো শুভকাম আৰম্ভ কৰাৰ আগতে মন্দিৰত সেৱা জনায় অথবা কোনোবা গুণমুগ্ধ মৰিলে এক মিনিট মৌনতা অবলম্বন কৰি 'বিদেহী আত্মাৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা' জনায়। গতিকে তেনেকুৱা এখন সমাজত, প্ৰায় নটা দশকৰ আগতেই নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰা নটসূৰ্য ফণী শৰ্মাৰ ধৰ্মীয় নিষ্ঠাৰ সীমাবদ্ধতাত আমি আচৰিত হ'ব নালাগে। আনহাতে শিল্পী প্ৰদীপে তোলা প্ৰশ্নই যুগে যুগে সৰ্বহাৰা শ্ৰেণীটোক শ্ৰেণীসংগ্ৰামৰ বাবে প্ৰেৰণা দিব।

প্ৰদীপ ঃ "............... কিন্তু কিয় এনে হয়? ভগৱানৰ এই বিনন্দীয়া সৃষ্টিত কিয় এনে হয়? পৃথিবীৰ মানৱ সমাজৰ মাজত এনে বিভিন্নতা কিয়? এঘৰত জ্বলে সহস্ৰ আলোক, লাখ লাখ ঘৰ অন্ধকাৰ, এঘৰত থাকে বিপুল সম্পদ, লাখ লাখ ঘৰ শূন্য। কিয়? কিয় হয় ? কিয় এনে হয় ? চিকিৎসা কৰিব নোৱাৰি, পথ্য খুৱাব নোৱাৰি, এদিনতে দুটাকৈ সন্তান হেৰুওৱা হতভাগ্য দৰিদ্ৰ পিতাৰ এই প্ৰশ্নৰ আপোনালোকে উত্তৰ দি থৈ যাওক।"

সাম্প্ৰতিক আধুনিক অসমৰ অভিশাপ স্বৰূপ শোষণ ভিত্তিক সমাজ ব্যৱস্থা আৰু সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে তীব্ৰ গণ আন্দোলন গঢ়ি তোলাৰ ক্ষেত্ৰত নটসূৰ্য ফণী শৰ্মাৰ অমৰ সৃষ্টি 'চিৰাজ' আৰু 'কিয়'ৰ প্ৰাসংগিকতা কেৱল প্ৰয়োজনীয়েই নহয়, অপৰিত্যাজ্য আৰু সৰ্বাধিক গুৰুত্বপূৰ্ণ।

*** *** ***

১৯৯৭ চনত আৰম্ভ কৰা নটসূৰ্য সমিতিয়ে যোৱা তিনিটা বছৰত সোঁজৰ খন্

নাট প্ৰযোজনা, সাতখন গ্ৰন্থ প্ৰকাশ, দুকুৰি পাঁচজন শিল্পীক সম্বৰ্দ্ধনা, দুখন তৰ্ক প্ৰতিযোগিতা আৰু পাঁচখন আলোচনা চক্ৰ অনুষ্ঠিত কৰি অসমৰ ভিতৰতে অন্যতম শক্তিশালী সামাজিক-সাংস্কৃতিক অনুষ্ঠানত পৰিণত হৈছে।

অসমীয়া সাহিত্য-সংস্কৃতিৰ পুৰোধা ব্যক্তি ফণী তালুকদাৰদেৱৰ ১৯৯৮ চনৰ ৪ ডিচেম্বৰ তাৰিখে জীৱনৰ অৱসান ঘটে। আমাৰ অতি আদৰৰ এই শিল্পী গৰাকীৰ স্মৃতিত ১৯৯৯ চনৰ ১৭ জানুৱাৰীৰ দিনা আমি গুৱাহাটীত 'শিল্পী দিৱস' উদ্‌যাপন কৰিছোঁ। কটন কলেজৰ অসমীয়া আলোচনা চক্ৰৰ সহযোগত আয়োজিত উক্ত 'শিল্পী দিৱস' চুদমাৰ্চন হলত অনুষ্ঠিত হৈছিল। "দূৰদৰ্শনৰ প্ৰসাৰে ভাৰতৰ সাংস্কৃতিক বিকাশত উপকাৰৰ সলনি বেছি অপকাৰহে কৰিছে— Doordarshan has caused more harm than good to th cultural development of India" শীৰ্ষক তৰ্ক প্ৰতিযোগিতা সমিতিৰ সদস্য, কটন কলেজত অধ্যক্ষ দিলীপ কুমাৰ বৰুৱাৰ অধ্যক্ষতাত অনুষ্ঠিত হৈছিল। আকৌ ১৯৯৯ চনৰ ২৭ ডিচেম্বৰ তাৰিখে কটন কলেজৰ তৰ্ক আৰু আলোচনা বিভাগৰ সহযোগিতাত আমি কটন কলেজত দ্বিতীয় বাৰ্ষিক ফণী তালুকদাৰ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। এইবাৰো কটন কলেজৰ অধ্যক্ষ দিলীপ কুমাৰ বৰুৱাৰ সঞ্চালনাত 'সম্প্ৰতি অসমৰ সংবাদ পত্ৰসমূহে সামাজিক অস্থিৰতা সৃষ্টিত সহায় কৰিছে' শীৰ্ষক তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল।

নটসূৰ্য সমিতিয়ে যোৱা তিনি বছৰৰ ভিতৰত প্ৰযোজনা কৰা উল্লেখযোগ্য নাটসমূহ হ'ল ঃ ফণী শৰ্মাৰ 'এমুঠি চাউল' আৰু 'চিৰাজ', মোহন বাকেশ্বৰ 'আধে-অধুৰে', মৃদুল চুতীয়াৰ 'ডেউকা লগা সন্তান' দীপা ভট্টাচাৰ্যৰ 'প্ৰিয়তম যাত্ৰা' আৰু 'কৃষ্ণৰাতিৰ পাণ্ডুলিপি', প্ৰফুল্ল বৰাৰ 'দিশহাৰা', ফৰাচী নাট্যকাৰ মলিয়েৰৰ 'তাৰ্ত্যুফ', কুল শইকীয়াৰ 'গোবৰ্দ্ধন দাস', নৱেন বৰাৰ 'স্তব্ধ সময়', অজিত বৰঠাকুৰৰ 'অধ্যায়', তৰুণ তালুকদাৰৰ 'বন্দে মাতৰম', আলবেৰ কেম্যুৰ Les Justes ৰ অসমীয়া অনুবাদ 'ন্যায়-নিষ্ঠা', ঐশ্বৰ্য কাকতিৰ "Deewar Todni Hai" তথা এই লেখকৰ 'অমৃত, গৰল আৰু অন্যান্য', 'বজাৰত অমলা' আৰু 'ভগ্নাংশ'।

যোৱা তিনি বছৰৰ ভিতৰত নটসূৰ্য সমিতিয়ে সম্বৰ্দ্ধনা জনোৱা বিশিষ্ট শিল্পী সাহিত্যিকসকল হ'ল ঃ চৈয়দ আব্দুল মালিক, নৱকান্ত বৰুৱা, শশী শৰ্মা, প্ৰতিমা পাণ্ডে বৰুৱা, অনুপমা ভট্টাচাৰ্য, তুলসী দাস, বিজয় শৰ্মা, লুৎফুৰ ৰহমান, সুদক্ষিণা শৰ্মা, শৈল বৰুৱা, ঈশান বৰুৱা, নিপন গোস্বামী, ৰমেন বৰুৱা, নীলু চক্ৰৱৰ্তী, বীণা

দাস মান্না, সত্যপ্ৰসাদ বৰুৱা, কৃষ্ণমূৰ্ত্তি হাজৰিকা, দিপালী বৰঠাকুৰ, আব্দুল মজিদ, ঐশ্বৰ্য কাকতি, প্ৰভাত শৰ্মা, গোপী গোস্বামী, নবেন দত্ত, মীৰা বিশ্বাস, ধৰণী বৰ্মণ, অচ্যুৎ লহকৰ, পদুম বৰুৱা, অমলা কটকী, দুলাল ৰয়, চেতনা দাস, ৰুণু দেৱী, খগেন মহন্ত, অৰুণ শৰ্মা, মলয়া গোস্বামী, বীণা প্ৰসাদ, পূৰ্ণিমা পাঠক শইকীয়া, দিলীপ শৰ্মা, সুৰেশ মহন্ত, দেৱেন ভূঞা আৰু প্ৰাঞ্জল শইকীয়া।

আমাৰ নাট্য কৰ্মত যোৱা তিনিটা বছৰত অসমৰ নবীন প্ৰবীণ প্ৰায় দুশ নাট্যকৰ্মী জড়িত হৈছে। তেখেত সকলৰ ভিতৰত আব্দুল মজিদ, নিপন গোস্বামী, প্ৰাঞ্জল শইকীয়া, মলয়া গোস্বামী, ৰুণু দেৱী, উপকূল বৰদলৈ, সুজিত শৰ্মা, ৰেহানা হুছেইন, সুৰেশ মহন্ত, ডাঃ জাহানাৰা বেগম, ময়ূৰী ভৰালী, ৰমেন বৰুৱা, ড° অমৰজ্যোতি চৌধুৰী, অৰূপ চক্ৰবৰ্তী, জয়ন্ত ভাগৱতী, কন্দৰ্প মহন্ত, মঞ্জৰী ৰবা, মন্মথ বৰুৱা, অৰুন্ধতী দত্ত, মাধুৰিমা কাকতি, লিপিকা ৰবা মেধি, চেতনা দাস, অমলা কটকী, জুৰি শৰ্মা, লেখাৰাণী ৰবা, জুৰি দেৱী, হিৰণ্য ডেকা, বিনয় ডেকা, ৰাজ শৰ্মা, কপিল ৰবা, প্ৰবাল বৰঠাকুৰ, ইলোৰা শৰ্মা, জয়প্ৰকাশ মেধি, অঞ্জলি শৰ্মা, অংশু ৰবা, গীতাৰাণী গোস্বামী, নিৰ্মালী দেৱী, জোনালী দেৱী তথা শিশু শিল্পী মৌচুমী কলিতা, শ্যামলিকা বৰদলৈ আৰু চিন্ময় বৰদলৈ উল্লেখযোগ্য।

আমাৰ নটসূৰ্য সমিতিৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ কেইখনৰ নাম ইয়াত উল্লেখ কৰা হ'ল। বাওঁফালে গ্ৰন্থৰ নাম আৰু সোঁফালে সম্পাদক/লেখকৰ নাম তথা বন্ধনীৰ ভিতৰত প্ৰকাশ হোৱা চন উল্লেখ কৰা হৈছে।

(ক) নটসূৰ্য ফণী শৰ্মা ঃ জীৱন আৰু কৃতি ; সম্পা ঃ উপেন্দ্ৰ নাথ শৰ্মা (১৯৯৭)
(খ) অসমৰ নাট্য-পৰম্পৰা আৰু গতিধাৰা ; সম্পা ঃ ফণী তালুকদাৰ (১৯৯৮)
(গ) আমাৰ নটসূৰ্য ঃ অধ্যাপক শশী শৰ্মা (১৯৯৮)
(ঘ) সাম্প্ৰতিক চিন্তা ঃ ফণী তালুকদাৰ (১৯৯৮)
(ঙ) অন্য এক গতি ঃ নীলপৱন বৰুৱা (১৯৯৯)
(চ) অসমৰ লোক সংস্কৃতি ; সম্পা ঃ উপেন্দ্ৰ নাথ শৰ্মা (১৯৯৯)
(ছ) দেশপ্ৰাণ নগেন শৰ্মা ঃ জীৱন আৰু কৃতি ; সম্পা ঃ উপেন্দ্ৰ নাথ শৰ্মা (৩১ জুলাই, ২০০০)

আমাৰ বাবে এইটো বৰ দুখজনক কথা যে, প্ৰথম ছয়খন কিতাপ প্ৰকাশ হৈছিল নগেন শৰ্মাদেৱৰ আশাসুধীয়া চেষ্টাৰ ফলত ; শেষৰখন আমি প্ৰকাশ কৰিব লগা হ'ল তেখেতৰ সোঁৱৰণীত।

*** *** ***

শিক্ষক, সাহিত্যিক আৰু শিল্পীৰ প্ৰতি নগেন দাৰ আছিল অসীম শ্ৰদ্ধা। আমাৰ নটসূৰ্য সমিতিৰ কাৰ্যনিৰ্বাহক সভাত সভাপতি হিচাপে তেখেতে কোনো দিনে কাৰো ওপৰত নিজৰ সিদ্ধান্ত জাপি দিয়া নাছিল। গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ অধ্যাপক উপেন্দ্ৰ নাথ শৰ্মা চাৰ, ড° ৰমেশ পাঠক চাৰ, ফণী তালুকদাৰ দাদা, অধ্যাপক তফজ্জুল আলি চাৰ আৰু নীল দা (নীলপৱন বৰুৱা)ক সুধি গ্ৰহণ কৰা হৈছিল।

১৯৯৮ চনৰ ১৭ আৰু ১৮ জানুৱাৰীত বিভিন্ন কাৰ্যসূচীৰে নলবাৰীত শিল্পী দিবস উদ্‌যাপন কৰা হৈছিল। মাথ বিহুৰ ব্যস্ততাৰ মাজতো কাৰ্যসূচীসমূহ সফল কৰাৰ বাবে এটি উৰন্ত শিশুৰ দৰে নগেন দাই সমগ্ৰ নলবাৰীত ঢপলিয়াই ফুৰিছিল।তেনেদৰে মৃত্যুৰ মাত্ৰ এমাহ আগত—২০০০ চনৰ ১৭ জানুৱাৰীৰ দিনা ঘণ্ৰাপাৰত বহু কষ্ট কৰি 'শিল্পী দিবস' পাতিছিল। গুৱাহাটীৰ পৰা মলয়া গোস্বামী, চাকিৰ হাজৰিকা প্ৰমুখ্যে শিল্পীসকলক লগত লৈ গৈ মোৰদ্বাৰা ৰচিত আৰু পৰিচালিত 'ভগ্নাংশ' নামৰ নাটখনি মঞ্চস্থ কৰাইছিল। শীতৰ প্ৰকোপ আৰু উগ্ৰপন্থীৰ ভাবুকিক আওকাণ কৰিও সিদিনা ৰাতি দহৰজালৈ ঘণ্ৰাপাৰত আছিল, সাধাৰণ ৰাইজৰ লগত বেঞ্চত বহি একেলগে 'দালিভাত' খাইছিল।

*** *** ***

নগেন দাৰ ৰাজনীতি আছিল ঊৰ্দ্ধ। সম্প্ৰতি কাশ্মীৰৰ মুখ্যমন্ত্ৰী ডাঃ ফাৰুক আব্দুল্লাই কেন্দ্ৰ-ৰাজ্য সম্পৰ্কত কিছুমান নতুন বিতৰ্কৰ সৃষ্টি কৰি সমগ্ৰ দেশৰে দৃষ্টি আকৰ্ষণ কৰিছে। আকালি দল আৰু আমাৰ অসমৰ অসম গণ পৰিষদ দলেও ৰাজ্য সমূহলৈ অধিক ক্ষমতা দিব লাগে বুলি সজোৰে দাবী উত্থাপন কৰিছে। কিন্তু অবিশ্বাস্য হলেও সত্য যে আজিৰ পৰা প্ৰায় পোন্ধৰ বছৰ আগতে গণ পৰিষদৰ নেতা নগেন শৰ্মাই ৰাজ্য সমূহলৈ অধিক ক্ষমতা দিয়াৰ দাবীত প্ৰতিবাদমুখৰ হৈ উঠিছিল। আজি এইটো দিনৰ পোহৰৰ দৰে স্পষ্ট যে ভাৰতবৰ্ষৰ অংগ ৰাজ্যসমূহক এদিন নহয় এদিন অধিক ক্ষমতা দিবই লাগিব। সদৌ অসম ছাত্ৰসন্থাই দেশৰ আগশাৰীৰ ন্যায়াধীশ আৰু বিজ্ঞলোকসকলক লৈ এই সম্পৰ্কত এখনি চনদ প্ৰস্তুত কৰিছে। এই চনদৰ মুখবন্ধত এনেদৰে কোৱা হৈছে :

India has a continental geographic dimension and it consists of historically developing small nationalities with distinct cultural, linguistic and ethnic identities. These small nationalities were organised into states in the post Independence period. There exists the necessity for a centre of power with a federal structure in India, but definitely not at the cost of total subordination of the states to

the Centre as it prevail is in today......... The States need to be given the opportunity to plan their development by themselves utilizing their own resources.

....

কিন্তু ৰাজনীতিবিদ নগেন শৰ্মাৰ শৰীৰত প্ৰবাহিত হৈ আছিল সাংস্কৃতিক উত্তৰণৰ তেজ। তেখেতে বুজিছিল যে সামাজিক আৰু ৰাজনৈতিক বিপ্লৱৰ লগে লগে সমান্তৰালভাৱে গঢ়ি উঠিব লাগিব প্ৰত্যয়দীপ্ত সাংস্কৃতিক আন্দোলন। সেয়েহে নটসূৰ্য সমিতি, নলবাৰী নাট্য মন্দিৰ, পূব নলবাৰী সাংস্কৃতিক পৰিষদ আদি সংগঠনৰ জৰিয়তে তেখেতে সাংস্কৃতিক কাম-কাজত নিজকে নিয়োগ কৰাইছিল। তেখেতে বুজিছিল যে সাম্প্ৰতিক 'গোলকীকৰণ'ত সংস্কৃতি হৈ পৰিছে এক মুখ্য কাৰক। ইয়াতে আমি এটি জগত বিখ্যাত উদ্ধৃতি তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলো ঃ

Culture is rapidly becoming one of the major issues in globalization because it provides the images -- and the underlying values-- with which people construct their views of the world....... the flooding of commodities with a different cultural content will lead not only to changes in the style of living of individuals and societies, but also in their philosophical, ethical and relational values. (Lourdes and Ginmai, 1999).

....

আঞ্চলিকতাবাদী ৰাজনীতিত যুক্ত হৈ জাতীয়তাবাদী দৰ্শণ গ্ৰহণ কৰিছিল যদিও দেশপ্ৰাণ নগেন শৰ্মাই বুজিছিল যে শোষণহীন এখন শ্ৰেণীহীন সমাজতহে দুখীয়া নিচলা মানুহৰ মুক্তি সম্ভৱ। তেখেতে সৰুৰে পৰাই মাৰ্ক্সবাদ অধ্যয়ন কৰিছিল। তেখেতৰ ব্যক্তিগত পুথিভঁৰালত বহুতো বামপন্থী সাহিত্য আছে। শ্ৰেণীহীন সমাজ এখনৰ প্ৰসঙ্গত তেখেতে মোক প্ৰায়ে কৈছিল কেশৱ চন্দ্ৰ সেনৰ এটি পৰামৰ্শ ঃ

To believe in the fatherhood of God is to believe in the brotherhood of man; and whoever, therefore, in his own heart and in his own house worships the True God daily must learn to recognize all his fellow countryman as brethern. Caste would vanished in such a state of society.

– P.S. Basu (ed.), Life and Works of Brahmananda Keshav, Calcutta 1940, P.142.

এনেদৰে জাতি, ধৰ্মৰ ভেদাভেদ নথকা সমাজ এখন বিচাৰিছিল বাবেই নগেন

দাই আমাক তাগিদা দি আছিল নটসূৰ্যৰ কালজয়ী নাটক 'চিৰাজ' মঞ্চস্থ কৰিবলৈ।

....

মৰ্যদাসম্পন্ন মানৱ সমাজ এখন উজ্জ্বলৈ তুলি ধৰাৰ বাবে ভাৰতীয় মানুহৰ বুকুত আকাংক্ষাই খুন্দিয়াইছে বিংশ শতাব্দীৰ আৰম্ভণিৰ পৰাই। কিন্তু এই উত্তৰণ এনেয়ে খোজকাঢ়ি বা উৰামাৰি নাহে— তাৰবাবে 'পৰিবৰ্তন' আছিল অৱশ্যম্ভাবী। সমাজ নায়ক নগেন শৰ্মাই এই বাস্তৱতা উপলব্ধি কৰি 'পৰিবৰ্তন' অনাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। মহাদেৱ গোবিন্দ ৰাণাডেৰ দৃষ্টিত ধৰা পৰা সেই পৰিবৰ্তনৰ উত্তাপ নগেন দাই অনুভৱ কৰিছিলঃ

The changes we should all seek in thus change from con-strain to **freedom, from** credulity **to faith, from status to** contract, from authority to reason, from unorganized to organized life, from bigotry to toleration, from blind fatalism to a sense of human dignity."

-- M.G. Ranade, The Miscellaneous writings,
Bombay, 1915, P116

....

○ কিণ্‌কিণিয়া বৰষুণজাকে বাতিটো অৰ্থপূৰ্ণ কৰি তুলিছিল। ড্ৰাইভাৰে সুষম গতিত গাড়ী চলাইছিল। ড্ৰাইভাৰৰ আসনত মন্টু নাছিল। টাটা চুমো গাড়ীৰ মাজৰ চিটত ড° অলকা শৰ্মা, কাষত তেখেতৰ ভতিজা জ্যোৎস্না। পিছৰ চিটত মই আৰু নীলাক্ষ-নগেন দাৰ ভতিজা ল'ৰা। নগেন দাৰ মৃত্যুত খালী হোৱা নলবাৰী বিধান সভাৰ উপনিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে অলকা বৌৱে।গোটেই দিনটো নিৰ্বাচনী প্ৰচাৰ চলাই নিশা এখন বজাত আমি গুৱাহাটীলৈ উভতিছো। দেশপ্ৰাণ নগেন শৰ্মাৰ আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰাৰ সংকল্প লৈ অলকা শৰ্মা ৰাজনীতিত নামিছে।

অলকা বৌৱে মোক কলে ঃ "পিয়াইউন্দিন, দদায়েৰাই আমাক ওপৰৰ পৰা চাই আশীৰ্বাদ আৰু সাহস দি আছে। তেখেত জীয়াই আছে।"

আচল অৰ্থত মানুহ কোনোবা দিনা মৰে জানো ?



১৯৯৮ চনৰ ১৭ জানুৱাৰী ঃ কটন কলেজত 'শিল্পী দিবস'। বিশেষ মুহূৰ্ত্তত গিয়াছউদ্দিন আহমেদ, কুঞ্জ শইকীয়া ড° অৰুণিমা ভৰালী, ড° ৰমেশ পাঠক, নগেন শৰ্মা আৰু অধ্যাপক উপেন্দ্ৰনাথ শৰ্মা।

১৭ জানুৱাৰী ২০০০ চন। যাত্ৰাপাৰত 'শিল্পী দিৱস' উপলক্ষে মঞ্চস্থ হোৱা 'ভগ্যাংশ' নাটৰ অভিনয়ৰ পিছত অভিনেতা চাকিৰ হাজৰিকাক সম্বৰ্দ্ধনা জনাইছে নটসূৰ্যৰ সভাপতি নগেন শৰ্মাই। দুয়োকাষে অভিনেত্ৰী মলয়া গোস্বামী আৰু নটসূৰ্যৰ সাধাৰণ সম্পাদক গিয়াছউদ্দিন আহমেদ।

তৃতীয় অধ্যায়

।। সম্পর্কিত আলোচনা ।।

নটসূৰ্যৰ নাট্যচিন্তা

ড° মঞ্জু গোস্বামী

স্বাধীনতাৰ পৰৱৰ্ত্তী কালত যি কেইগৰাকী ব্যক্তিয়ে অসমৰ নাট্যকলা, নাট্যমঞ্চৰ সংগঠন, চৌখীন যাত্ৰাদল, ব্যৱসায়ী নাট্যগোষ্ঠী আদিত যোগদান কৰি নাট্যকলা মঞ্চ আৰু অভিনয়ৰ মানদণ্ডৰ উন্নতিৰ হকে আপ্ৰাণ চেষ্টা কৰিছিল সেই সকলৰ ভিতৰত ফণী শৰ্মা আছিল অন্যতম। আজন্ম অভিনয়প্ৰাণ ফণী শৰ্মাই তিনিকুৰি বছৰীয়া জীৱনৰ আঢ়েকুৰি বছৰেই নাটক-মঞ্চ-অভিনয়ৰ মাজেৰেই পাৰ কৰি দিলে। অভিনয় আছিল তেওঁৰ বাবে অনুপ্ৰেৰণা, নাটক তেওঁৰ প্ৰাণ আৰু ৰংগমঞ্চ আছিল তেওঁৰ বিশ্ৰাম গৃহ। পূজাৰীৰ ঘৰৰ বংশধৰ, নৈষ্ঠিক ব্ৰাহ্মণ ফণী শৰ্মাই নাটঘৰকেই পূজাৰ থলী হিচাপে গণ্য কৰিছিল। নিজৰ কথাৰেই এই কথা তেওঁ প্ৰতিপন্ন কৰি থৈ গৈছে এনেদৰে—

"মই পূজাৰী বংশৰ মানুহ, কিন্তু মই দেৱ-দেৱীৰ মন্দিৰৰ পৰিবৰ্ত্তে নাট মন্দিৰৰ পূজাৰী হলোঁ। মোৰ পূজা হ'ল অভিনয় আৰু মোৰ পূজা মন্দিৰ হ'ল নাট মন্দিৰ। নাটৰ বচনতে মই পূজাৰ মন্ত্ৰ মাতোঁ।"

অসমৰ নাট্য জগতৰ বিপদ সংকুল অৱস্থাত ইয়াক সজীৱ কৰি ৰাখি সমৃদ্ধিৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগোৱা ত্ৰিমূৰ্ত্তি জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ পিছতেই ফণী শৰ্মাৰ নাম শ্ৰদ্ধাৰে সুঁৱৰিব লাগিব। এই তিনিও গৰাকী অক্লান্ত নাট্যকৰ্মীয়ে অসমৰ নাট্য সাহিত্যৰ সমৃদ্ধিৰ বাবে যি অৰিহণা আগবঢ়াই গ'ল তাক লেখনীৰে প্ৰকাশ কৰাটো দুঃসাধ্য মাথোন। কিন্তু অসমৰ নাট্য জগতলৈ আগবঢ়োৱা ফণী শৰ্মাৰ দান আৰু স্থান সম্পৰ্কে যিমানখিনি আলোচনা হ'ব লাগিছিল বৰ্তমানলৈকে তাৰ সম্যক আলোচনা হোৱা চকুত পৰা নাই। জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ দৰে এক বুজন পৰিমাণৰ সাহিত্য কৰ্ম ফণী শৰ্মাই সৃষ্টি নকৰিলেও যিখিনি কৰ্ম তেওঁৰ ৰচনাৱলীত সন্নিৱিষ্ট হৈছে সেয়া তেনেই অলপীয়া নহয়। এই গৰাকী ব্যক্তিয়ে নাটক ৰচনা আৰু পৰিচালনা কৰাৰ উপৰিও মনোধৰ্মী ৰচনাৰ লেখক আৰু ৰসাল বক্তা হিচাপে যি ৰত্নৰা ব্যক্তিৰ পৰিচয় দিলে তাক ভাবিলেও আচৰিত হ'ব লাগে। জীৱন কালতেই নাট্য জগতৰ মহানায়ক হিচাপে সৰ্বজন বিদিত হৈ পৰা ফণী শৰ্মা অসমৰ নাট্য কলাক মনে প্ৰাণে ভালপোৱা আৰু তাৰ উত্তৰোত্তৰ সমৃদ্ধিৰ বাবে সকলো ধৰণৰ

ত্যাগ স্বীকাৰ কৰি যোৱা এক ব্যতিক্ৰম জীৱনাদৰ্শৰ উদাহৰণ। এখাৰ বছৰ বয়সতে অভিনয় জীৱনৰ পাতনি মেলাৰে পৰা জীৱনৰ শেষ দিনলৈ তেওঁৰ ক্লান্তি নাছিল, শ্ৰান্তি নাছিল, জিৰণি নাছিল। স্ত্ৰী-পুত্ৰ-কন্যাৰে ভৰা সাংসাৰিক মায়াই তেওঁক বান্ধি ৰাখিব পৰা নাছিল। ফণী শৰ্মাৰ জীৱনৰ এই একমুখী অনিৰুদ্ধ গতিয়ে আন মহজন শিল্পীৰ তুলনাত তেওঁক কৰি তুলিছিল অনন্য। অসমৰ নাট্য মঞ্চৰ সুদীৰ্ঘ পাঁচোটা দশক অপৰাজেয় অভিনয় দক্ষতাৰে আলোড়নৰ সৃষ্টি কৰি ফণী শৰ্মাই এটি অধ্যায়ৰ সূচনা কৰি গ'ল।

শিল্পী সাহিত্যিক সকলেই প্ৰকৃততে দেশ বা জাতিৰ প্ৰাণ প্ৰতিষ্ঠা কৰাৰ দায়িত্ব বহন কৰে। ফণী শৰ্মাই এটা কথা ভালদৰে উপলব্ধি কৰিছিল যে সমাজ এখন সুদৃঢ় ভাৱে প্ৰতিষ্ঠা কৰিবলৈ হ'লে বৈপ্লৱিক ৰূপান্তৰ আনিবই লাগিব আৰু জাগ্ৰত চেতনা অবিহনে এই ৰূপান্তৰ অসম্ভৱ। তেওঁৰ নাট্য সাধনাত এই বাস্তৱ দৃষ্টিভংগী মন কৰিবলগীয়া। ফণী শৰ্মাই ভৰতৰ নাট্যশাস্ত্ৰৰ কথা ভালকৈ জানিছিল যাৰে নাট্য শিল্পই কেনেকৈ মানুহৰ মনোৰঞ্জন কৰিব পাৰে আৰু নাট্য শিল্পৰ জৰিয়তে মানুহে কেনেকৈ জ্ঞান লাভ কৰিব পাৰে তাক ভালকৈ উপলব্ধি কৰিছিল। নাটক আৰু নাটকৰ অভিনয়ে দেশ, জাতি আৰু ব্যক্তিৰ ওপৰত পেলোৱা প্ৰভাৱৰ কথা চিন্তা কৰি তেওঁ তেওঁৰ বহুমূলীয়া ভাৱণত কৈছিল—

"নাটক এখন দেশৰ, এটা জাতিৰ স্বচ্ছ দাপোনৰ দৰে।" (ফণী শৰ্মা ৰচনাৱলী, পৃ-৭১৬)

নাটক এক অতি দায়িত্বশীল শিল্প কৰ্ম। জীৱন আৰু সমাজৰ অভিজ্ঞতাৰ লগে লগে নাট্যকাৰৰ নাট্যকলা আৰু মঞ্চৰ সূক্ষ্ম জ্ঞানৰ প্ৰয়োজন। কাহিনী, সংলাপ, সংঘাত, নৃত্য-গীত আদি বিভিন্ন শিল্পৰ সংমিশ্ৰণেৰে নাটকীয় বিষয় বস্তু ৰসাল হৈ উঠে যাৰেই নাটকৰ অভিনয়ে মানুহৰ অন্তৰ জয় কৰিব পাৰে। সংস্কৃত আলংকাৰিক সকলৰ মতে সকলো কবি কৃতিৰ ভিতৰত নাটকেই হৈছে শ্ৰেষ্ঠ কলা আৰু এবিধ স্বয়ং সম্পূৰ্ণ কলা। 'কাব্যেষু নাটকং ৰম্যম্' বুলি সংস্কৃত আলংকাৰিক সকলে নাটকৰ ৰমণীয়তাৰ কথাকে কৈ গৈছে।

প্ৰসিদ্ধ সমালোচক অধ্যাপক নিকলেও অভিনেতা সকলে প্ৰদৰ্শন কৰিব পৰা জীৱন সম্পৰ্কীয় ধাৰণা প্ৰকাশৰ সুসংহত কলাত্মক ৰূপকে নাটক বুলি উল্লেখ কৰি গৈছে। প্ৰত্যেকজন সফল নাট্যকাৰে মানৱ জীৱনৰ প্ৰয়োজনীয়তা পূৰণ কৰিহে নাটক ৰচনা কৰে। নাট্যকাৰৰ কল্পনালোকত জীৱনৰ অভিজ্ঞতা আৰু শিল্পজ্ঞানৰ মধুৰ সমন্বয়ত শ্ৰেষ্ঠ নাটকৰ জন্ম হয়। এনে শ্ৰেষ্ঠ নাট্যকাৰে নাটকীয় কাহিনীৰ মাজেৰে দৰ্শক

পাঠকৰ বাবে কিছু চিন্তাৰ খোৰাকো যোগান নধৰাকৈ নাথাকে। জীৱনৰ অভিজ্ঞতাই ফণী শৰ্মাক এজন নাট্যকাৰ ৰূপে গঢ়ি তুলিছিল। সুদীৰ্ঘ কাল ধৰি নাট্যজগতৰ লগত সম্পৰ্ক থকা এই গৰাকী মহান নাট্যকৰ্মীৰ সাগৰ সদৃশ জ্ঞান আৰু নানান অভিজ্ঞতা নাটকৰ বিভিন্ন চৰিত্ৰৰ মাজেৰে প্ৰকাশ লাভ কৰিছে। নিজস্ব ভাষা-শৈলী, সংলাপেৰে নাটক ৰচনা কৰি তেওঁৰ প্ৰতিভাৰ স্বাক্ষৰ প্ৰতিষ্ঠিত কৰিছে। তেনেস্থলত তেওঁৰ স্থান ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পিছত বুলিলেও বেছি কোৱা নহয়। নাট্যকাৰ হিচাপে বিষয়, ভাব অথবা ৰূপবস্তুৰ কোনোখিনিতেই তেওঁ তেওঁৰ পূৰ্ববৰ্তী নাটকৰ পুনৰাবৃত্তি কৰা নাছিল। তেওঁ প্ৰতিখন নাটকেই সুকীয়া গুণেৰে স্পন্দিত। ফণী শৰ্মাই স্তানিস্লাভস্কি বা ব্ৰেখটৰ বিষয় পঢ়িছিল নে নাই তাক কোৱা টান। পাশ্চাত্য নাট্যৰীতিক লৈ পাণ্ডিত্যপূৰ্ণ গ্ৰন্থও তেওঁ ৰচনা কৰা নাই। আনকি স্কুলীয়া জীৱনৰ শেষ পৰীক্ষাৰ দেওনাও তেওঁ পাৰ হোৱা নাছিল। আনুষ্ঠানিক শিক্ষা নথকা সত্বেও সমাজত লগ পোৱা বিভিন্ন মানুহৰ স্বভাৱ আৰু চৰিত্ৰ নিৰীক্ষণ কৰি তাক ভাষাৰে ৰূপদান কৰি তৈয়াৰ কৰিছিল নাট্য সাহিত্যৰ ভেটি আৰু তাত বুৰঞ্জীৰ সমল, সমকালীন সমাজৰ স্বৰূপ, শ্ৰেণী বৈষম্য, অৰ্থসংকেট, স্বাৰ্থপৰতা আদিকে ধৰি সকলো সমল গোটাই লৈ পূৰ্ণ কৰিছিল নাট্য সাহিত্যৰ ভঁৰাল। ফণী শৰ্মা ৰচিত নাটক সমূহৰ আলোচনা কৰিলেই তেওঁৰ নাট্যচিন্তাৰ নিদৰ্শন আকুণ্ঠচিত্তে অনুভৱ কৰিব পাৰি।

বুৰঞ্জীমূলক নাটকক অতীত ঘটনা আৰু মানবীয় অনুভূতিৰ কলাত্মক প্ৰকাশৰ এটি মাধ্যম বুলি ক'লেও ভুল কৰা নহয়। ঐতিহাসিক ঘটনা এটিক বিকৃত নকৰাকৈ মূলৰ কিছু সাল-সলনি কৰি এটি পৰিমাৰ্জিত ৰূপত উপস্থাপন কৰাটো নাট্যকাৰৰ বাবে অতি দুৰূহ কাম। তেনে এটি পৰিস্থিতিৰ মাজেৰেই নাট্যকাৰ ফণী শৰ্মাই অসম বুৰঞ্জীৰ কাহিনী এটাক সাহিত্যিক গুণাৱলীৰে বিভূষিত কৰি নাটকলৈ ৰূপান্তৰিত কৰিছে। সূৰ্যকুমাৰ ভূঞাৰ কোঁৱৰ বিদ্ৰোহ (১৯৪৮) নামৰ বুৰঞ্জীমূলক গ্ৰন্থখনৰ ভিত্তিতে স্বৰ্গদেউ লক্ষ্মীসিংহৰ ৰাজত্বকালত (১৭৬৯ খৃঃ-১৭৮০ খৃঃ) তেওঁৰে ভতিজাক তিপমীয়া গোঁহায়ে কৰা বিদ্ৰোহৰ পটভূমিত ফণী শৰ্মাই ভোগজৰা (১৯৫৭) নাটকখন ৰচনা কৰিছে। বিষয়বস্তুৰ উপস্থাপন কৌশল, অলংকাৰ পূৰ্ণ ভাষা, আকৰ্ষণীয় ৰচনা-ৰীতি আদিয়ে ভোগজৰাৰ বুৰঞ্জীৰ ঘটনাটোত সাহিত্যিক মূল্য প্ৰদান কৰিছে। ভোগজৰাত নাট্যকাৰ গৰাকীয়ে গোহাঞিকমলবা, বেজবৰুৱা আদি নাট্যকাৰে প্ৰবৰ্তন কৰা পৰম্পৰাৰ পৰা ফালৰি কাটি আহি ইবচেনৰ বাস্তৱবাদী নাট্যপ্ৰণালীৰ ভেটিত ভিনিটা অংকত লিখি উলিয়ালে। নাট্যকাৰৰ সৃজনীশীল প্ৰতিভাৰ চানেকি পোৱা যায় ৰাজদ্ৰোহী তিপমীয়া গোঁহাইৰ চৰিত্ৰ উপস্থাপনত, উত্তেজনাপূৰ্ণ নাটকীয় পৰিবেশ সৃষ্টিত আৰু সংযত অথচ শক্তিশালী সংলাপ ৰচনাত। ৰূপা সংক্ৰান্ত উপকাহিনী এটাকো

নাটকখনত সন্নিবিষ্ট কৰা হৈছে। ঐতিহাসিক ঘটনা অবিকৃত ৰাখি চৰিত্ৰৰ অন্তৰালত থকা মানসিক অভিলাষ বা চতুৰ অভিসন্ধি নাটকৰ চৰিত্ৰ সমূহৰ মাজেৰে প্ৰকাশ পোৱা দেখা গৈছে। বিশ্বাস আৰু আনুগত্যৰ পৰা বঞ্চিত হৈ বজা লক্ষীসিংহৰ অন্তৰত যি মানসিক যন্ত্ৰনা আৰু শোকাবহ পৰিস্থিতিৰ সৃষ্টি হৈছে তাক নাট্যকাৰে চৰিত্ৰটিৰ অভিব্যক্তিৰ দ্বাৰা সুন্দৰভাৱে ৰূপদান কৰিছে। চৰিত্ৰবোৰৰ মাজেদি প্ৰতিশোধ পৰায়ণতা, মৃত্যু, বিভীষিকা আদি ভোগজৰাত প্ৰতিফলিত হৈছে যদিও, জীৱন আৰু জগতৰ প্ৰতি থকা স্পষ্ট ধাৰণা আৰু নাট্যকাৰৰ স্পন্দনপূৰ্ণ সাহিত্যিক ভাৱাই তেনেবোৰ চিত্ৰক প্ৰকট কৰি তুলিব পৰা নাই।

সমাজত সুস্থ চেতনা জগাই তোলাত বুৰঞ্জীমূলক নাটকৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই চেতনাই সমাজৰ কু-সংস্কাৰ তথা ভণ্ডামি দূৰ কৰি জনসাধাৰণক সজাগ কৰি তোলে। ফণী শৰ্মাৰ ভোগজৰাত এখন নতুন সমাজ গঢ়াৰ আদৰ্শ ৰূপায়িত হৈছে। নাটকৰ কাহিনী বিকাশত নাট্যকাৰে সংঘাত, উৎকণ্ঠা আৰু বিস্ময়জনক পৰিস্থিতিৰ মাজেৰে যি নাট্যকুশলতাৰ পৰিচয় দিব পাৰিছে।, সি সঁচাকৈয়ে প্ৰশংসনীয়।

সমাজৰ জাতি বৈষম্য, সাম্প্ৰদায়িক আৰু পাৰিবাৰিক সমস্যা, ভুৱা আভিজাত্য, নাৰীৰ প্ৰতি পুৰুষ প্ৰধান সমাজৰ অবিচাৰ আদিৰ প্ৰতি সজাগ থকা ফণী শৰ্মাৰ নাট্যচিন্তাই প্ৰকাশ পাইছিল তেওঁ সামাজিক নাটক সমূহৰ মাজেৰে।

চিৰাজ (১৯৬৭) নাটক ধৰ্মীয় ঐক্য, নতুন সমাজ গঢ়াৰ পৰিকল্পনা, সংহতি-সম্প্ৰীতি আৰু মাতৃত্বৰ মহত্বৰে পৰিপূৰ্ণ। হিন্দু মুছলমানৰ মাজত থকা বিভেদ আঁতৰাই সাম্প্ৰদায়িক সম্প্ৰীতিৰে এখন সংস্কাৰমুক্ত সমাজ গঢ়ি তোলাৰ উদ্দেশ্যেই ফণী শৰ্মাই হাতত তুলি লৈছিল দেশ প্ৰাণ লক্ষীধৰ শৰ্মাৰ চিৰাজ গল্পক। কাহিনী উপস্থাপনৰ শক্তিশালী কৌশলেৰে মূলৰ নিৰ্মম কৰুণতাৰ সলনি নাট্যকাৰে এহাতে ৰক্ষণশীল হিন্দু সমাজৰ স্বৰূপ উৎঘাটন কৰিলে, আনহাতে নতুন দৃষ্টিভংগীৰে সাম্প্ৰদায়িক সম্প্ৰীতিৰ আদৰ্শ দাঙি ধৰি নাটকৰে পৰিণতি সুখাত্মক কৰি তুলিলে। লোক চৰিত্ৰৰ অভিব্যক্তি তথা সমাজ জীৱনৰ বৈচিত্ৰপূৰ্ণ সংঘাতৰ মাজেৰে এটি চিন্তাৰ খোৰাক দি গৈছে তেওঁ কিয় ? (১৯৬১) নাটকখনৰ মাজেৰে। নাটকখনত নাট্যকাৰৰে জীৱনৰ সামগ্ৰিক ৰূপৰ প্ৰকাশ ঘটিছে। যাত্ৰা-পাৰ্টিৰ পৰা আৰম্ভ কৰি কথাছবি জগতলৈ সুদীৰ্ঘকাল অভিনয় কৰি শিল্পী জীৱনত লাভ কৰা ঘাত-প্ৰতিঘাতৰ অভিজ্ঞতা প্ৰসূত চিন্তাধাৰা নাট্যকাৰে কিয়? নাটকখনৰ মাজেৰে প্ৰকাশ কৰিছে। একালৰ অভিনেতা আৰু আনবালে এজন সমাজহিতৈষী সঁচা শিল্পী। এনে শ্ৰেণী বৈষম্যও নাটকত কৌশলপূৰ্ণ ভাৱে অৱতাৰণা কৰি সমাজৰ এখন নিঠুৰ বাস্তৱ ছবি নাট্যকাৰে দৰ্শক

পাঠকক অৱগত কৰাইছে। আনহাতে অসমৰ জাতীয় সংহতি বিনষ্ট হোৱাৰ সময়খিনিতেই কিয় ? ৰ দৰে এখন গহীন সামাজিক নাটক লিখি তেওঁৰ দৰে আৰ্থিক দৈন্যত ভোগা শিল্পীৰ জীৱনৰ ৰূপায়ণ কৰিছে লগতে অসমীয়া বঙালীৰ মিত্ৰতাৰ চানেকি স্বৰূপ সুবোধ চৰিত্ৰৰ সৃষ্টি কৰি অসমৰ সামাজিক জীৱনৰ উন্নতি কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ নাগ-পাশ (১৯৭৬) আৰু ক'লাবজাৰ (১৯৭৬) নাটক দুখনত স্বাৰ্থপৰতা আৰু ভ্ৰষ্টাচাৰৰ স্বৰূপ দাঙি ধৰি যুগৰ চেতনাৰে উদ্বুদ্ধ শিল্পীমনৰ পৰিচয় প্ৰকাশ কৰিছে। বঙলা গণনাট্য আজকালৰ অসমীয়া ৰূপান্তৰ এমুঠি চাউলতো ফণী শৰ্মাই দৰিদ্ৰ নিম্ন মধ্যবিত্ত শ্ৰেণীৰ সংকট ফটফটীয়াকৈ দাঙি ধৰিছে। সমাজৰ নিঃস্ব, নিমাখিত শ্ৰেণীৰ প্ৰতি থকা সহানুভূতি তথা আন্তৰিক চিন্তা তেওঁৰ নাট্যদৰ্শনৰ পৰাই ধৰিব পাৰি।

বিশ্ববিখ্যাত নাট্যকাৰ জে.বি. প্ৰিষ্টলিৰ ইংৰাজী নাটক এন্ ইন্সপেক্টৰ কলছ্ ৰ অকল অসমীয়া ভাঙনি কৰায়ে নহয়, মঞ্চসফল নাটক ৰূপেও তেওঁ পৰিচালনা কৰিছিল। মূল নাটকৰ লগত সংগতি ৰাখিয়েই এচাম স্বাৰ্থান্বেষীয়ে সমাজত কেৰোণ লগোৱাৰ উদাহৰণ দাঙি ধৰিছে নাটকৰ মূল চৰিত্ৰ চন্দ্ৰমাধৱৰ সংলাপেৰে। তেনে কেৰোণকে তেওঁ আঁতৰ কৰিব বিচাৰিছে তেওঁৰ শক্তিশালী সংলাপৰ মাজেৰে। নাটকৰ সামৰণিত শীলাৰ সংলাপত তাৰ স্পষ্টতা প্ৰমাণ হৈছে—

"সেইদিন আৰু বেছি দূৰত নাই, যিদিনা প্ৰত্যেকজন মানুহেই মোৰ এই কথাবোৰ ভাবিব লাগিব। (ফণী শৰ্মা ৰচনাৱলী, পৃ- ৩৮৮)

মায়ঙৰ বেজ (১৯৭৬) চিত্ৰ নাট্যখনতো মায়ং অঞ্চলৰ বেজালি বৃত্তিৰ ছবি এখনি দাঙি ধৰিছে।

নাটকীয় চৰিত্ৰ সৃষ্টিটো ফণী শৰ্মা সজাগ আছিল। অপ্ৰয়োজনীয় চৰিত্ৰ সৃষ্টিয়ে তেওঁৰ নাটকীয় কাহিনী ভাৰাক্ৰান্ত কৰি তোলা নাই। মূলত নথকা ভোগজৰাৰ ৰূপা, চিৰাজৰ আধোনা, ফাতেমা আদি চৰিত্ৰৰ সৃষ্টিয়ে নাটকত নাট্যোৎকণ্ঠা বজাই ৰখাত সহায় কৰিছে। ফণী শৰ্মা নিজে এজন সু-অভিনেতা আছিল বাবেই কেনে পৰিস্থিতিত নাটকীয় কাহিনীয়ে দৰ্শকক সন্মোহিত কৰিব পাৰে তাক বুজি পাইছিল। সেয়ে তেনে চৰিত্ৰৰ মাধ্যমেৰে নাটকীয় কাহিনীৰ গতিশীলতাত চমৎকাৰিত্ব আনিব পাৰিছিল। সেইদৰে প্ৰতিখন নাটকতে চৰিত্ৰৰ মনৰ ভাব প্ৰকাশক চুটি, বুদ্ধিদীপ্ত, ধ্বনিমধুৰ সংলাপ ৰচনাৰে দৰ্শক পাঠকৰ ৰসোপলব্ধিত মনোনিবেশ কৰিছিল। অসমীয়া লোকজীৱনৰ লৈতে একাত্ম হৈ পৰা গণশিল্পী গৰাকীয়ে লোক সাহিত্যৰ প্ৰচলিত ফকৰা-যোজনাবোৰো পৰিস্থিতি সাপেক্ষে নাটকীয় সংলাপত প্ৰয়োগ কৰি তাক জন-

জীৱনৰ ওচৰ চপাই আনিব পাৰিছে। অকল সেয়ে নহয়, আঞ্চলিক উপ-ভাষাৰ সু-প্ৰয়োগো তেওঁৰ নাট্যমনত অনুভূত হৈছিল। বাংলা নাট্য সাহিত্য আৰু কলিকতাৰ ৰংগমঞ্চৰ অভিনয় দৰ্শনে তেওঁৰ নাট্যচিন্তাত ভালেখিনি প্ৰভাৱ পেলাইছিল। দীনবন্ধুৰ নীলদৰ্পণ (১৮৬০) সধবাৰ একাদশী (১৮৬৬), গিৰিশ ঘোষৰ সিৰাজদ্দৌল্লা (১৯০৬), বিজন ভট্টাচাৰ্যৰ নবান্ন (১৯৪৪), সলিল সেনৰ নতুন ইহুদী (১৯৫৩) আদি নাটকৰ বাস্তৱতা আৰু সংবেদনশীলতাৰ মূলতেই হৈছে বিশেষ বিশেষ অঞ্চলৰ অধিকৃত ভাষা। ফণী শৰ্মাৰ নাটকতো চৰিত্ৰানুগ বাক্‌ভংগীয়ে নাট্যকাৰজনাৰ ৰচনা চাতুৰ্যৰ পৰিচয় সূচনা কৰিছে। তেওঁৰ কিয়? নাটকৰ গেধু, বিড়িকেনভাচাৰ, চানাচুৰবালা, নাগ-পাশৰ নিগনা, ক'লাবজাৰৰ নন্দী-ভৃংগীৰ বিশিষ্ট বাক্‌ভংগীয়ে স্বাভাৱিকতে গ্ৰাম্য জীৱনৰ চহা প্ৰাণকো আকৰ্ষিত কৰিব পাৰিছে। নাটক লিখাৰ উপৰিও কেবাখনো কথাছবি পৰিচালনা কৰি আৰু মঞ্চ নাটকৰ সমান্তৰাল ভাৱে ৰেকৰ্ড নাটিকা ৰচনা কৰি তেওঁ নাট্য সাহিত্যৰ শ্ৰীবৃদ্ধিত ৰহণি যোগাইছিল। নাট্যশিল্পৰ মাজেৰে দেশৰ জনসাধাৰণক জগাই তুলি সেই অৰ্থে দিনে-নিশাই একাগ্ৰতাৰে কাম কৰি যোৱা ফণী শৰ্মাৰ ৰচনাত সামাজিক দায়বদ্ধতা, সামাজিক চেতনাৰ প্ৰকাশ উপলব্ধি কৰিব পাৰি।

অসমৰ নাট্যজগতৰ উন্নতিৰ বাবে তেওঁ সহোদৰ স্বৰূপ বিষ্ণুৰাভাৰে সৈতে লগ লাগি দেহে-কেহে খাটি অসমৰ নগৰে-চহৰে, গাৱেঁ-ভূঁঞে শিল্পী আৰু নাট্যকৰ্মী গঢ়ি তুলিবলৈ অক্লান্ত পৰিশ্ৰম কৰিছিল। অসমৰ মঞ্চ আৰু নাট্যকলাৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ বাবে অসমীয়া জাতিক জাতীয় চেতনাৰে উদ্বুদ্ধ কৰাৰে আছিল তেওঁৰ কাম্য। তেওঁ গভীৰভাৱে উপলব্ধি কৰিছিল—

'লোক শিক্ষাৰ কাৰণে ৰংগমঞ্চ হ'ল সৰ্বশ্ৰেষ্ঠ শিক্ষালয়।' (ফণী শৰ্মা ৰচনাৱলী, পৃ- ৭৩০)

ডেৰকুৰি বছৰৰো অধিক কাল অসমৰ চুকে-কোণে, খ্যাত-অখ্যাত ভালেমান মঞ্চত অভিনয় কৰি নাট্যজগতৰ সাগৰ সদৃশ জ্ঞানেৰে তেওঁ অভীজ্ঞ হৈ উঠিছিল। স্বাধীনতাৰ পিছত অসমৰ নাট্যমঞ্চৰ বিষয়ে যিমান জ্ঞান তেওঁ আহৰণ কৰিছিল আন কোনোৱাই সিমানখিনি পাৰিছিল বুলি মনে নধৰে। বিভিন্ন মঞ্চত অভিনয় কৰি ঘূৰি ফুৰোতে কোনো কোনো মঞ্চৰ জৰাজীৰ্ণ অৱস্থা দেখি তেওঁৰ শিল্পীপ্ৰাণে হাঁহাকাৰ কৰি উঠিছিল। তেওঁৰ নাট্যচিন্তা বিজড়িত নাট্যমঞ্চৰ সমস্যা প্ৰবন্ধত তাৰেই এটি ৰূপ তেওঁ বৰ্ণনা কৰিছিল এইদৰে—

'কোনো কোনো মঞ্চৰ ওপৰৰ তক্তা ঘুণে খাই ফুটুলা কৰি পেলাইছে। কোনো

কোনো মঞ্চত অভিনয় চলি থকা অৱস্থাত ৰবৰুণ আহিলে ৰজাই সিংহাসন ৰবৰুণৰ টোপাল নপৰা ঠাইলৈ অলপ চোঁচাৰাই আনি দুনাই সিংহাসনত বহি বচন মাত্তিব লগাত পৰে। হলত উদণ্ডীয়া গৰু-ছাগলীৰ বসতি, মঞ্চত ডালশলিয়া, এন্দুৰৰ নিগাজী পট্টা। খেনোতো ৰংগমঞ্চ শুই পৰাত তাতেই আন এটা ৰংগমঞ্চ নিৰ্মাণ কৰা অৱস্থাত আধা ডুখৰীয়া হৈ বাৰ বছৰ তেনেকৈয়ে আছে। ... কোনো কোনো ৰংগমঞ্চৰ তলাত মামৰে ধৰিছে কাৰণ এবছৰেও সেই ৰংগমঞ্চৰ তলা খুলিবৰ আৱশ্যক হোৱা নাই।' (ফণী শৰ্মা ৰচনাৱলী, পৃ-৭২৫)

ৰংগমঞ্চৰ এনে বৰ্ণনাই প্ৰতিজন পাঠককে ব্যথিত কৰি তোলা স্বাভাৱিক। উপযুক্ত লোকৰ হাতত ৰংগমঞ্চৰ দায়িত্ব অৰ্পণ কৰি, নাট্যকলাৰ সম্যক জ্ঞান থকা জনক মঞ্চাধ্যক্ষ আৰু সম্পাদক নিৰ্বাচন কৰাৰ ওপৰত গুৰুত্ব দিয়া তেওঁ আছিল এজন মননশীল ব্যক্তি। তেওঁ ভালদৰে বুজি পাইছিল স্থানীয় মিল মালিকজন আৰু মক্কেলৰ প্ৰতাপত উশাহ নোপোৱা উকীলজন মঞ্চাধ্যক্ষ বা সম্পাদক হ'লে নাট্যমঞ্চৰ কিমান ক্ষতি হ'ব পাৰে! কেৱল ইঞ্জিনিয়াৰ, ঠিকাদাৰৰ আঁচনিৰ ওপৰত নিৰ্ভৰ নকৰি কলাসুলভ দৃষ্টিৰে আটকধুনীয়া মঞ্চ গঢ়ি তোলাটোহে তেওঁ বাঞ্ছা কৰিছিল। তদুপৰি, নাটক অভিনয় যিহেতু এটা দায়িত্বপূৰ্ণ কাম গতিকে তাক নিষ্ঠাৰে পালন কৰাটোও গুৰুত্বপূৰ্ণ কাম। কাৰণ অভিনয় হৃদয়স্পৰ্শী হ'লেহে তাক দৰ্শকে গ্ৰহণ কৰে। সেয়ে অভিনেতাই ৰূপ দিব খোজা চৰিত্ৰটোক গঢ় দিব লাগে কঠোৰ সাধনাৰে তাৰ বাবে লাগে নিয়মিত অনুশীলন। তেওঁ নিজে এজন সুদক্ষ অভিনেতা হোৱা সত্ত্বেও ৰূপ দিব খোজা চৰিত্ৰটোক ফুটাই তুলিবলৈ কৰিছিল কঠোৰ অনুশীলন। অকল নিজৰ ক্ষেত্ৰতে নহয়, সহ-শিল্পী সকলকো প্ৰয়োজন হ'লে বাৰে বাৰে শিকাই সাৰ্থক অভিনেতা ৰূপে গঢ়ি তোলাটো তেওঁৰ কৰ্তব্য বুলি ভাবিছিল। এনে এটি দায়িত্বশীল কৰ্ম আকৌ নিখুঁত ভাৱে পৰিচালনা কৰা পৰিচালকৰ দায়িত্বও তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। নাটক এখন মঞ্চস্থ হোৱাৰ আৰম্ভণিৰে পৰা শেষলৈকে অভিনেতাৰ পৰা দৃশ্যসজ্জা, আলোক, মঞ্চত ব্যৱহাৰ কৰা সা-সামগ্ৰী সকলোতে সমানে গুৰুত্ব দিয়া তেওঁ আছিল। এজন নিষ্ঠবান, সুক্ষ্মদৃষ্টিসম্পন্ন পৰিচালকো । তেৱেঁই ১৯৫৫ চনতে পিয়লি ফুকন কথাছবিৰ জৰিয়তে 'ৰাষ্ট্ৰপতিৰ সন্মানজনক পদক' পোৱা প্ৰথম অসমীয়া কথাছবি পৰিচালক হিচাপে অসমৰ সাংস্কৃতিক জগতলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনত ফণী শৰ্মাই যোগ দিয়া নাছিল। কিন্তু গভীৰ অন্তৰকৰণেৰে অনুভৱ কৰিছিল পৰাধীন দেশৰ অন্ধকাৰ ভৱিষ্যতৰ কথা। সাংস্কৃতিক পৰাধীনতাই যে মানৱ আত্মাক নিমূল কৰে তাক তেওঁ ভালদৰে বুজি পাইছিল। তেওঁৰ নাট্যচিন্তাত ভুমুকি মাৰিছিল পৰাধীনতাৰ দুখ-দুৰ্দশাৰ ৰূপ। জ্যোতিপ্ৰসাদৰ

'মৃত্যু গছকি আনা জয় জিনি'– গীতে তেওঁক কৰিছিল উদ্বুদ্ধ। বংগৰ মুকুন্দ দাসৰ যাত্ৰাপাৰ্টিৰ—

স্বাধীনতা হীনতাই
কে বাচিতে চাইবে

কে বাচিতে চাই– গীতে আৰু পৰাধীনতাৰ প্ৰতিচ্ছবি দাঙি ধৰা নাটকৰ সংলাপত তেওঁ হৈ পৰিছিল অভিভূত। স্বাধীনতাৰ হকে নাট্যকাৰ সকলে লিখা নতুন ধৰণৰ নাট্যৰচনাই তেওঁৰ অন্তৰত যোগাইছিল অফুৰন্ত অনুপ্ৰেৰণা। তেওঁ নিজেও স্বাধীনতাৰ বীজ লুকাই থকা টিপু চুলতান, ৰণজিৎসিংহ, মণিৰাম দেৱান, পিয়লি ফুকন আদি নাটকত অভিনয় কৰি আপোন পাহৰা হৈছিল। পিয়লি ফুকন নাটকত চাকোলা পিয়লিয়ে ডিঙিত চিপজৰী লৈ কোৱা–

'সিহঁতে মোক এবাৰ ফাঁচি দিব মই দুবাৰ আহিম; দুবাৰ ফাঁচি দিব দহবাৰ আহিম.... বগা বঙালক নেখেদো মানে জনমে জনমে ডিঙিত চিপজৰী ল'ম...।'
(পিয়লি ফুকন, পৃ-৮৮)

ইত্যাদি সংলাপত তেওঁ উত্তেজিত হৈ পৰিছিল আৰু জন-সাধাৰণো উত্তেজিত হোৱা বুলি অনুভৱ কৰিছিল। তেওঁৰ নিজৰ ভাষাতে তাৰ প্ৰকাশ ঘটিছে এনেদৰে-

'সুনিপুণ অভিনেতাই যেতিয়া এইবিলাক বচন বিভিন্ন ভাব প্ৰকাশ কৰি দৰ্শকৰ আগত অভিনয় কৰে, দৰ্শক হৈ পৰে অভিভূত– উত্তেজিত, হয় মুগ্ধ, প্ৰাণত জাগি উঠে স্বাধীনতাৰ স্পৃহা।' (ফণী শৰ্মা ৰচনাৱলী, পৃ-৭১৭)

দেশ গঠনত শিল্পী সাহিত্যিকৰ অৱিহণাৰ কথা উল্লেখ কৰি অসম সাহিত্য সভাৰ ঢিং অধিবেশনৰ সাংস্কৃতিক সন্মিলনৰ সভাপতিৰ ভাষণত তেওঁ কৈছিল যে-ৰাজনীতিবিদ সকলে আইন কানুনৰ মাজেদি দেশত শাসন প্ৰতিষ্ঠা কৰে সঁচা, কিন্তু দেশবাসীৰ হৃদয়ত শান্তি পানী ছটিয়াই প্ৰাণ প্ৰতিষ্ঠা কৰে প্ৰকৃততে সেই দেশৰ শিল্পী সকলেহে। অসমীয়া জাতিৰ গুণ গৰিমা, ভাষা-সংস্কৃতিৰ প্ৰতি থকা ভালপোৱাৰ মাজেৰে প্ৰকাশ পাইছিল তেওঁৰ অন্তৰৰ দেশাত্মবোধৰ ধাৰণা।

সময়ৰ গতিৰ লগে লগে নাটকৰ ধাৰাও হৈ পৰে ভিন্নমুখী। বৰ্তমান কৰ্মব্যস্ত জীৱনত পূৰ্ণাংগ নাটকৰ পৰিবৰ্তে এক অংকীয়া নাটকৰ জনপ্ৰিয়তাৰ কথাও এজন সৃষ্টিশীল নাট্যকৰ্মী হিচাপে তেওঁ অনুভৱ কৰিছিল। জাতি গঠনত, সমাজ গঠনত অৱিহণা যোগোৱা নাটকৰ কথা উল্লেখ কৰি তেওঁ তেওঁৰ ভাষণ প্ৰসংগত এইদৰে উল্লেখ কৰিছিল–

'যি নাটকে যুগৰ লগত খোজ মিলাই দেশৰ সমস্যাক দৰ্শকৰ সন্মুখত দাঙি ধৰিব পাৰে, জাতিক গঠন কৰাত যি নাটকে বৰঙণি যোগায়— যি নাটকে দৰ্শকক আমোদ দিয়াৰ উপৰিও চিন্তাৰ খোৰাক যোগাব পাৰে, তেনে নাটকৰে বৰ্তমান আমাৰ প্ৰয়োজন।' (ফণী শৰ্মা ৰচনাৱলী, পৃ-৭১৯)

ফণী শৰ্মায়ো সেয়ে নতুন সমাজ গঢ়াৰ কল্পনা, প্ৰগতিবাদী দৰ্শন, সমাজৰ জ্বলন্ত সমস্যাৰে দৰ্শকক চিন্তাৰ খোৰাক যোগোৱা বিষয়কে তেওঁৰ নাটকৰ বিষয় হিচাপে বাছি লৈছিল।

ফণী শৰ্মা কেৱল মাত্ৰ নাট্যশিল্পী নহয়, তেওঁ আছিল নাট্যজগতৰ এটি গৌৰৱময় অধ্যায়। ধ্যানমগ্ন যোগীৰ দৰে আজীৱন নাট্যসাধনাকে জীৱনৰ ব্ৰত কৰি লোৱা তেওঁ আছিল অসমৰ নটসূৰ্য-নাট্য জগতৰ আদিত্য।

শিল্পী দিৱস, ফণী তালুকদাৰ আৰু তেওঁৰ গান

গিয়াছউদ্দিন আহমেদ

(দৈনিক অসম, ১৭ জানুৱাৰী, ১৯৯৯)

অসমৰ মন্ত্ৰী নগেন শৰ্মাক ফণী তালুকদাৰে প্ৰায়ে কৈছিলঃ মই মৰাৰ পিছত অন্ততঃ এটা বছৰ আপোনালোকে মোক জীয়াই ৰাখিব। 'নটসূৰ্য' ফণী শৰ্মা সোঁৱৰণী সমিতি, অসম'ৰ আমি যিকেইজন জন্মদাতা, সেই সকলৰ ভিতৰত অন্যতম আছিল ফণী তালুকদাৰ। মন্ত্ৰী নগেন শৰ্মা সমিতিৰ সভাপতি ; অধ্যাপক উপেন্দ্ৰনাথ শৰ্মা, অধ্যাপক তফজ্জুল আলি, শিল্পী নীলপৱন বৰুৱা, কবি হীৰেন ভট্টাচাৰ্য, অধ্যাপক ৰমেশ পাঠক আৰু এই লেখক - সমিতিৰ মূল চালিকা শক্তি। আমি বিভিন্ন ঠাইত বৈঠকত মিলিত হওঁ। কেতিআবা যোৰপুখুৰী পাৰত, কেতিয়াবা চিৰিয়াখানাৰ ভিতৰত, কেতিয়াবা চাৰ্কিট হাউছত আৰু প্ৰায়ে ফণীদা'ৰ ঘৰত।

আমাৰ বৈঠকবোৰৰত সদায় এটা ছবি স্পষ্ট। বয়সত আটাইতকৈ সৰু হিচাপে আটাইতকৈ বেছি বক্‌বক্‌ কৰি থাকো মই। সভাপতি নগেন শৰ্মাই কম কথা কয়, শুনে বেছি— অতি বুধিয়ক মানুহৰ লক্ষণ। হীৰুদাই আৰু কম কথা কয় — যি দুই এটা কয় অৰ্জুনৰ গাণ্ডীৱৰ শৰৰ দৰে অব্যৰ্থ— সকলোৰে চেতনাক ভেদ কৰি যায়। মুখত সুমথিৰা বৰণৰ হাঁহিটো লৈ এটি নিষ্পাপ শিশুৰ দৰে অতি মৰমলগাকৈ বহি থাকে শিল্পী নীলদা— নীলপৱন বৰুৱা। প্ৰতিখন সভাতে এটাতকৈ বেছি মতামত নিদিয়ে আৰু মোক জোকাই থাকে— এনেয়ে মৰিছো খৰিৰ শাগত.....................
ড ঃ ৰমেশ পাঠক ছাৰ ৰসৰ সমাহাৰ — অতি 'ছিৰিয়াছ' আলোচনাৰ মাজতো হাঁহিৰ খোৰাক দিয়ে। তফজ্জুল আলি চাৰ গুৰু গম্ভীৰ। আনৰ মতামতক অতি শ্ৰদ্ধা কৰে— খুব প্ৰয়োজন বুলি ভাবিলেহে দুই এটা মন্তব্য দিয়ে।

গতিকে বৈঠকবোৰত আটাইতকৈ গহীন সিদ্ধান্ত লোৱা হয় উপেন্দ্ৰনাথ শৰ্মা চাৰ আৰু ফণীদা'ৰ পৰামৰ্শত। দুয়োজন বয়সস্থ— এজন অসমীয়া আৰু ইংৰাজী সাহিত্যৰ শীৰ্ষস্থানীয় সমালোচক, আনজন অসমীয়া সাহিত্যৰ লেখক, মননশীল শিল্পী। দুয়োজনে যেতিয়া ঘণ্টাৰ পিছত ঘণ্টা ধৰি আলোচনা চলাই থাকি আমাক পৰামৰ্শ দিয়ে, আমি মন্ত্ৰমুগ্ধ মানুহৰ দৰে দুয়োজনৰ মুখলৈ চাই থাকো। বিস্ময় আৰু আনন্দত অভিভূত হৈ যাওঁ।

যোৱা বছৰৰ ৩১ জুলাইত ৰবীন্দ্ৰ ভৱনত মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তই উন্মোচন কৰিলে আমি প্ৰকাশ কৰা, ফণীদাই সম্পাদনা কৰা বৃহৎ কলেৱৰৰ গ্ৰন্থ 'অসমৰ নাট্য পৰম্পৰা আৰু গতিধাৰা।' কিতাপখন প্ৰকাশৰ প্ৰস্তুতি চলিছিল প্ৰায় আঠ মাহ আগৰ পৰা। অক্লান্ত পৰিশ্ৰম কৰিলে ফণীদা'ই। মোক সদায় তাগিদা দি থকা হ'ল। কিতাপ ভাল হ'ব লাগিব বুলি। জুলাই মাহৰ প্ৰথম সপ্তাহত মোক পঢ়ি শুনালে — ৩১ জুলাই তাৰিখে কিতাপখনি উন্মোচন হোৱাৰ পিছত সম্পাদকৰ দু-আষাৰত তেওঁ কি কব। লগতে ক'লে ভ্ৰাম্যমান থিয়েটাৰ আৰু দূৰদৰ্শনৰ ছিৰিয়েলক দিবলগা 'অসম শিল্পী দিৱস সমিতি'ৰ বঁটাসমূহো সেই সভাতে দিব।

এটা 'উৰন্ত জলপ্ৰপাত'ৰ দৰে দুৰ্বাৰ হেঁপাহ ফণীদা'ৰ। কিন্তু হায়! জুন মাহৰ ২২ তাৰিখে তেওঁ মোক প্ৰায় কন্দনা মুৱা হৈ জনালে যে তেওঁ শয্যাগত— ডাক্তৰে মিটিঙলৈ যাবলৈ বাধা দিছে। আমাৰ সভাপতি মন্ত্ৰী নগেন শৰ্মাক তেওঁ বিচাৰিলে, আটাইবোৰ বিষয়ববীয়াক বিচাৰিলে। ঔষধ খোৱাৰ কথা পাহৰে কিন্তু কিতাপখনৰ কথা নাপাহৰে। তেওঁ পৰামৰ্শ দিলেঃ 'মোৰ সলনি কিতাপখনিৰ বিষয়ে ডঃ পাঠককে দু - আষাৰ ক'বলৈ দিবা।' শিল্পী দিৱস সমিতিৰ বঁটা প্ৰদান অনুষ্ঠান বাতিল কৰিলে আৰু সিদ্ধান্ত ল'লে যে ১৯৯৯ চনৰ ১৭ জানুৱাৰীত সেই বঁটা প্ৰদান অনুষ্ঠান পাতিব।

ক্ৰমাৎ ফণীদা'ৰ অসুখ বেছি হ'ল। আমি সিদ্ধান্ত ললো, তেওঁৰ অসমবাণীৰ সম্পাদকীয় আৰু নিৰ্বাচিত প্ৰবন্ধসমূহ গোটাই এখনি কিতাপ প্ৰকাশ কৰিম। সিদ্ধান্তটো যেতিয়া জনালো আনন্দত তেওঁ আপ্লুত হৈ পৰিল আৰু ক'লে যে ৩০ অক্টোবৰত মোৰ জন্মদিনৰ দিনা মোৰ ঘৰতে তোমালোকে কিতাপখন উন্মোচন কৰিবা। তেওঁৰ ইচ্ছা অনুসৰি ৩০ অক্টোবৰত 'সাম্প্ৰতিক চিন্তা' নামৰ গ্ৰন্থ খনি আমি উন্মোচন কৰিলো। কিন্তু তেওঁৰ ঘৰত নহয়, এখনি নাৰ্ছিংহ'মত। তেওঁ সেইদিনা কথা ক'ব পৰা নাছিল, দুচকুৰে কেৱল চকুপানী ওলাইছিল, চকু দুটা মুদি দীঘল দীঘলকৈ উশাহ টানিছিল।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতি ফণীদা'ৰ আছিল গভীৰ শ্ৰ... অসমৰ শিল্পীৰ প্ৰতি আছিল আন্তৰিক সমমৰ্মিতা। আজি ১৭ জানুৱাৰীত শিল্পী দিৱসৰ বঁটা দিবলৈ তেওঁ আমাৰ মাজত নাই। কিন্তু তেওঁ কোৱাৰ দৰে মৃত্যুৰ অন্ততঃ এবছৰ পিছলৈকে কিয়— বহু বছৰলৈ আমি তেওঁক জীয়াই ৰাখিম। কণকোঁৱৰৰ হৃদয়ৰ আন্তৰিক আবেদন— 'বুকুৰ তেজেৰে লিখা গীত মোৰ চকুৰ পানীৰে নমচিবা'— অকল জ্যোতিপ্ৰসাদৰে নহয়, ফণী তালুকদাৰৰ পৰা নীলপৱন বৰুৱালৈকে সকলোৰে ই কাতৰ আবেদন। সেই আবেদনক আমি সদায় শ্ৰদ্ধা জনাম।

চতুর্থ অধ্যায়

।। নগেন শর্মার নিজর লেখা ।।

।। রাতরি কাকতর পরা উদ্ধৃতি ।।

লোক-সংস্কৃতি অধ্যয়নৰ প্ৰয়োজনীয়তা

নগেন শৰ্মা

লোক-সংস্কৃতি বা জন-কৃষ্টি অথবা লোকযান বা লোকবাৰ্তা আদি ভাৰতীয় পৰিভাষাৰে পৰিচিত ফোকল'ৰ (Folklore) অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰাৰ পূৰ্বে এইবিধ ঐতিহাসিক বিজ্ঞানৰ উৎপত্তি-বিকাশ-অগ্ৰগতি সম্পৰ্কে আলোচনা কৰা উচিত হ'ব।

লোক-সংস্কৃতি বা জন-কৃষ্টি মানব যেতিয়াৰেপৰা আছে তেতিয়াৰেপৰা আছে; কিন্তু ইয়াৰ চিন্তা-চৰ্চাহে ঊনবিংশ শতিকাৰপৰা আৰম্ভ হৈছে। এই ক্ষেত্ৰত ফৰাচী বিপ্লৱৰ সুদূৰপ্ৰসাৰী ভূমিকা অস্বীকাৰ কৰিব নোৱাৰি। ফৰাচী বিপ্লৱে ইউৰোপত মানব আৰু মানবীয় মূল্যবোধ সম্পৰ্কে অভিনৱ ধ্যান-ধাৰণাৰ সৃষ্টি কৰে। ইয়াৰ পৰিণতিত সেই সময়ৰ ইউৰোপৰ পণ্ডিতসকলৰ অন্তৰত জনসাধাৰণৰ দ্বাৰা সৃষ্ট সাংস্কৃতিক উৎপাদনৰাজিৰ প্ৰতি আকৰ্ষণ জগাই তোলে। পণ্ডিতসকলৰ অতীতমুখী প্ৰৱণতাৰ আধাৰত লোক-সংস্কৃতিৰ চিন্তা-চৰ্চাৰ আৰম্ভণি পৰ্বৰ বুনিয়াদ নিৰ্মিত হৈছে।

গ্ৰীম ভাতৃদ্বয়ৰ কথা এই প্ৰসংগত স্বীকাৰ কৰিও ক'ব লাগিব যে, এই দুগৰাকী পণ্ডিতৰ পূৰ্বে জাৰ্মান দেশীয় পণ্ডিত হাৰডাৰ-এ (Herder) Vilkslied, Volkeels, Volkglaube আদি পৰিভাষা খৃঃ অষ্টাদশ শতিকাৰ শেষৰফালে প্ৰয়োগ কৰিছিল। জাৰ্মান ভাষাত ব্যৱহৃত Volk শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'folk' আৰু 'folk' ৰ অৰ্থ লোক বা জন। এইফালৰ পৰা হাৰডাৰ-এ প্ৰয়োগ কৰা Volkslied, Volksseels, Volksglaybe আদি পদৰ ইংৰাজী অৰ্থ যথাক্ৰমে folk song (অৰ্থাৎ লোকগীত), folk soul (অৰ্থাৎ লোকআত্মা) আৰু folk belief (অৰ্থাৎ লোকবিশ্বাস)। হাৰডাৰ-এ জাৰ্মান দেশত প্ৰচলিত আৰু জাৰ্মান ভাষাত ৰচিত লোকগীতসমূহ সংগ্ৰহ কৰি সেইবোৰৰ এটা সংগ্ৰহ প্ৰস্তুত কৰি Stimmender Volker in Liedein নামেৰে খৃঃ ১৭৭৮-১৭৭৯ চনৰ ভিতৰত ছপা কৰিছিল। অৱশ্যে লোক বিদ্যা বিজ্ঞানৰ কালৰপৰা এই গ্ৰন্থখনে বিশেষ কিবা গুৰুত্ব বহন কৰিছে বুলি কোৱা টান।

লোকবিদ্যা বিজ্ঞানৰ কালৰপৰা গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হোৱা গ্ৰন্থ ৰচনা কৰে আমি আঙুলিয়াব লাগিব জাৰ্মান দেশৰ বিখ্যাত পণ্ডিত গ্ৰীম ভ্ৰাতৃদ্বয়লৈ।

গ্ৰীম ভাতৃদ্বয় হৈছে জেকব গ্ৰীম আৰু ইউলিয়াম গ্ৰীম। তেওঁলোকেও হাবডাৰ দৰে লোক-সংস্কৃতি বা জন-কৃষ্টিক সূচাবৰ বাবে Volkskunde পৰিভাষাটো ব্যৱহাৰ কৰিছিল। Volk Skunde অভিধাটোৱে মুখে মুখে প্ৰচলিত গীত-পদ, কাহিনী-কথা, বিশ্বাস আদিকহে সূচাইছিল, লোক-জীৱনক সূচোৱা নাছিল। গ্ৰীম ভ্ৰাতৃদ্বয় আছিল ভাষা বিজ্ঞানী। আচলতে ভাষা বিজ্ঞানী হ'ব নোৱাৰিলে ভাল লোক-সংস্কৃতিবিদো হ'ব নোৱাৰি। তেনেদৰে লোক সংস্কৃতিবিদ হ'ব নোৱাৰিলেও ভাল ভাষা-বিজ্ঞানী বা ভাষাবিদ হ'ব নোৱাৰি। গ্ৰীম ভ্ৰাতৃদ্বয় আছিল ভষা বিজ্ঞানী আৰু ভাষা বিজ্ঞানৰ দৃষ্টিভংগীৰেই তেওঁলোকে জাৰ্মান দেশৰ লোক-সংস্কৃতিৰ বিশেষকৈ লোক-কথা অধ্যয়ন কৰিছিল। তেওঁলোকে সংগ্ৰহ কৰা জাৰ্মান দেশীয় লোক-কথাবোৰ সংগ্ৰহ কৰি সেইবোৰ খৃঃ ১৮১২ চনত Deutsche Kinder Und Housmarchen (অৰ্থাৎ Tales for the children and the Family) নামেৰে ছপা কৰে। এই গ্ৰন্থখনিত সন্নিবিষ্ট লোক-কথাসমূহ ইংৰাজী ভাষালৈ অনুবাদ কৰা হৈছিল আৰু এইবোৰ একেলগে Household Tales নামেৰে ছপা হোৱা দেখা যায়।

জাৰ্মান দেশত ভাষা বিজ্ঞানৰ দৃষ্টিভংগীৰে লোক-সংস্কৃতিৰ সমল সংগ্ৰহ আৰু বিচাৰ-বিশ্লেষণ কৰি থকাৰ সময়তেই ইংলণ্ডত পুৰাতাত্ত্বিক দৃষ্টিভংগীৰে বৃটিছ পুৰাতাত্ত্বিকসকলে লোক-সাংস্কৃতিক সমলবোৰ সংগ্ৰহ কৰি বিচাৰ-বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছিল। বৃটিছ পুৰাত্ত্বিকসকলৰ মাজৰে এগৰাকী নামজ্বলা পণ্ডিত হৈছে উইলিয়াম জন থমছ্ (William John Thoms)। তেওঁৰ অতিকৈ প্ৰশংসনীয় অৱদান হ'ল—তেওঁলোকে সংস্কৃতিৰ চিন্তা-চৰ্চাৰ পথটো সুনিৰ্দিষ্ট কৰাৰ উদ্দেশ্যৰে "Folk-lore" পৰিভাষাটো খৃঃ ১৮৪৬ চনৰ ২২ আগষ্টত প্ৰয়োগ কৰে। বিশ্বৰ পণ্ডিতসকলে বিনাদ্বিধাই এই পৰিভাষাটো গ্ৰহণ কৰে। উইলিয়াম জন থমছৰ আগৰ বা সমসাময়িক পণ্ডিতসকলে এই প্ৰসংগত ব্যৱহাৰ কৰা বিভিন্ন পৰিভাষাবোৰ; যেনে—Volk, Skunde, 'Popular antiquities' (অৰ্থাৎ 'জনপ্ৰিয় পুৰণি তথ্যাদি') আছিল অস্পষ্ট আৰু কষ্টসাধ্য। গতিকে নতুন পৰিভাষা 'Folklore' —এ এই সকলোবোৰৰে অস্পষ্টতা দূৰ কৰিবলৈ সক্ষম হৈছিল।

লোক-সংস্কৃতি বা Folklore —ৰ চিন্তা-চৰ্চাই পৃথিৱীৰ সৰ্বত্ৰতে জনপ্ৰিয়তা লাভ কৰিবলৈ লোক-সংস্কৃতিৰ অধ্যয়ন হ'বলৈ ধৰিলে। এইবোৰ দেশত লোক-সংস্কৃতি বিষয়ক অনুষ্ঠান-প্ৰতিষ্ঠান আদি প্ৰতিষ্ঠা কৰা হ'ল—যাৰ উদ্দেশ্য আছিল সংঘবদ্ধভাৱে লোক-সংস্কৃতিৰ চিন্তা-চৰ্চা কৰা। এই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ ভিতৰত তলত উল্লেখ কৰা কেইটা বিশেষভাৱে উল্লেখযোগ্য; যেনে—.

(ক) Finish Literature Society, প্ৰতিষ্ঠা কৰা হৈছিল খৃঃ ১৮৩১ চনত।

(খ) English Folklore Society, এই অনুষ্ঠানটো প্ৰতিষ্ঠিত হৈছিল খৃঃ ১৮৭৮ চনত। এই অনুষ্ঠানটো Folklore Society of London নামেৰেও পৰিচিত।

(গ) American Folklore Society, এই অনুষ্ঠানটো প্ৰতিষ্ঠা কৰা হৈছিল খৃঃ ১৮৮৮ চনত।

মুঠতে অতি কম সময়ৰ ভিতৰতে লোক-সংস্কৃতি অধ্যয়নে এক আন্দোলনৰ দৰে (Folklore-Movement) সমগ্ৰ বিশ্বতে বিয়পি পৰিল।

এই প্ৰসংগত কথা হ'ল ঊনবিংশ শতিকাৰ পণ্ডিতসকলে 'লোক' বা 'Folk' পদটো যিদৰে প্ৰয়োগ কৰি আহিছে তাৰ পৰা আমি ক'ব লাগিব যে সেইসকল পণ্ডিতে লোক বা Folk-ৰ সুকীয়া অস্তিত্ব আছে বুলি কোৱা নাই, ই পৰনিৰ্ভৰশীল বুলিহে কৈছে। তেওঁলোকে লোক বা Folk-ৰ সূত্ৰ দিছে আন লোকগোষ্ঠীৰ সৈতে তুলনা কৰি, অথবা বৈপৰীত্যত। তেওঁলোকৰ দৃষ্টিত লোক বা Folk এক জনগোষ্ঠী, তেওঁলোকক সমাজৰ নিম্নস্তৰ আখ্যা দিব পাৰি। তেওঁলোক সমাজৰ প্ৰমাৰ্জি স্তৰ 'Vulgus in Populo'। সন্দেহ নাই পণ্ডিতসকলে অভিজাত বা সমাজৰ উচ্চ স্তৰৰ প্ৰতি দৃষ্টি ৰাখিহে 'লোক' পৰিভাষাৰ ব্যাখ্যা দিছিল। আনকি 'লোক' বা 'Folk' সকল সভ্য সমাজৰ অসভ্য সমল বুলিও তেওঁলোকে মন্তব্য প্ৰকাশ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। অন্যহাতে Folk গোষ্ঠীক আদিম গোষ্ঠীৰ সৈতে অভিন্ন বুলিও তেওঁলোকে কোৱা নাই; উভয়ৰে মাজত তেওঁলোকে পাৰ্থক্যও লক্ষ্য কৰিছে। তেওঁলোকৰ মতে আদিম সমাজ, লোক-সমাজতকৈও নিম্ন স্তৰৰ। আদিম সমাজ আৰু অভিজাত বা শিষ্ট সমাজৰ মাজত লোক সমাজৰ স্থান বুলিও তেওঁলোকে ক'বলৈ ভ্ৰূক্ষেপ কৰা নাই। তেওঁলোকৰ এই মন্তব্যৰ আধাৰত আদিম লোক আৰু অভিজাত সমাজৰ স্থিতি এনেদৰে দেখুৱাব পাৰি; যেনে—

০ আদিম —> ০ লোক <—০ অভিজাত

সেইসকল পণ্ডিতৰ মতে লোক-সমাজ অতীতমুখী, পিছপৰা আৰু তেওঁলোকৰ সমাজক কৃষক সমাজ বোলাত কোনো আপত্তি উঠিব নোৱাৰে। লোক-সমাজে বসবাস কৰে সভ্যতাৰ শেষ সীমাত। লোক-সমাজ সাক্ষৰ সমাজৰ ভিতৰতে বসবাস কৰি অহা অনাখৰী লোক। আদিম সমাজক প্ৰাক-সাক্ষৰ সমাজ বুলিলেও কোনো ক্ষতি নহয়। প্ৰাক-সাক্ষৰ পৰিভাষাৰ সলনি অ-সাক্ষৰ পৰিভাষাটো ব্যৱহাৰ কৰিব পাৰি। আকৌ প্ৰগতিশীল সমাজ, অনুন্নত সমাজ আদি পৰিভাষাৰেও অভিজাত আৰু

লোকসমাজৰ মাজত থকা পাৰ্থক্য দেখুৱাই দিব পাৰি। লোক বা লোক-সমাজৰ বিষয়ে যি সূত্ৰ দিয়া হৈছে—এই সূত্ৰৰ সাৰ্থকতা প্ৰতিষ্ঠা কৰিব পৰা হ'ব শিক্ষিত সমাজতহে। লোকসমাজৰ কোনো এজন সদস্যই হয়তো লিখিব বা পঢ়িব নোৱাৰিব পাৰে আৰু সেইকাৰণে তেওঁক লোক বা Folk বোলা নাই। তেওঁক লোক বা Folk বোলা হৈছে— যিহেতু তেওঁ শিক্ষিত সমাজত বসবাস কৰি আছিছে। সেইদৰে লোক-সমাজক গঞা সমাজো আখ্যা দিয়া দেখা যায়। নগৰীয়া আৰু গঞাৰ মাজতো অনেক পাৰ্থক্য এইসকল পণ্ডিতে দেখিবলৈ পাইছে। সেইদৰে চহৰীয়া বা নগৰীয়াসকলৰ লগতো গঞা সমাজৰ বৈপৰীত্য পৰিদৃষ্ট নোহোৱাকৈ নাথাকে। আদিম সমাজৰ সৈতে নগৰ বা চহৰৰ কোনো সম্পৰ্ক নাই, গতিকে তেওঁলোকক গঞা বুলিব নোৱাৰি।

স্বৰূপাৰ্থত আদিম, অসভ্য, সভ্য, সুসভ্য আদি পৰিভাষাবোৰ সাংস্কৃতিক ক্ৰমবিকাশৰ পৰিণতি মাথোন। এই স্তৰবোৰ প্ৰায়বিলাক মানৱগোষ্ঠীয়েই অতিক্ৰম কৰিবলৈ বাধ্য হৈছে। লোক-সমাজ আদিম সমাজতকৈ উন্নতৰ হ'লেও লোকসমাজে বৰ্তমানেও সভ্যতাৰ স্তৰত পদনিক্ষেপ কৰিব পৰা নাই। আদিম সমাজৰ সাংস্কৃতিক উত্তৰ জীৱিতাৰ অনেক উপাদান লোক-সমাজত ৰক্ষিত হৈ আছিছে। অভিজাত বা শিষ্টসকলে তেওঁলোকৰ প্ৰায় সন্নিহিত এটি লোক গোষ্ঠীৰ পৰা উদ্ভৱ হোৱা বা তেওঁলোকৰ সাংস্কৃতিক উপাদান বা পৰম্পৰা গ্ৰহণ কৰা বুলি ক'বলৈ বেয়া নাপায়। পিছে সেই পৰম্পৰাৰ আভাস কিন্তু আদিম সমাজতো পোৱা যায়। মুঠতে, এই ধৰণৰ তুলনামূলক অধ্যয়ন আৰু ঐতিহাসিক পুনৰ্গঠনৰ জৰিয়তে আদিম-অসভ্য-বৰ্বৰ-লোক-অভিজাত-সভ্য-নগৰীয়া-চহৰীয়া আদিৰ মাজত সাংস্কৃতিক সম্পৰ্ক দেখুৱাব পাৰি।

ঊনবিংশ শতিকাৰ পণ্ডিতসকলৰ অৱধাৰণৰ আধাৰত আদিম লোক আৰু অভিজাতৰ বৈশিষ্টসমূহ তলত দিয়াৰ দৰে দেখুৱাব পাৰি; যেনে—

আদিম	লোক/কৃষক	সভ্য/অভিজাত/শিষ্ট
প্ৰাক স্বাক্ষৰ বা অনাখৰী	অনাখৰী	শিক্ষিত
	গঞা	নগৰীয়া
	সমাজৰ নিম্নস্তৰ	সমাজৰ উচ্চস্তৰ

ঊনবিংশ শতিকাৰ পণ্ডিতসকলে সভ্য বা শিষ্ট বা অভিজাতৰ সৈতে সম্পৰ্ক

বক্ষা কৰিহে 'লোক' বা 'Folk' অভিধাটোৰ সূত্ৰ বা ব্যাখ্যা দিবলৈ যত্ন কৰিছে। তেওঁলোকৰ ধাৰণা যে, অভিজাত বা শিষ্টসকল থকা ঠাইতহে লোক বা 'folk' থাকিব। ইউৰোপৰ এই পণ্ডিতসকলৰ দৃষ্টিত জগতৰ বৃজন অঞ্চলত সভ্যতাৰ পোহৰ পৰা নাই, গতিকে সেইবোৰ অঞ্চলত শিক্ষিত বা অভিজাত বা শিষ্ট লোক নাই, গতিকে সেইবোৰ অঞ্চলত 'লোক' বা 'Folk' নাই, গতিকে সেইবোৰ অঞ্চলত লোক-সংস্কৃতি বা Folklore নাই। উত্তৰ আৰু দক্ষিণ আমেৰিকাৰ ভাৰতীয়সকল (America Indians), অষ্ট্ৰেলিয়াৰ আদিমবাসী, আফ্ৰিকাৰ খিলঞ্জীয়া লোকসকল, এচিয়া মহাদেশৰ আদিম লোকসকল সুসভ্য নাছিল, গতিকে তেওঁলোকৰ মাজত 'লোক' বা 'Folk' নাই, গতিকে তেওঁলোকৰ মাজত লোক-সংস্কৃতিও নাই।

ওপৰৰ আলোচনাৰ পৰা আমি সহজে বুজিব পাৰোঁ যে ঊনবিংশ শতিকাৰ ইউৰোপীয় পণ্ডিতসকলে 'লোক' বা 'folk' পদটোৰদ্বাৰা ইউৰোপীয় কৃষকসকলকহে বুজাইছিল। আনকি সাম্প্ৰতিক কালৰ কোনো কোনো ইউৰোপীয় পণ্ডিতেও লোক-সংস্কৃতিৰ চিন্তা-চৰ্চাৰ মূল লক্ষ্য ইউৰোপীৰ কৃষকসকলৰ জীৱন আৰু সমাজ বুলি ভাবে। এইসকল পণ্ডিতে সেই কৃষকসকলৰ সামগ্ৰিক জীৱনৰ বিচাৰ-বিশ্লেষণক লোক-সংস্কৃতি বুলি ক'ব খোজে। এইসকল লোক-সংস্কৃতিবিদে সেই কৃষকসকলৰ মাজত প্ৰচলিত গীত-পদ, বেলাড-সাধুকথা, যোজনা-পটন্তৰ, সাঁথৰ-দিষ্টান আদিৰ অধ্যয়নত গুৰুত্ব দিব নোখোজে। এইসকল ইউৰোপীয় লোক-সংস্কৃতিবিদে ইউৰোপৰ কৃষকসকলৰ লোক-জীৱনৰ (folk life) অধ্যয়নতহে গুৰুত্ব দিয়ে, তেওঁলোকে কৃষকসকলৰ মৌখিক বা বাচিক কলাৰ অধ্যয়নত গুৰুত্ব নিদিয়ে। গতিকে ইউৰোপৰ এই পণ্ডিতসকলৰ তথাকথিত লোক-সংস্কৃতি অধ্যয়নক আমেৰিকাৰ নৃতত্ত্ববিদসকলে কোনোৱে নিচিনাকৈ নৃবৃত্ত (ethnography) বুলিব পাৰি। অৱশ্যে নৃবৃত্ত অধ্যয়নৰ পৰিসৰ অন্ততঃ আমেৰিকাৰ নৃতত্ত্ববিদসকলৰ দৃষ্টিত ব্যাপক; যিহেতু পৃথিৱীৰ যিকোনো অঞ্চলৰ যিকোনো জনগোষ্ঠীৰ ক্ষেত্ৰতেই নৃবৃত্তগত অধ্যয়ন হ'ব পাৰে; বিশেষ এটা গোষ্ঠী বা সম্প্ৰদায়ে বা দল বা জাতি বা উপজাতিৰ মাজত এই অধ্যয়ন সীমিত নাথাকে।

ইউৰোপৰ লোক-সংস্কৃতিবিদসকলে ঊনবিংশ শতিকাত আগবঢ়োৱা 'লোক' বা 'folk' পৰিভাষাৰ যি সূত্ৰ দিছিল, সেই সূত্ৰৰ পৰিসৰ অত্যন্ত ঠেক আছিল, তাত সন্দেহ নাই, যিহেতু ইউৰোপৰ কৃষকসকলেই কেৱল লোক বা folk হ'ব নোৱাৰে। ইউৰোপৰ লোক সংস্কৃতিবিদসকলে ঊনবিংশ শতিকাত লোক বা folk সম্পৰ্কে

আগবঢ়োৱা সূত্ৰ বাখ্যাৰ প্ৰভাব বিংশ শতিকাত নিস্তেজ হৈ গৈছে বুলি ক'ব নোৱাৰি; যিহেতু বিভিন্ন লেখা বা আলোচনাত অথবা বিশ্লেষণত ইয়াৰ স্থিতি কম-বেছি পৰিমাণে উপলব্ধি কৰিব পাৰি। আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ অধিবাসীসকলৰ মুখ পৰম্পৰা প্ৰচলিত সংগীতক লোক-সংগীত আখ্যা দিব পাৰি। তেনেদৰে অষ্ট্ৰেলিয়াৰ আদিম অধিবাসীসকলৰ সংগীতকো লোক-সংগীত আখ্যা দিব পাৰি। সেইদৰে অৰুণাচলৰ ওৱাংচো বা নগাভূমিৰ জেমি নগাসকলৰ পৰম্পৰাগত হস্তশিল্পক লোকশিল্প আখ্যা দিয়াত কোনো ধৰণৰ আপত্তি উঠিব নোৱাৰে। এই ক্ষেত্ৰত কিন্তু ইউৰোপৰ লোক-সংস্কৃতিবিদসকলে অন্য মত পোষণ কৰে। তেওঁলোকৰ মতে লোক-সংগীত আৰু লোক-কলা ইউৰোপীয় সংস্কৃতি বা এই সংস্কৃতি প্ৰসূত সমাজতহে প্ৰচলিত, আন সংস্কৃতিত ইয়াৰ প্ৰচলন নাথাকিব পাৰে; অৰ্থাৎ লোক সংগীত বা লোক-কলা কেৱল ইউৰোপৰ কৃষকসকলৰ মাজতহে সীমিত। অৱশ্যে তেওঁলোকৰ দৃষ্টিত ইউৰোপৰ কৃষকসকলৰ বাহিৰেও আন আন সংস্কৃতিতো সাধুকথা থাকিব পাৰে; যিহেতু সাধুকথাবোৰ সংস্কৃতি অতিক্ৰমী। ইউৰোপীয় লোক-সংস্কৃতিবিদসকলে পোষণ কৰা ধাৰণা মতে আমেৰিকাৰ ৰেড ইণ্ডিয়ানসকলৰ মাজত মুখে মুখে গীত-পদ চলি থকা নাই বুলি কোনো দিনে কোৱা নাই, গীত-পদ চলি আছে; কিন্তু সেই গীত-পদক লোক-সংগীত বুলিব নোৱাৰি; যিহেতু সেইবোৰ আদিম সংগীতহে। অনেক ক্ষেত্ৰত আদিম সংগীতক বুজাবলৈ তেওঁলোকে 'অপশ্চিমীয়া' গীত-পদ বুলিও ক'ব খোজে। লেটিন আমেৰিকাত ঊনবিংশ শতিকাৰ বৃটিছ লোক-সংস্কৃতিবিদসকলৰ নিৰ্চিনাকে কৃষকসকলক লোক বোলা সূত্ৰটোৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। আদিম সমাজৰ সংস্কৃতিক লোক-সংস্কৃতি বুলিব পাৰিনে নোৱাৰি এই বিষয়ে খৃঃ ১৯৪৮ চনত আমেৰিকাৰ এগৰাকী লোক-সংস্কৃতিবিদ (Ralph Steel Goggs) আৰু আৰ্জেণ্টিনাৰ আন এগৰাকী লোক সংস্কৃতিবিদৰ (Bruno C Jeacovell) মাজত দুৰ্যোৰ তৰ্ক লাগিছিল। আমেৰিকাৰ লোক সংস্কৃতিবিদ গৰাকীয়ে স্পষ্ট ভাষাৰে কৈছিল যে, যদি 'লোক বা 'Folk' পদটোৱে পোনতে ইউৰোপৰ কৃষকসকলকহে বুজোৱা হৈছিল; তথাপি পৰৱৰ্তী কালত 'লোক' বা 'Folk' ৰ বিস্তৃত পৰিসৰে আদিমসকলকো সামৰিছিল। জি.এম. থিয়েলৰ (G.M. Theal) Kaffir Folk-lore নামৰ গ্ৰন্থখনত 'লোক' বা 'Folk' পদটো বিস্তৃত অৰ্থত প্ৰয়োগ কৰা হৈছে। বিংশ শতিকাৰ আদি ভাগত বৃটিছ লোক সংস্কৃতিবিদসকলেও 'লোক' বা 'Folk' পদটো বিস্তৃত অৰ্থত প্ৰয়োগ কৰিবলৈ প্ৰয়াস কৰিছিল। খৃঃ ১৯১৪ চনত বৃটিছ পণ্ডিত বাৰ্ণ-এ লোক-

সংস্কৃতিৰ অৰ্থাৎ Folklore ৰ সূত্ৰ এনেদৰে দিছিল; যেনে—

লোক-সংস্কৃতি বা Folklore এটা বৰ্গীয় অভিধা (বৰ্গ অভিধা)। এই অভিধাটোৰ পৰিসৰে পৰম্পৰাগত বিশ্বাস, আচাৰ, কথা-কাহিনী, গীত-পদ আৰু লোকোক্তি আদি সামৰে, যিবোৰ পিছপৰা বা অনুন্নত লোক বা সংস্কৃতিহীন (অসভ্য?) লোকৰ মাজত প্ৰচলিত।

আৰ্জেন্টিনাৰ লোক-সংস্কৃতিবিদ Bruno C. Jacovell-ৰ মতে আমেৰিকাৰ ৰেড ইণ্ডিয়ানসকলৰ সাংস্কৃতিক অধ্যয়ন নৃবৃত্ত বা নৃতত্ত্বৰ শাখাতহে সামৰা হয়, গতিকে তেওঁলোকক অৰ্থাৎ আমেৰিকাৰ ইণ্ডিয়ানসকলক লোক-সংস্কৃতিবিদসকলে লোক বা 'Folk' গোষ্ঠীৰ পৰিসীমাৰ অন্তৰ্ভূক্ত কৰিবলৈ অপচেষ্টা নকৰাই ভাল হ'ব।

লোক বা Folk-ৰ ঠেক সূত্ৰটোৱে যে আদিমসকলকেই কেৱল বাদ দিছে তেনে নহয় চহৰীয়া বা নগৰীয়াসকলকো বাদ দিছে। এই বিষয়ত আমেৰিকাৰ নৃতত্ত্ববিদসকল আছিল একক পৰিমাণে মুক্ত আৰু সেইবাবে বৃটিছ পণ্ডিতসকলে আমেৰিকাৰ পণ্ডিতসকলক ভৰ্ৎসনা বা তিৰস্কাৰ কৰিবলৈও পাহৰা নাছিল।

বৃটিছ নৃতত্ত্ববিদ ৰবাৰ্ট ৰেডফিল্ডৰ দৃষ্টিত লোক আৰু নগৰীয়া উভয়ৰ মাজতে বৈপৰিত্যপূৰ্ণ স্থিতি লক্ষ্য কৰা যায়। দুয়োৰে মাজত আছে অনবচ্ছেদ্যতা। ৰেডফিল্ডৰ যুক্তি মানি ল'লে আমি চহৰীয়া বা নগৰীয়া লোক-সংস্কৃতিৰ ধাৰণাটো কোনো ক্ষেত্ৰতে পৰিহাৰ কৰিব নোৱাৰো; যিহেতু যোগাযোগৰ সুবিধা হোৱা হেতু বা অৰ্থনৈতিক দিশত অধিক সা-সুবিধা থকা হেতু বুজন সংখ্যক গঞা লোক বা খেতিয়ক নগৰলৈ বা চহৰলৈ যায়। তাত তেওঁলোকে দিন হাজিৰা কাম কৰে, পাচলি-হাঁহ-পাৰ-কণী আদি বিক্ৰী কৰে, সৰু-সুৰা পাণ-তামোলৰ দোকান দিয়ে, আনকি গিৰিয়েক-ঘৈণীয়েক উভয়ে গাঁৱৰ পৰা গৈ চহৰৰ চুকে-কোণে চাহৰ হোটেল বা ভাতৰ হোটেল দিছে। গাঁও আৰু চহৰৰ মাজত যিমানদূৰ পাৰি সম্পৰ্ক ৰাখি অন্ন-জলপান, আঞ্জা-ব্যঞ্জন আদিও প্ৰস্তুত কৰি নানা কাৰণবশতঃ গাঁৱৰ পৰা চহৰলৈ যোৱা মানুহকেই খুৱাইছে। গাঁৱৰ পৰা জীৱিকাৰ সন্ধান বিচাৰি যোৱা এইসকল লোকৰ গঞা-সংস্কৃতিৰ জৰিয়তে চহৰীয়া বা নগৰীয়া সংস্কৃতিও কিছু পৰিমাণে প্ৰভাৱান্বিত হোৱা দেখা যায়। গঞা সমাজত প্ৰচলিত অনেকে গীত-মাত, আচাৰ-অনুষ্ঠান, উৎসৱ-পাতি, খেল-ধেমালি, উৎসৱ-অনুষ্ঠান আদিয়ে নগৰ বা চহৰত লাভ কৰিছে বিজয়। ইয়াৰ প্ৰত্যক্ষ উদাহৰণ হ'ল বঙালী বিহু।

এইদৰে চালে দেখা যায় যে লোক বা 'Folk' অভিধাটো ঐতিহাসিক অভিধা,

ইয়াৰ এটা বিশেষ সীমা বা পৰিসৰ বা কাল বা প্ৰসংগ আছে বুলি ক'ব নোৱাৰি; যিহেতু যুগে যুগে দেশী, প্ৰাকৃত, জন, গওল, লোক আদি শব্দ চলি আহিছে—মানৱ সমাজত। গতিকে লোক বা Folk যুগ সাপেক্ষ পৰিভাষা নহয়, যুগ নিৰপেক্ষ পৰিভাষাহে। সেইবাবে বিংশ শতিকা বা একবিংশ শতিকাতো লোক বা 'Folk'-ৰ অভিধাৰণা চলি থাকিব। যিকোনো দেশৰ, যিকোনো সংস্কৃতিৰ যিকোনো শ্ৰেণীৰ মানুহেই লোক বা গোষ্ঠী হ'ব পাৰে। তেওঁলোকৰ মাজত উমৈহতীয়া কিবা এটা বৈশিষ্ট থাকিলেই এই বৈশিষ্ট্যবোৰ ধৰ্ম, ভাষা, ব্যৱসায় আদিৰ সৈতে জড়িত হৈ থাকে। এইবোৰেই আচলতে পৰম্পৰা। পৰম্পৰা নিৰ্ভৰশীল সমাজেই লোক সমাজ। পৰম্পৰাৰ মৃত্যু নাই, পৰিবৰ্তন আছে, ই এক কঠোৰ বন্ধন নহয়, ই ঐতিহাসিক চেতনাহে। গতিকে মাছমৰীয়াসকলৰ দল এটা যিদৰে লোক বা লোক-সমাজ হ'ব পাৰে, তেনেদৰে বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ মাজতো যদি সেই উমৈহতীয়া বৈশিষ্ট্য থাকে তেনেহ'লে তেওঁলোকো হ'ব এটি লোক-গোষ্ঠী বা এখন লোক-সমাজ।

লোক-সমাজত প্ৰচলিত মৌখিক পৰম্পৰা নিৰ্ভৰশীল উপাদানৰাজিয়েই লোক-সংস্কৃতি। লোক-সংস্কৃতিৰ উপাদানৰাজি মুখে মুখে চলি থাকে; কিছুমান আকৌ কাণেৰে শুনি মনত ৰখা হয়। কিছুমান চকুৰে চাই মনত ৰখা হয় বা শিকা হয়; কিছুমান জিভাৰে জুতিৰ সহায়ত শিকা হয় (আঃ আস্বাদন বৰ সোৱাদ হৈছে); কিছুমান ছালেৰে স্পৰ্শ কৰি জনা যায়। মুঠতে শ্ৰুতি, স্মৃতি, গন্ধ-স্পৰ্শ আদিৰ মাধ্যমেৰে লোক-সংস্কৃতি চলি থাকে পীৰিয়ে পীৰিয়ে। এই কাৰণেই লোক-সংস্কৃতিক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি—মৌখিক (Verbal) আৰু অ-মৌখিক (non-verbal)। মৌখিক শ্ৰেণীৰ ভিতৰত ধৰিব পাৰি মুখে মুখে চলি থকা গীত-পদ, সাধুকথা, জনশ্ৰুতি, যোজনা-পটন্তৰ-দিষ্টান, মন্ত্ৰ আদি আৰু অ-মৌখিকবোৰেই হৈছে খেল-ধেমালি, নৃত্য, নাচ, ভেষজ ঔষধ-পাতি, বস্তু বা ভৌতিক সংস্কৃতি। এই দুটা প্ৰধান বৈশিষ্ট্যলৈ লক্ষ্য কৰি লোক-সংস্কৃতিক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি—(ক) মৌখিক লোক-সংস্কৃতি বা লোক-সাহিত্য বা মৌখিক সাহিত্য, (খ) লোক-জীৱন।

লোক-সংস্কৃতি সামাজিক ব্যাপাৰ আৰু সামাজিক ব্যাপাৰ হিচাপে মানৱ সমাজ যেতিয়ালৈকে জীয়াই থাকিব তেতিয়ালৈকে লোক-সংস্কৃতি জীয়াই থাকিব আৰু সামাজিক ব্যাপাৰ হিচাপে লোক-সংস্কৃতিয়ে সমাজৰ বিভিন্ন কাৰ্য বা প্ৰকাৰ্য সাধন কৰি আহিছে আৰু সেই কাৰ্য বা প্ৰকাৰ্যৰ ওপৰতেই লোক-সংস্কৃতি অধ্যয়নৰ প্ৰয়োজনীয়তা বা তাৎপৰ্য নিৰ্ভৰ কৰিছে।

লোক-সংস্কৃতি অধ্যয়নৰ প্ৰয়োজনীয়তা

লোক-সংস্কৃতি মানৱ-বিজ্ঞান। মানৱ সমাজৰ উদ্ভৱ-বিকাশ, পৰিয়াল, সমাজ, সামাজিক অনুষ্ঠান, সামাজিক স্তৰায়ন, সামাজিক সংঘাত, সামাজিক আচৰণ আৰু সংস্কৃতি আদিৰ বিষয়ে বিস্তৃতভাবে জানিবৰ বাবে লোক-সংস্কৃতিৰ বিভিন্ন উপাদানৰাজি গভীৰ আৰু সূক্ষ্মভাবে বিচাৰ-বিশ্লেষণ কৰিব লাগিব। মানুহে পোনতে অংগী-ভংগীৰ মাধ্যমেৰে অৰ্থাৎ নৃত্য-ভংগীমাৰ মাধ্যমেৰে নিজ নিজ অন্তৰৰ ভাব-অনুভূতি আন এজনৰ ওপৰত ব্যক্ত কৰিছিল অৰ্থাৎ ভাবিক যোগাযোগ কৰিবলৈ সক্ষম হৈছিল। তাৰ পিছত আহিল আন এটা আহিলা আৰু সেইটোৱেই হৈছে—ভাষা। ভাষা মানুহৰ প্ৰতি প্ৰকৃতিৰ অনুপম দান। ভাষা নথকাহেঁতেন মানুহো পশুৰ শ্ৰেণীৰ পৰ্যায়ভুক্ত অন্তৰ্ভুক্ত হৈ পৰিলেহেঁতেন। ভাষা-আশীৰ্বাদ লাভ কৰি মানুহ অন্য জীৱ-জন্তুতকৈ শ্ৰেষ্ঠ হ'ল আৰু তাতোকৈ শ্ৰেষ্ঠ হ'ল মানুহে ভাষা স্বৰূপ আশীৰ্বাদৰ মাধ্যমেৰে নিজ অন্তৰৰ বা একোখন সমাজৰ বা একোটি গোষ্ঠীৰ বা একোটি দলৰ সামূহিক আবেগ প্ৰকাশ কৰিবলৈ সক্ষম হ'ল—যুগে যুগে পূৰ্বৰ পুৰণি অভিজ্ঞতাৰ সৈতে নতুন অভিজ্ঞতা সংমিশ্ৰিত হ'ল—নানা গীত-পদ, লোক-কথা, গালি-গালাজ, শাও-শপনি, যোজনা-পটন্তৰ, প্ৰবাদ-প্ৰবচন, লোকোক্তি-প্ৰাজ্ঞোক্তি আদি এইবোৰেই আদিম মানৱৰ সাহিত্য, পৰম্পৰাগত মৌলিক সাহিত্য বা পৰম্পৰাগত লোক-সাহিত্য আদি – এইবোৰেই লোক-সংস্কৃতি—এইবোৰেই মৌখিক লোক-সংস্কৃতি, এইবোৰেই মৌখিক বা বাচিক কলা। হাজাৰ হাজাৰ বছৰ ধৰি এইবোৰ মুখে মুখে চলি আহিছে, আজিও চলি আছে, ভৱিষ্যতেও চলি থাকিব। এইবোৰেই আদিম লোক-অভিজাত মানৱৰ নৃবৃত্ত। আজি আঢ়ৈ বা তিনি হাজাৰ বছৰ পূৰ্বৰ পৰাহে লিখিত সাহিত্যৰ সৃষ্টি হৈছে। ভাৰতীয় ইতিহাসত লিখিত পৰম্পৰাৰ আৰম্ভণি হৈছে—সৌ সিদিনা মহান সম্ৰাট অশোকৰ ৰাজত্ব কালত বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰিবৰ বাবে বুদ্ধদেৱৰ বাণীবোৰ শিলালিপি, তাম্ৰলিপি আদিৰ মাধ্যমেৰে লিপ্যায়ন কৰাৰ জৰিয়তে। খৃঃপূঃ তৃতীয় শতিকাৰ পিছৰ পৰাহে লিখিত সাহিত্যৰ পৰম্পৰাৰ আৰম্ভণি হ'ল; যদিও পৃথিৱীৰ সৰহসংখ্যক সমাজৰ লোকে নিৰ্ভৰ কৰে লোক সাহিত্যত। ভাৰতৰ ক্ষেত্ৰতেই আমি চাব পাৰোঁ- স্বাধীনতাৰ পঞ্চাশ বছৰ পিছতো ভাৰতৰ প্ৰায় এশ কোটি অধিবাসীৰ ভিতৰত শতকৰা ৩০ ভাগহে সাক্ষৰ, এই সাক্ষৰসকলৰ সৰহভাগে চহীটোহে দিব পাৰে; সাহিত্য লিখি বা পঢ়ি তাৰ আনন্দ লাভ কৰিব নোৱাৰে। অসমৰ ক্ষেত্ৰতো প্ৰায় একে কথাকেই ক'ব পাৰি, কিন্তু যিসকল অনাখৰী আৰু সাক্ষৰসকলৰ ভিতৰত যিসকলে লিখিত সাহিত্যৰ

পঠন-পাঠনৰ জৰিয়তে আনন্দ লাভ কৰিব নোৱাৰে তেওঁলোকেও লোক-সাহিত্যৰ সৃষ্টি কৰিব পাৰে, পুৰণি লোকগীত, লোক-কথাত নতুন সমল সংযোগ কৰিব জানে, চৰ্চা কৰিব জানে, বুজি পায়—এই শ্ৰেণীৰ সাহিত্য পঢ়ি নৈতিক, সাংসাৰিক, আধ্যাত্মিক জ্ঞান লাভ কৰে আৰু তেওঁলোকৰ পিতাক-আতাক-ককাক-আজোককাক-আতাকৰ আতাক আদিৰ দেহ-মন-চিত্ত-মগজুৰ খবৰ লয় আৰু তাৰ নিৰাকৰণৰ বাবে তেওঁলোকৰ বংশধৰসকলে প্ৰয়াস কৰিব পাৰে, চেষ্টা কৰিব পাৰে, সংকল্প কৰিব পাৰে।

মুঠতে মানৱ সমাজ আৰু মানৱ সমাজৰ পৰিপূৰক পশু-পক্ষী সমাজৰ (?) সম্যক ধ্যান-ধাৰণাৰ বাবে লোক-সাহিত্য অধ্যয়ন কৰিব লাগিব।

দ্বিতীয়তে, লিখিত সাহিত্য জানিবৰ বাবেও মৌখিক সাহিত্য পঢ়িব লাগিব। হাজাৰ হাজাৰ বছৰ ধৰি মুখ-পৰম্পৰা চলি অহা লোক-সাহিত্যই পৰৱৰ্তী যুগত লিখিত ৰূপ লয়। ৰুচিয়াৰ শ্ৰমিকসকলৰ মৌখিক পৰম্পৰাত সৃষ্টি *বাইলিনা* শ্ৰমিক গোষ্ঠীৰ মুখে মুখে চলি অহাৰ হাজাৰ বছৰ পিছতহে লিখিত ৰূপ লৈ শিষ্ট সাহিত্য স্বৰূপে আত্মপ্ৰকাশ কৰিছে। ভাৰতবৰ্ষৰ কথাও এই প্ৰসংগত উল্লেখ কৰিব লাগিব। ভাৰতবৰ্ষৰেই নহয়, পৃথিৱীৰ আদি কবি বাল্মীকি আৰু তেওঁৰ দ্বাৰা নিৰ্মিত *ৰামায়ণ* পৃথিৱীৰ ভিতৰতে প্ৰাচীনতম, কিন্তু এই ৰামায়ণৰ মূল আঁকাটো মৌখিক বেলাড স্বৰূপেহে প্ৰচলিত হৈছিল। সেইকাৰণেই কয় বোলে 'ৰাম নৌহওঁতেই ৰামায়ণ'। *ৰামায়ণৰ* কাহিনীভাগৰ মূল আঁকা বিশিষ্ট বেলাডটোক ৰীতিবদ্ধ আৰু সুসংবদ্ধ কৰি লিখিত ৰূপ দিয়ে মহৰ্ষি বাল্মীকিয়ে। তেতিয়াৰ পৰা আদিকাব্য *ৰামায়ণৰ* ৰচয়িতা স্বৰূপে মহৰ্ষি বাল্মীকি জগত বিখ্যাত হৈ পৰিল। তেনেদৰে *মহাভাৰত, মহাপুৰাণ* (ওঠৰখন), *উপপুৰাণ* (ওঠৰখন, ওঠৰখনতকৈ অনেক বেছি) আদিও মুখে মুখে চলি আহি পৰৱৰ্তী কালত এইবোৰ মহৰ্ষী দ্বৈপায়ন বেদ-ব্যাসৰ নামত লিখিতৰূপ ললে। আচলতে ব্যাস একগৰাকী বিশেষ ব্যক্তি নহয়— এটি শ্ৰেণীহে; যাৰ কাম কাব্য-মহাকাব্য-কবিতা প্ৰণয়ন আৰু সেইবোৰৰ ব্যাখ্যান। সেইদৰে *ইলিয়াড, ওডিচি* আদি মহাকাব্যবো জন্ম হৈছে মৌখিক কাব্য-মহাকাব্যৰ পৰা। আনকি কোনো কোনো পণ্ডিতে বৈদিক সাহিত্যৰাজিকো লোক-সাহিত্যৰ পৰ্যায়ভুক্ত কৰিব বিচাৰে, যিহেতু এইবোৰ মুখে মুখেহে চলি আহিছিল। সেইকাৰণে এই সাহিত্যৰাজি শ্ৰুতি নামেৰেও পৰিচিত।

লোক-সাহিত্যৰ বিষয়বস্তুৱেই যে লিখিত সাহিত্য পৰিপুষ্ট হৈছে তেনে নহয়, লোক-সাহিত্যৰ ৰূপ, শৈলী, বৰ্ণনাৰীতি, সাংগীতিক লয়, ৰূপক, প্ৰতীক, অভিব্যক্তি, শব্দ-বাক্য-জঁতুৱা ঠাচ, ৰুচি-অভিৰুচি, মনস্তত্ত্ব আদি বৈশিষ্ট্যৰাজিৰ দ্বাৰা লিখিত

সাহিত্য অনেক পৰিমাণে প্ৰভাৱান্বিত। গতিকে লিখিত সাহিত্যৰ বিভিন্ন দিশ খৰচি মাৰি অধ্যয়ন কৰিব খুজিলে লোক-সাহিত্যৰ অধ্যয়ন অপৰিহাৰ্য।

লোক-সংস্কৃতিৰ আন এটি অপৰিহাৰ্য অংগ হৈছে—পৰিবেশ্য কলা। পৰিবেশ্য কলা গীত-নৃত্য-নাটক আৰু বাদ্যৰ সমষ্টি। অভিজাত বা শাস্ত্ৰীয় অথবা আধুনিক গীত-নৃত্য-নাটক আৰু বাদ্যৰ উদ্ভৱ-বিকাশ আৰু অগ্ৰগতিত লোকগীত, লোকনৃত্য, লোকনাট, লোকবাদ্য আদিৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। লোকগীত, লোকনৃত্য, লোকনাটক, আৰু লোকবাদ্যৰ পৰিমাৰ্জিত বা পৰিশীলিত ৰূপ পৰিগ্ৰহ কৰি অভিজাত বা শাস্ত্ৰীয় সংগীত-নাটক আদিৰ উদ্ভৱ হৈছে। বিদ্যাপতিৰ 'পদাৱলী', জয়দেৱৰ 'গীত—গোবিন্দ', শংকৰদেৱ আৰু মাধৱদেৱৰ 'বৰগীত', জ্ঞানদাস, গোবিন্দ দাস আদিৰ ৰাগ-তাল-সুৰযুক্ত পৰম্পৰাগত বা শাস্ত্ৰীয় গীতত লোক-গীতৰ ৰাগ-ৰাগিনী, সুৰ-তাল-লয়ৰ স্থিতি স্পষ্ট। ভৈৰৱী, পাহাৰী, কামোদ, কঞ্জগিৰি, কাৰোণ্য, ঝুলনা আদি ৰাগ-ৰাগিনীৰ উদ্ভৱ আৰু বিকাশ হৈছে লোকগীতৰ ৰাগ-ৰাগিনীৰ পৰা। তেনেদৰে লোকনৃত্যৰ পৰাই শাস্ত্ৰীয় নৃত্যসমমূহৰ উদ্ভৱ হৈছে বুলি আমি ঠাৱৰ কৰিব পাৰোঁ। মণিপুৰী ৰাসনৃত্যৰ উদ্ভৱ হৈছে—মেইতেইসকলৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত লোকনৃত্যৰ পৰা। সেইদৰে ভাৰত নাট্যমৰ উৎস বিচাৰি গ'লে পোৱা যাব 'মোহিনীঅত্তম' নৃত্য। তেনেদৰে 'ওডিছি' নৃত্য ইমান দিনে আছিল পৰম্পৰাগত নৃত্য, সৌ-সিদিনাহে এই নৃত্যই লাভ কৰিছে শাস্ত্ৰীয় নৃত্যৰ মৰ্যদা। শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা প্ৰবৰ্ত্তিত পৰম্পৰাগত নৃত্যৰ ৰূপ-বিষয়বস্তু—সংযুক্তি-শৈলী আদিত লোকনৃত্যৰ প্ৰভাৱ সহজে অনুমান কৰিব পাৰি। আধুনিক অসমীয়া গীত আৰু সংগীতত লোকগীত আৰু লোক-সংগীতৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ স্বীকাৰ কৰিবই লাগিব। জ্যোতি সংগীত, ৰাভা সংগীত আৰু হাজৰিকা সংগীত এই প্ৰভাৱৰ প্ৰত্যক্ষ ফল।

লোকনাটৰ প্ৰভাৱ পৰম্পৰাগত নাটক আৰু নাট্য-শৈলীৰ উদ্ভৱ আৰু বিকাশত অস্বীকাৰ কৰিব নোৱাৰি। সংস্কৃত নাটক আৰু নাট্য-শৈলীত লোকনাট আৰু লোকনাট্য শৈলীৰ স্থিতি লক্ষ্য কৰিব পাৰি। শংকৰদেৱ, মাধৱদেৱ আদি মধ্যযুগীয় অসমীয়া নাট্যকাৰৰ নাটক, নাট্যশৈলী, অভিনয় কলা আৰু ৰংগমঞ্চত অসমীয়া লোক-নাটকৰ প্ৰভাৱ সহজে অনুমান কৰিব পাৰি।

অতুলচন্দ্ৰ হাজৰিকা, জ্যোতিপ্ৰসাদ আগৰৱালা, ফণী শৰ্মা আদিৰ নাটক আৰু নাট্যকলাত বিদেশী প্ৰভাৱৰ লগতে দেশী অৰ্থাৎ অসমৰ লোকনাট আৰু নাট্যশৈলীৰ প্ৰভাৱ পৰা নাই বুলি ক'ব নোৱাৰি।

পৰম্পৰাগত লোক বাদ্য-যন্ত্ৰ, যেনে—ঢোল, খোল, নাগাৰা, নেগেৰা, ভৰা, ডগৰ, খঞ্জৰি, বাঁহী, শিঙা আদি লোক বাদ্য-যন্ত্ৰই পৰম্পৰাগত আৰু শাস্ত্ৰীয় সংগীত ধাৰাতো স্থান পাইছে।

জাতীয় ভাব আৰু স্বদেশপ্ৰীতি উদ্বোধন কৰাৰ প্ৰসংগতো লোক-সংস্কৃতিৰ প্ৰভাৱ তাৎপৰ্যপূৰ্ণ। জাৰ্মানীৰ বিভিন্ন জাতি আৰু দলক একত্ৰিত কৰাত গ্ৰীম ভ্ৰাতৃদ্বয়ৰ দ্বাৰা সংগৃহীত আৰু প্ৰকাশিত লোক-কথা, মিথ বা পুৰাণ কথাই কিদৰে সহায় কৰিছিল আমি সকলোৱে জানো। বৃটিছ শাসন ওকোৰাই পেলাবলৈ মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত যি আন্দোলন আৰম্ভ হৈছিল; সেই আন্দোলন গতিশীল আৰু প্ৰভাৱশীল কৰি তোলাত বিশেষকৈ জনসাধাৰণৰ অন্তৰত জাতীয় চৈতন্য জগাই তোলাত লোক-সাহিত্যই অৰ্থপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

গোষ্ঠীগত, দলগত, জাতিগত আৰু মহাজাতিগত পৰিচয় দাঙি ধৰাত লোক-সংস্কৃতিৰ অনবদ্য অবদান সৰ্বজনবিদিত। কোনো এটা গোষ্ঠী বা দলে নিজৰ অস্তিত্ব বজাই ৰাখে লোক-সংস্কৃতিৰ মাধ্যমেৰে। বাভাসকল প্ৰথমে বাভা জনজাতিৰ অংগীভূত, তেওঁলোকৰ জনজাতীয় সত্তা বজাই ৰাখিছে তেওঁলোকৰ লোক-সংস্কৃতিয়ে, অন্যহাতে তেওঁলোকৰ অসমীয়া আৰু অসমীয়া জাতীয় বৈশিষ্ট্য অব্যাহত ৰাখিছে অসমীয়া সংস্কৃতিয়ে আৰু শেষত তেওঁলোক ভাৰতীয় -ভাৰতীয় সংস্কৃতিয়ে তেওঁলোকৰ সেই বৈশিষ্ট্য জীয়াই ৰাখিছে। সৰ্বশেষত তেওঁলোক আন ভাৰতীয়ৰ দৰে সৰ্বপৃথিৱীৰ। গতিকে দলগত পৰিচয়, জাতীয় পৰিচয়, ৰাষ্ট্ৰীয় পৰিচয় আৰু জাগতিক পৰিচয় দিবৰ বাবেও লোক-সংস্কৃতি অধ্যয়নৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি।

সেইদৰে জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থা, ৰাজনৈতিক অৱস্থা, তেওঁলোকৰ ইতিহাস, তেওঁলোকৰ ৰুচি-অভিৰুচি, মন আৰু মানসিক অভিবৃত্তি অৰ্থাৎ মনস্তাত্ত্বিক বিশ্লেষণ, শোষণ-শাসন-উৎপীড়নৰ বিৰুদ্ধে কৰা বিপ্লৱ, বিপ্লৱৰ পৰিণতি, সামাজিক মূল্যায়ন, সমাজৰ দুৰ্বল বৰ্গৰ ন্যায্য স্বাৰ্থ ৰক্ষাৰ বাবে কৰা সৰৱ আহ্বান, প্ৰীতি-সম্প্ৰীতি-ভাতৃত্ব-সংহতি স্থাপনৰ আদৰ্শ আদিৰ প্ৰতি সজাগ-সচেতন হ'বৰ বাবে অথবা এইবোৰৰ বিষয়ে ভালদৰে জানিবৰ বাবেও আমি লোক-সংস্কৃতি অধ্যয়ন কৰিব লাগিব।

অনানুষ্ঠানিক শিক্ষা প্ৰদান, সংস্কৃতিৰ প্ৰতিফলন, অৱসৰ-বিনোদন আৰু আনন্দ প্ৰদান, সামাজিক প্ৰতিবাদ, নৈতিক শিক্ষা প্ৰদান আদি বিভিন্ন প্ৰকাৰ্যও লোক-সংস্কৃতিৰ বিভিন্ন উপাদানে সম্পাদন কৰি আহিছে আৰু সেইবাবে আমি লোক-সংস্কৃতি অধ্যয়ন কৰা উচিত।

অসমৰ নাট্য আন্দোলন আৰু প্ৰাসংগিক চিন্তা

নগেন শৰ্মা

অসমত নাটকৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। পঞ্চদশ শতিকাৰ শেষভাগত তেওঁ প্ৰবৰ্ত্তন কৰা অংকীয়া নাটৰ পৰাই অসমত নাট আৰু অভিনয়ৰ ঐতিহ্যৰ আৰম্ভণি। মূলতঃ নববৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থেই শংকৰগুৰু আৰু তেওঁৰ শিষ্যসকলে অংকীয়া নাট ৰচনা কৰি অংকীয়া ভাওনা প্ৰদৰ্শন কৰিছিল। শ্ৰীমন্ত শংকৰৰ প্ৰথম নাট আছিল 'চিহ্নযাত্ৰা'। চৰিত পুথিৰ পৰা জনা যায় যে পুথি আকাৰত 'চিহ্নযাত্ৰা' লিখা হোৱা নাছিল, গুৰুজনাৰ নিৰ্দেশনাত অভিনয় কৰাহে হৈছিল। নাটখনিত সংলাপ নাছিল। সাত বৈকুণ্ঠৰ পট নিজে আঁকি, অভিনয়ৰ যোগেদি শংকৰদেৱে সেই পটসমূহত প্ৰদৰ্শন কৰিছিল।

বৈষ্ণৱ যুগৰ ব্যৱহাৰ কৰা 'নাট', 'নাটক', 'যাত্ৰা', 'ঝুমুৰা' আৰু 'অংক' শব্দ পাঁচটাক 'অংকীয়া' শব্দটোৱে সামৰি লয়। প্ৰাক-শংকৰী যুগৰে পৰা অসমীয়া লোক নাট্যৰ ঐতিহ্য বহন কৰা ঢুলীয়া, কুশান, ওজাপালি, পুতলা-নাচ আদি অনুষ্ঠানসমূহৰ কিছু কিছু বৈশিষ্ট্য আগত ৰাখি শংকৰদেৱে মুঠতে ছয়খন নাট ৰচনা কৰিছিল— 'কেলি-গোপাল', 'কালীয় দমন', 'পত্নী প্ৰসাদ', 'পাৰিজাত হৰণ', 'ৰুক্মিণী হৰণ' আৰু 'ৰাম বিজয়'। মাধৱদেৱে 'চোৰধৰা', 'পিম্পৰা গুচোৱা', 'ভোজন ব্যৱহাৰ', 'ভূমি-লেটোৱা' আৰু 'অৰ্জুন-ভঞ্জন' নামৰ পাঁচখন নাট ৰচনা কৰে। শংকৰদেৱ আৰু মাধৱদেৱৰ উত্তৰাধিকাৰীসকলে উনবিংশ শতিকাৰ আগভাগলৈকে অংকীয়া নাট ৰচনা কৰাৰ পৰম্পৰাক জীয়াই ৰাখিছিল।

আচৰিত কথা, ইংৰাজৰ পাশ্চাত্য সংস্কৃতিৰ সৰ্বগ্ৰাসী প্ৰভাৱৰ বাবেই, অংকীয়া নাট-ভাওনাৰ পৰম্পৰাৰ সৈতে আধুনিক নাট্যকাৰসকলৰ মনোজগতৰ সংযোগ নহ'ল। উনবিংশ শতিকাৰ মাজভাগৰ পৰা অসমৰ নাট্য-সাহিত্যত পাশ্চাত্য প্ৰভাৱ বাৰকৈয়ে অনুভূত হ'ল। গুণাভিৰাম বৰুৱাই ১৮৫৭ চনত ৰচনা কৰা 'ৰাম নৱমী' নাটকে আধুনিক অসমীয়া নাটকৰ দুৱাৰ মুকলি কৰে। বিধবা-বিবাহক সমৰ্থন কৰি লেখা এই অংকীয়া নাটখন অকল পাশ্চাত্য প্ৰভাৱত ৰচিত প্ৰথম অসমীয়া নাটকেই নহয়, প্ৰথম অসমীয়া সামাজিক আৰু ট্ৰেজিক নাটক। উনবিংশ শতিকাৰ শেষৰফালে হাস্য-ব্যঙ্গ

নাটকেও অসমৰ নাট্য জগতত ভুমুকি মাৰিলে। ১৮৬৯ চনত হেমচন্দ্ৰ বৰুৱাৰ ৰচিত 'কানীয়াৰ কীৰ্ত্তন' আৰু ১৮৯০ চনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ৰচিত 'লিতিকাই' নামৰ প্ৰহসনখনে হাস্য-ব্যংগৰ ধাৰাটোক দুখোজ আগুৱাই নিয়ে।

বিংশ শতিকাৰ শৈশৱছোৱাত গহীন সামাজিক নাটকৰ উকমুকনি উঠিছিল যদিও স্বৰাজোত্তৰ অসমতহে ইয়াৰ ভেটি নিৰ্মাণ হৈছিল। কিন্তু স্বাধীনতাৰ আগতেই বিৰোধী আন্দোলনৰ সময়ছোৱাত স্বদেশপ্ৰেম আৰু সবল সামাজিক চেতনা মূৰ্ত্ত হৈ উঠা কেইখনমান নাটক ৰচনাৰে কেইবাজনো নাট্যকাৰে আত্ম প্ৰকাশ কৰিলে। এই শিবিৰৰ প্ৰধান 'খনিকৰ' জন হ'ল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। ইয়াতে উল্লেখ কৰা ভাল হ'ব যে ইতিমধ্যে এই সময়ছোৱাত সামাজিকভাৱে দায়বদ্ধ লেখক হিচাপে জৰ্জ বাৰ্ণাড শ্ব, ইবচেন আদি শক্তিশালী লেখকসকলে পাশ্চাত্য জগতখন ৰজনজনাই আছিল। অসমৰ নাট্যকাৰসকলৰ ওপৰত ক্ৰিয়াশীল ৰূপত হেনৰিক ইবচেনৰ প্ৰভাৱ পৰিল। জ্যোতিপ্ৰসাদৰ 'ৰূপালীম (১৯৩৬) আৰু 'কাৰেঙৰ লিগিৰী' (১৯৩৭) এই পৰম্পৰাৰ উল্লেখযোগ্য শিল্পকৰ্ম। স্বাধীনতাৰ পিছৰ বছৰত (১৯৪৮) ৰূপকোঁৱৰে ৰচনা কৰা 'লভিতা' এখনি গুৰুত্বপূৰ্ণ সামাজিক দেশপ্ৰেমমূলক নাট। আনহাতে মেতাৰলিংকৰ 'দ্য ব্লু বাৰ্ড'ৰ প্ৰভাৱত ১৯১৯ চনত 'সোণৰ সোলোং নাট ৰচনা কৰি গীতি কবি পাৰ্বতীপ্ৰসাদ বৰুৱাই প্ৰতীকধৰ্মী নাটকৰ যাত্ৰা উদ্বোধন কৰিলে। কুৰি শতিকাৰ জয়যাত্ৰাৰ আন এক উল্লেখযোগ্য অৱদান হ'ল পৌৰাণিক আৰু ঐতিহাসিক নাটকৰ সৃষ্টি। চন্দ্ৰধৰ বৰুৱাৰ 'মেঘনাদ বধ', ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ 'শ্ৰীবৎস চিন্তা', কামাখ্যা ঠাকুৰৰ 'বেউলা', অতুল চন্দ্ৰ হাজৰিকাৰ 'নৰকাসুৰ' আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী' পৌৰাণিক ধাৰাটোৰ সফল অৰ্ঘ্য। আনহাতে প্ৰসন্নলাল চৌধুৰীৰ 'নীলাম্বৰ', পদ্মিকদ্দিন আহমেদৰ 'গুলেনাৰ', সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ 'কনৌজ কুঁৱৰী' উল্লেখযোগ্য ঐতিহাসিক নাটক।

দ্বিতীয় মহাযুদ্ধ আৰু ভাৰতৰ স্বাধীনতা প্ৰাপ্তিৰ পিছত দেশৰ মানুহৰ চিন্তাৰ জগতত বিস্ময়কৰ পৰিবৰ্তন ঘটিল। সাম্ৰাজ্যবাদৰ পতন ঘটিল যদিও অ-সম (non-uniform) বিকশিত পুঁজিবাদৰ জঘন্য ৰূপটোক মানুহে প্ৰত্যক্ষ কৰিলে। কাৰ্লমাৰ্ক্সৰ শ্ৰেণীদন্দ্ব আৰু শ্ৰেণীসংগ্ৰামৰ ধাৰণাই মানুহক বিকল্প পথৰ সন্ধান দিলে। গোৱা-লোপোৱাৰ সংঘাত তথা ধনী-দুখীয়াৰ প্ৰভেদ, নিবনুৱা, সংকটাপন্ন অৰ্থনীতি, সাম্প্ৰদায়িকতা আদি বিষয়বোৰ নাট্যকাৰৰ নাটকত মূল প্ৰতিপাদ্য বিষয় হৈ উঠিল।

গিৰিশ চৌধুৰীৰ 'মিনাবজাৰ', সাৰদাকান্ত বৰদলৈৰ 'পহিলা তাৰিখ', নটসূৰ্য ফণী শৰ্মাৰ 'কিয়' আৰু 'চিৰাজ'—সচেতন নাট্যধাৰাৰ সবল আৱৰ্তণি।

ইতিমধ্যে পশ্চিমৰ নাট্য চৰ্চাৰ ক্ষেত্ৰখনত বহুতো নতুন দিশৰ উন্মোচন হ'ল। গোড়া বাস্তৱতাক উলাই কৰি দৰ্শক আৰু অভিনেতাৰ মাজত পাৰ্থক্য সৃষ্টি কৰাৰ মানসেৰে প্ৰখ্যাত জাৰ্মান নাট্যকাৰ বেৰটোল্ট ব্ৰেখটে 'এপিক থিয়েটাৰ'ৰ নামত নতুন নতুন আলোক সন্ধানী পৰীক্ষা-নিৰীক্ষা চলালে। এইখিনিতে কৈ থোৱা প্ৰয়োজনীয় যে পাঁচশ বছৰৰ আগতে শংকৰদেৱে উদ্ভাৱন কৰা নাট্য ৰীতিৰ লগত ব্ৰেখটীয় ৰীতিৰ বহুতো মিল আছে। কিন্তু নিজস্ব ঐতিহ্য তথা পৰম্পৰাক লৈ গৌৰব কৰিব নজনা অসমীয়া জাতিয়ে শংকৰী ৰীতিক আওপুৰণি বুলি অৱজ্ঞা কৰি, ব্ৰেখটীয় কৌশলক অতি আধুনিক বুলি সাৱটি লৈছো। ই এটা দুখ লগা কথা।

দ্বিতীয় মহাসমৰৰ পিছত পঞ্চাছৰ দশকৰ শেষৰফালে ইবছেনৰ প্ৰভাৱ ক্ৰমে দুৰ্বল হৈ আহিল। তাৰ বিপৰীতে উশৃংখল, বিছিন্ন আৰু অবাস্তৱ বিষয়ক লৈ এবচাৰ্ড নাটক ৰচিত হ'ল। ষাঠি আৰু সত্তৰ দশকত পশ্চিমৰ এই নাট্য ধাৰাৰ প্ৰভাৱত অসমতো অৰুণ শৰ্মাই 'আহাৰ', বসন্ত শইকীয়াই 'মৃগতৃষ্ণা', 'মানুহ', 'অসুৰ' আদি এবছাৰ্ড নাটক ৰচনা কৰিলে। কিন্তু বাস্তৱৰ লগত সামঞ্জস্য নথকা, এই আচহুৱা নাট্য পৰম্পৰা পাশ্চাত্য তথা অসম ক'তোৱেই দীৰ্ঘজীৱী নহ'ল তাৰ সলনি ষাঠিৰ দশকৰ পৰা মাৰ্ক্সীয় দৰ্শনেৰে পুষ্ট ব্ৰেখটীয় নাট্য ৰীতিৰ প্ৰচলন হ'ল। ব্ৰেখটৰ লক্ষ্য আছিল দৰ্শকৰ সামাজিক সচেতনা বৃদ্ধি কৰা। ব্ৰেখটৰ ইচ্ছা পুৰণ নহলেও, ষাঠিৰ দশকৰ পৰা ইংলণ্ডত শক্তিশালী হৈ উঠা এই নাট্য পৰম্পৰা সম্পৰ্কত অনুশীলন আজিও সমগ্ৰ বিশ্বতে চলি আছে। অসমত ব্ৰেখটৰ প্ৰভাৱ থকা উল্লেখযোগ্য নাটক ৰচিত হোৱা নাই।

আধুনিক অসমীয়া নাটকৰ বিষয়বস্তুৰ পৰিসৰ বহল আৰু বৈচিত্ৰ। সাধাৰণ মানুহৰ জীৱন সংগ্ৰাম, পোৱা-নোপোৱাৰ সংঘাত, মাৰ্ক্সীয় দৰ্শন, জাতীয়তাবাদী আৰু দেশপ্ৰেমিক দৃষ্টিভংগী, চহৰীয়া-মধ্যবিত্তৰ সমস্যা, মানুহৰ মনস্তাত্বিক দিশ—আদি বৈচিত্ৰপূৰ্ণ জীৱনৰ আটাইবোৰ বিষয়বস্তুকে আধুনিক নাটকে সামৰি লৈছে। বহুতো প্ৰবীণ-নবীনৰ সফল নাট ৰচনাৰে আমাৰ আধুনিক নাটকৰ ভঁৰাল চহকী। অৱশ্যে বহুতো নাটক মঞ্চস্থ হৈছে যদিও ছপা আকাৰত প্ৰকাশ হৈ ওলোৱা নাই। এই ক্ষেত্ৰত সুবিধা পালে কেতিয়াবা অভিনয় চোৱা ক'ৰবাত সমালোচনা পঢ়া আদি আদি সফলক

লৈ স্মৃতিৰ পৰা কিছুমান নাম উল্লেখ কৰিব পাৰি। যিবোৰ আধুনিক নাট্য-সমগ্ৰই আমাৰ নাট্য পৰম্পৰা আৰু গতিধাৰাক অধিক প্ৰাণৱন্ত কৰি তুলিছে সেইবোৰৰ ভিতৰত সত্যপ্ৰসাদ বৰুৱাৰ 'নায়িকা নাট্যকাৰ', 'মৃণাল মাহী', অৰুণ শৰ্মাৰ 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য', 'কুকুৰনেছীয়া মানুহ', 'পৰশুৰাম', 'অন্য এক অধ্যায়', ফণী তালুকদাৰৰ 'পৃথিৱীৰ প্ৰেম', হিমেন্দ্ৰ বৰঠাকুৰৰ 'বাঘ', মহেন্দ্ৰ বৰঠাকুৰৰ 'আঁহত গুৰিৰ নতুন বাট', 'শৰাগুৰি চাপৰি', 'মাজনিশাৰ চিএৰ', 'জন্ম' যুগল দাসৰ 'বায়নৰ খোল', অখিল চক্ৰৱৰ্তীৰ 'এজন ৰজা আছিল', সতীশ ভট্টাচাৰ্যৰ 'মহাৰজা', আলি হাইদৰৰ 'এটি চোলাৰ কাহিনী', ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'নীলকণ্ঠ', 'গধূলি', 'দীনবন্ধু', প্ৰফুল্ল বৰাৰ 'সাঁকো', মুনীন বৰুৱাৰ 'আঘাত' আদি উল্লেখযোগ্য। নতুন প্ৰজন্মৰ বহুতো নাট্যকাৰে হাতত কলম তুলি লৈছে। সেইসকলৰ ভিতৰত ড° পৰমানন্দ ৰাজবংশী, গিয়াছউদ্দিন আহমেদ, ড° জগদীশ পাটগিৰি, ৰফিকুল হোচেইন, নৰেন পাটগিৰি আৰু লিয়াকত আলিয়ে প্ৰতিশ্ৰুতিৰ স্বাক্ষৰ বহন কৰিছে। এইসকল নাট্যকাৰৰ ক্ষেত্ৰত উল্লেখ কৰিবলগীয়া আন এটা কথা হ'ল তেওঁলোকে নিজৰ নাটসমূহ নিজে পৰিচালনা কৰি মঞ্চস্থও কৰিছে।

অসমৰ নাট্য আন্দোলনৰ প্ৰাসংগিকতাত আৰু বহুতো আলোচনা আগবঢ়াব পাৰি। প্ৰবন্ধ সংকলন এখনত পুনৰাবৃত্তি হোৱাৰ ভয়ত তেনে ইচ্ছাক বাৰণ কৰা হ'ল। ইয়াত মাত্ৰ এটা কথা ক'ব বিচাৰিছোঁ। যদিও আমাৰ নাটকত পাশ্চাত্যৰ সৰ্বগ্ৰাসী প্ৰভাৱ আছে, তথাপিও বিংশ শতাব্দীৰ সত্তৰৰ দশকৰ পৰা পৰম্পৰা সচেতন নাট্য শিল্পী তথা নাট্যকাৰৰ সৃষ্টি হৈছে। আশীৰ দশকৰ পৰা আমাৰ নিজস্ব লোককলা প্ৰয়োগ কৰি নাট্য কৰ্মক চহকী কৰাৰ বাবে প্ৰকৃতাৰ্থত এটা আন্দোলন গঢ় লৈ উঠিছে। ভাৰতৰ বিভিন্ন প্ৰান্তত হবীব তনবীৰ, নাৰায়ণ পন্নিকৰ, গিৰিশ কাৰ্ণাড, শম্ভু মিত্ৰ, বিজয় তেণ্ডুলকাৰ আদি শীৰ্ষস্থানীয় নাট্যকৰ্মীসকলে এই আন্দোলনটোক সমৃদ্ধ কৰিছে। আমাৰ অসমৰ উঠি অহা নাট্যকাৰ তথা নাট্যকৰ্মীসকলেও পৰম্পৰা সচেতন হৈ একবিংশ শতিকাৰ অসমীয়া নাটকত লোককলাৰ সাৰ্থক সংযোজন ঘটাব লাগিব।

Assam's boundary disputes and forest life

Nagen Sarma

The inter-state boundary between Nagaland and Assam covers a length of 438 km. encompassing 10 Reserved Forests of Golaghat, Sivasagar, Jorhat and Karbi-Anglong West Forest divisions of Assam. Of these 10 Reserved Forests, as many as 9 Reserved Forests of Golaghat Sivasagar and Jorhat Divisions are victimized by heavy encroachment and other illegal activities indulged in by the inhabitants of the Nagaland side of the border.

The obvious motive behind such activities is to initially extend their cultivable land and gradually to bring those areas under the ultimate administrative control of Nagaland. The aftermath of the emergence of Nagaland in 1964 witnessed several border disputes between Assam and Nagaland, with Nagaland refusing to honour the Constitutional boundary on the plea of historical tradition. For the purpose of maintaining peace and tranquility in the border areas, a number of interim agreements were reached by the Government of Nagaland and the Government of Assam during the period from 1972 to 1976. These agreements were characterized by high level border meetings between officials representing both State Governments with the underlying objective of reducing border disturbances. The present scenario, however, depicts a sad state of affairs, with the lethally armed Naga people entering our Reserved Forest cover and dense foliage, to cut the upright

trees and to drag them forcefully into their territory. This selfish act has caused irreparable damage to our forests and intensified the threat to the fragile eco-system of the region.

The gravity of the situation is highlighted below, showing the extent of encroachment in 9 Reserved Forests along the Nagaland—Assam border.

Name of the Division	Name of the Reserved Forests	Area of the R.F.	Area encroached by Nagaland
1	2	3	4
Golaghat Divn.	Doyang R.F.	24,473.47 Ha	2,00 Ha
Rengma R.F.	Rengma R.F.	13,921.68 Ha	2,000 Ha
	Nambar South	27,057.55 Ha	10,000 Ha
	Diphu R.F.	18,365.71 Ha	17,500 Ha
Jorhat Divn.	Dessoi Valley R.F.	16,381.45 Ha	12,900 Ha
	Dessoi R.F.	2,797.15 Ha	1,500 Ha
	Tiru Hills R.F.	5,858.55 Ha	4,200 Ha
Sibsagar Divn.	Abhoypur R.F.	6,737.98 Ha	3,00 Ha
	Geleki R.F.	5,137.00 Ha	4,000 Ha
	TOTAL		52,303.00 Ha

The above data reveals that as much as 82 percent of the Reserved areas of Assam along the Nagaland—Assam border is under encroachment, where illegal activities like illegal felling of tree within the Assam border territory, construction of roads, buildings, schools and establishment of villages inside the Assam boundary continue. On the other hand, there is lack of land to establish even a primary school or a club in Assam.

Meghalaya—Assam Border : The Meghalaya—Assam border runs for about 723 km., with the districts of Goalpara, Kamrup, Karbi-Angloag, North Cachar and Karimganj, sharing common boundaries with Meghalaya. Most of the border area

is covered by forests having rich reserver of Sal and other miscellaneous species of tree.

Boundary disputes along this inter-state border are minimal.

Another prominent problem that these border forests face is the illegal felling of trees. Timber smugglers, in some cases organised groups, penetrate the Reserved forest areas of Assam (in particular, those of Kamrup West, Kamrup East and Goalpara Forest Divisions), fell the valuable Sal and other trees and transport these over to Meghalaya side of the border. It deserves to be mentioned that these timber smugglers are assisted and backed by the Meghalaya District councils for generating revenue in an illegal manner. After transporting the illegally felled timber into Meghalaya, these are branded with Meghalaya District Council hammers and then transported back to Assam under the cover of District Council transit passes. In spite of a number of cases of such illegal felling and the subsequent transportation activities being detected and brought to the notice of the Meghalaya Forest Department for remedial measures, the menace still continues unabated.

Given below is a statement of the yearwise illegal felling of trees from 1988-89 onwards in the Reserved Forests of Kamrup West Division by timber smugglers :

The number of illegally felled trees in 1988-89 was 2,988; 1989-90—2,061; 1990-91—2,109; 1991-92—2,276; 1992-93—2,931 and 1993-94—3,168.

The alarming total of 15,534 illegally felled trees is a clear reflection of the magnitude of the problem.

The Reserved Forests of Kamrup East Division, located along the Meghalaya—Assam border, are no exception, as

several cases of illegal felling of trees have been noticed in Hargaon, Noonmati, Umthana, Luki, Rajapathar, Deopahar, Sukurbaria and Tinkikhuti area.

To combat this manace, the number of forest camps set up by the Assam Forest Department along this border is grossly inadequate. Taking the magnitude of illegal activities and the consequent loss of revenue to the State Government into consideration, it has become imperative that the number of forest camps be increased and adequate Armed Forces be provided along these border Reserved Forest of Assam to prevent further destruction. In the absence of such measures, the intricate eco-system of the entire region will undergo undesirable changes.

Arunachal Pradesh—Assam border. The inter-state border between Arunachal Pradesh and Assam is spread over a length of 704 km., the major portion consisting of 30 Reserved Forests of Darrang, Mangaldoi, Sonitpur West, Sonitpur East, Lakhimpur, Sibsagar, Doomdooma, Digboi and Dibrugarh Forest Division on the Assam side.

Consequent to the creation of NEFA as a separate administrative entity, questions arose regarding ground demarcation of the boundary by the Survey of India. This resulted in border disputes between the two States. Subsequently, discussions on ground demarcation of the boundary have been continuing since 1966. As a result, a total length of 396 km. out of 704 km. was demarcated by the Survey of India with the creation of boundary pillars during 1972-73. Another area of 111 km. was also demarcated during 1972-73, but no boundary pillars could be created due to resistance from the people of Arunachal Pradesh. During 1984, yet another area of 93 km. was also demarcated by the survey

of boundary pillars along the boundary of Dibrugarh District on the Assam side and Lohit District on the other side. No demarcations have been brought into effect after this, although discussions are in progress.

Problems : The primary problems along this border are the illegal claim by Arunachal over a large chunk of areas of Assam, illegal encroachment and the activities like illegal felling of trees within the Assam border territory, construction of roads, buildings, schools and establishment of villages inside the Assam boundary by the inhabitants of Arunachal Pradesh.

Notifications were issued from 1914 to 1951 demarcating the boundary between the two States. Consequently, topographical maps were prepared by the Survey of India on the basis of such notifications. Nevertheless, the Arunachal Pradesh Government has deliberately pursued the issue further on the basis of historical and traditional pleas. A statement showing the Districtwise encroachment on the Consitutional boundary of Assam by Arunachal Pradesh is presented below :

Lakhimpur Dist. 1314.00 Ha; Dhemaji Dist. 950.00 Ha; Sonitpur Dist. 2617.00 Ha and Tinsukia Dist. 4705.00 Ha.

Mizoram—Assam border : Assam shares a 123-km. long border area with Mizoram, which covers 3 Forest Divisions of the Southern Assam Circle, viz, Silchar Division, Karimganj Division and Hailakandi Division. The boundary was notified, vide notification No. 2106 A.P. Dt. 9.3.1993. Although border disputes along this inter-state boundary are practically minimal, some stray incidents of encroachment by the Mizo people on the interline Reserved Forests of the present Cachar, Karimganj and Hailakandi Districts of Assam cannot be completely

eliminated. Such illegal activities have been in vogue since the early 1970's and are still continuing to a certain extent in these inter-line Reserved Forests of Assam.

All said and done, it can be safely inferred that the border areas which Assam shares with Nagaland, Meghalaya, Arunachal Pradesh and Mizoram are being subjected to severe encroachment and various other illegal activities. The magnitude of activities might very from State to State, but their very existence has posed a grave threat not only to Assam's harmonious relations with her neighbours but also more importantly, to the fragile eco-system of the entire North-East region. Combating these evils is no child's play, and stringent and deliberate measures should be adopted by the Government of the State.

Endeavours must be made to settle the border disputes in accordance with the recommendations of the Shastri Committee and the Sundaram Committee. The common man must be made aware of the grave threat that Assam faces as a result of such illegal activities in her Forest Reserves. Strong public opinion will do wonder in bringing about a speedy solution.

No dispute can be settled amicably until and unless dialogue is held in a congenial atmosphere. So, efforts must be made to solve these border disputes through proper discussions in a harmonious setting.

The North-East region presents a perfect example of the adage—'Unity in Diversity' . Assam has always endeavoured to maintain peace and amity with her neighbours. That how the term 'Seven Sisters' came into existence. However, if Assam's goodwill and humility is taken advantage of by her neighbours and the illegal activities continue unabated even

after proper dialogue, then the very term "Seven Sister' unity" loses its significance. Under these circumstances, it seems pointless for Assam to honour this 'Unity' which is only superficial.

Although some measures to protect forest life in these border areas have been taken, they need to be radically increased. The Government of Assam should adopt progressive and active methods to preserve its forest life in these areas.

Finally, if the Government of Assam does not take strong and bold steps to fight this menace, Assam will continue to be trampled upon ruthlessly by her neighbours and we will continue losing what is rightfully, legally and constitutionally ours.

[First Published in The Assam Tribune August 18,1996. At that time the writer was the Forest Minister of Assam]

দেশপ্ৰাণ নগেন শৰ্মাৰ মৃত্যুত বিভিন্ন কাকতে সম্পাদকীয় শিতানত অভিমত প্ৰকাশ কৰিছিল। সম্পাদকীয়ৰ অংশ বিশেষ উল্লেখ কৰা হ'ল।

দৈনিক অসম

হত্যাকাণ্ড আৰু কিমান দিনলৈ

পৰহি দেওবাৰে বিয়লি নলবাৰী চহৰৰ পৰা আঠ কিলোমিটাৰ আঁতৰৰ বাঁহজানিত নলবাৰী সমষ্টিৰ বিধায়ক তথা অসমৰ গড়কাপ্তানি আৰু বন বিভাগৰ মন্ত্ৰী নগেন শৰ্মাৰ লগতে আন চাৰিজনক আলফা উগ্ৰপন্থীয়ে বোমা বিস্ফোৰণেৰে নৃশংসভাবে হত্যা কৰাৰ ঘটনা হৃদয়বিদাৰক। ৰাজ্যজুৰি এনে বৰ্বৰোচিত হত্যাকাণ্ডৰ বিৰুদ্ধে সৰৱ প্ৰতিবাদ ধ্বনিত হৈছে। ৰাজ্যপাল, মুখ্যমন্ত্ৰী, ইউনিফাইড কমাণ্ড প্ৰকৃতিয়ে ৰাজ্যখনলৈ শান্তিৰ পৰিবেশ ঘূৰি আহিছে বুলি সঘনাই ঘোষণা কৰি থকাৰ মাজতে সংঘটিত এনে শোকাবহ ঘটনাই যে চৰকাৰৰ তেনে ঘোষণাৰ ফোপোলা স্বৰূপটোকে উদঙাই দিছে তাত সন্দেহ নাই। শান্তি ঘূৰি অহাৰ সন্দৰ্ভত ঢাকঢোল বজাই দায়িত্বহীনভাবে চৰকাৰী পক্ষৰ পৰা এনেদৰে প্ৰচাৰ চলোৱাৰ বিপৰীতে ৰাজ্যখনত সক্ৰিয় হৈ থকা উগ্ৰপন্থী সংগঠনসমূহে নিজৰ স্থিতিৰ প্ৰমান দিবৰ বাবে তৎপৰতা অবলম্বন কৰিবই — এনে সম্ভাবনাৰ কথা মনত ৰাখি সংশ্লিষ্ট পক্ষসমূহে নিজকে উপযুক্তভাবে সাজু কৰি তুলিব যে পৰা নাই পৰহিৰ ঘটনাই সেই কথাকে প্ৰতীয়মান কৰিলে। ৰাজ্যখনৰ এগৰাকী কেবিনেট মন্ত্ৰী তথা শাসকীয় দলটোৰ সাধাৰণ সম্পাদকৰ পদ মৰ্যদাৰ এজনক হত্যা কৰি এই মুহূৰ্তত আলফাই ৰাষ্ট্ৰজুৰি নিজৰ সামৰ্থৰ 'বাৰ্তা' প্ৰেৰণ কৰিলে।

মন্ত্ৰী শৰ্মাৰ এই হত্যাকাণ্ড এক বিক্ষিপ্ত ঘটনা যে নহয় সেয়া ওলাই পৰে এই মাহৰে প্ৰথম সপ্তাহত আলফাৰ মুখপাত্ৰ 'স্বাধীনতা'ৰ লেখাৰ পৰা। ৰাজ্যৰ পাঁচ গৰাকী মন্ত্ৰীক গুপ্ত হত্যাৰ সৈতে অন্যতম জড়িত অভিযোগেৰে সমালোচনা কৰি লেখাটোত আলফাই সতৰ্ক কৰি দিয়া পাঁচ গৰাকীৰ অন্যতম আছিল মন্ত্ৰী নগেন শৰ্মা। ইয়াৰ আগতেও মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, পৌৰ প্ৰশাসন মন্ত্ৰী বিৰাজ কুমাৰ শৰ্মা, পশু পালন মন্ত্ৰী হিৰণ্য কোঁৱৰ আৰু ৰাজহ মন্ত্ৰী জয়নাথ শৰ্মাৰ ওপৰত

আলফাৰ আক্ৰমণ চলিছিল। প্ৰত্যেকবাৰেই তেওঁলোক দৈৱক্ৰমে ৰক্ষা পৰিছিল। ধাৰাবাহিক ঘটনাৰ পিছতো অপেক্ষাকৃতভাৱে কম নিৰাপত্তা সহকাৰে মন্ত্ৰী শৰ্মাৰ নিজা সমষ্টি ভ্ৰমণসূচী মন কৰিবলগীয়া দিশ।

এই ঘটনাৰ মাত্ৰ দুদিন পূৰ্বে মাজুলী বিধান সভা সমষ্টিৰ উপ-নিৰ্বাচনত একেৰাহে চতুৰ্থবাৰৰ বাবে অগপ দলে আসনখন নিজৰ দখলতে ৰাখিবলৈ সক্ষম হৈছিল। যোৱা দুটাকৈ লোকসভা নিৰ্বাচনত এখনো আসন হস্তগত কৰিবলৈ সমৰ্থ নোহোৱা অগপ দলৰ বাবে সাম্প্ৰতিক পৰিস্থিতিত মাজুলী জয় নিঃসন্দেহে অতিশয় গুৰুত্বপূৰ্ণ ঘটনা হিচাপে বিবেচিত হৈছে। আৱশ্যে মাজুলীয়েই অসম নহয়, আগন্তুক বিধান সভা নিৰ্বাচনহে দলৰ বাবে প্ৰণিধানযোগ্য হ'ব যদিও এই জয়ে স্বাভাৱিকতে দলটোক কিছু পৰিমাণে হলেও উৎসাহিত কৰিছে, দলীয় কৰ্মী সকলৰ মাজলৈ তৎপৰতা আনিছে। তেনে এক পৰিস্থিতিৰ মাজতে নলবাৰীৰ এই নৃশংস ঘটনাই সকলো ওলট-পালট কৰি দিলে। মাজুলীৰ ফলাফল আৰু নলবাৰীৰ ঘটনাৰ মাজত আওপকীয়াকৈ যোগসূত্ৰ থাকিব পাৰে নেকি? ৰাজ্যলৈ শান্তি ঘূৰি অহা বুলি চলোৱা জোৰদাৰ প্ৰচাৰৰ মাজতে উগ্ৰপন্থীয়ে সজোৰে নিজৰ স্থিতি ঘোষণা কৰিছে এজন কেবিনেট মন্ত্ৰী তথা শাসকীয় দলৰ সাধাৰণ সম্পাদক গৰাকীক হত্যা কৰি। সমগ্ৰ পদবীধাৰীৰ লগত সৰ্বসাধাৰণৰ জীৱন সা-সম্পত্তি ৰক্ষণাবেক্ষণৰ গেৰাণ্টি দিব লাগিব। মন্ত্ৰী শৰ্মাৰ লগতে শোকাবহভাৱে জীৱন হেৰুৱালে সমাজকৰ্মী, আগশাৰীৰ ক্ৰীড়া সংগঠক তথা ৰেডিঅ'ৰ ক্ৰীড়া ভাষ্যকাৰ প্ৰণৱেশ (মণ্টু) বৰুৱা, মন্ত্ৰী গৰাকীৰ ব্যক্তিগত সহকাৰী মাখন বৰপাত্ৰ গোহাঁই, নিৰাপত্তাৰক্ষী শৰৎ বৰুৱা, গাড়ী চালক মণ্টু ভূঞাই। আমি নিহত সকলৰ পৰিয়ালৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলো, মৃতকৰ আত্মাৰ সদগতি কামনা কৰিলো। এনে নিৰ্বিচাৰ নৃশংস হত্যাকাণ্ডৰ আমি তীব্ৰ নিন্দা কৰোঁ আৰু আততায়ীক বিচাৰি কঠোৰ শাস্তি বিহিবৰ বাবে দাবী জনাওঁ।

আজিৰ অসম

এনে হত্যা বন্ধ হ'ব কেতিয়া?

অসমত সম্প্ৰতি চলি থকা ধ্বংস লীলাৰ শেহতীয়া স্বৰূপটো নলবাৰীৰ সমীপত ৰাজ্য চৰকাৰৰ বন আৰু গড়কাপ্তানি মন্ত্ৰী নগেন শৰ্মা আৰু আন ৪ জনক বোমা ফুটাই নিহত কৰা জঘন্য ঘটনাই উদঙাই দিলে। যোৱা দেওবাৰে দুপৰীয়া নলবাৰীৰ দক্ষিণত থকা এখন মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ বৈঠকত যোগদানৰ

বাবে শৰ্মা হাজো অভিমুখে যাত্ৰা কৰিছিল। কিন্তু গন্তব্য স্থল পোৱাৰ আগতে আলফা উগ্ৰপন্থীয়ে আগতে স্থাপন কৰি থোৱা শক্তিশালী বোমাটো দূৰনিয়ন্ত্ৰণ কৌশলেৰে বিস্ফোৰণ ঘটাই শৰ্মাৰ গাড়ীত থকা আটাইকেইজনক নিহত কৰে। বোমাৰ বিস্ফোৰণ ইমানেই শক্তিশালী আছিল যে মন্ত্ৰী শৰ্মা উঠি থোৱা মটৰখনৰ পিছৰ অংশটো টুকুৰা-টুকুৰ হৈ যায় আৰু লগতে শৰ্মা আৰু নিহত ব্যক্তি কেইগৰাকীৰ তলৰ অংশ বোমাৰ আঘাটত ছিন্ন ভিন্ন হয় আৰু এইবিলাক ৫০/৬০ ফুটৰ বেছি দূৰলৈ উৰি যায়। বোমা বিস্ফোৰণ হোৱা ঠাইত প্ৰায় ১০ ফুট দ গাঁতৰ সৃষ্টি হয়। শৰ্মাৰ লগত থোৱা আৰু ৪ খন গাড়ীৰ পৰা নিৰাপত্তা বাহিনীৰ লোক নামি আহে যদিও তেওঁলোক উগ্ৰপন্থীৰ গুলীবৰ্ষণত সন্মুখীন হোৱা বুলি প্ৰকাশ। উক্ত মহাবিদ্যালয়খনৰ মাত্ৰ ২০০ মিটাৰ নিলগত হোৱা বিস্ফোৰণত আন নিৰাপত্তাৰক্ষীসকল সাৰি আহিব পাৰিলে আৰু গাড়ীকেইখনৰো কোনো ধৰণৰ ক্ষতি নহ'ল। দেওবাৰৰ দিনা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ উক্ত বৈথক পতাত একাংশ লোকে আপত্তি কৰিছিল, কাৰণ পিছদিনা উচ্চতৰ মাধ্যামক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষা আছিল। সভাপতি শৰ্মাই জোৰ দিলত বৈঠক বহুবাব খোজা হৈছিল; কিন্তু তাৰ আগঁয়ে শৰ্মাই প্ৰাণ দিব লগা হ'ল যেন নিয়তিৰ এইয়া বিধানেই আছিল। মন্ত্ৰী শৰ্মাৰ লগত অধ্যক্ষ প্ৰণবেশ বৰুৱা আছিল। তেওঁ এজন জনপ্ৰিয় ক্ৰীয়া ভাষ্যকাৰ। তেওঁৰ উপৰি মটৰখন চালক মণ্টু ভূএগ্ৰ, মন্ত্ৰীৰ দেহৰক্ষী শৰৎ বৰুৱা আৰু ব্যক্তিগত সচিব মাখন ৰবপাত্ৰ গোঁহাইৰ এই জঘন্য হত্যাকাণ্ডত মৃত্যু হয়। এনে বীভৎস ঘটনাই আমাক মৰ্মাহত কৰিছে।

The Assam Tribune

A DASTARDLY OUTRAGE

The Killing of Forest and PWD Minister Nagen Sarma by blowing up his vehicle at Niz-Bahjani in Nalbari is one of the most dastardly deeds perpetrated by the banned United Liberation Front of Assam. What is more, the outfit seems to be taking pride in claiming that the AGP leader has been eliminated because he was a 'traitor', at the same time shedding crocodile tears for the four others who also perished in the blast. It is not understood how the ULFA has termed Sarma a traitor whereas the militants themselves are holding at the

State and the nation to ransom by including in senseless killings. These people who profess to be fighting for an independent Assam for their perverted sense of partriotism and resort to violence of the worst form in trying to achieve an unattainable goal. The Bahjani outrage has sent shock waves throughout the State and the region and has wiped out whatever little sympathy some sections of the society might have harboured for the extremists. That the crime deserves to be roundly condemned goes without saying and spate of condemnation by all parties and leaders is enough indication that such terrorist acts are abhored in any civilized society.

The ULFA which has already claimed responsibility of the blast and killing has been targeting to political leaders, mainly the AGP Ministers, during the party's second term in power. The outfit had earlier shot at Municipal Administration Minister Biraj Kumar Sarma who has to be taken to Delhi for treatment. There had also been attempts on the lives of Veterinary Minister Hiranya Konwar in Nagaon and Revenue Minister, Zoii Nath Sarma in Darrang district. These incidents including the latest outrage show the treat all political leaders are carrying on their heads from militant organizations. The situation definitely calls for sterner measures to deal with these anti-social and anti-national elements. The authorities claim that the ULFA is already on the run and more cadres are deserting the outfit. If the explosion on Sunday is an attempt to make its presence felt it has succeeded only partially, because the combined police and army action will needlessly subject innocent people to harassment and misery.

Nagen Sarma's death will be widely mourned because as a popular student leader later joining active politics ha had made his mark as one of the performing Ministers of the Mahanta cabinet. He was an intrepid person and had the courage of his convictions which must have antagonized the

militants. While conveying our heartfelt condolences to the bereaved families of Sarma and the four others killed in the explosion had in discriminate firing immediately after, we call upon the authorities to mount a more effective and comprehensive assault on these terrorists. The public also has a duty to extend all help and cooperation to the authorities in tackling the menace of terrorism.

The Sentinel

A DASTARDLY KILLING

Sunday afternoon's cold-blooded killing of Forest and PWD Minister Nagen Sarma and four others with him at Niz Bahjani near Nalbari was yet another of the dastardly acts of the ULFA at a time when it is getting more desperate than ever before. Since the ULFA has claimed 'credit' for this diabolic act, it is appropriate to ask the misguided absentee leaders of the outfit what anyone could have gained out of such a cold-blooded killing. Do five human dead bodies add up to anything much as trophies? Does the killing of a minister and four others with him take the ULFA even an inch closer to its invisible objectives, whatever they may be at this point of time? Add what has the ULFA sought to prove? That is was a canard that the ULFA went only for soft targets? After four unsuccessful attempts to get at 'hard' targets (the media seems have overlooked the fact that the outfit has also tried to get the Chief Minister of Assam once), it got a minister on Sunday. There is nothing very great or remarkable about being able to kill or destroy. There are individuals and groups who can achieve nothing else that is even remotely creative, as the ULFA cadres (both present and past) have so convincingly demonstrated time and again. And every time there is an ambush, the advantage invariably lies with those who planned

it. We condemn in the strongest of terms the dastardly and cold-blooded killing of Nagen Sarma and the four others Mantu Bhuyan, Sarat Barua, Mukhan Gohain and Mantu Barua, a distinguished citizen of Nalbari town—who also praised with him. And we urge the people of Assam neighter to forget nor forgive.

The North East Times

A brutal savagery

Assam appears to be sliding into the dark days of death and destruction. The guardians of law and order are providing unequal to the task of maintaining it. It has come a cropper in ensuring safety even to a minister. Forest and PWD Minister Nagen Sarmah and four others fell victim to the evil designs of the militants on Sunday. Where even a minister's life is not secure, the danger to the general run of the people can be better imagined than described.

The killing of Nagen Sarmah is unquestionably the result of the objects failure of the intelligence agencies to foresee the danger and alert the police and civil administrations against it. It was a known fact that the minister had a busy schedule in an area which is a stronghold of the militants. It was therefore, necessary to take precautionary measures against possible attack on him. This aspect of security was perhaps not much attention by the administration as it deserved. And the inevitable has happened.

অসমীয়া প্ৰতিদিন

এক মৰ্মান্তিক হত্যাৰ প্ৰসংগ

অসম চৰকাৰৰ গড়কপ্তানি আৰু বনমন্ত্ৰী নগেন শৰ্মা, নলবাৰীৰ সৰবৰাহী সমাজকৰ্মী প্ৰণবেশ বৰুৱা আৰু অন্যান্য তিনিজন মন্ত্ৰীৰ সহচৰ চৰকাৰী কৰ্মচাৰী

আলফাই সংঘটিত কৰা বোমা বিস্ফোৰণত দেওবাবে মৃত্যু ঘটিছে। তাৰ আগদিনাখন নগাঁৱৰ ওচৰত তিনিগৰাকী আলফা কৰ্মীবলগতে এগৰাকী সামৰিক জোৱানৰ মৃত্যু ঘটিছে। হত্যা, মৃত্যু, ৰক্ত, ভুৱা প্ৰতিশ্ৰুতি, দুৰ্নীতি, ৰাজনীতি সকলো একাকাৰ হৈ পৰা অসমৰ ৰাইজ আজি অসহায় হৈ পৰিছে। এই অসহায়তাৰ সুযোগ লৈছে সকলোৱে। চৰকাৰ, প্ৰশাসন, বিদ্ৰোহী সংগঠন আৰু সন্ত্ৰাসত লিপ্ত শক্তিসমূহৰ উদ্দেশ্য কি? এইবোৰ ব্যৱস্থা আৰু সংগঠনে ৰাইজক ক'লৈ লৈ যাব খুজিছে ৰাইজে আজি নেজানে। সেইবাবে এনেধৰনৰ মৰ্মান্তিক আৰু গৰিহনাযোগ্য হত্যাৰ ঘটনাক লৈ অধিকসংখ্যক সাধাৰণ ৰাইজৰে মন্তব্য হয় বিভ্ৰান্তিজনক নহয় অস্পষ্ট। মন্ত্ৰী নগেন শৰ্মাৰ সাংগঠনিক গুৰুত্বপূৰ্ণ দায়িত্বত তেওঁ অধিষ্ঠিত হৈ আছিল। শেহতীয়াভাৱে শ্ৰীশৰ্মাই নতুন নতুন আঁচনি ৰূপায়ণৰ ক্ষিপ্ৰতাৰে তেওঁৰ সমষ্টিৰ অসন্তুষ্ট ৰাইজৰ ক্ষোভ কিছু হ'লেও প্ৰশমিত কৰিবলৈকো সক্ষম হৈছিল। তেনে এজন নেতাৰ মৃত্যু অকল বেদনাদায়কেই নহয় – ৰাজ্যখনৰ বাবেই যথেষ্ট ক্ষতিকাৰক।

দৈনিক অগ্ৰদূত

প্ৰতিবাদৰ সাৰ্থকতা তেতিয়াহে

গড়কপ্তানী মন্ত্ৰী নগেন শৰ্মাই তেওঁৰ দুৰ্ভাগ্যজনক এই মৃত্যুৰ কেইমাহমান আগৰ পৰাই এই বিভাগত কিছু গতিশীল কাম কৰাৰ প্ৰয়াস কৰিছিল। গুৱাহাটী মহানগৰীৰ ঘাইপথবোৰ আহল-বহল কৰা পথৰ দাঁতিৰ বেদখলসমূহ উচ্ছেদ কৰা আৰু অতি প্ৰয়োজনীয় দুটা 'ফ্লাই অভাৰ' নিৰ্মান কৰাৰ কাম হাতত লৈছিল। জালুকবাৰীৰ চ'কত এটা সুবৃহৎ 'ৰোটাৰী' নিৰ্মানৰ কামো উল্লেখযোগ্য আছিল। শেহতীয়াভাৱে নিজৰ সমষ্টিতো কিছু প্ৰয়োজনীয় কাম হাতত লৈছিল। স্বাভাৱিকতে তেওঁৰ অবৰ্তমানত এই আঁচনিবোৰৰ কামৰ ক্ষিপ্ৰতাত ব্যাঘাত ঘটিব। ইতিমধ্যে ৰাজ্যৰ গড়কপ্তানী দপ্তৰ লাভ কৰাৰ বাবে কে'বাজনো মন্ত্ৰীৰ এতিয়া তদবিৰাজদি আৰু প্ৰতিযোগিতা আৰম্ভ হৈছে বুলি সংবাদ-পত্ৰত প্ৰকাশ হৈছে, অথচ মুখ্যমন্ত্ৰীকে ধৰি কোনো এগৰাকী মন্ত্ৰীয়ে এই পৰ্যন্ত তেওঁ আকস্মিকভাৱে এৰি থৈ যোৱা এই অসম্পূৰ্ণ কামবোৰ সম্পূৰ্ণ কৰি তোলাৰ বাবে চৰকাৰে ধ্যান দিব বুলি ৰাজহুৱাভাৱে বিবৃতি প্ৰকাশ কৰা হোৱা নাই। নিৰ্দিষ্ট সময়ৰ ভিতৰত মন্ত্ৰী শৰ্মাই সম্পূৰ্ণ কৰিবলৈ আশা কৰা আঁচনিকেইটা সেই সময়ৰ ভিতৰতে যথাযথভাৱে ৰূপায়িত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হোৱা মন্ত্ৰীকহে এই দপ্তৰৰ দায়িত্ব প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰীয়ে চিন্তা কৰিব লাগে। এই কাৰ্যকালৰ বাকী থকা দিনকেইটা অগপ দলে আৰু এই দলৰ চৰকাৰে দুৰ্নীতিক প্ৰশ্ৰয় নিদি ৰাইজৰ সেৱাত ব্ৰতী হ'লেও তেওঁলোকৰ স্বলিত

ছবিখনৰ ক্ষুদ্ৰভাৱে পুনৰুদ্ধাৰ হোৱাৰ আশা কৰিব পাৰে আৰু হিংসা-হত্যাৰ বিৰুদ্ধে গঠন কৰিব খোজা প্ৰতিবাদী আন্দোলনৰ সাৰ্থকতা সম্ভৱ হ'ব পাৰে।

আমাৰ অসম

দালাল– ভাৰতীয় আৰু বিদেশী ৰাষ্ট্ৰযন্ত্ৰৰ

আলফা নিশ্চয় উচ্ছ্বাসিত হৈ পৰিছে। কাৰণ আলফাৰ মুক্তি আন্দোলনৰ সফলতাৰ একমাত্ৰ মাপকাঠি হ'ল হত্যাৰ সংখ্যা নিহতৰ গুৰুত্ব। যিমানেই বেছিসংখ্যক লোকৰ তেওঁলোকে প্ৰাণ ল'ব পাৰে সিমানেই মুক্তিৰ আনন্দত উল্লাসিত হৈ পৰে তেওঁলোকৰ প্ৰাণ। সেই দিশৰ পৰা অসমৰ গড়কপ্তানী মন্ত্ৰীজনকে ধৰি পাঁচজনকৈ লোকৰ হত্যা আলফাৰ বাবে এক সুন্দৰ সাফল্য। কিন্তু প্ৰশ্ন হ'ল – এক হত্যালীলাই কিমান আগুৱাই নিলে আলফাৰ মুক্তি সংগ্ৰাম? মন্ত্ৰী নগেন শৰ্মা আৰু তেওঁৰ চাৰিজন সহযোগীৰ নৃশংস হত্যা কোনো বিচ্ছিন্ন ঘটনা নহয়। যি নৃশংসতাৰ বলি হৈছে সঞ্জয় ঘোষ, ৰশ্মি বৰাকে আদি কৰি অসমৰ সহস্ৰাধিক লোক—সেই নৃশংসতাৰে নিৰবচ্ছিন্ন ধাৰাৰ বলি হৈছে গাড়ীচালক মণ্টু ভূঞা, অধক্ষ্য প্ৰণৱেশ বৰুৱা বা মন্ত্ৰী নগেন শৰ্মা।

মন্ত্ৰীগৰাকীৰ হত্যা কৰাৰ কাৰণ হিচাপে আলফাই কৈছে যে তেওঁ আছিল ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ দালাল। কিন্তু বিদেশী ৰাষ্ট্ৰ এখনে যে আলফাক বোমা-বাৰুদৰ যোগান ধৰি আছে - সেয়া অসমীয়া ৰাইজৰ মুক্তিৰ স্বাৰ্থতনে? আলফাই সেই বিদেশী ৰাষ্ট্ৰযন্ত্ৰৰ দালালি কৰি থকাটো ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ দালালি কৰাতকৈ কম জঘন্য অপৰাধনে? বিদেশী ৰাষ্ট্ৰ এখনে আমাৰ ওপৰত হিংসা আৰু বিপ্লৱ জাঁপি দিব খুজিছে আৰু আলফাই অসমৰ মুক্তিৰ নামত সেইখন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰযন্ত্ৰৰ উদ্দেশ্য পূৰণ কৰাৰ দায়িত্ব গ্ৰহণ কৰিছে। নিজকে শত্ৰু-ৰাষ্ট্ৰ এখনৰ হাথিয়াৰ হ'বলৈ এৰি দিয়া সংগঠন এটাই আনক ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ দালাল বুলি অভিযুক্ত কৰাৰ অধিকাৰ আছেনে? অসমীয়া মানুহে নিজকে পৌৰাণিক কালৰে পৰা ভাৰৰ্ত বুলিয়েই গণ্য কৰি আহিছে। সেয়েহে কোনোবা এজনে ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ লগত জাড়িত হৈ পৰাটো দালালি কৰা নুবুজায়। সেয়েহে মন্ত্ৰী নগেন শৰ্মাৰ বিৰুদ্ধে অন্য অভিযোগ নানি ৰাষ্ট্ৰযন্ত্ৰৰ দালালিৰ অভিযোগ উত্থাপন কৰাটো ৰক্তলোলুপতাক ঢাকি ৰাখিবলৈ কৰা অপচেষ্টাৰ বাহিৰে আন একো নহয়।

আজিও আমি বিশ্বাস কৰো যে অসমৰ ৰাজনৈতিক দল আৰু মন্ত্ৰী-বিধায়কসকলে যি ধৰণৰ কাম-কাজ চলাই আছে সেয়া বহু ক্ষেত্ৰত অসমৰ স্বাৰ্থৰ

পৰিপন্থী। কিন্তু তেওঁলোকৰ বিৰুদ্ধে ৰাজনৈতিক যুদ্ধলৈ নগৈ, তেওঁলোকৰ বিৰুদ্ধে জনসমৰ্থন সংগঠিত কৰিব নোৱাৰি তেওঁলোকক হত্যা কৰিছে। অসমৰ বাইজে আলফাক শত্ৰু নিধনৰ ঠিকা নিশ্চয় দিয়া নাই। আলফাই এই ঠিকা থলুৱা বাইজৰ স্বাৰ্থ-বিৰোধী ৰাষ্ট্ৰ কিছুমানৰ পৰাহে লাভ কৰিছে। এবাৰলৈও আলফাই অসমৰ বাইজৰ ধনেৰে ধনী হোৱা দুৰ্নীতিগ্ৰস্তবোৰৰ বিৰুদ্ধে মাত মতা নাই। ওলোটাই তেওঁলোকৰ পৰা দুৰ্নীতিৰ অংশ লৈ তেওঁলোকক মুকলিকৈ দুৰ্নীতি কৰাৰ অনুজ্ঞা দিছে আৰু যেতিয়াই বাইজৰ মাজত নিজৰ স্থিতি দুৰ্বল হোৱা বুলি অনুভৱ কৰিছে, তেতিয়াই শক্তি প্ৰমাণৰ বাবে কোনোবা এজনক হত্যা কৰি মানুহক সন্ত্ৰস্ত কৰি ৰাখিছে — যাতে তেওঁলোকৰ বিৰুদ্ধে সাধাৰণ মানুহৰ ক্ষোভ মুকলিকৈ প্ৰকাশ পাব নোৱাৰে। তেওঁলোকৰ বাবে সাধাৰণ মানুহৰ জীৱনৰ মূল্য ইমানেই কম যে নিহত শৰ্মাৰ গাড়ীচালক অথবা ব্যক্তিগত সহকাৰীজনৰ মৃত্যু নিশ্চিত বুলি জানিও মন্ত্ৰীজনক বোমাৰে আক্ৰমণ কৰা হ'ল। এতিয়া নিয়ম-মাফিক দুখ প্ৰকাশক বিবৃতিৰে তেওঁলোকৰ পৰিয়ালক ক্ষতি পূৰণ দিয়াৰ চেষ্টা কৰা হৈছে। কেৱল হত্যাকাৰীৰ দললৈ পৰিবৰ্তন হোৱা আলফাৰ বাবে সংগঠনটোৰ অস্তিত্বৰ স্বাৰ্থত এনেদৰে যিকোনো লোকক বলি দিয়াটো এক গতানুগতিক পৰম্পৰাত পৰিণত হৈছে।

আলফাই এসময়ত কৈছিল যে বিদেশী মান আৰু ইংৰাজৰ মাজত স্বাক্ষৰিত ইয়াণ্ডাবু সন্ধিয়ে হোনো অসমক পৰাধীন কৰিলে। কিন্তু এতিয়া অন্য এখন বিদেশী ৰাষ্ট্ৰৰ লগত আমাৰ ৰাজ্যখনৰ এই সংগঠনটোৱে সন্ধি কৰি আমাক পৰাধীনতাৰ পিনে আগুৱাই নিছে। জনসাধাৰণক জাগৰিত কৰিব পাৰিলে, সংগঠিত কৰিব পাৰিলে আৰু নেতৃত্ব দিব পাৰিলে জনতাৰ শক্তিয়েই সকলো শোষণ আৰু ভ্ৰষ্টাচাৰ ধ্বংস কৰাৰ বাবে যথেষ্ট। আলফাই ধন আৰু অস্ত্ৰ-সৰ্বস্ব কাৰ্য-কলাপ বন্ধ কৰি তৃণমূল পৰ্যায়ত এই লক্ষ্যৰে কাম কৰক — ইয়াৰ সম্পূৰ্ণ অধিকাৰ আলফাৰ আছে। কিন্তু তাকে নকৰি অসমখনক থান-বান কৰি অসমৰ মানুহক অস্ত্ৰ ভয় দেখুৱাই সন্ত্ৰস্ত অসমৰ বাইজে অন্ততঃ অসমক আকৌ এবাৰ বিদেশী ৰাষ্ট্ৰ হওক — অথবা তেওঁলোকৰ সশস্ত্ৰপ্ৰতিভূ হওক। এই ষড়যন্ত্ৰ নিশ্চয় ব্যৰ্থ হ'বই।

অসম বিধান সভাত বিধায়ক আৰু মন্ত্ৰীৰূপে শৰ্মাই সবল ভূমিকা গ্ৰহণ কৰিছিল। বিধানসভাত শৰ্মাৰ প্ৰশ্ন আৰু উত্তৰ শিতানৰ অংশ বিশেষ ইয়াত উল্লেখ কৰা হ'ল।

Calling attention on the magger published in the weekly Nilachal,
dated 05-04-93 under the caption.

"ধনশিৰি মহকুমাৰ অসম নাগালেণ্ডৰ সীমান্তত পুনৰ সংঘৰ্ষৰ সম্ভাৱনা"

মাননীয় অধ্যক্ষ : মাননীয় সদস্য শ্ৰীনগেন শৰ্মাই ক'ব।

শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, অসম নাগালেণ্ড সীমান্তত সংঘৰ্ষ সমন্বয় শীৰ্ষক বাতৰিটো বিভাগীয় মন্ত্ৰী মহোদয়ক আপোনাৰ যোগেদি মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অসম নাগালেণ্ড সীমান্ত সমস্যাটো এটা দীৰ্ঘদিনীয়া সমস্যা। আমি জানিব পাৰিছো এই সমস্যাটোৰ চৰকাৰে একো সমাধান কৰিব পৰা নাই। ১৯৭৯ চনৰ পৰা এই সমস্যাটো অতি তীব্ৰতৰ হৈছে। কাঠ মিলৰ মানুহ, কাঠ মিলৰ মালিকপক্ষ আৰু লগতে অসমৰ ভিতৰত থকা এচাম ব্যৱসায়ীৰ মূলতে এই সমস্যাটো তীব্ৰতৰ হৈছে। ১৯৭৯ চনৰ ৫ মাৰ্চ তাৰিখে অসম আৰু নাগালেণ্ডৰ সীমা সম্পৰ্কত সংঘৰ্ষ হওঁতে আমি নাগালেণ্ড সৰ্বপ্ৰথমে ভ্ৰমণ কৰিছিলো। অসম চৰকাৰে ভ্ৰমণ কৰা নাছিল। ঘটনাৰ সবিশেষ জানিবৰ কাৰণে সুন্দৰম কমিটি গঠন কৰা হৈছিল যদিও অসম চৰকাৰৰ সক্ৰিয়তাৰ অভাৱৰ কাৰণে সুন্দৰম কমিটিৰ ৰিপোৰ্ট সম্পূৰ্ণ হৈ নুঠিল। আমি দেখিবলৈ পাইছো যে নাগালেণ্ডৰ লগত অসম চৰকাৰ জড়িত হৈ আছে। নাগালেণ্ডে সমভূমি অঞ্চল দখল কৰা এটা অভিসন্ধি আছে। বিশেষকৈ সমতল ভূমিত পৰ্যাপ্ত পৰিমাণে কাঠ আৰু বনজ সম্পদ আহৰণ কৰাৰ কাৰণে উক্ত অঞ্চলৰ কাৰণে নাগালেণ্ড চৰকাৰে বিতৰ্কিত কৰি ৰাখিছে। আসাম ৰাইফলচ্ সীমান্তত থাকে যদিও নাগালেণ্ডৰ সীমাৰ সিপাৰে থকা লোকসকলৰ ওপৰত একো ব্যৱস্থা গ্ৰহণ নকৰে। এইপাৰে থকা অসমৰ বাসিন্দা সকলৰ টকা-পইচা, সা-সম্পত্তি লুট কৰি নিয়ে। চুক্তজান, মেৰাপানী আদিত এনে ঘটনা ঘটিছে। কাঠ মিলৰ যিসকল ব্যৱসায়ী আছে তেওঁলোকে অতি সহজে মূল্যবান কাঠবোৰ কাটি লৈ যায় সেই

কাঠবিলাক অতি সোনকালে সুৰক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ১৯৭৯ চনত আমাৰ মাননীয় সদস্যসকলে প্ৰয়ে জানে যে চুণ্ডাজান, মেৰাপানী আদি কিছুমান অঞ্চলত ১০ হেজাৰ লোক গৃহহীন হৈছিল। ১০ হেজাৰতকৈও অধিক লোকৰ মৃত্যু হৈছিল। সেই ১০ হেজাৰৰ ১ হেজাৰ লোককহে বাসস্থানৰ সা-সুবিধা কৰি দিছে। এই লোকসকলৰ স্পৰ্শকাতৰ বিষয়ত অসম চৰকাৰে গুৰুত্ব দিব লাগে আৰু অসম নাগালেণ্ড সমস্যা সমাধান কৰিবৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে খৰতকীয়া ব্যৱস্থা ল'ব বুলি আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

On November 4, 1999, Sri Nagen Sarma made a reply to the Censure Motion made in the Floor of the House by Dr. Ardhendu Kumar Dey on 1.11.99 against the PWD.

কে বি ৪/১১/৯৯
চি চি-১

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী, গড়কাপ্তানী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কংগ্ৰেছ দলৰ সদস্যসকলে ভৎসনা প্ৰস্তাৱ উত্থাপন কৰিছে, তেখেতসকলক ধন্যবাদ জনাইছো। ধন্যবাদ এই কাৰণেই জনাইছো যে বিষয়টোৰ গভীৰতালৈ তেখেতসকল যাব পৰা নাই যেন অনুভৱ কৰিছো। কাৰণ যিটো বিষয় উত্থাপন কৰিছে মূলতঃ ৰাজধানী সম্পৰ্কত বেছিকৈ জোৰ দিছে। ৰাজধানীৰ কথা কোৱাৰ আগতে কেইটামান কথা ক'বৰ বাবে আগবাঢ়িছো। তেখেতসকলে দুৰ্নীতিৰ কথা উল্লেখ কৰিছে। তেখেতসকলে যিখন নটিচ দিছিল সেই নটিচত দুৰ্নীতিৰ এটাও মন্তব্য কৰা নাই। তেওঁলোক যেতিয়া চৰকাৰত আছিল সেই সময়ত এই শিতানত ষ্টেটৰ বোডত ১৬৩.৩৫ কোটি, এন. ই. চিত ৮.৩৩ কোটি, এন. এইচত ৫৪ কোটি, আৰু দলং নিৰ্মাণত ৮০ কোটি লায়েবিলিটিজ এৰি থৈ গৈছে। মাননীয় অধ্যক্ষ মহোদয়, তেখেতসকলৰ দিনৰ এটা দুৰ্নীতি সম্পৰ্কত কওঁ আৰুমই এভিদেন্স দিব পাৰিম। ১৯৯২ চনৰ মাৰ্চত হঠাতে চিমেণ্ট কিনিছিল। এই চিমেণ্ট মোডিৰ পৰা ২ হাজাৰ মেট্ৰিক টন, উৰিষ্যাৰ পৰা ১০ হাজাৰ মেট্ৰিক টন আৰু জে.পি. বিয়াৰ পৰা ২০ হাজাৰ মেট্ৰিক টন চিমেণ্ট কিনিছিল। জে.পি. বিয়াৰ ৪.৫২১ কোটি টকা পেমেণ্ট কৰিছিল। ইমান টকাৰ চিমেণ্ট কিনাৰ কোনো প্ৰয়োজন নাছিল। এই চিমেণ্ট এতিয়ালৈকে ব্যৱহাৰ কৰিব নোৱাৰি তেওঁলোকে গুৱাহাটী মুখ্য অভিযন্তা, ৰোডচ্, বিল্ডিং, এ.এছ.ই.বি. ইৰিকেচন আৰু পি. এইচ. ই বিতৰণ কৰিছে। মুঠ ১৫৪১৭.১০ হেজাৰ মেট্ৰিক টন চিমেণ্ট বিতৰণ কৰিছে।

শ্ৰীভৰত নৰহ ঃ গড়কাপ্তানী বিভাগত নিয়ম আছে আৰু বুক ট্ৰেন্সফাৰ কৰিব পাৰে।

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী, গড়কাপ্তানী) ঃ এই চিমেণ্টৰ কাৰণে এটা কোম্পানীক

৮ লাখ পেইড কৰিছে। সেই কোম্পানীৰ পৰা চিমেণ্ট আনিব নোৱাৰিলে। মাত্ৰ দুহেজাৰ মেট্ৰিক টন আহিছে। বাকীখিনি চিমেণ্ট অহা নাই। এই সন্দৰ্ভত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক এটা উচ্চ পৰ্য্যায়ৰ তদন্ত কৰিবলৈ অনুৰোধ জনালো। সেই সময়ত যিগৰাকী মুখ্য অভিযন্তাই চিমেণ্ট ক্ৰয় কৰিবলৈ আদেশ দিছিল তেওঁ অৱসৰ গ্ৰহণ কৰিছে। তেওঁৰ ওপৰত ডিপাৰ্টমেণ্টেল প্ৰচিডিংচৰ ব্যৱস্থাও ল'ব নোৱাৰিলে। মই চাৰ্জ লোৱাৰ পিছত ক্ৰিমিনেল প্ৰচিদিং কৰিবলৈ অৰ্ডাৰ দিলো।

ৰাজধানীৰ কথা উল্লেখ কৰিছে। অসম গণ পৰিষদ দলে স্থায়ী ৰাজধানী নিৰ্মণ কৰিবলৈ গৈ এটা স্থায়ী কাম কৰিবলৈ লৈছে। ১৯৭১ চনৰ পৰা তেখেতসকলে সাহস গোটাব নোৱাৰিলে। স্থায়ী ৰাজধানী ক'ত হ'ব তাকো নিৰ্ণয় কৰিব নোৱাৰিলে। এবাৰ চন্দ্ৰপুৰত, এবাৰ আমিনগাঁৱত আধাৰশিলা স্থাপন কৰিছে। চন্দ্ৰপুৰত প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে আধাৰশিলা স্থাপন কৰিছিল। স্থায়ী ৰাজধানী নিৰ্মাণৰ কাৰণে টেণ্ডাৰ দিছিল। তেওঁলোকক দিয়াত অসুবিধা হোৱা নাই। এইটো এটা কেন্দ্ৰীয় চৰকাৰৰ চেমি গভৰ্ণমেণ্ট কোম্পানী কাৰণে দিয়া হৈছে। এই সংক্ৰান্তত গুৱাহাটী হাইকোৰ্টচ এটা কেছ ৰুজু কৰিছিল। এই কেছৰ ৰায় অনুযায়ী বিভাগীয় মন্ত্ৰী মহোদয়ক এই বিষয়টো পুনৰ বিবেচনা কৰিবলৈ কৈছে। মাননীয় সদস্যসকলে কৈছে যে হঠাতে গড়কপ্তানী বিভাগৰ পৰা শিলচৰ আৰু গোলাঘাট ডিভিজনত বেছিকৈ টকা দিয়া হৈছে। বেছিকৈ দিয়াৰ কাৰণ হৈছে— শিলচৰত বাণিজ্যিক আৰু জামুগুৰিৰ দুখন দলং নিৰ্মাণৰ কাৰণে ৭২ কোটি টকা এই বিভাগৰ ঠিকাদাৰ সকলক দিবলৈ আছে। সেই কাৰণে ডিভিজনলৈ টকা পঠাইছো। ব্যক্তিগতভাৱে টকা পঠোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১-৯৫ চনলৈ তেখেতসকলৰ চৰকাৰ আছিল। তেনে ধন আবণ্টন দিওঁতে তেখেতসকলৰ দিনলৈ লক্ষ কৰি চাওঁক। কিমান টকা ব্যক্তিগত ঠিকাদাৰসকলক দিছে তথ্যপাতি দাখিল কৰিব পাৰিম। আমি আৰু এটা সমস্যাৰ সন্মুখিন হৈছো। অসমত আজিৰ দিনটোলৈ ষ্টেট ৰোডত ৮ হাজাৰ ব্ৰিজ আছে। এহাজাৰ ২৬ খন দলং মেৰামতি কৰিছো। ১৯৯৭-৯৮ চনত প্ৰেন মানি লাগিছিল ৫০ কোটি। তাৰ ঠাইত আমি পাইছো ৪.৭৬ কোটি টকা। কামবিলাক কৰিবৰ কাৰণে যিমানখিনি ধন আবণ্টন পাইছো সেইখিনিৰে কামখিনি কৰিব পৰাটো সম্ভৱ নহয়। সেই সময়ত ১৯৯১-৯৫ চনত যিখন চৰকাৰ আছিল সেই চৰকাৰৰ দিনত শ্ৰীৰামপুৰ গেটৰ পৰা এতিয়া আহিব পাৰে। আৰু বাবিধাত পৰিত্ৰাণ পাইছে। বাস্তাৰ খাই পথত এই পৰিত্ৰাণ পাইছে। তেখেতসকলৰ দিনত যিখিনি লায়বিলিটিজ এৰি গৈছে, প্ৰেন মানি ডাইভাৰ্ট কৰিছে এতিয়াও আমি ঠিক কৰিব পৰা নাই।

এ. এচ

চি, চি-২৪/১১/৯৯

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতসকলেই লাইবিলিটি বিলাক এৰি থৈ গৈছে। তেখেতসকলৰ কংগ্ৰেছৰ দিনতে প্লেন হেডৰ ৭০ কোটি টকা ৰিপিয়াৰিং হেডলৈ সলনি কৰি দিয়া হ'ল। প্লেন ডাইভাৰ্ট তেখেতসকলেই কৰিছে। প্লেনৰ টকা ৰিপিয়াৰিঙলৈ আনি ৭০ কোটি টকাৰ কিমান দলঙ নিৰ্মান কৰিছে। এতিয়াও সেই টকা মুকলি কৰিব পৰা নাই। ৩৯ কোটি টকাদিছে। সেই কাৰণে কৈছো 'ওপৰলৈ থু পেলালে নিজৰ মুখতে পৰে'। ১৯৯৫-৯৬ চনত এফডি, আৰৰ কাৰণে আমি বিচাৰিছিলো ৪০.১৪ কোটি টকা, আমি পালো ১২.৮৫ কোটি টকা। ১৯৯৬-৯৭ চনত বিচাৰিছিলো ১২.৬৬ কোটি টকা, আমি পালো ১০ কোটি টকা। ১৯৯৬-৯৭ চনত পাইছো ১ কোটি টকা, আমি বিচাৰিছিলো ৬৮.৭ কোটি টকা। ১৯৯৮-৯০ চনত ১১৪ কোটি টকাৰ বিপৰীতে ৭.৭৭ কোটি কোটি টকা পাইছো। ১৯৯৯-২০০০ চনৰ বাবে ১৯০ কোটি টকা বিচাৰিছো। ২০.০৬ কোটি টকা পাইছো সেই কাৰণে ৰাষ্টা নিৰ্মাণৰ কাম বেচিকৈ কৰিব পৰা নাই। ভাৰত চৰকাৰৰ শুক্লা কমিচনত কৈছো যেঅসমক বেলেঞ্চত আনিবলৈ হ'লে অতিৰিক্ত ২৪ হাজাৰ কোটি টকা লাগিব। যিটো পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ টকাৰ সমান হ'ব। মৰ্চা চৰকাৰ অহাৰ সময়ত এটা স্পেচিয়েল পেকেজ দিছিল। ৬১০০ কোটি টকাৰ। কিন্তু এই পেকেজৰ টকাও নাপালো। শতকৰা ১০ ভাগ পুল কৰি দিবলৈ স্থিৰ কৰা হৈছিল। ২৫ লাখ টকা দিছে আহি পোৱা নাই। সেই কাৰণে মই কৈছো আমাৰ যি সকল সাংসদ আছে তেখেতসকলে এইবিলাক উত্থাপন কৰিব পাৰে। সাংসদসকলে কিন্তু উত্থাপন কৰিব পৰা নাই। নিৰ্বাচনত জিকাটোৱেই অসমৰ উন্নতি হ'ব নোৱাৰে। অসমৰ অৰ্থনৈতিক উন্নয়নৰ কথা ভাবিব লাগিব। কোনোবাই ডি. ডি. শৰ্মাৰ কথা কৈছে। তেওঁ দিল্লীৰ মানুহ নহয়। তেওঁ নলবাৰীৰ স্থায়ী বাসিন্দা। ডি.ডি. শৰ্মাৰ নামত কোনেও টকা পোৱা নাই। টকা গৈছে ডিভিজনৰ নামত। কোনোবা ঠিকাদাৰক দিছে। এইটো ডিভিজনৰ কাম, বিভাগৰ নহয়। জি. এল. আগৰৱালায়ো কাম পাইছিল— তেওঁ নকৰিলে। কাম নেচনেল টেণ্ডাৰ লেভেলত কৰিব লগা হয়। তাৰ কাৰণে মেচিন এউজ কৰিব লাগে। সকলোৰে মেচিন নাই। গুৱাহাটীৰ জি. এচ. ৰোডৰ কাম ১৯৮৭ চনতে আৰম্ভ হৈছিল। ডেভেলোপমেন্টৰ কাম কৰিব লাগিছিল কিন্তু কংগ্ৰেছে নকৰিলে। আমি আৰম্ভ কৰিলো। ৰাষ্টাৰ মাজত ডিভাইডাৰ দিছো। লাইটৰ ব্যৱস্থা কৰিছো। গুৱাহাটী হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ গেটওৱে। বি বৰুৱা ৰোডৰ ফ্লাই অভাৰ আৰু পাণবজাৰৰ ফ্লাই অভাৰ দুখন ইমান ঠেক যে তাৰ ওপৰেদি দুখন গাড়ী ক্ৰচ কৰিব

নোৱাৰে। ১৯৭০ চনতে কৰিছিল। তেতিয়া তেওঁলোকৰ দূৰদৰ্শিতাৰ অভাৱ আছিল। অধ্যক্ষ মহোদয়, আমি সকলো ঠাইতে কাম কৰিবলৈ প্ৰচেষ্টা চলাইছো। আমাৰ বিত্তীয় অৱস্থা ভাল নহয়। আমি কেন্দ্ৰীয় ৰেলমন্ত্ৰী আৰু পেট্ৰলিয়াম মন্ত্ৰীকো লগ কৰিছো। আমি সময়মতে ওৱাগনবিলাক নাপাও। সেই কাৰণে সময়মতে ৰিটুমেণ্ট নাপাও আৰু কাম কৰিব নোৱাৰো। কাৰণ আমাৰ ৱাৰ্কিং ডেইজ মাত্ৰ ৪-৫ মাহহে। এইবিলাক নিশ্চিতকৰণৰ কাৰণে কৈছো। অধ্যক্ষ মহোদয়, তেখেতসকলে যিটো চেনচোৰ মোচন আনিছে তাৰ কোনো সামঞ্জস্য নাই। মই যি ব্ৰীচ অৱ প্ৰিভিলেজ আনিছো সেইটো সঠিক সময়মতে আনিছো।

।। কেইগৰাকীমান লেখক ।।

প্ৰফুল্ল কুমাৰ মহন্ত
সদৌ অসম ছাত্ৰসন্থাৰ প্ৰাক্তণ সভাপতি; বৰ্ত্তমান অসমৰ মুখ্যমন্ত্ৰী। নটসূৰ্য সমিতিৰ মুখ্য পৃষ্ঠপোষক।



অধ্যাপক উপেন্দ্ৰনাথ শৰ্মা
কটন কলেজৰ ইংৰাজী বিভাগৰ প্ৰাক্তণ মুৰব্বী অধ্যাপক; অসমৰ শীৰ্ষস্থানীয় সমালোচক। নটসূৰ্য সমিতিৰ বিশিষ্ট সদস্য।



গুণীন হাজৰিকা
কলিয়াবৰ কলেজৰ প্ৰাক্তণ অধ্যাপক; সম্প্ৰতি অসম চৰকাৰৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী। নটসূৰ্য সমিতিৰ সভাপতি।

ড° ৰমেশ পাঠক
কটন কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক। বিশিষ্ট লেখক, ভাষাবিদ। নটসূৰ্য সমিতিৰ বিশিষ্ট সদস্য।



ড° [illegible] শৰ্মা
জাগীৰোড কলেজৰ প্ৰাক্তণ অধ্যাপিকা, অসম মহিলা সমতা চ'চাইটিৰ প্ৰাক্তণ সম্পাদিকা। বৰ্তমান মৰাবাৰী বিধান সভা সমষ্টিৰ বিধায়িকা।



বঞ্জিত কুমাৰ শৰ্মা

অসম চৰকাৰৰ চাকৰিয়াল, এজন সাংস্কৃতিক কৰ্মী। নটসূৰ্য সমিতিৰ বিশিষ্ট সদস্য।

[illegible] শৰ্মা

অসম বন বিভাগৰ [illegible] গৱেষক আৰু শৈক্ষিক বিষয়া।

[illegible]

অসমৰ শীৰ্ষস্থানীয় শিল্পী, চিত্ৰকৰ। নটসূৰ্য সমিতিৰ বিশিষ্ট সদস্য। নটসূৰ্য সমিতি প্ৰকাশিত 'অন্য এক গতি' [illegible] মূল্যবান প্ৰবন্ধ-সংকলন।

ড° মধু গোস্বামী

আৰ্যবিদ্যাপীঠ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা। লেখিকা।

[illegible]

লেখক, নাট্যকাৰ, [illegible]। ষ্টেট বেংক অৱ ইণ্ডিয়াৰ চাকৰিয়াল। নটসূৰ্য সমিতিৰ [illegible] সম্পাদক।

ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি আৰ. কে. নাৰায়ণনৰ লগত নগেন শৰ্মা

স্বামী অগ্নিবেশৰ লগত নগেন শৰ্মা

দিল্লীত অসম গণ পৰিষদৰ ধৰ্ণাৰ সময়ত প্ৰয়াত ললিত ৰাজখোৱাৰ লগত দেশপ্ৰাণ নগেন শৰ্মা

১৯৮৩ ৰ সমন্বয় সাংস্কৃতিক বাহিনীত ড° ভূপেন
হাজৰিকাৰ সৈতে নগেন শৰ্মা

পত্নী অলকা শৰ্মা আৰু জীয়ৰি পাৰমিতাৰ
সৈতে নগেন শৰ্মা

১৯৯১ চনৰ ১৭ জানুৱাৰীত কটন কলেজত
'শিল্পী দিবস'।